স্মৃতিগ্ৰন্থ

ৰঙিয়া মহাবিদ্যালয়

# ৰূপালী জয়ন্তী

ইং ১৯৬৩-৮৮ চন




সম্পাদক : অমৰেন্দ্ৰ শৰ্ম্মা

# স্মৃতিগ্ৰন্থ

## ৰূপালী জয়ন্তী সমাৰোহ

### ৰঙিয়া মহাবিদ্যালয়

১৮, ১৯ আৰু ২০ জানুৱাৰী, ১৯৮৯ চন

সম্পাদক ঃ শ্ৰীঅমৰেন্দ্ৰ কুমাৰ শৰ্ম্মা

স্মৃতিগ্ৰন্থ
ৰূপালী জয়ন্তী সমাৰোহ
ৰঙিয়া মহাবিদ্যালয়

স্মৃতিগ্ৰন্থ উপ-সমিতি ঃ
শ্ৰীনীলকান্ত মহন্ত (অধ্যক্ষ)
শ্ৰীগদাধৰ ফাটোৱালী
শ্ৰীউমেশ চন্দ্ৰ গোস্বামী
শ্ৰীনৰেন্দ্ৰ কলিতা
শ্ৰীনৰেন্দ্ৰ শৰ্মা
শ্ৰীঅমৰেন্দ্ৰ কুমাৰ শৰ্মা (আহ্বায়ক, সম্পাদক)
শ্ৰীসীমান্ত শালৈ

প্ৰচ্ছদপটৰ শিল্পী ঃ শ্ৰীতৰুণ শইকীয়া

মুদ্ৰণত ঃ সীমান্তিকা প্ৰিণ্টাৰ্ছ, গুৱাহাটী-৭৮১০০৩

## উচৰ্গা

যিসকল বিদ্যানুৰাগী ব্যক্তিৰ ত্যাগৰ ফলত ৰঙিয়া মহাবিদ্যালয়ৰ জন্ম হ'ল, সেই ত্যাগী মহান ব্যক্তিসকলৰ নামত এই স্মৃতিগ্ৰন্থখনি উচৰ্গা কৰা হ'ল।

—স্মৃতিগ্ৰন্থ উপ-সমিতি

# বিষয় সূচী

## প্ৰথম অংশ


পৃষ্ঠা

**মহাবিদ্যালয় প্ৰশস্তি ঃ**

বঙিয়া মহাবিদ্যালয় প্ৰশস্তিঃ ঃ শ্ৰীনীলকান্ত মহন্ত
প্ৰণামো তোমাক মহাবিদ্যালয় ঃ শ্ৰীদিনমণি ডেকা ১
A Greeting from an Ex-Student ঃ M. O. Ghani ২

**ইতিহাসৰ পমখেদি ঃ**

ৰঙিয়াত মহাবিদ্যালয় স্থাপনৰ চিন্তা ঃ শ্ৰীনাৰায়ণ শৰ্মা ৩
ৰঙিয়া কলেজৰ জন্মবেদনা ঃ শ্ৰীদুৰ্গাদত্ত আগৰৱালা ৮
ৰঙিয়া মহাবিদ্যালয়ৰ পঁচিশ বছৰীয়া জীৱন ইতিহাস ঃ শ্ৰীনীলকান্ত মহন্ত ১৫
কলেজ পাগলৰ কলম ঃ শ্ৰীনবেন কাকতি ২২
ৰূপালী জয়ন্তী চিন্তন ঃ শ্ৰীগোলোক চন্দ্ৰ ভূঞা ২৫
ৰঙিয়া কলেজত মোৰ পঁচিশ বছৰ ঃ শ্ৰীগদাধৰ ফাটোৱালী ৩০

**সোঁৱৰণী সোণালী**

শ্ৰদ্ধাঞ্জলি ঃ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি
স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাদেৱলৈ ঃ সংকলিত ৩৯
কলেজ প্ৰতিষ্ঠাৰ এগৰাকী বিশিষ্ট উদ্যোক্তা আৰু
প্ৰাক্তন শিক্ষকৰ পূতস্মৃতিত ঃ শ্ৰীউমেশ চন্দ্ৰ গোস্বামী ৪৩
শ্ৰদ্ধাতৰ্পণ ঃ সংকলিত ৪৬
শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈ মানুহজন ঃ মই যিভাবে চিনিছো ঃ শ্ৰীতৰুণ শইকীয়া ৫১

**অতীত মাধুৰী ঃ**

মোৰ স্মৃতিপটত ৰঙিয়া মহাবিদ্যালয় ঃ চৈয়দ মুছলিমুদ্দিন আহমেদ ৫৫
মোৰ সোঁৱৰণীত ৰঙিয়া মহাবিদ্যালয় ঃ শ্ৰীনৰেন্দ্ৰ শৰ্মা ৫৮
ৰঙিয়া মহাবিদ্যালয়, তোমাক নমস্কাৰ ঃ শ্ৰীঅনন্ত ডেকা ৬২
My Reminiscenes of Rangia College ঃ Sri Bipin Behari Sinha ৬৭
স্মৃতিৰ টুকুৰা ঃ মঃ ৰূপচাঁদ আলী ৬৯
মোৰ দৃষ্টিত ৰঙিয়া মহাবিদ্যালয় ঃ শ্ৰীঅৰুণ চন্দ্ৰ ডেকা ৭২
অতীতলৈ উভতি চাইছো ঃ শ্ৰীনীলিমা খাটুন ৭৫
এৰি অহা দিনবোৰৰ টুকুৰা স্মৃতি ঃ শ্ৰীজ্যোতিষ চন্দ্ৰ চৌধুৰী ৭৭

**মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা ঃ**


ৰঙিয়া মহাবিদ্যালয় গ্ৰন্থাগাৰ ঃ শ্ৰীবীৰেন্দ্ৰ শৰ্মা ৮০
ৰঙিয়া মহাবিদ্যালয় আলোচনী ঃ এটি সমীক্ষা ঃ শ্ৰীনৰেন্দ্ৰ কলিতা ৮৩
Our Department of Arabic : A Retrospection : Dr. Afazl Ahmed ৯১
ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ৰঙিয়া মহাবিদ্যালয় ঃ লেফ্‌টেনেণ্ট শ্ৰীবিনয়কৃষ্ণ ভট্টাচাৰ্য্য ৯৪
Rangia College Employees' Co-operative Thrift & Credit Society Ltd. : Dream & Reality : Rajat Ch. Deka ৯৭
বিহঙ্গম দৃষ্টিৰে সদৌ অসম ঁসিদ্ধিনাথ শৰ্মা সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা ঃ শ্ৰীসীমান্ত শালৈ ১০০
শিৰোনামাত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰসন্থা ঃ শ্ৰীদীপক দাস ১০২


**মহাবিদ্যালয় দৰ্পন ঃ**


চকুৰ পচাৰতে আমাৰ মহাবিদ্যালয়খনি ১০৮
১৯৬৩ চনৰ পৰা বৰ্ত্তমানলৈ কাৰ্য্যনিৰ্ব্বাহ কৰা মহাবিদ্যালয় পৰিচালনা সমিতিসমূহ ১১০
মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী তথা প্ৰাক্তন কৰ্মচাৰীবৃন্দ ১১৩
বৰ্ত্তমানৰ অধ্যাপক-অধ্যাপিকাসকল তথা কৰ্মচাৰীবৃন্দ ১১৫
মহাবিদ্যালয়ৰ স্নাতকসকল ১১৭
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকসকল ১৩৪
ৰূপালী জয়ন্তী সমাৰোহ উদ্‌যাপন সমিতি ১৩৫


**দ্বিতীয় অংশ ঃ**


ৰঙিয়াৰ শিক্ষা বিস্তাৰৰ ইতিহাস ঃ শ্ৰীবৈকুণ্ঠনাথ শৰ্মা ১৩৮
কলেজীয়া শিক্ষা--তেতিয়াৰ আৰু এতিয়াৰ ঃ পণ্ডিত শ্ৰীতৰণীকান্ত শৰ্মা ১৪৫
ৰাষ্ট্ৰীয় সেৱা-যোজনা ঃ ৰঙিয়া মহাবিদ্যালয় গোট ঃ শ্ৰীহীৰেন্দ্ৰ নাথ শৰ্মা ১৪৯
নতুন শিক্ষানীতি আৰু শিক্ষক সমাজ ঃ অধ্যাপক অজিত কুমাৰ শৰ্মা ১৫২
অসমৰ উচ্চশিক্ষাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ ভূমিকা ঃ ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য ১৫৭
শিক্ষকতাৰ মৰ্য্যদা ঃ শ্ৰীঅমৰেন্দ্ৰ কুমাৰ শৰ্মা ১৬০
বাধা-প্ৰসঙ্গ ঃ ডঃ মালিনী গোস্বামী ১৬৪
গ্ৰন্থাগাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন অভ্যাস ঃ শ্ৰীনৰেন্দ্ৰ লহকৰ ১৬৯
মাধ্যমিক পৰ্য্যায়ত ইংৰাজী শিক্ষাৰ সমস্যা ঃ শ্ৰীপদ্মৰাম শালৈ ১৭৩


* শ্ৰীহীৰেন্দ্ৰ নাথ শৰ্ম্মাই লিখা "ৰাষ্ট্ৰীয় সেৱা যোজনা ঃ ৰঙিয়া মহাবিদ্যালয় গোট" শীৰ্ষক প্ৰৱন্ধটি ভুলক্ৰমে দ্বিতীয় অংশত প্ৰকাশ পাইছে। প্ৰৱন্ধটি 'মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা' শিতানত প্ৰথম অংশত প্ৰকাশ পাব লাগিছিল। ছপাৰ বিজুতিৰ বাবে আমি দুঃখিত।

—সম্পাদক

**মুখ্যমন্ত্ৰী, অসম**
দিশপুৰ–৭৮১০০৬
তাং ১।১২।৮৮



## শুভেচ্ছা বাণী

ৰঙিয়া মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ অলপতে অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে বুলি জানিবলৈ পাই মই অতি আনন্দিত হৈছোঁ। একো একোখন মহাবিদ্যালয় একো একোখন অঞ্চলৰ সমাজ সচেতনতাৰ দাপোণ স্বৰূপ আৰু সামাজিক উৎকৰ্ষ সাধনৰ বাহক। ৰঙিয়াৰ দৰে ইতিহাস প্ৰসিদ্ধ আৰু বাৰে-ৰহণীয়া জনগোষ্ঠীৰ মিলন ভূমিত শৈক্ষিক উৎকৰ্ষ, সামাজিক সমন্বয় আৰু প্ৰগতিমূলক সচেতনতা সাধন কৰাত মহাবিদ্যালয়খনে সুদীৰ্ঘকাল ধৰি গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। এই ভূমিকা অধিক সফলতাৰে পালন কৰি যোৱাৰ বাবে আগন্তুক ৰূপালী জয়ন্তী উৎসৱে মহাবিদ্যালয়খনক প্ৰেৰণা যোগাব বুলি মোৰ দৃঢ় বিশ্বাস।

মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱকবৰ্গ আৰু স্থানীয় ৰাইজলৈ মই আন্তৰিক অভিনন্দন জনাইছোঁ। ৰূপালী জয়ন্তী উৎসৱৰ সৰ্ব্বতোপ্ৰকাৰ সফলতাৰ বাবে আৰু মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতিৰ বাবেও আন্তৰিক শুভকামনা আগবঢ়াইছোঁ।

স্বাক্ষৰ (প্ৰফুল্ল কুমাৰ মহন্ত)

অধ্যক্ষ,
ৰঙিয়া মহাবিদ্যালয়
ৰঙিয়া, কামৰূপ, অসম।



শ্ৰীপুলকেশ বৰুৱা, এল এল-বি
অধ্যক্ষ
অসম বিধান সভা
দিশপুৰ, গুৱাহাটী—৭৮১০০৬

তাৰিখ ২।১।৮৯

—শুভেচ্ছা—

ইতিহাস বন্দিত প্ৰমত্ত পুৰুষ হৰদত্ত বীৰদত্তৰ ত্যাগ আৰু বীৰত্বেৰে ঐতিহ্য মণ্ডিত ৰঙিয়া অঞ্চলৰ ৰাইজৰ অক্লান্ত চেষ্টাত গঢ়ি উঠা উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান ৰঙিয়া মহাবিদ্যালয়খনে পঁচিশ বছৰ সম্পূৰ্ণ কৰাৰ উপলক্ষত মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগতে ৰাইজে ৰূপালী জয়ন্তী উৎসৱ পালন কৰিব বুলি জানিবলৈ পাই বৰ আনন্দিত হৈছো। আমাৰ শিক্ষা ব্যৱস্থাৰ লক্ষ্য আৰু উদ্দেশ্য সমূহৰ ভিতৰত অন্যতম প্ৰধান লক্ষ্য আৰু উদ্দেশ্য হ'ল দুখীয়া, অৰ্দ্ধ শিক্ষিত আৰু অশিক্ষিত মানুহেৰে ভৰা আমাৰ এই দেশখনত এচাম দেশপ্ৰেমিক নাগৰিক গঢ়ি তোলাটো। এই লক্ষ্যত উপনীত হোৱাৰ বাবে যোৱা দুকুৰি পাঁচ বছৰৰ অভিজ্ঞতাৰে পৰিপুষ্ট হোৱা ৰঙিয়া মহাবিদ্যালয়ে ৰূপালী জয়ন্তী উৎসৱৰ মহৎ উপলক্ষত শিক্ষা শিক্ষণ বিষয়ত অতীতৰ ভুল ক্ৰুটিৰ পৰা শিকনি গ্ৰহণ কৰি ভৱিষ্যতৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবৰ বাবে এক গঠনমূলক প্ৰস্তুতি চলাব বুলি আন্তৰিকতাৰে কামনা কৰিলোঁ। লগতে ৰূপালী জয়ন্তী উৎসৱ উপলক্ষত প্ৰকাশ পাবলগীয়া স্মৃতি গ্ৰন্থৰ লেখা সমূহে আমাৰ মনৰ পৰিধি বহল কৰাত সহায়ক হব বুলিও আশা ৰাখিলোঁ। ইতি,

ভৱদীয়,
স্বাক্ষৰ (পুলকেশ বৰুৱা)

শ্ৰীবৃন্দাবন গোস্বামী
মন্ত্ৰী,
শিক্ষা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু
পৰিবেশ, অসম চৰকাৰ

দিশপুৰ, গুৱাহাটী
৭৮১০০৬
তাৰিখ ১৫।১১।৮৮ইং



## শুভেচ্ছা বাণী

ৰঙিয়া মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ প্ৰতি আৰম্ভণিতে মোৰ শুভ কামনা জনালোঁ। যোৱা ২৫ টা বছৰৰ পূৰ্বতে যি সকলৰ শুভ চিন্তা, সঠিক সিদ্ধান্ত আৰু ত্যাগৰ কাৰণে এই অনুষ্ঠান গঢ় লৈ উঠিছিল সেই সকলক আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

আমাৰ ৰাজ্যখনত শিক্ষাৰ সম্প্ৰসাৰণত জনসাধাৰণে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সেয়ে তেনে এক দায়িত্বৰ ৰঙিয়াবাসী ৰাইজে এই মহাবিদ্যালয় খন প্ৰতিষ্ঠা কালৰে পৰাই পালন কৰি আহিছে। ৰঙিয়াবাসী ৰাইজলৈ মোৰ কৃতজ্ঞতা জনালো।

শিশু অৱস্থাৰ পৰাই একোটা মনক গঢ় দিয়াৰ ভাৰ সমাজৰ আটাইৰে প্ৰয়োজনীয় দায়িত্ব। বিশ্বৰ প্ৰতিখন দেশে, প্ৰতিখন সমাজে শিক্ষানুষ্ঠান সমহৰ যোগেদি এই দায়িত্ব পালন কৰি আহিছে। একোটা জাতিৰ, একোটা সভ্যতাৰ বৈশিষ্ট আৰু পৰম্পৰাৰ লগত শিক্ষানুষ্ঠান সমূহে নন পুৰুষক চিনাকি কৰি দিয়ে। এনেদৰে পুৰুষানুক্ৰমে সভ্যতাই নতুন ৰূপ লয়, আৰু চিন্তাশীল মনৰ উদ্ভাৱনী শক্তিয়ে সমাজক আগুৱাই নিয়ে। সমাজৰ সামূহিক বিকাশত সেয়ে শিক্ষানুস্থান সমূহৰ দায়িত্ব দোঁহাৰিবৰ সকাম নাই।

এনে এক উদ্দেশ্যৰে ৰঙিয়া মহাবিদ্যালয়ে দায়িত্ব পালন কৰিছে। আমাৰ সামূহিক গভীৰ উপলব্ধিৰ মাজেৰে আৰু দায়িত্ব পালনৰ ওপৰতে সামাজিক দায়িত্ববোধ প্ৰকাশ পাব। মই আশা কৰিছো আমাৰ আটাইৰে গভীৰ চিন্তা, শ্ৰম নৈতিক শক্তিৰ প্ৰতীক ৰূপে ৰঙিয়া মহাবিদ্যালয় উদ্ভাসিত হওঁক, মহিমা মণ্ডিত হওঁক।

ৰূপালী জয়ন্তী গৌৰৱৰ অনুষ্ঠানত আজি আমাৰ সংকল্প হওঁক–এইখনেই আমাৰ মহাবিদ্যালয়, এইখনক মহিমা মণ্ডিত কৰি তোলো আহক।

স্বাক্ষৰ ঃ শ্ৰীবৃন্দাবন গোস্বামী
শিক্ষা মন্ত্ৰী অসম

**Professor D. P. Barooah,**
M. A. LL, B. D, Phil.
Vice-Chancellor

Phone—
88408 (Res.)
88412 (Office)

GAUHATI UNIVERSITY
GUWAHATI—781014
Assam, India.



No. Vco/88/190

## Message of good will

I am glad to note that the Silver Jubilee Celebrations of the Rangia College are being organised and that preparations are afoot to publish a Souvenir to mark the occasion, Let me hope that the Souvenir will be able to reflect the contributions made by the college in the field of higher education indicating there by the perspective of growth in the days to come...

I wish your endeavours all success.

Sd/- ( D. P. Barooah )

# সম্পাদকৰ দুআষাৰ

## আজিৰ শিক্ষাজগতত কি ঘটিছে ঃ

সাম্প্ৰতিক কালৰ ভাৰতবৰ্ষৰ শিক্ষাজগতৰ সম্পৰ্কত আলোচনা-সমালোচনা কৰোতে দুটা বিষয়ত সাধাৰণ ঐক্যমত হোৱা দেখা যায়। ইয়াৰে প্ৰথমটো হৈছে ছাত্ৰসকলৰ মাজত ব্যাপক হাৰত দেখা দিয়া অস্থিৰতা আৰু আনটো শিক্ষাৰ সকলো স্তৰতে প্ৰতিভাত হৈ উঠা ক্ৰম-নিম্নগামী মান। প্ৰথম বিষয়টোৱে সমাজ-সচেতন আৰু শুভবুদ্ধিসম্পন্ন সকলো ব্যক্তিকে শঙ্কিত কৰি তুলিছে; কিয়নো ৰাষ্ট্ৰনিৰ্মাণৰ ভৱিষ্যত দায়িত্ব তথা নেতৃত্ব যি সকল আজিৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত ন্যস্ত হব সেই সকলে বৰ্ত্তমান অৱস্থাত নিজৰ প্ৰকৃত কৰ্ত্তব্যৰ প্ৰতি পিঠি দি অবাঞ্চনীয় কাৰ্য্যকলাপত লিপ্ত হলে—ইয়াতকৈ নিৰাশাজনক কথা আন একোৱেই হব নোৱাৰে। ছাত্ৰ-অশান্তি আৰু ছাত্ৰ-উচ্ছৃংখলতাই বৰ্ত্তমান সময়ত বিভিন্ন পদ্ধতিৰে বিস্তৃত ৰূপত আত্ম-প্ৰকাশ কৰিছে। দুৰ্ভাগ্যৰ বিষয় এইটোৱেই যে এই সমস্যাৰ সমাধানৰ বাবে কোনো সন্তোষ-জনক সূত্ৰ এতিয়ালৈকে উলিয়াব পৰা হোৱা নাই।

শিক্ষাৰ মান ক্ৰমশঃ নিম্নগামী হোৱাটোও সমানেই দুৰ্ভাগ্যজনক। এই কথা অনস্বীকাৰ্য্য যে আমাৰ দেশৰ শিক্ষাৰ মান কোনো সময়তে পশ্চিমীয়া উন্নত ৰাষ্ট্ৰসমূহৰ সমপৰ্য্যায়ৰ হব পৰা নাই। আমাৰ দেশৰ বিশ্ববিদ্যালয় স্নাতক এজনৰ অৰ্হতা ইংলণ্ড, ফ্ৰান্স অথবা জাৰ্মানীৰ স্কুলীয়া শিক্ষা সাং কৰা এজন ছাত্ৰতকৈ বেছি নহয়। আৰু এই মানদণ্ডই ক্ৰমশঃ নিম্নৰ পৰা নিম্নতৰ পৰ্য্যায়লৈ গতি কৰিছে। কেন্দ্ৰীয় লোকসেৱা আয়োগ তথা প্ৰাদেশিক লোকসেৱা আয়োগসমূহৰ বাৰ্ষিক প্ৰতিবেদনবিলাকত এই বিষয়টোৰ প্ৰতি স্পষ্টভাৱে ধ্যান আকৰ্ষণ কৰাৰ প্ৰয়াস কৰা হৈছে। আনহাতে, বিভিন্ন শিক্ষান্ত পৰীক্ষাসমূহত বৃদ্ধি পোৱা অকৃতকাৰ্য্যতাৰ

হাবে আমাৰ শিক্ষাক্ষেত্ৰৰ শোচনীয় ৰূপটোকে উদঙাই নিদিয়েনে ? সৰ্ব্বোপৰি, দেশৰ ৰাজহুৱা জীৱনত সৰ্ব্বগ্ৰাসী ৰূপ ধাৰণ কৰা দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰেও পৰোক্ষভাবে আমাৰ শিক্ষাক্ষেত্ৰৰ গুণগত দিশটোৰ দুৰ্ব্বলতাকে সূচায় ।

এটা কথা ঠিক যে শিক্ষাৰ শিতানত আজিৰপৰা ত্ৰিশ বছৰ আগৰ তুলনাত বৰ্ত্তমান সময়ত যথেষ্ট বেছি ব্যয় কৰা হয়। দেশত স্কুল-কলেজ-বিশ্ববিদ্যালয়ৰ সংখ্যা যথেষ্ট বৃদ্ধি হৈছে । লাইব্ৰেৰী, লেবৰেটৰী আদিৰ নামত যথেষ্ট ব্যয় কৰা হৈছে। খেল-ধেমালি, অৱসৰ-বিনোদন আদি ক্ষেত্ৰত বহুলভাবে গুৰুত্ব দিয়া হৈছে । ইমানবিলাক হোৱা স্বত্বেও ছাত্ৰ-উচ্ছৃংখলতা বৃদ্ধি পোৱা অথবা শিক্ষাৰ মান নিম্নগামী হোৱাৰেই বা গুৰি ক'ত ? এই কথা সকলোৱে একমুখে স্বীকাৰ কৰিব যে আমাৰ দেশে শিক্ষাৰ গুণগত পৰিৱৰ্ত্তনৰ কথাটো সম্পূৰ্ণৰূপে আওকাণ কৰি অকল শিক্ষা সম্প্ৰসাৰণতে গুৰুত্ব দিছে । সাধাৰণ শিক্ষাই হওঁক বা বিশেষীকৃত কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰতেই হওঁক, আমি কেৱল অনুষ্ঠান গঢ়াতহে গুৰুত্ব দিছো ; সেই অনুষ্ঠানসমূহ বিজ্ঞানসন্মত দৃষ্টিভঙ্গীৰে পদ্ধতিগতভাবে সুসমৃদ্ধ কৰি তোলাৰ কথা মুঠেই চিন্তা কৰা নাই । ফলত, শিক্ষাৰ শিতানত সামগ্ৰিক ব্যয় বাঢ়িলেও এই ধন অবাৱত অ'ত ত'ত সিঁচৰিত হোৱাৰ বাহিৰে লাভসূচক একো হোৱা নাই । আমি স্পষ্টভাবে মনত ৰাখিব লাগিব যে শিক্ষাৰ ক্ষেত্ৰত "নাই মোমাইতকৈ কণা মোমায়েই ভাল"ৰ লেখীয়া যোজনা-বাক্য একেবাৰে বিসঙ্গতিপূৰ্ণ ।

বৰ্ত্তমান শিক্ষাজগতত সৰ্ব্বত্ৰ ৰাজনীতিৰ খেল চলিছে । শিক্ষাপ্ৰশাসনৰ পৰা আৰম্ভ কৰি নিযুক্তি, পদোন্নতি, স্থানান্তৰ আদি সকলো বিষয়তে ৰাজনীতিৰ গোন্ধ পোৱা যায় । বিশ্ববিদ্যালয়ৰ দৰে স্বায়ত্বশাসিত অনুষ্ঠানবিলাকো ৰাজনৈতিক কৃপাৰ ওপৰত বৰ্ত্তিবলগীয়া অৱস্থা আহিছে। শাসকীয় গোষ্ঠীয়ে সমগ্ৰ শিক্ষাৰ ব্যৱস্থাটো নিজৰ কৰায়ত্তত ৰখাৰ অভিপ্ৰায় এটা মনত পুহি ৰাখে। বিশ্ববিদ্যালয়সমূহৰ শৈক্ষিক দিনপঞ্জী নাই ; পৰীক্ষাসমূহ অনুষ্ঠিত কৰাৰ কোনো নিৰ্দ্ধাৰিত সময়-সূচী নাই ; ছাত্ৰ সংগঠনৰ ইচ্ছাৰ অনুকূলে পৰীক্ষা পতা-নপতাৰ সিদ্ধান্ত হব লাগিছে ; শিক্ষকগোষ্ঠীৰ নৈতিক নেতৃত্ব ক্ৰমান্বয়ে বিলুপ্ত হৈ যাব ধৰিছে ; চৰকাৰী দান-অনুদান আদিৰ ক্ষেত্ৰতো ৰাজনৈতিক হস্তক্ষেপৰ খেল চলিব ধৰিছে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আমি বাৰু কি সুফল আশা কৰিব পাৰো ? শিক্ষক-শিক্ষাৰ্থী-শিক্ষাবিদ্-শিক্ষা-প্ৰশাসক সকলোৱে সাম্প্ৰতিক বাতাৱৰণৰ উৰ্দ্ধত নিৰপেক্ষ বিচাৰধাৰাৰে চিন্তা কৰিবৰ সময় হৈছে যাতে আমাৰ ৰাষ্ট্ৰজীৱন ইয়াতকৈ আৰু বেছি অধঃপতিত হবলৈ নাপায় ।

## মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ ঃ

চাওঁতে চাওঁতে ৰঙিয়া মহাবিদ্যালয়ে পচিশ বছৰৰ ডেওনা অতিক্ৰম কৰিলে। ১৯৬৩ চনৰ ৫ আগষ্টত সিঁচা বীজ অঙ্কুৰিত হৈ ফলে-ফুলে সুশোভিত বৃহৎ বৃক্ষত পৰিণত হ'ল । মহাবিদ্যালয়ৰ লেখীয়া এটি অনুষ্ঠানে পচিশ বছৰ কাল পাৰ কৰাটো অতি তাৎপৰ্য্যপূৰ্ণ ঐতিহাসিক ঘটনা বুলি কব লাগিব । তাৎপৰ্য্যপূৰ্ণ এই কাৰণেই যে এনেবোৰ অনুষ্ঠানৰ জন্মবেদনা অতিশয় দুৰ্ব্বিসহ আৰু লালিত-পালিত হৈ প্ৰতিষ্ঠিত হোৱাৰ কাহিনী অতিকৈ সংঘাতপূৰ্ণ । আমাৰ দেশত শিক্ষানুষ্ঠানবিলাকে চৰকাৰী পৃষ্ঠপোষকতাত জন্মলাভ নকৰে । এনেবোৰ অনুষ্ঠানৰ জন্ম হয় ৰাইজৰ হাড়ভগা পৰিশ্ৰম আৰু অপৰিসীম ত্যাগৰ ভেঁটিত । গতিকে স্বাভাবিকতে, আৰ্থিক অস্বচ্ছলতা, পৰিপক্ক নেতৃত্ব আৰু নিষ্ঠাবান কৰ্মীৰ অভাৱ, প্ৰয়োজন অনুসাৰে অৰ্হতাসম্পন্ন ছাত্ৰ-শিক্ষকৰ অভাৱ, প্ৰয়োজনীয় সা-সুবিধা আগবঢ়াব নোৱাৰা, যথোপযুক্ত শৈক্ষিক পৰিবেশ গঢ়ি নুঠা, বিশ্ববিদ্যালয়/চৰকাৰ আদি কৰ্ত্তৃপক্ষৰ কটকটীয়া নিয়ম-কানুনৰ হেঁচা ইত্যাদি এশ এটা আনুষঙ্গিক সমস্যাই এনে অনুষ্ঠানবোৰৰ জন্মলগ্নতেই লাগ দিয়ে । এই সকলো সমস্যাৰ মাজেৰে আগবাঢ়ি গৈ স্বয়ংসম্পূৰ্ণৰূপত প্ৰতিষ্ঠিত হবলৈ এই অনুষ্ঠানবোৰে দীৰ্ঘকাল সংগ্ৰাম কৰিবলগীয়া হয় ।

আজিৰপৰা তিনি দশক আগতে সেই সময়ৰ অবিভক্ত কামৰূপ জিলাৰ সুবৃহৎ গুৱাহাটী মহকুমাৰ গুৱাহাটী মহানগৰী আৰু নলবাৰী চহৰক বাদে বিস্তৃত অঞ্চলৰ আন ক'তো উচ্চশিক্ষাৰ অনুষ্ঠান গঢ়ি উঠা নাছিল । আমাৰ অঞ্চলৰ ল'ৰা-ছোৱালীয়ে স্কুলীয়া শিক্ষা সাং কৰি গুৱাহাটী অথবা নলবাৰীলৈ ধাবিত হৈছিল । অনেকে দাৰিদ্ৰ্যৰ তাড়ণাত সিমানতে শিক্ষাজীৱনৰ মোখনি মাৰিবলগীয়াও হৈছিল । ৰঙিয়া অঞ্চলৰ এচাম বিদ্যোৎসাহী সমাজকৰ্ম্মীয়ে এই শতিকাৰ ষষ্ঠ দশকত ৰঙিয়াত এখন মহাবিদ্যালয় স্থাপনৰ সংকল্প লৈছিল আৰু সেই সংকল্পক বাস্তৱ ৰূপ দিয়াৰ অৰ্থে কায়িক-আৰ্থিক আৰু মানসিকভাবে আত্মনিয়োগ কৰিবলৈ এই অঞ্চলৰ ৰাইজক উদ্বুদ্ধ কৰিছিল । ইয়াৰেই ফলশ্ৰুতিস্বৰূপে ১৯৬৩ চনৰ ৫ আগষ্ট তাৰিখে ৰঙিয়া মহাবিদ্যালয়ৰ কল্পনাই সাকাৰ ৰূপ লাভ কৰে । জন্মক্ষণৰ পৰা অদ্যাবধি বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি লালিত-পালিত হৈ এই অনুষ্ঠানে শৈক্ষিক দিশত অনগ্ৰসৰ বিশাল ৰঙিয়া অঞ্চলত উচ্চশিক্ষাৰ পোহৰ বিলোৱাৰ মহান দায়িত্ব পালনত ব্ৰতী হৈ আহিছে । আজি এইখন মহাবিদ্যালয়ৰ ৰূপালীজয়ন্তীৰ আনন্দ-উৎসৱৰ সময়ত আমি সেইসকল কৃতী সুসন্তানক শ্ৰদ্ধাৰে স্মৰণ কৰিছো, যিসকলৰ প্ৰজ্ঞা, বাস্তৱবাদী চিন্তা-চৰ্চ্চা, ঐকান্তিক প্ৰচেষ্টা, অপৰিসীম ত্যাগ আৰু অদম্য কৰ্মপ্ৰেৰণা অবিহনে ৰঙিয়াত মহা-বিদ্যালয় স্থাপনৰ কল্পনাই হয়তো বাস্তৱৰূপ নললেহেঁতেন । এইসকল মহান ব্যক্তিৰ ভিতৰত বহুতৰে ইতিমধ্যে স্বৰ্গবাস হৈছে । স্বৰ্গগত পূণ্যাত্মা সকলৰ প্ৰতি আমাৰ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো। যিসকল আমাৰ মাজত এতিয়াও আছে তেখেতসকলক কৃতজ্ঞতাৰে সোঁৱৰণ কৰিছো । আমি আশা ৰাখিছো মৃত-জীৱিত এইসকল ব্যক্তিৰ আদৰ্শ আমাৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ থাকক—যুগে যুগে ।

ৰূপালী জয়ন্তী আবেগৰ উৎসৱ—ৰং-ৰহইচৰ উৎসৱ । কিন্তু এই ৰং-ৰহইচৰ মাজতো মহা-বিদ্যালয়ৰ পচিশ বছৰৰ অগ্ৰগতিৰ খতিয়ানো আমি নিশ্চয় লব লাগিব। এইখন মহাবিদ্যালয়ে বিগত আঢ়ৈ দশকত অসমৰ শিক্ষাজগতত চমক লগাব পৰা ধৰণে দৰ্শনীয় একো কৰি দেখুৱাব নোৱাৰিলেও অন্ততঃ আমাৰ পিচপৰা অঞ্চলত উচ্চশিক্ষাৰ দুৱাৰ মুকলি কৰি সহস্ৰ ছাত্ৰ-ছাত্ৰীক

জীৱনৰ পথ বাচি লোৱাত সহায় কৰিছে। আমি নিশ্চয় স্বীকাৰ কৰিব লাগিব যে সমসাময়িক অইন কেবাখনো মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়ৰ অগ্ৰগতিৰ ধাৰা যথেষ্ট লেহেম। ১৯৬৩ চনত কলা শাখাৰে আৰম্ভ হোৱা এই মহাবিদ্যালয়ৰ কলা শাখাটোৱেই যোৱা ২৫ বছৰত পূৰ্ণাঙ্গ হৈ উঠা নাই। ১৯৮৫ চনত আৰম্ভ কৰা বিজ্ঞান শাখা একেবাৰে চালুকীয়া অৱস্থাতেই আছে। পচিশ বছৰীয়া মহাবিদ্যালয় এখনে ইয়াৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষকমণ্ডলীক ন্যূনতম যিখিনি সা-সুবিধা দিব লাগিছিল সেইখিনি আজি পৰ্য্যন্ত দিব নোৱাৰাটোও দুখৰ বিষয়। উচ্চস্তৰৰ শৈক্ষিক বাতাবৰণ আমাৰ মহাবিদ্যালয়ত গঢ়ি উঠা নাই বুলি কলেও অত্যুক্তি কৰা নহব; অন্যান্য অনা-শৈক্ষিক দিশ, যেনে—সাহিত্য-কলা-সংস্কৃতি-ক্ৰীড়া-সমাজসেৱা ইত্যাদিতো মহাবিদ্যালয়ে বিশেষ একো কৰি দেখুৱাব পৰা নাই। এই দিশত মহাবিদ্যালয়ৰ উৰ্দ্ধতন কৰ্তৃপক্ষৰ নিৰ্লিপ্ততা আৰু উদাসীনতা আমি অতি দুখেৰে লক্ষ্য কৰিছো। ৰূপালীজয়ন্তীৰ আপাহতে কৰ্তৃপক্ষই এই সকলোবোৰ বিষয়ে গুৰুত্ব সহকাৰে চিন্তা-চৰ্চ্চা কৰি তৎপৰতাৰে কাৰ্য্যব্যৱস্থা হাতত লব বুলি আমি আশা কৰো।

## স্মৃতিগ্ৰন্থ প্ৰসংগত :

কোনো অনুষ্ঠানৰ ৰূপালীজয়ন্তী, সোণালীজয়ন্তীৰ লেখীয়া উৎসৱৰ অংশ বিশেষ হিচাপে স্মৃতিগ্ৰন্থ বা স্মৰণিকা এখনি প্ৰকাশ কৰাটো গতানুগতিকতা হলেও ইয়াৰ অন্তৰ্নিহিত তাৎপৰ্য্য নথকা নহয়। "Public memory is proverbially short." বোলা ইংৰাজীত ব্যাপক ভাবে আৰু বহুলভাবে ব্যৱহৃত বচনফাঁকিৰ যুক্তিযুক্ততা সকলো কথাতে সৰ্ব্বক্ষণতে উপলব্ধি কৰা হয়। মহাপুৰুষসকলৰ জীৱনাদৰ্শ আৰু দৰ্শন এটা সময়ত পৰৱৰ্ত্তী পুৰুষে পাহৰি যায়। ৰাজহুৱা অনুষ্ঠানবোৰৰ প্ৰতিষ্ঠাৰ সংঘাতময় কাহিনীও কালক্ৰমত পাহৰণিৰ মাজত সোমাই পৰে। এনেধৰণৰ উৎসৱ উদযাপনৰ মাজেদি আমি অতীতলৈ উভতি চোৱাৰ সুযোগ পাওঁ। এইক্ষেত্ৰত স্মৃতিগ্ৰন্থসমূহৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিয়নো স্মৃতিগ্ৰন্থ এখনি প্ৰকাশৰ যোগেদি কোনো এক অনুষ্ঠানৰ এখনি সুসংহত আৰু সুসংগঠিত ছবি জনমানসত অঙ্কণ কৰাৰ প্ৰয়াস কৰা হয়।

আমাৰ এই স্মৃতিগ্ৰন্থখনি প্ৰকাশৰ বাবে আৱশ্যকীয় প্ৰস্তুতি আদি কৰি লৈ প্ৰকাশ কৰি উলিওৱালৈকে চাৰি-পাঁচ মাহ মানহে সময় পোৱা হৈছে। আমাৰ বিবেচনাত এনে বৃহৎ পৰিসৰৰ এটি আঁচনিৰ বাবে চাৰি-পাঁচ মাহ সময় পৰ্য্যাপ্ত নহয়। তথাপি খুব খৰখেদাকৈ কাম কৰি সময়মতে গ্ৰন্থখনি প্ৰকাশ কৰি উলিয়াবলৈ সৰ্ব্বতোভাবে চেষ্টা কৰা হৈছে। শিক্ষা-দীক্ষাত অতিকৈ পিচপৰা, দাৰিদ্ৰ্যপীড়িত আমাৰ এই অঞ্চলৰ উচ্চশিক্ষাৰ ক্ষেত্ৰত বাটকটীয়া ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ পটভূমি তথা প্ৰাকৃচিন্তনৰ পৰা আৰম্ভ কৰি ইয়াৰ জন্মবেদনা আৰু ক্ৰমবিকাশৰ সকলো পৰ্য্যায় সামৰি মহাবিদ্যালয়ৰ ভিতৰ চৰালৈকে আটাইবোৰ দিশ ইয়াত সন্নিবিষ্ট কৰিব বিচৰা হৈছে। আমাৰ বিশ্বাস—মহাবিদ্যালয়ৰ ইতিহাসৰ এই লিপিবদ্ধ ৰূপ ভৱিষ্যতৰ বাবে এক দলিল হিচাপে ৰৈ যাব আৰু পূৰ্ব্বপুৰুষসকলৰ ত্যাগ আৰু নিঃস্বাৰ্থ জনসেৱাৰ চানেকি উত্তৰ পুৰুষৰ বাবে আদৰ্শৰ প্ৰতীক হৈ থাকিব। ইয়াৰ উপৰিও চিন্তাৰ খোৰাক যোগাব পৰাকৈ সমসাময়িক শৈক্ষিক আৰু বৌদ্ধিক দিশৰ কেইটিমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত প্ৰবন্ধ সংযোজন কৰা হৈছে।

আমাৰ মহাবিদ্যালয়ৰ পচিশবছৰীয়া জীৱন কালৰ দুই-তৃতীয়াংশতকৈও অধিক সময় ইয়াৰ অধ্যক্ষ হিচাপে এই অনুষ্ঠানৰ ক্ৰমবিকাশৰ গতিৰ লগত ঘনিষ্ঠভাবে জড়িত ভূতপূৰ্ব্ব অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈদেৱৰ লিখনী এই স্মৃতিগ্ৰন্থৰ পাতত প্ৰকাশ কৰাৰ একান্ত ইচ্ছা থকা স্বত্ত্বেও প্ৰকাশ কৰিব নোৱাৰাত আমি দুঃখিত। এই সম্পৰ্কত বহু আগতীয়াকৈ তেখেতৰ লগত যোগাযোগ কৰা হৈছিল আৰু তেখেতৰ পৰা দুবাৰকৈ ইতিবাচক সঁহাৰি পোৱাৰ পিচতো তেখেতৰ লিখনী আমাৰ হাতত নপৰাত প্ৰকাশ কৰিব পৰা নহ'ল। ইয়াত বাদে কলেজৰ ভিতৰ চৰাৰ দুই-এটি আৱশ্যকীয় শিতানৰ বিষয়তো সংশ্লিষ্ট ব্যক্তিসকলৰ পৰা সঁহাৰি নোপোৱা বাবে কোনোধৰণৰ টোকা প্ৰকাশ কৰিব নোৱাৰা বাবে আমি দুঃখিত।

গ্ৰন্থ সম্পাদনা, বিশেষকৈ স্মৃতিগ্ৰন্থ সম্পাদনা কৰা অতি জটিল কাম। সীমিত সময়ত সীমিত সামৰ্থ্যেৰে এই দুৰুহকাৰ্য্য সম্পাদন কৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ সফলতা-বিফলতাৰ মূল্যায়ণ কৰিব সময়ে, কৃতকাৰ্য্যতা-অকৃতকাৰ্য্যতাৰ বিচাৰ কৰিব সুধী পাঠক-সমাজে। এই ক্ষেত্ৰত হোৱা সকলোপ্ৰকাৰৰ ত্ৰুটী-বিচ্যুতিৰ বাবে পাঠকসকলৰ ওচৰত কৰযোৰে ক্ষমা ভিক্ষা কৰিছো।

## কৃতজ্ঞতা স্বীকাৰ :

স্মৃতিগ্ৰন্থখনি সম্পাদনা কৰি প্ৰকাশ কৰি উলিওৱালৈকে সুদীৰ্ঘ প্ৰক্ৰিয়াটো আমাৰ বাবে অতিকৈ কষ্টদায়ক আছিল। বিশেষকৈ, লিখক-লিখিকাসকলক প্ৰবন্ধ-পাতিৰ বাবে অনুৰোধ জনাই বাৰম্বাৰ যোগাযোগ কৰাৰ পিচতো আশানুৰূপ ফল নেপাই আমি হতাশ হবলগীয়া অৱস্থা হৈছিল। এনে পৰিস্থিতিত স্মৃতিগ্ৰন্থ উপসমিতিৰ বিশিষ্ট সদস্য, আমাৰ এগৰাকী জ্যেষ্ঠ সতীৰ্থ আৰু একালৰ শিক্ষাগুৰু শ্ৰীগদাধৰ ফাটোৱালীদেৱে সততে আমাৰ লগত থাকি আমাৰ কষ্টৰ সমভাগী হৈ আমাক উৎসাহিত কৰাই নহয়, আটাইখিনি কাম সুচাৰুৰূপে আগবঢ়াই নিয়াত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। তেখেতলৈ আমাৰ ভক্তিভৰা কৃতজ্ঞতা যাচিছো। যিসকল লিখক-লিখিকাৰ লিখনীৰে এই স্মৃতিগ্ৰন্থখনিৰ সৌষ্ঠৱ বৃদ্ধি হৈছে তেখেতসকললৈ আমাৰ কৃতজ্ঞতা নিবেদন কৰিছো। বিশেষকৈ বাৰ্দ্ধক্যজনিত অসুস্থতা স্বত্বেও আমাৰ অনুৰোধ ৰক্ষা কৰা বাবে পণ্ডিত শ্ৰীতৰণীকান্ত শৰ্মাদেৱ আৰু বিভিন্ন ব্যস্ততাৰ মাজতো সময়মতে স্মৃতিগ্ৰন্থলৈ মূল্যবান লিখনী আগবঢ়োৱা বাবে ডঃ শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যদেৱ আৰু অধ্যাপক শ্ৰীঅজিত কুমাৰ শৰ্মা দেৱৰ ওচৰত আমি বিশেষভাবে কৃতজ্ঞ।

স্মৃতিগ্ৰন্থৰ বিভিন্ন দিশত দিহা-পৰামৰ্শ দি উপকৃত কৰা বাবে অধ্যক্ষ শ্ৰীনীলকান্ত মহন্তদেৱ, অধ্যাপক শ্ৰীউমেশ গোস্বামী, অধ্যাপক শ্ৰীজ্যোতিষ চৌধুৰী আৰু শ্ৰীজনেক বৈশ্যৰ ওচৰত আমি সদায় কৃতজ্ঞ থাকিম। অন্য বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱা বাবে অধ্যাপক শ্ৰীনৰেন্দ্ৰ কলিতা, অধ্যাপক শ্ৰীঅপূৰ্ব্ব গোস্বামী, অধ্যাপিকা শ্ৰীনিভা বৰ্মণ, আমাৰ ছাত্ৰ শ্ৰীসীমান্ত শালৈ, শ্ৰীদীপক কলিতা, শ্ৰীজিয়াউল ইছলাম, শ্ৰীৰমণী ৰাজবংশী আৰু শ্ৰীযোগেন্দ্ৰ প্ৰসাদ শৰ্মা ধন্যবাদৰ পাত্ৰ। অতি কম সময়ৰ ভিতৰতে স্মৃতিগ্ৰন্থৰ প্ৰচ্ছদপট মনোগ্ৰাহী হোৱাকৈ অংকণ কৰি দিয়া বাবে ভাতৃপ্ৰতিম শ্ৰীতৰুণ শইকীয়ালৈও এইছেগতে আমাৰ ধন্যবাদ জ্ঞাপন কৰিলো। গুৱাহাটীৰ সীমান্তিকা প্ৰিন্টাৰ্ছৰ স্বত্বাধিকাৰী আৰু কৰ্মীবৃন্দই যথেষ্ট তৎপৰতাৰে এই স্মৃতিগ্ৰন্থখনি সময়মতে প্ৰকাশ কৰি উলিওৱাত সহায় কৰা বাবে আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰিছো।

শেষত, বঢ়া-টুটা সকলো ভুল ভ্ৰান্তিৰ বাবে কৰযোৰে ক্ষমা ভিক্ষা বিচাৰি ইমানতে সামৰিছো।

**শ্ৰীঅমৰেন্দ্ৰ শৰ্মা**

# ৰঙিয়া-মহাৱিদ্যালয়প্ৰশস্তিঃ

॥ স্বস্তি ॥

ৰঙিয়াশব্দপূৰ্ব্বং যৎমহাৱিদ্যানিকেতনম্।
তদহং নিতৰাং ৱন্দে জ্ঞান-প্ৰাণসমায়ুতম্॥
পঞ্চবিংশতিবৰ্ষীয়ং শুভহৰ্ম্যসুশোভিতম্।
কদলীৱৃক্ষৱৃন্দেন সৰ্ৱতঃ সুপৰিৱৃতম্॥
পাৱনৈৰ্ৱাৰিভিঃ পূৰ্ণো জলাশয়োঽস্তি মণ্ডনম্।
যস্য শোভাৱিধানাৰ্থং বহুমৎস্যৱিশেষৱান্॥
শুভোদ্যানঞ্চ যস্যাস্তি নানাপুষ্পৱৰৈৰ্যুতম্।
অলিকুলসমাকীৰ্ণং নয়নানন্দদায়কম্॥
যস্য গ্ৰন্থালয়োঽপ্যস্তি গ্ৰন্থৰত্নৈঃ সুমণ্ডিতঃ।
পণ্ডিতজনচিত্তস্য দিৱ্যানন্দৱিধায়কঃ॥
যস্মিন্ ৱিদ্যাৰ্থিনঃ সন্তি ৱিদ্যাৱিনয়মণ্ডিতাঃ।
শ্ৰদ্ধয়া পৰয়া যুক্তাঃ জ্ঞানৱিজ্ঞানসেৱকাঃ॥
মহাৱিদ্যালয়ে যস্মিন্ ৱিদ্যাৰ্থিবালিকাঃ পুনঃ।
প্ৰাপ্তৱত্যঃ পুৰস্কাৰং তৰ্কাদিষু ৱিশেষতঃ॥
সত্যস্য শিৱভাৱস্য সুন্দৰস্য চ সেৱকাঃ।
যত্ৰত্যা নিতৰাং সন্তি প্ৰাধ্যাপকপুৰোগমাঃ॥
ৱিদ্যাৱ্যসনিনঃ সন্তি স্থিতপ্ৰজ্ঞাঃ সুমেধসঃ।
যত্ৰ প্ৰাধ্যাপকাস্ সম্যক্ দেশসেৱাপৰায়ণাঃ॥
পঞ্চৱিংশতিসংখ্যানাং শৰদাং দৰ্শনান্বিতে।
মাঙ্গল্যজননে ৰম্যে পুণ্যাহেস্মিন্ সুখাৱহে॥
মহাৱিদ্যালয়ং তং ৱৈ ৰঙিয়াপূৰ্ৱসংজ্ঞকম্।
নমামি নীলকান্তোঽহং ভক্তিভাৱসমন্বিতঃ॥
নমামি কেশৱং চাহং ভগৱন্তং দয়াময়ম্।
মহাৱিদ্যালয়স্যাস্য যোগক্ষেমসমীহয়া॥

ইতি শম্॥

**শ্ৰীনীলকান্ত মহন্ত**
অধ্যক্ষ, ৰঙিয়া মহাবিদ্যালয়

হৈছিল। সেই সভাৰ অন্তত ৰঙিয়াত এখন কলেজ স্থাপন কৰাৰ বিষয়েও আনুষ্ঠানিকভাবে আলোচনা কৰা হৈছিল। সিদিনাৰ আলোচনা-ক্ৰমে পোন্ধৰদিনমান পিছত এখন সাধাৰণ সভা আহবান কৰাৰ সিদ্ধান্ত লোৱা হয় আৰু ঠিক পোন্ধৰদিন পিছত অৰ্থাৎ ১৭।১০।৫৯ তাৰিখে এই অভাজনে এখন সাধাৰণ সভা আহবান কৰে। এই সভাত ৰঙিয়াত এখন কলেজ স্থাপনৰ আৱশ্যকতা সম্পৰ্কে গুৰুত্বসহকাৰে আলোচনা কৰি এই দিশত বিস্তৃত কৰ্মপন্থা গ্ৰহণৰ উদ্দেশ্যে ব্যাপক-জনমত গঠনৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু সৰ্ব্বশ্ৰী দুৰ্গাদত্ত আগৰৱালা, নাৰায়ণ শৰ্মা, আফচাৰ আলী, পৰেশচন্দ্ৰ দত্ত আৰু শ্ৰীনীলকান্ত মহন্তক এখন ৰাজহুৱা সভা আহবান কৰাৰ দায়িত্ব দিয়া হয়।

২/১১/৫৯ ইং তাৰিখে শিক্ষাবিদ্ স্বৰ্গীয় প্ৰাণেশ্বৰ শৰ্মাদেৱৰ সভাপতিত্বত ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত বিশিষ্ট আইনজ্ঞ, ৰাজ-নীতিবিদ শ্ৰীবাহাৰুল ইছলাম প্ৰমুখ্যে এই অঞ্চলৰ বহু সংখ্যক গণ্যমান্য ব্যক্তিয়ে যোগদান কৰি কলেজ স্থাপনৰ আৱশ্যকতা সম্পৰ্কে আলোচনা কৰে আৰু মূল্যবান দিহা-পৰামৰ্শ আগবঢ়ায়। সিদিনাৰ সভাত কলেজ স্থাপনৰ কামত অগ্ৰসৰ হবলৈ স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাক সভাপতি, শ্ৰীবাহাৰুল ইছলাম আৰু স্বৰ্গীয় প্ৰাণেশ্বৰ শৰ্মাক উপসভাপতি, সৰ্ব্বশ্ৰী নাৰায়ণ শৰ্মা, দুৰ্গাদত্ত আগৰৱালা আৰু ধৰণী ভূঞাঁক যুটীয়া সম্পাদক হিচাবে লৈ ৭৯ জন সদস্যবিশিষ্ট তদৰ্থ কলেজ কমিটি গঠন কৰি দিয়া হয়।

২৭/১২/৫৯ তাৰিখে তদৰ্থ কলেজ কমিটিৰ প্ৰথমখন বৈঠক বহে। এই বৈঠকত উপস্থিত সদস্যসকলৰ পৰা প্ৰস্তুতিৰ সাধাৰণ খৰচৰ বাবে মুঠ চাৰিকুৰি আঠ টকা সংগৃহীত হৈছিল। এই সভাতেই কলেজৰ প্ৰস্তুতি আৰু স্থান নিৰ্দ্ধাৰণৰ বাবে দুখন উপসমিতি গঠন কৰি দিয়া হয়---প্ৰস্তুতি উপসমিতিত আছিল ৺প্ৰাণেশ্বৰ শৰ্মা, শ্ৰীদুৰ্গাদত্ত আগৰৱালা আৰু শ্ৰীনাৰায়ণ শৰ্মা আৰু স্থান নিৰ্দ্ধাৰণ সমিতিৰ সদস্যবৃন্দ আছিল শ্ৰীভূধৰ ফাটোৱালী, ৺গজানন শৰ্মা, ৺ফণীধৰ ডেকা, ৺চিদানন্দ ভট্টাচাৰ্য্য আৰু ৺মুক্তাৰাম কলিতা।

ইতিমধ্যে তদৰ্থ সমিতিৰ যুটীয়া সম্পাদক শ্ৰীনাৰায়ণ শৰ্মাই তেখেতৰ কৰ্মক্ষেত্ৰ পৰিবৰ্ত্তন হোৱাত ২০।৬।৬০ ইং তাৰিখে পদত্যাগ কৰে। ১৯৬০ চনৰ মাজভাগৰ পৰা ১৯৬২ চনৰ মে' মাহলৈকে এই সুদীৰ্ঘ সময়ছোৱাত কলেজৰ প্ৰস্তুতি সম্পৰ্কীয় কাম-কাজ বিশেষ আগবঢ়া নাছিল। যি কাৰণতেই নহওক কিয় কাম-কাজত এক শিথিলতা আহি পৰিছিল। কাম-কাজৰ গতি পুনৰাই তীব্ৰতৰ কৰি তোলাৰ উদ্দেশ্যে ২৩।৫।৬২ তাৰিখে আন এখন ৰাজহুৱা সভা বহে। কামৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি এই সভাত আন কেইখনমান উপসমিতি গঠন কৰি দিয়া হয়।

**১। শিক্ষা উপসমিতি**ঃ–স্বৰ্গীয় প্ৰাণেশ্বৰ শৰ্মা, (সভাপতি), শ্ৰীবাহাৰুদ্দিন আহমেদ (উপ সভাপতি), শ্ৰীবলোৰাম কলিতা, শ্ৰীভৱকান্ত শৰ্মা, শ্ৰীগোলক চন্দ্ৰ ভূঞাঁ, শ্ৰীনীলকান্ত মহন্ত, শ্ৰীধৰণী ভূঞা, শ্ৰীআব্দুল হামিদ ( আহবায়ক )।

**২। অৰ্থ সংগ্ৰহ উপসমিতি**ঃ–৺মুকুন্দ কলিতা, ৺সৰস্বতী তালুকদাৰ, ৺যজ্ঞৰাম তালুকদাৰ, ৺গজানন শৰ্মা, শ্ৰীকেশৱ চন্দ্ৰ কলিতা, শ্ৰীকামিনী মোহন শৰ্মা, ৺বিপিন চন্দ্ৰ শৰ্মা, ৺মুক্তাৰাম কলিতা, শ্ৰীআব্দুল হামিদ, ডাঃ কেশৱ চন্দ্ৰ লহকৰ।

**৩। প্ৰচাৰ উপসমিতি**ঃ–শ্ৰীপৰেশ চন্দ্ৰ দত্ত, শ্ৰীনৰেন কাকতি, ৺নিকুঞ্জ চৌধুৰী, শ্ৰীকৃষ্ণ লহকৰ।

ওপৰত উল্লেখ কৰা উপসমিতিসমূহ গঠিত হোৱাৰ পিচতো কলেজ স্থাপন সম্পৰ্কত চকুত লগা ধৰণে কোনো প্ৰকাৰৰ প্ৰস্তুতি হৈ উঠা দেখা নগ'ল। এই স্থবিৰতাত আমি ব্যক্তিগত-

ভাৱে খুউব হতাশ হৈ তদৰ্থ সমিতিৰ সভাপতি (তেতিয়াৰ বিধায়ক তথা ৰাজহ মন্ত্ৰী) ৺সিদ্ধিনাথ শৰ্মা দেৱলৈ এক পত্ৰযোগে অনুৰোধ কৰিছিলোঁ— কলেজৰ প্ৰতিষ্ঠাৰ কামত সভাপতি হিচাবে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি কাৰ্য্যকৰী ব্যৱস্থা হাতত লওঁক। এই চিঠিৰ উত্তৰত ৪।৮।৬২ ইংৰাজী তাৰিখে পঠোৱা চিঠিত শৰ্মাদেৱে আগবঢ়োৱা পৰামৰ্শক্ৰমে ১৫।৯।৬২ তাৰিখে হৰদত্ত বীৰদত্ত ভৱনত বহল ভিত্তিত এখন ৰাজহুৱা সভা আহবান কৰা হয়। ইয়াৰ আগেয়ে ১৫।৮।৬২ ইং স্বাধীনতা দিৱসৰ দিনা মইনা পাৰিজাত পথাৰত অনুষ্ঠিত Fancy ফুটবল খেলত ব্যৱহাৰ কৰা বলটো ৰঙিয়াৰ বিশিষ্ট নাগৰিক ৺হৰিকান্ত সিঙে ৫০১ টকাত কিনি লৈ সেই টকা কলেজৰ পুঁজিলৈ দান কৰাটো উল্লেখযোগ্য ঘটনা।

১৫/৯/৬২ তাৰিখৰ ৰাজহুৱা সভাখন অতিকৈ তাৎপৰ্য্যপূৰ্ণ আছিল। এই সভাখনকে ৰঙিয়া মহাবিদ্যালয় স্থাপনৰ ভেঁটি বুলি কব পাৰি। এই সভা আহবানৰ ক্ষেত্ৰত তামুলপুৰৰ বিশিষ্ট ব্যক্তি ৺শান্তিৰাম ডেকাই বিশেষ ভূমিকা গ্ৰহণ কৰাই নহয়, বহুতো মৌলিক প্ৰশ্নৰ অৱতাৰণা কৰি সেইবোৰৰ সমাধানৰ উপায় ৰাজহুৱা সভা বহাৰ আগতেই চিন্তা কৰি উলিয়াইছিল। অৰ্থ সংগ্ৰহৰ বিষয়েও ৺শান্তিৰাম ডেকা আৰু অন্য দুই এজনক লগত লৈ মৃণালিনী বিড়ি (যুগান্তৰ) মেনুফেকচাৰিং কোঃ, শ্ৰীগৌৰীকান্ত কলিতা, ৺বদ্ৰী নাৰায়ণ আগৰৱালা, সাগৰমল মিলচ্ আদিক লগ ধৰি ১০,০০০ (হেজাৰ) টকাকৈ বৰঙণি আগবঢ়াব বুলি ৰাজহুৱা সভাত প্ৰতিশ্ৰুতি ঘোষণা কৰিবলৈ সন্মত কৰোৱা হৈছিল।

১৫/৯/৬২ ৰ সভাতেই আন কেবাজনো দাঁতাই মুঠ ১৫,৪৭৯ টকাৰ দান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিছিল। আমাৰ মনত পৰাত ৺সাগৰমল আগৰৱালাৰ পৰিয়ালবৰ্গই নগদ ১০,০০০ টকাৰ পৰিৱৰ্ত্তে ২৮/২৯ বিঘা মাটি (তেজপুৰ ৰেল-লাইনৰ ওচৰতে) দান কৰি কলেজৰ নামত নামজাৰি কৰাই দিছিল। এই সভাতে আগৰ ৭৯ জনীয়া কমিটিৰ সংবৰ্দ্ধন কৰি ১০৫ জনীয়া কৰা হৈছিল। ওচৰ-পাজৰৰ হাইস্কুল সমূহৰ প্ৰধান শিক্ষক সকলকো কমিটিৰ সদস্য হিচাবে লোৱা হৈছিল। প্ৰস্তাৱিত কলেজ পৰিচালনাৰ দায়িত্ব সুকলমে পালন কৰিবলৈ স্বৰ্গীয় সিদ্ধিনাথ শৰ্মা (সভাপতি) স্বৰ্গীয় প্ৰাণেশ্বৰ শৰ্মা, স্বৰ্গীয় ৰেজেক আলী, শ্ৰীকামিনী মোহন শৰ্মা, স্বৰ্গীয় শান্তিৰাম ডেকা (৪ গৰাকী উপসভাপতি), শ্ৰীদুৰ্গাদত্ত আগৰৱালা (সাধাৰণ সম্পাদক), শ্ৰীধৰণী ভূঞা, শ্ৰীগোলোক চন্দ্ৰ ভূঞা (যুটীয়া সম্পাদক), স্বৰ্গীয় বদ্ৰী নাৰায়ণ আগৰৱালা (কোষাধ্যক্ষ), শ্ৰীতৰণী কান্ত শৰ্মা, শ্ৰীবাহাৰুদ্দিন আহমেদ, শ্ৰীপদ্মৰাম শালৈ, শ্ৰীনীল কান্ত মহন্ত, স্বৰ্গীয় ডাঃ উপেন্দ্ৰ মল্ল তালুকদাৰ আৰু শ্ৰীযাদৱ চন্দ্ৰ দাস (SDO/PWD) এই সকলক লৈ ১৫ জনীয়া পৰিচালনা সমিতি (Steering Cum Governing body) গঠিত হৈছিল। এই সভাতেই শ্ৰীযাদৱ চন্দ্ৰ দাস (SDO/PWD), শ্ৰীকৃষ্ণ লহকৰ, শ্ৰীবাঁহীৰাম কলিতা আৰু স্বৰ্গীয় যজ্ঞৰাম তালুকদাৰকলৈ গৃহনিৰ্মাণ উপসমিতি গঠন কৰি দিয়া হৈছিল। লগতে আগৰ ১০ জনীয়া ধন সংগ্ৰহ উপসমিতিখন সম্প্ৰসাৰিত কৰি ৩৫ জনীয়া কৰা হৈছিল আৰু সভাপতি ৺শৰ্মাদেৱকো এই সমিতিত লোৱা হৈছিল।

প্ৰস্তাৱিত কলেজৰ স্থান সংক্ৰান্তত স্থান নিৰ্দ্ধাৰণ উপসমিতিয়ে বনগাওঁ ৰিজাৰ্ভ, চিৰাখুন্দি ৰিজাৰ্ভ আৰু পশ্চিম সীতাৰা ৰিজাৰ্ভ এই তিনিটি স্থান সম্পৰ্কত যুগুত কৰা প্ৰতিবেদন ২২/৪/৬৩ তাৰিখৰ Steering Committee ৰ অধিবেশনে খৰচি মাৰি আলোচনা কৰে আৰু বহু বাক্-বিতণ্ডাৰ মাজেৰে বনগাওঁ ৰিজাৰ্ভৰ স্থান নিৰ্দ্ধাৰণ কৰে। এই ৰিজাৰ্ভৰ ৭৫ বিঘা মাটি কলেজৰ নামত পট্টন দিবলৈ চৰকাৰক অনুৰোধ জনাই সভাই প্ৰস্তাৱ গ্ৰহণ কৰে।



আনফালে, অন্য এক প্ৰস্তাৱযোগে ১৯৬৩-৬৪ শিক্ষা বছৰৰ পৰাই প্ৰাক্‌বিশ্ববিদ্যালয় নৈশ শ্ৰেণী ৰঙিয়া হাইস্কুলতে আৰম্ভ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। নৈশ কলেজৰ প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণী খোলাৰ অনুমতি বিচাৰি বিশ্ববিদ্যালয় কৰ্তৃপক্ষলৈ অনুৰোধ জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। এই কাম সৰ্বতো প্ৰকাৰে সম্পাদন কৰিবলৈ আমাৰ লগতে স্বৰ্গীয় প্ৰাণেশ্বৰ শৰ্মা, শ্ৰীগোলোক চন্দ্ৰ ভূঞা, শ্ৰীনীলকান্ত মহন্ত, শ্ৰীপদ্মৰাম শালৈ আৰু শ্ৰীগদাধৰ ফাটোৱালীক দায়িত্ব দিয়া হৈছিল। এই সংক্ৰান্তত সেই সময়ৰ প্ৰাগ্‌জ্যোতিষ কলেজৰ অধ্যক্ষ ৺তীৰ্থ নাথ শৰ্মা আৰু বি, বৰুৱা কলেজৰ অধ্যক্ষ ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ নাম আমি কৃতজ্ঞতাৰে স্মৰণ কৰোঁ। বিশ্ববিদ্যালয়ৰ পৰা অনুমতি পোৱা সম্পৰ্কত নিয়ম নীতি আদি সম্পৰ্কে যাৱতীয় দিহা-পৰামৰ্শ আগবঢ়াই দুয়োগৰাকী ব্যক্তিয়ে আমাক যথেষ্ট সহায় কৰিছিল।

কলেজৰ ৰিজাৰ্ভ ফাণ্ডত সেই সময়ৰ নিয়ম অনুযায়ী ৭৫০০ টকা জমা ৰখা হৈছিল। দান বৰঙণিৰ ৰেজিষ্টাৰ-প্ৰতিশ্ৰুতি, আদায়, বাকী আদি সন্নিৱিষ্ট কৰি ৰখা হৈছিল। সেই সময়ৰ হৰদত্ত-বীৰদত্ত ভৱনৰ লাইব্ৰেৰীৰ লগত সংযোগ ৰাখি কলেজ লাইব্ৰেৰী দেখুওৱা হৈছিল। শিক্ষা দানৰ বিষয়বোৰ আছিল–ইংৰাজী, অসমীয়া, ইতিহাস, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান আৰু অসমীয়া ২য় ভাষা।

ইতিমধ্যে অন্য এক নতুন কথা হ'ল। প্ৰথমতে যদিও প্ৰাক্‌বিশ্ববিদ্যালয় প্ৰথম বাৰ্ষিক শ্ৰেণী খোলাৰ সিদ্ধান্তহে আছিল, মুৰকত তিনিবছৰীয়া ডিগ্ৰী প্ৰথম বাৰ্ষিক শ্ৰেণী আৰম্ভ কৰাৰো সিদ্ধান্ত হ'ল আৰু একে সময়তে প্ৰাক্-বিশ্ববিদ্যালয় আৰু ডিগ্ৰী প্ৰথম বাৰ্ষিক শ্ৰেণী ৰঙিয়া হাইস্কুলত আৰম্ভ কৰি দিয়া হ'ল।

সেই সময়ত বিশ্ববিদ্যালয়ৰ পৰা নতুন কলেজ খোলাৰ অনুমতি পোৱা খুব সহজ কথা নাছিল। বিশেষকৈ তেতিয়াৰ উপাচাৰ্য্য টেইলৰ চাহাবৰ দৰে নীতিনিষ্ঠ পুৰুষৰ পৰা সহজতে অনুমতি আদায় কৰা সম্ভৱ নাছিল। কিন্তু মানুহজন যিমান টান, সিমান সহজো আছিল। ৰঙিয়া অঞ্চলৰ অৰ্থনৈতিক অনগ্ৰসৰতা, মানুহ খিনিৰ দাৰিদ্ৰ্যপীড়িত শোচনীয় অৱস্থা, উত্তৰ কামৰূপৰ বিস্তৃত এলেকাত উচ্চ শিক্ষাৰ কাৰণে কোনো অনুষ্ঠান নথকা আদি কথাবোৰ নিবহ-নিপানিকৈ তেখেতক বুজাই দিয়া হ'ল–তেখেত আমাৰ প্ৰতি সহানুভূতিশীল হ'ল আৰু ৰেজিষ্টাৰ শ্ৰীচিদা দাসক মতাই আনি অনুমতি প্ৰদানৰ ব্যৱস্থা কৰিলে। মনৰ গধূৰ বোজা এটা পাতল হ'ল। শান্তি আৰু স্বস্তি অনুভৱ কৰিলোঁ।

৯/৭/৬৩ ইং তাৰিখৰ সভাত শ্ৰীকুমাৰ সুখদেৱ সিং অধ্যক্ষ (ইংৰাজী) শ্ৰীনীলকান্ত মহন্ত (অসমীয়া), শ্ৰীগোলোক চন্দ্ৰ ভূঞা (ইতিহাস), শ্ৰীগদাধৰ ফাটোৱালী (অৰ্থনীতি) আৰু ৺পৃথুৰাম নাথ (ৰাজনীতি বিজ্ঞান)ক নিযুক্তি দিয়া হয় আৰু এইসকল ব্যক্তিয়ে প্ৰতিষ্ঠাকালৰ নানা আলৈ-আহুকালৰ মাজত শিক্ষকতা কৰিবলৈ বদ্ধপৰিকৰ হয়। উল্লেখ থাকে যে নিম্নতম ১০ জনৰ পৰা ১৫ জন ছাত্ৰ-ছাত্ৰী হ'লে আৰবী আৰু বঙালী বিষয় খোলাৰো সিদ্ধান্ত আছিল। প্ৰথম বিভাগৰ ছাত্ৰ-ছাত্ৰীক মাচুল সম্পূৰ্ণ আৰু দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱা আৰু দৰিদ্ৰ আৰু জনজাতীয় ছাত্ৰ-ছাত্ৰীক অৰ্দ্ধেক ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছিল। একে সময়তে শ্ৰীআকলু ৰাম কলিতাক পিয়ন হিচাপে আৰু শ্ৰীপদ্মেশ্বৰ শইকীয়াক কেৰাণী হিচাবে নিয়োগ কৰা হৈছিল।

ৰঙিয়াৰ সেই সময়ৰ চৰকাৰী চিকিৎসক ডাঃ বাণীকান্ত শৰ্মাই মহাবিদ্যলয়াৰ এটি প্ৰতীক (emblem) অঙ্কণ কৰি দিয়ে। সেই প্ৰতীক ১/৮/৬৩ তাৰিখৰ সভাত অনুমোদিত আৰু স্বীকৃত হয়।

৫।৮।৬৩ তাৰিখৰ দিনটো ৰঙিয়া কলেজৰ ইতিহাসত স্মৰণীয় দিন। সিদিনাই আনন্দমুখৰ অথচ অতিকৈ গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত ৰঙিয়া হাইস্কুলত কলেজৰ শুভাৰম্ভ হয়। ৰাতিপুৱা স্বৰ্গীয় প্ৰাণেশ্বৰ শৰ্মাদেৱে কলেজৰ প্ৰতীক চিহ্নিত পতাকা উত্তোলন কৰাৰ পিচত কেৰাহাজাৰ জনতাই ঢুলীয়া বেণ্ডপাৰ্টিৰ লগত নগৰত শোভাযাত্ৰা কৰে। বিয়লি প্ৰাগ্জ্যোতিষ কলেজৰ তৎকালিন অধ্যক্ষ তীৰ্থনাথ শৰ্মাদেৱে উৰুলি মঙ্গল ধ্বনি আৰু বেদমন্ত্ৰ উচ্চাৰণৰ মাজত কলেজৰ শুভ উদ্বোধনী সমাপন কৰে আৰু পাঠদানৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাবে উপস্থিত আছিল তেতিয়াৰ নলবাৰী কলেজৰ অধ্যক্ষ সু-সাহিত্যিক ত্ৰৈলোক্য নাথ গোস্বামীদেৱ। গধূলি বন্তি প্ৰজ্জ্বলনেৰে সিদিনাৰ কাৰ্য্যসূচীৰ অন্ত পৰিছিল।

এইদৰে এক নতুন উৎসাহ উদ্দীপনাৰে ৰঙিয়া কলেজৰ কাম-কাজ নিয়মীয়াকৈ আগবাঢ়িব ধৰিলে। অসমীয়াৰ অধ্যাপক শ্ৰীনীলকান্ত মহন্তই ইতিমধ্যে স্কুলৰ চাকৰি ত্যাগ কৰি একান্তপতীয়া ভাৱে কলেজৰ কামত যোগদান কৰে। পৰৱৰ্তী কালত ইংৰাজী আৰু আৰবী বিষয়ৰ পাঠদান সুচল কৰি তুলিবলৈ ৺প্ৰাণেশ্বৰ শৰ্মাদেৱ আৰু ৺মৌলানা ইছলামুদ্দিন চাহাবক tutor হিচাবে নিযুক্তি দিয়া হয়।

কলেজ আৰম্ভ হ'ল; কিন্তু সমস্যা শেষ নহ'ল। গৃহনিৰ্মাণৰ প্ৰশ্ন আহিল। এইচ, চি গোস্বামী (কাৰ্য্যবাহী অভিযন্তা)ৰ যত্নত গৃহনিৰ্মাণৰ আঁচনি, Site plan আদি প্ৰস্তুত হৈ উঠিল। এই সংক্ৰান্ত কাৰিকৰী দিশত আভিযান্ত্ৰিক বিষয়া শ্ৰীনগেন্দ্ৰ নাথ বৰুৱা, শ্ৰীমদন তালুকদাৰ শ্ৰীযাদৱ চন্দ্ৰ দাস আদিৰ লগতে স্থানীয় স্বৰ্গীয় গৰ্গ বৰ্মন আৰু শ্ৰীকৃষ্ণ নহৰুৱ আৰু পিচলৈ ৺লোহিত চন্দ্ৰ পাটোৱাৰীদেৱে সহায়-সহযোগিতা আগবঢ়াইছিল।

২৬।১১।৬৩ তাৰিখৰ সভাত শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈ দেৱক পূৰ্ণ পৰ্য্যায়ৰ অধ্যক্ষ হিচাবে নিযুক্তি দিয়া হয়।

গৃহনিৰ্মাণৰ কাম তৎপৰতাৰে আৰম্ভ কৰাৰ মানসেৰে পৰিচালনা সমিতিৰ ২২।১১।৬৪ তাৰিখৰ সভাত ২৬।১।৬৫ তাৰিখে বনগাওঁ ৰিজাৰ্ভত কলেজৰ আধাৰশিলা স্থাপনৰ দিন স্হিৰ কৰা হয়। গৃহ-নিৰ্মাণৰ আচবাব পত্ৰৰ বাবে বিশেষকৈ টিনপাত আৰু কাঠৰ বাবে যথাযথ ভাবে যোগান বিভাগ আৰু বনবিভাগৰ লগত যোগাযোগ কৰা হয়। স্বৰ্গীয় সিদ্ধিনাথ শৰ্মা দেৱৰ ব্যক্তিগত তৎপৰতাত ২০০ বাণ্ডিল টিনপাত ৬০৯ cft ৰয়েল্টিমুক্ত কাঠ আৰু ২০০০ cft ৰয়েল্টি মুক্ত কাঠৰ পামিট সংগ্ৰহ হয়। ইফালে এশ এটা আলৈআহকালৰ মাজত অৰ্থ সংগ্ৰহৰ বাবে বিভিন্ন পন্থা গ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত ৰঙিয়া সমবায় বেচা-কিনা সমিতিৰ যোগে বিক্ৰী হোৱা প্ৰতি মোন বস্তুৰ বাবে দহ পইচাকৈ আৰু ৰঙিয়া বজাৰত বিক্ৰী হোৱা প্ৰতিটো গৰুৰ বাবে দহ পইচাকৈ আৰু প্ৰতিটো ছাগলীৰ বাবে পাঁচ পইচাকৈ কলেজৰ নামত লোৱাৰ ব্যৱস্হা উল্লেখযোগ্য। কিন্তু এই ব্যৱস্হা সমূহৰ কোনোটোৱেই কাৰ্য্যকৰী ৰূপ লোৱা নাছিল।

কলেজ পৰিচালনাৰ নিয়মীয়া ব্যয়, আচবাব পত্ৰৰ খৰচ অধ্যাপক-কৰ্মচাৰীৰ বেতন, লাইব্ৰেৰীৰ খৰচ আদি বিভিন্ন সমস্যা স্বত্বেও কলেজ গৃহৰ আধাৰশিলা স্থাপন কৰা হ'ল আৰু নিৰ্মানৰ কামো আৰম্ভ হ'ল। বৰ্ত্তমান ৰেল লাইনৰ সমুখৰ দীঘল ঘৰটোৰ কাম আৰম্ভ হয়। পিচলৈ এইঘৰ দুয়োমূৰে পশ্চিম ফাললৈ বঢ়াই নিয়া হৈছে। ৰঙিয়াৰ আধাৰশিলা স্থাপনৰ অনুষ্ঠানটিও ইতিহাসত এক স্মৰণীয় দিন হিচাবে ৰৈ যাব। আধাৰশিলা স্থাপন কৰিছিল ৺সিদ্ধিনাথ শৰ্মাদেৱে



আৰু বিশিষ্ট অতিথি হিচাবে উপস্থিত আছিল দুগৰাকী খ্যাতনামা শিক্ষাবিদ্ ৺তীৰ্থনাথ শৰ্মা দেৱ আৰু ৺শৰৎ চন্দ্ৰ গোস্বামীদেৱ। এই অনুষ্ঠানত ব্যৱহাৰ হোৱা কেৰাহী আৰু কৰণি ৰাজহুৱা নিলামত দিয়াত ৺তাহাৰাৎ হুছেইন খানে কেৰাহীখন দুহেজাৰ ছশ টকাত আৰু ৺হৰিকান্ত সিঙে কৰণিপাত দুহেজাৰ পাঁচশ টকাত ক্ৰয় কৰি ধন্যবাদৰ পাত্ৰ হৈছিল। গৃহনিৰ্মাণৰ কাম লোৱা স্থানীয় ঠিকাদাৰ খৰছেদ আহমেদে কাম সময়মতে সম্পূৰ্ণ কৰিব নোৱাৰাত ৺লোহিত চন্দ্ৰ পাটোৱাৰীৰ তদাৰকত পৰিচালনা সমিতিয়ে নিজেই কাম সম্পূৰ্ণ কৰি ঘৰটো নিৰ্মাণ কৰি উলিয়ায়। পিচলৈ ১৯৬৬ চনৰ শিক্ষাবছৰত কলেজৰ শ্ৰেণীসমূহ নিজা গৃহত চলাৰ ব্যৱস্থা হয়।

১৯৬৫ চনৰ ২৪ জুলাই তাৰিখে চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ নিয়ম অনুযায়ী প্ৰথমখন গভৰ্ণিং-বডী গঠিত হয় তলত দিয়া ধৰণে:

৺সিদ্ধিনাথ শৰ্মা, সভাপতি; শ্ৰীদুৰ্গাদত্ত আগৰৱালা, সাধাৰণ সম্পাদক; ৺মোহন চন্দ্ৰ কলিতা (চৰকাৰৰ মনোনীত), শ্ৰীভূধৰ ফাটোৱালী আৰু ৺প্ৰাণেশ্বৰ শৰ্মা, (বিশ্ববিদ্যালয়ৰ মনোনীত) শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈ (অধ্যক্ষ), শ্ৰীনীলকান্ত মহন্ত, শ্ৰীগোলোক চন্দ্ৰ ভূঞা, শ্ৰীগদাধৰ ফাটোৱালী (শিক্ষক প্ৰতিনিধি), ২ জন অভিভাৱক আৰু ৩ জন ৰাইজৰ প্ৰতিনিধি। স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাৰ দৃঢ়তাপূৰ্ণ নেতৃত্বত কলেজ ক্ৰমান্বয়ে পদ্ধতিগত ভাৱে আগবাঢ়িছিল। শৰ্মাদেৱৰ মৃত্যুৰ পিছত ১৯৬৭ চনত শ্ৰীবাহাৰুল ইছলাম, এম, পি ডাঙৰীয়াৰ সভাপতিত্বত নতুন গভৰ্ণিং বডীয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰে আৰু পৰ্য্যায়ক্ৰমে কলেজে ঘাটি মঞ্জুৰী লাভ কৰাৰ পথলৈ অগ্ৰসৰ হয়। ইতিমধ্যে কলেজৰ সকলো বিভাগ পূৰ্ণাঙ্গ হৈ উঠে। ১৯৬৮-৬৯ চনলৈকে এই কলেজৰ পৰা মুঠ ৮৬ জন স্নাতক হয়। পৰিচালনা সমিতিৰ আশাসুধীয়া যত্ন, অধ্যাপক অধ্যাপিকাসকলৰ ত্যাগ, ছাত্ৰ-ছাত্ৰীসকলৰ একনিষ্ঠতা আৰু ৰাইজৰ আশীৰ্ব্বাদত কলেজখন ঠন ধৰি উঠিব ধৰিলে।

১৯৬৯ চনৰ শেষৰ ফালে ঘাটি মঞ্জুৰীৰ বাবে কিছুমান কলেজৰ তালিকা এখন কৰা হৈছিল। আমাৰ ফালৰ পৰাও বিৰামহীন চেষ্টা চলাই সেই সময়ৰ মুখ্যমন্ত্ৰী ৺বিমলা প্ৰসাদ চলিহা, সেই সময়ৰ শিক্ষামন্ত্ৰী স্বৰ্গীয় হাগ্জেৰ, বিশিষ্ট কংগ্ৰেছ নেতা ৺প্ৰৱীন কুমাৰ চৌধুৰী আদিৰ পৃষ্ঠপোষকতাত আমাৰ কলেজৰ নামো তালিকাভুক্ত হ'ল আৰু ১৯৬৯ চনৰ চেপ্টেম্বৰ মাহৰ পৰা ৰঙিয়া কলেজ ঘাটি মঞ্জুৰী প্ৰাপ্ত পৰ্য্যায়লৈ উন্নীত হয়। কলেজৰ ক্ৰমোন্নয়ণৰ বিভিন্ন পৰ্য্যায়ত ৰঙিয়াৰ সু-সন্তান স্বৰ্গীয় মকিবৰ ৰহমান (তেতিয়াৰ শিক্ষা সচিব) দেৱৰ বৰঙণি বিশেষভাৱে স্মৰণযোগ্য।

ৰঙিয়া কলেজ আমাৰ এই অঞ্চলৰ পিচপৰা জনসাধাৰণৰ আশা-আকাঙ্খাৰ প্ৰতীক প্ৰাণৰ অনুষ্ঠান। এই অনুষ্ঠানে সময়ৰ লগত খোজ মিলাই ক্ৰমোন্নয়নৰ ফালে আগবাঢ়িছে। বিজ্ঞান শাখাৰ আৰম্ভণী হৈছে। অদুৰ ভৱিষ্যতে বাণিজ্য শাখাও আৰম্ভ হব বুলি আমি আশা কৰোঁ। এটা সময়ত ফলে-ফুলে জাতিষ্কাৰ হৈ এই অনুষ্ঠানে আমাৰ অঞ্চলত জ্ঞান বিস্তাৰ কৰি ৰাইজৰ আশা-আকাঙ্খাক বাস্তৱ ৰূপ দিব এয়েই আমাৰ আশা। ১৯৫৯ চনৰ পৰা ১৯৭০ চনলৈ এই অনুষ্ঠানৰ সাধাৰণ সম্পাদক হিচাপে আৰু তাৰ পিচত ১৯৮৭ চনলৈ গভৰ্ণিং বডীৰ সদস্য হিচাপে এই অনুষ্ঠানৰ জন্মলগ্নৰ পৰা যৌৱন প্ৰাপ্তিলৈ আমি যি সেৱা আগবঢ়োৱাৰ সুযোগ পালোঁ তাৰবাবে গৰ্ব্ব অনুভৱ কৰোঁ। আগলৈও এই অনুষ্ঠানলৈ কিবা প্ৰকাৰে সেৱা আগবঢ়াব পাৰিলে পৰম কৃতাৰ্থ মানিম।

আজি ৰঙিয়া কলেজৰ ৰূপালী জয়ন্তী সমাৰোহ উপলক্ষে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কলেজ প্ৰতিষ্ঠাৰ লগত জড়িত সকলো ব্যক্তি আৰু ৰঙিয়া অঞ্চলৰ ৰাইজ আনন্দত অধীৰ হৈ উঠিছে। যিসকল ব্যক্তিয়ে এই কলেজ প্ৰতিষ্ঠাৰ বাবে নিৰবচ্ছিন্নভাৱে আত্মনিয়োগ কৰিছিল আৰু যি সকলৰ ইতিমধ্যে স্বৰ্গবাস হৈছে সেই সকলৰ আত্মায়ো নিশ্চয় পৰম শান্তি লাভ কৰিছে। আহক, আজিৰ এই শুভলগ্নত ৰঙিয়া কলেজক এক সৰ্ব্বাঙ্গসুন্দৰ ৰূপত প্ৰতিষ্ঠিত কৰিবলৈ আমি সকলোৱে প্ৰতিজ্ঞাবদ্ধ হওঁ। +

।। জয়তু ৰঙিয়া কলেজ ।।

( আজীৱন সমাজকৰ্মী শ্ৰীদুৰ্গাদত্ত আগৰৱালা ৰঙিয়া অঞ্চলৰ জনজীৱনত এটি সুপৰিচিত নাম। ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক শ্ৰীআগৰৱালাদেৱ ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰঙিয়া হিন্দী বিদ্যালয়, ৰঙিয়া ছোৱালী মহাবিদ্যালয়, ৰঙিয়া আৰবী কলেজ আদি প্ৰায় প্ৰত্যেকটি শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠাৰ লগত প্ৰত্যক্ষভাৱে জৰিত এগৰাকী শিক্ষানুৰাগী ব্যক্তি। বিগত তিনিদশকৰো অধিককাল তেখেতে নিষ্ঠাৰে সমাজসেৱা কৰি আহিছে। )

—০০০—

“অভিজ্ঞতাৰ গাম্ভীৰ্য আৰু বৈচিত্ৰ নহলে সজীৱ, স্পন্দন পূৰ্ণ সাহিত্যৰ সৃস্টি হব নোৱাৰে। বাস্তৱতে সাহিত্য এটা বিৰাট অভিজ্ঞতা। ব্যক্তিগত আৰু সামাজিক সকলো প্ৰকাৰ অভিজ্ঞতাৰ প্ৰকাশৰ থল হৈছে সাহিত্য”--

কৃষ্ণকান্ত সন্দিকৈ



# ৰঙিয়া মহাবিদ্যালয়ৰ পচিশ বছৰীয়া জীৱন-ইতিহাস

**শ্ৰীনীলকান্ত মহন্ত**

১৯৬৩ চনৰ কথা। সেইবছৰৰ ৫ আগষ্ট সোমবাৰৰ দিনটো ৰঙিয়াবাসী ৰাইজৰ বাবে এটি স্মৰণীয় দিন। সেই দিনতেই কামৰূপ জিলাৰ উত্তৰাঞ্চলৰ নাভিকেন্দ্ৰ ৰঙিয়াত ৰাইজৰ বহু-আকাঙ্খিত উচ্চশিক্ষাৰ সৰ্বপ্ৰথম শিক্ষানুষ্ঠান ৰঙিয়া মহাবিদ্যালয়ে জন্ম লাভ কৰে। নানা আলৈ-আহকালৰ মাজেৰে পূৰা একুৰি পাচ বছৰ অতিক্ৰম কৰি এই মহাবিদ্যালয়ে ১৯৮৮ চনৰ ৫ আগষ্ট তাৰিখে পূৰ্ণযৌৱনত ভৰি দিছে।

ৰঙিয়াৰ বহজন বিদ্যোৎসাহী সমাজ সেৱকৰ অক্লান্ত পৰিশ্ৰম আৰু অসীম ত্যাগৰ ফলশ্ৰুতি হিচাবে কেনেকৈ এই মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিছিল সেইবিষয়ে একাধিক প্ৰৱন্ধ-নিবন্ধত আলোচনা কৰা হৈছে। সেইবাবে এই প্ৰৱন্ধত আৰম্ভণিৰ পৰা বিগত পচিশ বছৰে এই অনুষ্ঠানটিয়ে লাভ কৰা ক্ৰমবিকাশৰ এটি চমু বৰ্ণনাহে দাঙি ধৰা হব।

এইখিনিতে উল্লেখ কৰা উচিত হব যে ১৯৬৩ চনৰ প্ৰায় ৪-৫ বছৰ আগতে এই মহাবিদ্যালয়খনি স্থাপন কৰা সম্পৰ্কে আলোচনা-বিলোচনা আৰু জল্পনা-কল্পনা কৰা হৈছিল যদিও সেই সময়ত সঘনে সংঘটিত প্ৰাকৃতিক দুৰ্যোগ আৰু চীন-ভাৰত আক্ৰমণ আদি প্ৰতিকুল অৱস্থাৰ বাবে কলেজ স্থাপনৰ উদ্যম সেমেকি আছিল। সৌভাগ্যৰ কথা যে ইয়াৰ মাজেদিয়ে মহাবিদ্যালয় প্ৰস্তুতি সমিতিয়ে প্ৰাক্‌বিশ্ববিদ্যালয় আৰু স্নাতক মহলাৰ কলা-শাখাৰ প্ৰথম বৰ্ষৰ শ্ৰেণী সমূহ আৰম্ভ কৰাৰ অনুমতি বিচাৰি গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃ-পক্ষৰ লগত যোগাযোগ কৰি উৎসাহজনক সহাৰি লাভ কৰিবলৈ সমৰ্থ হয়। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ১৯৬৩ চনৰ জুন মাহৰ ২৭ তাৰিখে ৰঙিয়াৰ কলেজ স্থাপন সম্পৰ্কীয় প্ৰস্তুতি সমূহ পৰিদৰ্শন কৰিবলৈ মাননীয় ডঃ সত্যেন্দ্ৰনাথ শৰ্মাদেৱক প্ৰেৰণ কৰে। ডঃ শৰ্মাদেৱে কলেজ স্থাপন সম্পৰ্কে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত উৎসাহজনক প্ৰতিবেদন প্ৰেৰণ কৰাৰ ইঙ্গিত পোৱাৰ পৰিপ্ৰেক্ষিতত ১৯৬৩ চনৰ ৫ আগষ্ট তাৰিখে প্ৰাক্‌বিশ্ববিদ্যালয় আৰু স্নাতক মহলাৰ প্ৰথম বৰ্ষত ইংৰাজী, অসমীয়া, অসমীয়া ২য় ভাষা, আৰবী, অৰ্থনীতি, ৰাজনীতিবিজ্ঞান আৰু বুৰঞ্জী বিষয়ৰ পাঠদান আৰম্ভ কৰা হয়। প্ৰথম বছৰ প্ৰাক্‌বিদ্যালয় শ্ৰেণীত মুঠ ১১৪ গৰাকী ছাত্ৰ-ছাত্ৰী, আৰু স্নাতক প্ৰথম বাৰ্ষিক শ্ৰেণীত মুঠ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰী ভৰ্তিকৰণ কৰোৱা হয়। আৰম্ভ কৰা বিষয় সমূহৰ বাবে নিম্নোক্ত অধ্যাপক সকলক নিযুক্ত কৰা হয়ঃ-

১। ইংৰাজী—৺সুখদেৱ সিং—অধ্যাপক—কাৰ্য্যবাহক অধ্যক্ষ।
২। অসমীয়া, —শ্ৰীনীলকান্ত মহন্ত
অসমীয়া ২য় ভাষা —অধ্যাপক
৩। অৰ্থনীতি—শ্ৰীগদাধৰ ফাটোৱালী— ,,
৪। বুৰঞ্জী— শ্ৰীগোলোক চন্দ্ৰ ভূঞা— ,,
৫। ৰাজনীতি বিজ্ঞান—৺পৃথুৰাম নাথ— ,,
৬। আৰবী—৺মৌলানা ইছলামুদ্দিন— ,,

মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালত ৺সুখদেৱ সিং দেৱে ইংৰাজী বিষয়ৰ পাঠদান কৰাৰ উপৰিও অধ্যক্ষ হিচাবে কাৰ্যনিৰ্বাহ কৰিবলগীয়া হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতিৰ পুৰস্কাৰপ্ৰাপ্ত ৰঙিয়া উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৺প্ৰাণেশ্বৰ শৰ্মাদেৱেও ইংৰাজী বিষয়ত নিয়মীয়াভাবে পাঠদান কৰিছিল। শ্ৰেণীসমূহ নৈশশাখাত ৰঙিয়া উচ্চ ইংৰাজী বিদ্যালয়ত আৰু দিনৰ ভাগত অস্হায়ীভাবে হৰদত্ত-বীৰদত্ত ভৱনত আৰম্ভ কৰা হৈছিল।

ৰঙিয়া মহাবিদ্যালয় পৰিচালনা সমিতিৰ সেই সময়ৰ সভাপতি দেশনেতা ৺সিদ্ধিনাথ শৰ্মাদেৱ আৰু সাধাৰণ সম্পাদক শ্ৰীদুৰ্গাদত্ত আগৰৱালা প্ৰমুখ্যে অন্যান্য সদস্য সকল আৰু কৰ্মীবৃন্দৰ প্ৰচেষ্টাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা G/A/ff/1/63/ 19192 পত্ৰমৰ্মে ১৯৬৩ চনৰ ১০ অক্তোবৰ তাৰিখে প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীৰ অস্হায়ী স্বীকৃতি (Temporary Affiliation) লাভ কৰা হয়। পৰম শ্ৰদ্ধেয় ৺সিদ্ধিনাথ শৰ্মাদেৱ অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী হোৱাৰ বাবে ৰঙিয়া মহাবিদ্যালয়ে বনগাওঁ ৰিজাৰ্ভত ৭৫ বিঘা মাটি লাভ কৰা হৈ উঠে। পৰিচালনা সমিতিৰ সম্পাদক শ্ৰীদুৰ্গাদত্ত আগৰৱালাদেৱৰ সেইসময়ৰ ৰঙিয়াৰ পৌৰ সভাপতি তথা নেতৃস্থানীয় কংগ্ৰেছ কৰ্মী আছিল বাবে স্হানীয় কংগ্ৰেছ ভৱনটি কলেজৰ কাৰ্যালয়ৰূপে ব্যৱহাৰ কৰিব পৰা হয়। প্ৰথম পৰ্যায়ত কাৰ্য্যালয় সহায়ক হিচাপে শ্ৰীপদ্মেশ্বৰ শইকীয়া আৰু চতুৰ্থ শ্ৰেণীৰ সহায়ক হিচাপে শ্ৰীআকলু ৰাম কলিতাক নিয়োগ কৰা হয়। পৰবৰ্তী কালত শ্ৰীগোপী ৰাম কুমাৰ আৰু শ্ৰীবশিষ্ঠ ঠাকুৰীয়ায়ো তৃতীয় বৰ্গৰ সহায়ক হিচাপে মহাবিদ্যালয়লৈ সেৱা আগবঢ়াই গৈছে।

ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাৰম্ভিক কালছোৱাৰ উল্লেখযোগ্য দিশটো আছিল এই সময় ছোৱাত চৰকাৰৰ পক্ষৰ পৰা ৪০,০০০ টকাৰ অনুদানৰ লগতে নিয়ন্ত্ৰিত দৰত ২০০ বাণ্ডিল টিনপাত আৰু বুজন পৰিমাণৰ ৰয়েলিটিমুক্ত কাঠ লাভ কৰিব পৰাটো। এই ক্ষেত্ৰত আমি শ্ৰদ্ধেয় ৺সিদ্ধিনাথ শৰ্মাদেৱ আৰু ৰঙিয়াৰ আন এগৰাকী সু-সন্তান মাননীয় ৺মফিজৰ ৰহমান (সেই সময়ৰ অসম চৰকাৰৰ শিক্ষাসচিব) ডাঙৰীয়াৰ ব্যক্তিগত তৎপৰতাৰ কথা কৃতজ্ঞতাৰে সোঁৱৰণ কৰিব লাগিব। এই মহাবিদ্যালয়ক সৰ্ব্বতোপ্ৰকাৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত চাৰিগৰাকী ব্যক্তিৰ অৱদান বিশেষ ভাৱে উল্লেখযোগ্য। তেখেত সকল হ'ল দেশনেতা ৺সিদ্ধিনাথ শৰ্মা, আজীৱন সমাজকৰ্মী শ্ৰীদুৰ্গাদত্ত আগৰৱালা, বিশিষ্ট শিক্ষাবিদ্ ৺প্ৰাণেশ্বৰ শৰ্মা আৰু মাননীয় ৺মফিজৰ ৰহমান ডাঙৰীয়া।

১৯৬৩ চনৰ শেষভাগত তেতিয়াৰ অধ্যক্ষ ৺সুখদেৱ সিং ডাঙৰীয়াই অনিবাৰ্য কাৰণত কলেজ এৰি যোৱাত নতুন অধ্যক্ষৰূপে মাননীয় শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈদেৱক নিযুক্তি দিয়া হয় আৰু তেখেতে ১৭/১/৬৪ তাৰিখে ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে।

ৰঙিয়া অঞ্চলৰ সহৃদয় ৰাইজৰ দান-বৰঙণিৰে ভেটি কৰি লৈ মহাবিদ্যালয়ৰ নিজা গৃহনিৰ্মাণৰ আঁচনি বাস্তৱত ৰূপায়িত কৰাৰ পৰিকল্পনা কৰা হ'ল। দান-বৰঙণিৰ ক্ষেত্ৰত ৰাইজৰ অকুণ্ঠ সহায়-সহযোগৰ কথা কৃতজ্ঞতাৰে সোঁৱৰণ কৰিবই লাগিব। বিশেষকৈ ৺বদ্ৰীনাৰায়ণ আগৰৱালা, শ্ৰীগৌৰীকান্ত কলিতা আৰু মৃণালিনী বিড়ি কোং প্ৰত্যেকে ১০,০০০ টকাকৈ আগবঢ়াই মহাবিদ্যালয় প্ৰতিষ্ঠাৰ দিশত বলিষ্ঠ পদক্ষেপ আগবঢ়াবলৈ পৰিচালনা সমিতিক উৎসাহিত কৰিছিল। ইয়াৰ উপৰিও ৺হৰিকান্ত সিং আৰু ৺তাহাৰাৎ হুছেইন খান আৰু ৺সাগৰমল আগৰৱালাদেৱে আগবঢ়োৱা দান-বৰঙণিৰ কথাও স্মৰণযোগ্য। ৰাইজৰ আশীৰ্ব্বাদ শিৰত লৈ ১৯৬৫ চনৰ ২৬ জানুৱাৰী



তাৰিখে বনগাওঁ ৰিজাৰ্ভৰ নিজা মাটিত মহাবিদ্যালয় গৃহৰ আধাৰশিলা স্হাপন কৰা হয়। হেজাৰ-হেজাৰ লোকৰ উপস্হিতিত ৺সিদ্ধিনাথ শৰ্মাদেৱে আনুষ্ঠানিকভাৱে আধাৰশিলা স্হাপন কৰা এই উৎসৱত প্ৰাগজ্যোতিষ কলেজৰ তৎকালীন অধ্যক্ষ পণ্ডিত ৺তীৰ্থনাথ শৰ্মাদেৱে আবেগময়ী ভাষণেৰে সকলোকে উৎসাহিত কৰে। অৰ্থনীতি বিভাগৰ প্ৰবক্তা ৺হৰেন্দ্ৰকুমাৰ দাসৰ ৰচিত আৰু সুৰ-সংযোজিত 'বনগাওঁৰ বালিতে আধাৰশিলা স্হাপিলে' এই আৰম্ভণী গীতৰ মুৰ্চ্ছনাই বনগাওঁৰ আকাশ-বতাহ মুখৰিত কৰিছিল। সেই দিনা স্হাপন কৰা আধাৰশিলাই কালক্ৰমত মহাবিদ্যালয়ৰ স্হায়ীগৃহৰ ৰূপ ধাৰণ কৰিলে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক, অক্লান্ত সমাজকৰ্মী শ্ৰীদুৰ্গাদত্ত আগৰৱালাৰ পৰিকল্পিত নেতৃত্বত অগণন কৰ্মীয়ে লক্ষাধিক টকা সংগ্ৰহ কৰিবলৈ সমৰ্থ হোৱাত গৃহনিৰ্মানৰ কাম নিয়াৰিকৈ আগবাঢ়ে।

১৯৬৫ চনৰ মাৰ্চমাহৰ ৩০ তাৰিখে ৰঙিয়া মহাবিদ্যালয়ে প্ৰথম বাৰৰ বাবে ৮০০০ টকাৰ তদৰ্থ মঞ্জুৰী লাভ কৰে। ১৯৬৬ চনত এই মহাবিদ্যালয়ৰ পৰা প্ৰথমবাৰ স্নাতক পৰীক্ষাত অৱতীৰ্ণ হৈ নিম্নোক্ত পাছ গৰাকী ছাত্ৰই স্নাতক হোৱাৰ গৌৰৱ অৰ্জন কৰে :-

(১) শ্ৰীৰাজেন্দ্ৰ প্ৰসাদ কলিতা (২) শ্ৰীভুৱনেশ্বৰ শৰ্মা, (৩) শ্ৰীঅমৰেন্দ্ৰ ভট্টাচাৰ্য, (৪) শ্ৰীদেবেন্দ্ৰ নাথ চৌধুৰী (৫) মহম্মদ চাফাত আলী।

১৯৬৬ চনৰ শেষৰফালে মহাবিদ্যালয়ৰ শ্ৰেণী সমূহ আৰু কাৰ্যালয় বনগাৱঁৰ নিজা মাটিত নিৰ্মিত মহাবিদ্যালয়ৰ স্হায়ী গৃহলৈ স্হানান্তৰিত হয় আৰু ইয়াৰ লগে লগে ৰঙিয়া মহাবিদ্যালয়ে কায়িক ৰূপ লাভ কৰে।

১৯৬৯ চনত মহাবিদ্যালয় কৰ্তৃপক্ষৰ অশেষ চেষ্টাৰ ফলত আৰু সেই সময়ৰ মাননীয় মুখ্য-মন্ত্ৰী ৺বিমলা প্ৰসাদ চলিহাদেৱ আৰু শিক্ষামন্ত্ৰী মাননীয় ৺জয়ভদ্ৰ হাগজেৰ ডাঙৰীয়াৰ আন্তৰিক সহানুভূতিৰ ফলত ৰঙিয়া মহাবিদ্যালয়ে ঘাটি মঞ্জুৰী লাভ কৰে। ঘাটি মঞ্জুৰী প্ৰাপ্ত পৰ্যায়লৈ উন্নীত হোৱা সময়ত পাঠদানৰ বিভাগসমূহ এনে ধৰণৰ আছিল।

| | | | |
|---|---|---|---|
| (১) ইংৰাজী বিভাগ–প্ৰবক্তাৰ সংখ্যা | | | ৩ |
| (২) অসমীয়া ,,– | ,, | ,, | ৪ |
| (৩) বুৰঞ্জী – | ,, | ,, | ২ |
| (৪) অৰ্থনীতি – | ,, | ,, | ২ |
| (৫) ৰাজনীতিবিজ্ঞান | ,, | ,, | ২ |
| (৬) শিক্ষাবিভাগ – | ,, | ,, | ১ |
| (৭) আৰবী – | ,, | ,, | ২ |
| (৮) বঙালী – | ,, | ,, | ১ |

পৰৱৰ্ত্তীকালত পৰ্য্যায়ক্ৰমে ১৯৭১ চনৰ পৰা অসমীয়া বিভাগত, ১৯৭৪ চনৰ পৰা অৰ্থনীতি বিভাগত, ১৯৮১ চনৰ পৰা বুৰঞ্জী আৰু ৰাজনীতি বিজ্ঞান বিভাগত আৰু ১৯৭৬ চনত শিক্ষা আৰু আৰবী বিভাগত অনাৰ্ছ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। মহাবিদ্যালয় প্ৰতিস্থাৰ দুবছৰৰ পিছতেই অৰ্থাৎ ১৯৬৫ চনৰ পৰা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ শাখা এটিৰ যোগেদি ছাত্ৰ সকলক প্ৰশিক্ষণ দি অহা হৈছে। পিচলৈ ১৯৭৮-৭৯ চনৰ পৰা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ এটা গোট আৰু ১৯৮৫-৮৬ চনৰ পৰা ৰাষ্ট্ৰীয় প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচীৰ এটা গোটে আমাৰ মহাবিদ্যালয়ত যোজনাৱদ্ধভাবে কাৰ্যক্ৰম কৰি আহিছে।

১৯৬৩ চনত হৰদত্ত-বীৰদত্ত ভৱন পুথিভঁৰালৰ লগত কেইখনমান কিতাপ সংযোজন কৰি আৰম্ভ কৰা মহাবিদ্যালয় পুথিভঁৰালটি বৰ্ত্তমানে সৰ্ব্বাঙ্গসুন্দৰ কৰি তোলা হৈছে। ইয়াত বৰ্ত্তমানে সকলো বিধৰ অধ্যয়নযোগ্য প্ৰায় ২৩০০০ বহমূলীয়া কিতাপ আৰু পাঠ্যপুথিৰ লগতে ৪০০০ উন্নত মানৰ আলোচনা সংগৃহীত হৈ আছে। পুথিভঁৰালৰ লগতে ছাত্ৰ-ছাত্ৰীৰ বাবে অধ্যয়ন কক্ষৰো ব্যৱস্থা আছে।

১৯৮৩-৮৪ চনত কলাবিভাগত দৰ্শন আৰু অঙ্ক বিষয় দুটি সংযোগ কৰি এই শাখা পূৰ্ণাঙ্গ কৰাৰ দিশত আৰু এদোপ আগবঢ়া হয়। ১৯৭০-৭১ চনত মহাবিদ্যালয়ে পোৱা চৰকাৰী অনুদানেৰে এটি ছাত্ৰাবাস নিৰ্মাণ কৰি উলিওৱা হয়। তদনুৰূপে ১৯৮৬-৮৭ চনত লক্ষাধিক টকাৰ চৰকাৰী অনুদানেৰে এটি ছাত্ৰীনিবাসৰ নিৰ্মাণ কাৰ্য্যও সম্পূৰ্ণ কৰা হৈছে।

১৯৭৫ চনৰ ১৫ এপ্ৰিল বহাগৰ বৰবিহুৰ দিনটো আমাৰ মহাবিদ্যালয়ৰ ইতিহাসত এটি দুখৰ দিন হিচাপে স্মৰণীয় হৈ থাকিব। সেইদিনা ৰাতি হোৱা প্ৰচণ্ড ধুমুহা বতাহৰ ফলত আমাৰ মহাবিদ্যালয় সাংঘাটিক ধৰণে ক্ষতিগ্ৰস্ত হয়। আটাইবোৰ গৃহৰে সমস্ত টিনপাত উৰুৱাই লৈ যোৱাত একপ্ৰকাৰ অচলাৱস্থাৰ সৃষ্টি হয়। প্ৰায় ৫০,০০০ টকা ব্যয় কৰি অভিলেখ সময়ত কলেজগৃহ পুনৰ নিৰ্মাণ কৰি উলিওৱা হয়। ১৯৮৬ চনৰ মাৰ্চমাহতো অনুৰূপ প্ৰাকৃতিক দুৰ্যোগৰ পিচত প্ৰায় ২০,০০০ টকা ব্যয়েৰে মেৰামতিৰ কাম সম্পূৰ্ণ কৰা হয়। কিন্তু দুখৰ বিষয় এয়ে যে দুয়োবাৰতে মন্ত্ৰীপৰ্য্যায়ৰ চৰজমিন তদন্ত হোৱা স্বত্বেও এই সংক্ৰান্তত কোনো ধৰণৰ চৰকাৰী সাহায্য পোৱা নগ'ল।

১৯৮০ চনৰ এপ্ৰিল মাহত অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈদেৱে পদত্যাগ কৰি ৰঙিয়া এৰাৰ পিচত এই প্ৰৱন্ধকাৰে কেইবছৰমান ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্ব্বাহ কৰাৰ অন্তত ১৯৮৬ চনৰ ডিচেম্বৰ মাহৰ পৰা স্থায়ী অধ্যক্ষ হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰে।

ইতিমধ্যে ১৯৮৪-৮৫ চনত ৰঙিয়া মহাবিদ্যালয়ত বিজ্ঞান শাখা আৰম্ভ কৰা হয়। প্ৰথম বছৰতে উচ্চতৰ মাধ্যমিক আৰু স্নাতক মহলা উভয়তে পদাৰ্থবিদ্যা, ৰসায়ণবিদ্যা, অংক, ভূগোল, প্ৰাণীবিদ্যা আৰু উদ্ভিদবিদ্যা বিষয়ৰ শ্ৰেণীসমূহ খোলা হয়। বৃহত্তৰ ৰঙিয়া অঞ্চলৰ ৰাইজৰ অকুণ্ঠ দান-বৰঙণিৰে বিজ্ঞান শাখাৰ গৱেষণাগাৰ সাজি উলিওৱা হৈছে আৰু বিশ্ব-বিদ্যালয় অনুদান আয়োগৰ মঞ্জুৰী আৰু অসম চৰকাৰৰ Matching Grantৰ সহায়ত শ্ৰেণ কোঠাসমূহো সম্পূৰ্ণ হৈ উঠিছে। যদিও এই পৰ্য্যন্ত কোনো ধৰণৰ চৰকাৰী অনুদান পোৱা নাই, উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ আৰু গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষ উভয়ৰে পৰা পোৱা অনুমতি সাপেক্ষে চৰকাৰৰ তৰফৰ পৰা সমস্বীকৃতি ( Concurrance ) লাভ কৰা হৈছে। তথাপি ৰাইজৰ দান-বৰঙণি তথা কলেজৰ অনুষ্ঠুপীয়া পুঁজিৰ পৰাই বিজ্ঞান শাখা বৰ্ত্তমানলৈ চলাই থকা হৈছে। অদূৰ ভৱিষ্যতে এই শাখাৰ বাবে চৰকাৰী সাহায্য, অনুদান আদি নাপালে ব্যয়বহুল বিজ্ঞান শাখাটি বৰ্ত্তাই ৰখা অতিকৈ কষ্টসাধ্য হব বুলি আশঙ্কা হয়।

এইখিনিতে উল্লেখ কৰা উচিত হব যে এই মহাবিদ্যালয়ৰ আৰ্থিক দিশ টনকিয়াল কৰাৰ উদ্দেশ্যে সময়ে সময়ে ভ্ৰাম্যমান থিয়েটাৰ, চাৰ্কাচ, প্ৰদৰ্শনী খেল আদি অনুষ্ঠিত কৰি যথেষ্ট ধন সংগ্ৰহ কৰা হৈছিল। ১৯৬৮ চনত আমাৰ কেইগৰাকীমান উদ্যোগী শিক্ষক বন্ধুৰ প্ৰচেষ্টাত মহাবিদ্যালয়ৰ বৃহৎ পৰিমানৰ প্ৰায় ৬০ বিঘা মাটিত খেতি কৰাৰ উদ্দেশ্যে Agricultural Farm Committee এখন গঠিত হৈছিল। এই উদ্যোগতে ধান, মৰাপাট, সঁৰিয়হ আদিৰ খেতি কৰি কেবাহাজাৰ টকা মহাবিদ্যালয় পুঁজিত সংগৃহীত হৈছিল। কৃষিপামৰ জৰিয়তে কলেজৰ অগ্ৰগতিৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ কথা কবলৈ যাওঁতে নিম্নোক্ত অধ্যাপক সকলৰ নাম উল্লেখ কৰিব লাগিব–সৰ্ব্বশ্ৰী গোলোক চন্দ্ৰ ভূঞাঁ, গদাধৰ ফাটোৱালী, জ্যোতিষ চন্দ্ৰ চৌধুৰী, যোগেন্দ্ৰ নাথ পাঠক, হীৰেন্দ্ৰ নাথ শৰ্মা, ভবেন্দ্ৰ নাথ ডেকা, চফিউদ্দিন আহমেদ।

ৰঙিয়া মহাবিদ্যালয়ৰ একুৰি পাচ বছৰীয়া ইতিহাস সোঁৱৰণ কৰিবলৈ লওঁতে শৈক্ষিক দিশত এই অনুষ্ঠানে প্ৰদৰ্শন কৰা কেইটিমান



কৃতিত্বৰ কথা উনুকিয়াবলৈ পাই গৌৰৱ অনুভৱ কৰিছো। বৰ সন্তোষৰ কথা যে এই মহাবিদ্যালয়ৰ পৰা বিগত বছৰকেইটাত কেবাশ ছাত্ৰ-ছাত্ৰীয়ে স্নাতক ডিগ্ৰী লাভ কৰি আমাৰ পিচপৰা অঞ্চলৰ সুনাম বৃদ্ধি কৰিছে। ইয়াৰে ভিতৰত কেবাজনেও অনাৰ্ছ বা ডিষ্টিংশ্যন সহ বিশেষ যোগ্যতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। কেইগৰাকীমান ছাত্ৰই বিশ্ববিদ্যালয়ৰ পৰীক্ষাত চমকপ্ৰদ সাফল্য দেখুৱাই মহাবিদ্যালয়ৰ যশস্যা বৃদ্ধি কৰিছে। ইয়াৰে ভিতৰত শ্ৰীঅনন্ত কুমাৰ ডেকাই ১৯৭৪ চনৰ প্ৰাক্‌বিশ্ববিদ্যালয় ( কলা ) পৰীক্ষাত দ্বিতীয় স্থান অধিকাৰ কৰি আমাক গৌৰৱৰ অধিকাৰী কৰিছিল। স্নাতক পৰীক্ষাতো শ্ৰীঅনন্ত কুমাৰ ডেকাই অৰ্থনীতিৰ অনাৰ্ছত বিশ্ববিদ্যালয়ত দ্বিতীয় স্থান লাভ কৰে। ১৯৮৫ চনৰ ৰঙিয়া মহাবিদ্যালয়লৈ গৌৰৱ বহন কৰি আনে আৰবী অনাৰ্ছৰ দুজন ছাত্ৰ শ্ৰীইব্ৰাহিম আলি আৰু শ্ৰীহাফিজৰ ৰহমানে। এওঁলোক দুজনে সেই বছৰৰ পৰীক্ষাত অনাৰ্ছত ক্ৰমে প্ৰথম শ্ৰেণীৰ ১ম আৰু ২য় স্থান লাভ কৰে আৰু শ্ৰীইব্ৰাহীম আলীয়ে অনাৰ্ছ পৰীক্ষাৰ্থী সকলৰ ভিতৰত সৰ্ব্বোচ্চ নম্বৰ পাই বিশ্ববিদ্যালয়ত সেইবছৰৰ সৰ্ব্বোত্তম স্নাতক হোৱাৰ যোগ্যতা অৰ্জন কৰে।

শিক্ষক মণ্ডলীৰ ভিতৰতো কেবাগৰাকীয়ে নিজ নিজ ক্ষেত্ৰত ডক্টৰেট, এম্‌ফিল্‌ আদি ডিগ্ৰী লাভ কৰি নিজৰ নিজৰ যোগ্যতা সাব্যস্ত কৰাৰ লগতে মহাবিদ্যালয়ৰ নাম উজ্জ্বল কৰিছে। ইয়াৰে ভিতৰত ডঃ আফজাল আহমেদ [এলাহাবাদ বিশ্ববিদ্যালয়ৰ ডক্টৰেট ], ডঃ ফাইয়া-জুল হক [ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডক্টৰেট ], অধ্যাপক আব্দুৰ ৰেজাক [ এম্ ফিল্ উত্তৰ পূৱ পাৰ্ব্বত্য বিশ্ববিদ্যালয়, শ্বিলং ] আৰু অধ্যাপিকা যুথিকা ঘোষ [ এম্ ফিল্ গুৱাহাটী বিশ্ববিদ্যালয় ]ৰ নাম উল্লেখ কৰিব পাৰি। ইয়াৰ উপৰিও ডঃ ফাইয়াজুল হক ডাঙৰীয়াই ১৯৮৬ চনত সৰ্ব্ব-ভাৰতীয় প্ৰাচ্যবিদ্যা সন্মিলনৰ কলিকতা অধি-বেশনত পশ্চিম এচিয় অধ্যয়ন শাখাৰ সভাপতি পদ আলংকৃত কৰাৰ সন্মানো অৰ্জন কৰিছে।

সাংস্কৃতিক ক্ষেত্ৰতো আমাৰ মহাবিদ্যালয়ৰ একাধিক ছাত্ৰ-ছাত্ৰীয়ে বিশেষকৈ সঙ্গীতৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা দেখুৱাই মহাবিদ্যালয়ৰ বাবে গৌৰৱ কঢ়িয়াই আনিছে। এইসকলৰ ভিতৰত যশস্বী কণ্ঠশিল্পী শ্ৰীনীলিমা খাটুন, শ্ৰীমতী মীনা শৰ্মা আৰু শ্ৰীওৱাহিদুৰ ৰহমানৰ নাম বিশেষ ভাৱে উল্লেখযোগ্য।

আলোচিত বিৱৰণীৰ পৰা এই কথা পৰি-স্কাৰভাৱে প্ৰকাশ হয় যে এই মহাবিদ্যালয় খনিয়ে বিগত আঢ়েটা দশকত টুকটাককৈহে নিজৰ অৱয়ৱ বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে। সমসাম-য়িক কালত প্ৰতিষ্ঠিত আন দুই-এখন মহা-বিদ্যালয়ৰ তুলনাত এই অগ্ৰগতি লেহেম বুলিয়েই কব লাগিব। ইয়াৰ কাৰণ হিচাবে কেইবাটাও কথালৈ আঙুলিয়াব পাৰি–যেনেঃ–চৰকাৰ পক্ষৰ পৰা যথোচিত পৰিমাণৰ চৰকাৰী অনুদান নোপোৱা, ৰঙিয়া অঞ্চলত ধনাঢ্য-দানশীল লোকৰ সংখ্যালঘিষ্ঠতা আৰু এই অঞ্চলৰ সাধাৰণ ৰাইজৰ আৰ্থিক দুৰ্দশা ইত্যাদি। এনে পৰিস্থিতিৰ মাজেদিয়েই এই মহাবিদ্যালয়ে আজিলৈ যিমান খিনি প্ৰসৰতা লাভ কৰিছে তাৰ গুৰুত্ব নুই কৰিব নোৱাৰি। ধাৰাবাহিকৰূপে কোনো দিশৰ পৰা বিশেষ ধৰণৰ আৰ্থিক সাহায্য নোপোৱাকৈয়ে এই মহাবিদ্যালয়ে নিজৰ খোপাত এপাহি দুপাহিকৈ কলা আৰু বিজ্ঞান শিক্ষাৰ ফুল গুজিব পাৰিছে। গৃহহীন, ভূমিহীন অৱস্থাৰ পৰা এই মহাবিদ্যালয় ভূ-স্বামী, গৃহস্বামীৰূপে প্ৰতিষ্ঠিত হৈছে। প্ৰাৰম্ভিক বছৰৰ ছাত্ৰসংখ্যা ১৫৪ জনৰ পৰা বৰ্ত্তমানে প্ৰায় ১৪০০ জনলৈ বৃদ্ধি কৰিব পাৰিছে। প্ৰাৰম্ভিক বছৰৰ ৭টি বিভাগৰ ঠাইত আজি অনাৰ্ছ পাঠ্যক্ৰম সহ ১৭টি বিভাগত-শিক্ষাদান কৰাৰ ব্যৱস্থা হৈছে আৰু ইয়াৰ লগত সংযোগ কৰা হৈছে বিজ্ঞান শাখা। অদূৰ ভৱিষ্যতে বাণিজ্য শাখা সংযোজনৰ

কল্পনা বাস্তবায়নৰ দিশত আগবঢ়াৰ মনোবল আৰু উৎসাহ পাম বুলি সৰ্ব্বান্তকৰণৰ আশা ৰাখিছো। বৰ্ত্তমান এই মহাবিদ্যালয়ত বিভিন্ন বিষয়ত অধ্যাপনাত নিয়োজিত অধ্যাপক-অধ্যাপিকাৰ সংখ্যা–৪৯, কাৰ্য্যালয়ৰ প্ৰশাসনীয় সহায়ক তথা চতুৰ্থবৰ্গৰ সহায়ক মুঠ ১৯ গৰাকী আৰু লাইব্ৰেৰীয়ান এজন।

ৰঙিয়া মহাবিদ্যালয়ৰ পচিশ বছৰীয়া জীৱন কালৰ ভিতৰত কেবাগৰাকী শ্ৰদ্ধেয় সহযোগীয়ে আমাৰ পৰা চিৰবিদায় লৈছে। আজিৰ এই মধুৰ ক্ষণত তেখেত সকলৰ স্মৃতি সোঁৱৰণীলৈ অনাৰ লগতে আমি তেখেতসকলৰ পুণ্যাত্মাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছোঁ। সেই সকল কৃতিব্যক্তি অধ্যক্ষ ৺সুখদেৱ সিং, শিক্ষাবিদ্ ৺প্ৰাণেশ্বৰ শৰ্মা, ৺মৌলানা ইছলামুদ্দিন, অধ্যাপক ৺পৃথুৰাম নাথ, অধ্যাপক ৺গজেন্দ্ৰনাথ কলিতা, অধ্যাপক৺হৰেন্দ্ৰকুমাৰ দাস আৰু অধ্যাপক৺নিৰঞ্জন তালুকদাৰৰ বিদ্ৰোহী আত্মাৰ চিৰশান্তিৰ বাবে পৰম পিতাৰ ওচৰত মিনতি জনাইছো।

১৯৬৩ চনৰ পৰা আজিলৈকে কলেজ পৰিচালনা সমিতি সমূহত ধাৰাবাহিকৰূপে সভাপতি পদত অধিষ্ঠিত থাকি যিসকল কৃতবিদ্যলোকে এই অনুষ্ঠানক গঢ় দিয়াত অহোপুৰুষাৰ্থ কৰিলে সেইসকল নিম্নোক্ত ব্যক্তিৰ নাম শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হ'ল:–দেশনেতা ৺সিদ্ধিনাথ শৰ্মা [ ১৯৬৩-জুন ১৯৬৬ [, ন্যায়াধীশ শ্ৰীবাহাৰুল ইছলাম [নবেম্বৰ ১৯৬৬-মে ১৯৭১ [, অধিবক্তা, প্ৰাক্তন বিধায়ক শ্ৰীমানবেন্দ্ৰ শৰ্মা [ ১৯৭২-মাৰ্চ ১৯৮১ ], শিক্ষাবিদ্ ৺ডঃ কালীচৰণ দাস [ আগষ্ট ১৯৮১-জুন ১৯৮২ ] শিক্ষাবিদ্ শ্ৰীআহমদ হুছেইন [ জুলাই ১৯৮২-চেপ্তেম্বৰ ১৯৮৩ [, শ্ৰীত্ৰিদিবেশ ভট্টাচাৰ্য্য, মহকুমাধিপতি [ অক্টোবৰ ১৯৮৩-নবেম্বৰ ১৯৮৪] শ্ৰীপ্ৰদীপ কুমাৰ দাস মহকুমাধিপতি [ ডিচেম্বৰ ১৯৮৫–ফেব্ৰুৱাৰি ১৯৮৬ ] আৰু অধিবক্তা শ্ৰীতৰুণ সিংহ লহকৰ [ আগষ্ট ১৯৮৬ ৰ পৰা বৰ্ত্তমানলৈ। এইসকল স্থায়ী সভাপতিৰ অনুপস্থিতিত অস্থায়ীভাৱে ৺প্ৰাণেশ্বৰ শৰ্মা, শ্ৰীতৰণীকান্ত শৰ্মা, শ্ৰীকামিনীমোহন শৰ্মা প্ৰমুখ্যে কেইবাগৰাকী ব্যক্তিয়ে পৰিচালনা সমিতিৰ বৈঠকত সময়ে-সময়ে সভাপতিৰ আসন আলংকৃত কৰিছিল।

১৯৬৩ চনৰ পৰা অধুনাকাললৈ বিভিন্নসময়ত পৰিচালনা সমিতিৰ সম্পাদকৰ দায়িত্ব সম্পাদন কৰা ব্যক্তিসকল ক্ৰমে শ্ৰীদুৰ্গাদত্ত আগৰৱালা, শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈ [ অধ্যক্ষ-সম্পাদক ], শ্ৰীনীলকান্ত মহন্ত [ উপাধ্যক্ষ –সম্পাদক ], শ্ৰীতৰুণ চন্দ্ৰ লহকৰ, শ্ৰীগদাধৰ ফাটোৱালী আৰু শ্ৰীনীলকান্ত মহন্ত [ অধ্যক্ষ-সম্পাদক ] আদিৰ নাম শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হ'ল।

ৰঙিয়া মহাবিদ্যালয়খনিক বৰ্ত্তমানৰ এইৰূপত থিয় কৰোৱাত যিসকল ব্যক্তিয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ত্যাগ স্বীকাৰ কৰিছিল, সেইসকলৰ বহুতৰেই ইতিমধ্যে স্বৰ্গবাস হৈছে। আজিৰ এই মধুৰ ক্ষণত তেখেতসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো। ইয়াৰে যিসকল এতিয়াও আমাৰ মাজত আছে সেইকলৰ প্ৰতি আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিছো। বিগত পচিশটা বছৰৰ কালছোৱাত যি সকল মহান ব্যক্তিয়ে অসম চৰকাৰৰ শিক্ষামন্ত্ৰী, শিক্ষাসচিব শিক্ষাধিকাৰ আদি পদ আলংকৃত কৰি মহাবিদ্যালয়ক আগবঢ়াই নিয়াত সহায়-সহযোগ আগবঢ়ালে সেই সমূহ ব্যক্তিলৈ তথা গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদলৈও এই ছেগতে আমাৰ কৃতজ্ঞতা নিবেদন কৰিলো। এই সকলোৰে প্ৰত্যক্ষ-পৰোক্ষ অৰিহণা অবিহনে ৰঙিয়া মহাবিদ্যালয়ৰ উচ্চশিক্ষা প্ৰসাৰৰ উদ্দেশ্য সাফল্য মণ্ডিত হৈ নুঠিলহেতেঁন।

এই আলেখ্যৰ মাজেৰে ৰঙিয়া মহাবিদ্যালয়ৰ পচিশ বছৰীয়া জীৱন ইতিহাস সংক্ষিপ্ত ৰূপত দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। স্থানাভাৱত দীঘলীয়া বৰ্ণনাৰ পৰা বিৰত থাকিব লগীয়া হ'ল। অনিচ্ছাকৃতভাৱে দুই-এক ব্যক্তিৰ বিষয়ে উল্লেখ নোহোৱাকৈ ৰৈ যাব পাৰে অথবা দুই-এক কথা বাদ পৰি যাব পাৰে। তাৰবাবে আমি সকলোৰে ওচৰত আগতীয়াকৈ ক্ষমা ভিক্ষা কৰিছো। বৃহত্তৰ ৰঙিয়া অঞ্চলৰ অতি মৰমৰ এই অনুষ্ঠান ৰঙিয়া মহাবিদ্যালয়ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি, যশবৃদ্ধি কামনা কৰি আলচটি ইমাতে সামৰিছো। +



**॥ জয়তু ৰঙিয়া মহাবিদ্যালয় ॥**

[ ৰঙিয়া মহাবিদ্যালয়ৰ বৰ্ত্তমান অধ্যক্ষ শ্ৰীনীলকান্ত মহন্তদেৱ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ এগৰাকী অগ্ৰগণী উদ্যোক্তা। আৰম্ভণিৰ সময়ৰে পৰা পূৰ্ণকালীন সেৱা আগবঢ়াই যোৱা একুৰি পাচ বছৰে মহাবিদ্যালয়খনিৰ অগ্ৰগতিৰ ক্ষেত্ৰত তেখেত প্ৰত্যক্ষভাবে জড়িত হৈ আছে। প্ৰথমে অসমীয়া বিভাগৰ অধ্যাপক, কেবাবছৰ ধৰি উপাধ্যক্ষ আৰু ১৯৮৬ চনৰ পৰা অধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰি থকা শ্ৰীমহন্তদেৱ এগৰাকী ধৰ্মপ্ৰাণ ব্যক্তি। মহাপুৰুষীয়া ধৰ্ম-দৰ্শন, সাহিত্য-সংস্কৃতিৰ ওপৰত তেখেতৰ প্ৰগাঢ় অধ্যয়ন সৰ্ব্বজনবিদিত শ্ৰীমহন্তদেৱ এগৰাকী চিন্তাশীল লেখক আৰু সুবক্তা। ]

––০০০––

"উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণীত জীৱন ব্যাপী সাধনা নহলে ওখ খাপৰ সাহিত্যৰ সৃষ্টি হোৱা টান। আমাৰ মাজত ব্যক্তিগত সাধনাৰ অভাৱ অকল সাহিত্যতে নহয় জীৱনৰ সকলো ক্ষেত্ৰতে দেখা যায়। সাহিত্যৰ ক্ষেত্ৰত ইয়াৰ ফল অতি শোচণীয় হৈছে।"

––কৃষ্ণকান্ত সন্দিকৈ

# কলেজ পাগলৰ কলম

**শ্ৰীনৰেন কাকতি**

সিদিনা আছিল ১৯৬৩ চনৰ ৫ আগষ্ট। আনন্দ-উলাহৰ মাজেৰে বিৰাট শোভাযাত্ৰাৰ অন্তত ৰঙিয়া হাইস্কুল প্ৰাঙ্গনত অনুষ্ঠিত হোৱা উদ্বোধনী সভাত ৰঙিয়া কলেজৰ শুভাৰম্ভ হ'ল। উদ্বোধনী ভাষণ প্ৰসঙ্গঁত স্বৰ্গীয় পণ্ডিত তীৰ্থনাথ শৰ্মাদেৱে এষাৰি তাৎপৰ্য্যপূৰ্ণ উক্তি কৰিছিল। "কলেজ এখন গঢ় দিবলৈ হলে কিছুমান কলেজ পাগলৰ সৃষ্টি হব লাগিব।" সমজুৱাৰ ফালৰ-পৰা বন্ধু শ্ৰীপৰেশ দত্তই তেওঁৰ ভাষণৰ মাজতে এই অভাজনক কলেজ পাগল বুলি ৰাজহুৱাভাৱে আখ্যা দিলে। সেই সময়ত মই হাইস্কুলৰ এটা কোঠাত পেট্ৰোমাক্স লাইটবোৰ ঠিক-ঠাক কৰি আছিলো। এনেতে বন্ধু স্বৰ্গীয় ভৰত কলিতা দৌৰি আহি মোক সাবটি ধৰিলে। তেওঁৰ চকুত আনন্দৰ অশ্ৰু বিৰিঙি উঠিছিল; ময়ো কব নোৱাৰাকৈ মোৰ দুচকুৰে অশ্ৰু বাগৰি অহা গম পালো। এইয়া আছিল এক আনন্দৰ মুহূৰ্ত্ত, প্ৰাপ্তিৰ আনন্দ।

আজিৰ পৰা একুৰি পাঁচ বছৰ আগতে সেই সময়ৰ উত্তৰ কামৰূপৰ বৰপেটা, বজালী, নলবাৰী আদি জনবহুল ঠাইৰ বাদে উচ্চশিক্ষাৰ অনুষ্ঠান আন ক'তো নাছিল। ৰঙিয়াৰ দৰে এখন ঠাইত কলেজ এখন স্থাপন কৰাৰ চিন্তা পৰ্ব্বতত কাছকণী বিচৰাৰ দৰে আছিল। ১৯৫৮ চনমানত কলেজ এখন স্থাপনৰ কথা প্ৰথমে আলোচিত হয়। স্বৰ্গীয় ভৰত কলিতাৰ পান-দোকানৰ সমুখৰ চাঙত বহি আমি কেইজনমানে সদায় সন্ধিয়া বিভিন্ন বিষয়ে আলোচনা কৰিছিলো। এনে আলোচনাৰ মাজতে কোনোবা এদিন স্বৰ্গীয় কলিতাই শ্ৰীপৰেশ দত্তক ক'লে--'দত্ত, ৰঙিয়াত এখন কলেজ পাতিব নোৱাৰিনে?' এই আলোচনা ক্ৰমে বহল হ'বলৈ ধৰিলে-- আলোচনাৰ পৰিধিলৈ আৰু বহুলোক সোমাই আহিল। কিন্তু সমস্যা হ'ল--আলোচনাবিলাকত ভাগলোৱা অধিক সংখ্যকেই আছিল উচ্চশিক্ষাৰ পোহৰ নেদেখা অতিকৈ নিঃকিন লোক। গতিকেই কলেজ পতাৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ চিন্তা বহুত দিনলৈ মনতেই ৰৈ গৈছিল। এনেতে সেই সময়ৰ টাউন কমিটীৰ চেয়াৰমেন শ্ৰীদুৰ্গাদত্ত আগৰৱালা, শ্ৰীনাৰায়ণ শৰ্মা প্ৰমুখ্যে কেই-গৰাকীমান ব্যক্তিও এই আঁচনিৰ ভিতৰত সোমাই পৰিল আৰু পোনপ্ৰথমে এক অনুষ্টুপীয়া বৈঠকত এই বিষয়ে প্ৰত্যক্ষ আলোচনা হয় আৰু এই সম্পৰ্কে বহল ভিত্তিত আলোচনা কৰাৰ বাবে ৰাজহুৱা সভা এখন আহ্বানৰ সিদ্ধান্ত লোৱা হয়। এইখিনিতে উল্লেখযোগ্য যে সেই সময়ৰ ৰঙিয়া সমষ্টিৰ বিধায়ক তথা অসমৰ বিশিষ্ট জননেতা স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাদেৱ কলেজ স্থাপনৰ ক্ষেত্ৰত নিস্পৃহ হোৱাত কৰ্মীসকলৰ মনত অসন্তুষ্টিয়ে দেখা দিছিল। সেয়ে হ'লেও স্থানীয় বিধায়কগৰাকী জড়িত নহ'লে কলেজৰ লেখীয়া বৃহৎ অনুষ্ঠান স্থাপনৰ ক্ষেত্ৰত সন্মুখীন হ'বলগা অসুবিধাসমূহ ৰাইজে উপলব্ধি কৰিছিল। সি যি কি নহওঁক, সৰ্ব্বশ্ৰীনাৰায়ণ শৰ্মা, দুৰ্গাদত্ত আগৰৱালা আৰু ধৰণী ভুঞাঁক আহ্বায়ক হিচাপে লৈ তদৰ্থ কলেজ কমিটী গঠিত হ'ল।

সময় বাগৰি গ'ল; কিন্তু কলেজ স্থাপনৰ কথা সাঁথৰ হৈয়েই ৰ'ল। কলেজৰ কমিটীৰ নামত হৰদত্ত-বীৰদত্ত ভৱনৰ উত্তৰৰ কোঠাত আঁৰি থোৱা চাইনবোৰ্ডখন কালক্ৰমত নিৰুদ্দেশ



হ'ল; শ্ৰীনাৰায়ণ শৰ্মাও ৰঙিয়া এৰি অইন ঠাইলৈ গ'ল। এনে অৱস্থাতো কিন্তু আমি ভাগি নপৰিলো। কলেজ স্থাপনৰ চিন্তা পুনৰ সঞ্জীৱিত কৰাৰ উদ্দেশ্যে বিভিন্নজনৰ পৰামৰ্শ বিচাৰিলো। এই-সকলৰ ভিতৰত আমি স্মৰণ কৰিব লাগিব স্বৰ্গীয় হেডমাষ্টৰ প্ৰাণেশ্বৰ শৰ্মা, ৺মুক্তাৰাম কলিতা, ৺শান্তিৰাম লহকৰ, শ্ৰীশম্ভুনাথ ভট্টাচাৰ্য্য, শ্ৰীতৰণীকান্ত শৰ্মা, শ্ৰীকামিনী মোহন শৰ্মা, শ্ৰীআব্দুল হামিদ আদি ব্যক্তিক। নতুন উদ্যমেৰে পুনৰাই সাধাৰণ সভা অনুষ্ঠিত হ'ল। স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাক সভাপতি আৰু শ্ৰীদুৰ্গাদত্ত আগৰৱালাক সাধাৰণ সম্পাদক হিচাপে লৈ পৰিবৰ্দ্ধিত ৰূপত কলেজ কমিটী গঠন কৰা হ'ল। কিন্তু আক্ষেপৰ বিষয় এয়ে যে কলেজ কমিটীহে নতুনকৈ হ'ল, কাম কিন্তু মুঠেই আগনাবাঢ়িল। আমাৰ মনত দুখ-আমাৰ সপোন সপোন হৈয়েই ৰ'ল।

চাওঁতে চাওঁতে ১৯৬২ চনৰো অধিক সময় পাৰ হৈ গ'ল। কলেজৰ প্ৰস্তুতি আগ নেবাঢ়েহে নেবাঢ়ে। সেই বছৰৰ ছেপ্তেম্বৰ মাহৰ কোনো এটা দিনত আকৌ সাধাৰণ সভা আহ্বান কৰা হ'ল। স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাদেৱৰ সভাপতিত্বত হোৱা এই সভা অতিকৈ গুৰুত্বপূৰ্ণ আছিল। সভাত জনসাধাৰণক উপস্থিত কৰাবৰ বাবে ৺ভৰত কলিতা আৰু আমি যথেষ্ট তৎপৰতাৰে কাম কৰিছিলো। অৰ্থ সংগ্ৰহৰ বিষয়েও শ্ৰীধৰণী ভুঞা, শ্ৰীপৰেশ দত্ত, শ্ৰীবৈকুণ্ঠ শৰ্মা আৰু স্বৰ্গীয় ভৰত কলিতাৰ লগত আলোচনা কৰি সম্ভাব্য দাঁতাৰ তালিকা এখন প্ৰস্তুত কৰিছিলো। সভাপতিৰ অনুমতি সাপেক্ষে দাঁতাৰ তালিকাখন সভাত মাতি শুনোৱা হ'ল। সভাপতিৰ আহ্বান ক্ৰমে উপস্থিত ব্যক্তিসকলৰ ফালৰপৰা দানৰ প্ৰতিশ্ৰুতিও হ'ল। সভাপতি শৰ্মাদেৱৰ ব্যক্তিত্বৰ প্ৰতি নতশিৰ হৈয়েই হওঁক বা ভয়তেই হওঁক প্ৰতিশ্ৰুতিৰ ধন প্ৰায় দুইলাখ হ'ল গৈ। শৰ্মাদেৱে হাঁহিমাৰি ক'লে-'কলেজ হ'ব। এতিয়া তোমা-লোকৰ কাম হ'ব প্ৰতিশ্ৰুতিৰ ধন সংগ্ৰহ কৰা।' ধন সংগ্ৰহৰ বাবে আমি এমাহ সময় লোৱাৰ প্ৰস্তাৱ দাঙি ধৰিলো।

নানা আলৈ-আহকালৰ মাজত ধন সংগ্ৰহ আৰম্ভ হ'ল। চাঁদা তোলাত যাবলৈ মানুহ গোটোৱা কিমান জটিল কাম আছিল সেই কথা দেখিলেহে বুজা যায়। তথাপি ৺ভৰত কলিতা ৺উপেন্দ্ৰমল তালুকদাৰ, শ্ৰীনীলকান্ত মহন্ত, শ্ৰীগোলোকচন্দ্ৰ ভুঞা, শ্ৰীবৈকুণ্ঠ চক্ৰৱৰ্তী, শ্ৰীতাজুল ইছলাম, ৺ৰজিম আলী, শ্ৰীপৰেশ দত্ত, শ্ৰীকৃষ্ণ লহকৰ প্ৰমুখ্যে বিভিন্নজনে চাঁদা সংগ্ৰহত আগ-ভাগ লৈছিল। এইদৰে ধন সংগ্ৰহৰ কামত এমাহৰ ভিতৰত কুৰিহেজাৰৰো অধিক টকা সংগৃহীত হ'ল। আমাৰ মনত আশাৰ সঞ্চাৰ হ'ল। ইফালে সাধাৰণ সম্পাদক আগৰৱালাদেৱৰ তৎপৰতাত অন্যান্য যাবতীয় প্ৰস্তুতিৰ কামো আগবাঢ়িল আৰু ১৯৬৩ চনৰ শিক্ষাবছৰৰ পৰাই কলেজ আৰম্ভ কৰাৰ বাবে আমি সংকল্পবদ্ধ হ'লো। যেতিয়াই যি প্ৰয়োজন হৈছিল আগৰৱালাদেৱে আমাক মাতিছিল আৰু আমিও যথাসম্ভৱ সকলো কৰি দিবলৈ সাজু আছিলো।

ছাত্ৰৰ নাম ভৰ্তিৰ অভিযান আৰম্ভ হ'ল। ইয়াতো সমস্যা আছিল--ছাত্ৰতো যথেষ্ট সংখ্যক নাই। স্বৰ্গীয় হেডমাষ্টৰ মাননীয় প্ৰাণেশ্বৰ শৰ্মাৰ পৰামৰ্শ হ'ল- মেট্ৰিক পাছ কৰি বা আই-এ পাছ কৰি যিসকলে শিক্ষকতা বা অইন চাকৰি কৰি আছে সেইসকলকে ছাত্ৰহিচাপে ভৰ্তি কৰাব লাগে। এইদৰে ছাত্ৰৰ অভাৱ কিছুপৰিমাণে দূৰ হ'ল। যথাসময়ত উলহ-মালহেৰে কলেজৰ আৰম্ভণি হ'ল। এই কলেজে আমাৰ এই পিচপৰা অঞ্চলত উচ্চ শিক্ষাৰ পোহৰ বিলোৱাৰ মহান দায়িত্ব লৈ আগবাঢ়িল।

ৰঙিয়াত কলেজ এখন লাগে-- এই কথা আজিৰপৰা ২৫।৩০ বছৰ আগতে আমাৰ লেখীয়া এচাম হোজা মানুহে হাড়ে--হিমজুৱে অনুভৱ কৰি

কলেজ প্ৰতিষ্ঠাৰ বাবে কায়মনোবাক্যে খাটিছিলো। প্ৰথম অৱস্থাত অনেকেই আমাক উপলুঙা কৰিছিল। কোনো কোনোৱে কৈছিল–'তহঁত যে ইমান পাগল হৈছ, তহঁতৰ শিক্ষাই আছে নে দীক্ষাই আছে যে তহঁতে কলেজত চাকৰি পাবি ?' আমি জানো––আমাৰ শিক্ষা-দীক্ষা নাই, জ্ঞান-বুদ্ধি নাই, ধন-অৰ্থ নাই, সামাজিক প্ৰতিষ্ঠা নাই। নাইতো নাই একোৱেই নাই। কিন্তু আমি কলেজৰ বাবে এনেকৈ খাটিছিলো কিয় ? আমি খাটিছিলো––অনাগত ভৱিষ্যতৰ বাবে মনত এক বিৰাট প্ৰত্যাশা বুকুতলৈ। আমাৰ অঞ্চলৰ দাৰিদ্ৰ্যপীড়িত জনসাধাৰণৰ ল'ৰা-ছোৱালীয়ে মেট্ৰিক পাছ কৰাৰ পিচত অৰ্থৰ অভাৱত যাতে উচ্চশিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হ'বলগীয়া নহয়––সেই কথাটোৰ প্ৰতি আমাৰ বিশেষ লক্ষ্য আছিল। কলেজ এখন হ'লে দুখীয়া ঘৰৰ ল'ৰা-ছোৱালীয়ে ঘৰতে থাকি কলেজত পঢ়াৰ উপৰিও গৃহস্থক প্ৰয়োজনমতে সহায়ো কৰিব পাৰিব। উচ্চশিক্ষাই মানুহৰ মনৰ পৰিধি বহল কৰে, সমাজ সচেতনতা জগাই তোলে। আমি এটা কথা সদায় অনুভৱ কৰিছিলো যে কলেজ এখন নোহোৱাৰ ফলস্বৰূপে সংগঠনৰ দিশত ৰঙিয়া অতিকৈ পিচপৰা আছিল। বিশেষকৈ তেল শোধনাগাৰ আন্দোলনৰ সময়ত আমি লক্ষ্য কৰিছিলো যে মুষ্টিমেয় অলপ সংখ্যক লোকৰ বাহিৰে আনসকলে প্ৰকৃতাৰ্থত এই আন্দোলনৰ মৰ্ম উপলব্ধি কৰা নাছিল। কলেজ এখন থাকিলে হয়তো পৰিস্থিতি বহুত বেলেগ হ'ল-হেঁতেন। সেই সময়ত কলেজ স্থাপনৰ তাগিদা এই কাৰণতেই আমি বিশেষভাবে অনুভৱ কৰিছিলো।

ৰঙিয়াত কলেজ হ'ল। আমাৰ মনৰ দুৰ্বাৰ বাসনা পূৰণ হ'ল। উচ্চশিক্ষা লাভৰ পৰা বঞ্চিত আৰু উচ্চশিক্ষাৰ আশা বাদ দিয়া অনেকে এই কলেজৰ পৰা ডিগ্ৰী লৈ জীৱনত সুপ্ৰতিষ্ঠিত হ'ল। ৰঙিয়াৰ বিস্তীৰ্ণ এলেকাৰ চুকে-কোণে অগণন গ্ৰেজুৱেট ওলাল। এই কলেজে শিক্ষাৰ ক্ষেত্ৰত ৰঙিয়া অঞ্চলত আজি এক নেতৃস্থানীয় ভূমিকা লৈছে। বৰ্তমানে এই কলেজত বিজ্ঞান শাখা আৰম্ভ হৈছে। কিন্তু আমি লক্ষ্য কৰিছো যে এই ক্ষেত্ৰত তথাকথিত শিক্ষিত সমাজৰ যেন উৎসাহ-উদ্দীপনাৰ অভাৱ। যি উদ্যমত আজিৰপৰা ২৫।৩০ বছৰ আগতে ৰঙিয়াৰ এচাম শিক্ষাপ্ৰেমী ৰাইজে কলেজৰ ভেঁটি স্থাপন কৰিছিল, সেই উদ্যম যেন আজিৰ শিক্ষিত সমাজত দেখিবলৈ পোৱা নাযায়। শিক্ষাই কি আমাৰ মনত কৰ্তব্যবোধ, সমাজ সচেতনতা জগাই তুলিব পৰা নাই ? সমাজ জীৱনৰ এই ছবিখন দেখিলে মন সেমেকি উঠে। ভাব হয়––সহস্ৰজনৰ ত্যাগ আৰু শ্ৰমৰ বিনিময়ত গঢ় লৈ উঠা ৰঙিয়া কলেজে আমাৰ বাঞ্চিত মনোকামনা পূৰণ কৰিব পৰা নাই। আজিৰ শিক্ষিত সমাজে আত্মবিশ্লেষণ কৰক আৰু ৰূপালী জয়ন্তীৰ শুভলগ্নত ৰঙিয়া কলেজক পুৰ্ণাঙ্গ ৰূপত গঢ় দিবলৈ প্ৰতিজ্ঞাবদ্ধ হওঁক। +

(মহাবিদ্যালয় প্ৰতিষ্ঠাৰ অগ্ৰণী কৰ্মীসকলৰ অন্যতম শ্ৰীনৰেণ কাকতি ৰঙিয়াৰ আগশাৰীৰ সমাজকৰ্মী।)



# ৰূপালী জয়ন্তী চিন্তন

**শ্ৰীগোলোক চন্দ্ৰ ভূঞা**

ৰঙিয়া কলেজৰ স্থাপনাৰ সময়ৰ এগৰাকী কৰ্মীহিচাপে আৰু বিগত পচিশটা বছৰে এই কলেজত শিক্ষাদানত জৰিত এজন হিচাপে এই অনুষ্ঠানৰ জন্মকাহিনী তথা ক্ৰমবিকাৰশ ধাৰাবাহিক ইতিহাসৰ লগত আমি সম্যকৰূপে পৰিচিত। আজি এই কলেজৰ ৰূপালী জয়ন্তী মহোৎসৱৰ আবেগসনা পৰিবেশত অতীতৰ বহুকথাই মানসপটত ভুমুকি মাৰিছে। কিন্তু এই সকলো কথা ৰোমন্থন কৰিবলৈ গলে বাহুল্য দোষে পোৱাৰ ভয় আছে; সেইবাবে আমাৰ বিবেচনাত গুৰুত্বপূৰ্ণ বুলি মনে ধৰা দুই-এটি বিষয়ৰ উল্লেখ কৰি এই আলচটি সামৰিম।

মানুহৰ জীৱনত বিশেষ একোটা ঘটনাৰ কথা সদায়েই স্মৰণীয় হৈ ৰয়। এনে এটি সৰু ঘটনা ঘটিছিল ১৯৬১ চনৰ আগষ্ট মাহৰ ১৯ তাৰিখে। বুৰঞ্জী বিষয়ত এম্ এ পঢ়াৰ অভিপ্ৰায়েৰে জালুকবাৰীলৈ যাত্ৰা কৰাৰ উদ্দেশ্যে ৰঙিয়া থানাৰ সমুখৰ বাছ আস্থানত ৰৈ আছো। এনেতে ৺ভৰত চন্দ্ৰ কলিতা দেৱ চিৰাচৰিত নিয়মেৰে ছাতিটো মূৰৰ ওপৰত ধৰিলৈ উপস্থিত হ'ল। এম্ এ পঢ়িবলৈ যাবলৈ ওলোৱা বুলি জনাৰ পিচত তেখেতে আমাৰ মূৰত হাত থৈ ক'লে–"আপুনি ৰঙিয়াত কলেজ পতাৰ বাবে খাটিব বুলি কওঁক; মই আশীৰ্ব্বাদ দিছো, আপুনি পাছ কৰিব।" ৺কলিতাৰ ওচৰত প্ৰতিজ্ঞা কৰিলো আৰু যথাসময়ত এম্ এ পৰীক্ষাত কৃতকাৰ্য্যতাও লাভ কৰিলো। ইতিমধ্যে ৰঙিয়াত কলেজ স্থাপনৰ প্ৰস্তুতিয়ে উদ্যম লাভ কৰি উঠিছে আৰু আমিও ৺কলিতাদেৱৰ ওচৰত কৰা প্ৰতিজ্ঞা ৰক্ষা কৰি কলেজ স্থাপনৰ প্ৰচেষ্ঠাত আত্মনিয়োগ কৰিলো। কলেজৰ উদ্বোধনী উৎসৱত স্বৰ্গীয় পণ্ডিত তীৰ্থনাথ শৰ্মাদেৱে কোৱা কলেজ এখন পাতিবলৈ হেনো কিছুমান কলেজপাগলৰ সৃষ্টি হব লাগে বোলা উক্তিৰ যথাৰ্থতা আমি মৰ্মে মৰ্মে উপলব্ধি কৰিছিলো। ৰঙিয়াত কলেজ স্থাপনৰ বাবে যদি কিছুমান কলেজ পাগলৰ সৃষ্টি হৈছিল তেনেহলে সেইসকলৰ ভিতৰত ৺ভৰত কলিতাদেৱকো আসন দিব পাৰি নিঃসন্দেহে।

১৫/৯/৬২ ইং তাৰিখে ৺সিদ্ধিনাথ শৰ্মাদেৱৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত কলেজ স্থাপনৰ ক্ষেত্ৰত প্ৰথম গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিচালনা সমিতিখন গঠিত হয় ১৫ জন সদস্যক

লৈ। এই সমিতিৰ অন্যতম যুটীয়া সম্পাদকৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত হয়। কলেজ স্থাপনৰ প্ৰচেষ্টাত দেহে-কেহে খাটি ৰাইজৰ সেৱা কৰাৰ যি সুযোগ পালো তাৰ বাবে নিজে ধন্য হোৱাৰ লগতে ৰাইজৰ প্ৰতিও কৃতজ্ঞ হলো। সাধাৰণ সম্পাদক শ্ৰীদুৰ্গাদত্ত আগৰৱালাদেৱৰ সুযোগ্য পৰিচালনাত আমি উৎসাহী কৰ্মীসকলে বদ্ধপৰিকৰ হৈ কিদৰে ১৯৬৩ চনৰ শৈক্ষিক বছৰৰ পৰা কলেজ আৰম্ভ কৰাৰ সংকল্প লৈছিলো–এই সকলো এতিয়া ইতিহাস।

কলেজৰ একেবাৰে চালুকীয়া অৱস্থাত চাঁদা বিচাৰি হাবাথুৰি খাবলগীয়া অভিজ্ঞতা হৈছিল। অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈ, শ্ৰীনীলকান্ত মহন্তদেৱ প্ৰমুখ্যে আমি কিছুমানে অৰ্থসংগ্ৰহৰ কামত ৰঙিয়া অঞ্চলৰ ঠাইবিলাক চলাথ কৰিছিলো। এনেতে এনে এটা দিনত দৈৱৰ অনুগ্ৰহত আমি ৰঙিয়া ষ্টেছন নিবাসী ৺গোলোক চন্দ্ৰ লহকৰদেৱৰ বাসভৱনত উপস্থিত হৈছিলো। ৺লহকৰদেৱ নিজে আছিল এগৰাকী আৰ্দশ কৃষক আৰু এই ক্ষেত্ৰত তেখে-তৰ আদৰ্শনীয় কৃতিত্বৰ কথা বিয়পি পৰিছিল। কথা প্ৰসঙ্গঁতে তেখেতে পৰামৰ্শ আগবঢ়ালে যে যিহেতু ৰঙিয়া কলেজত পৰ্য্যাপ্ত পৰিমাণৰ মাটি আছে; সেই মাটিত উন্নত পদ্ধতিত কৃষিকাৰ্য্য আৰম্ভ কৰি কলেজৰ পুঁজি টনকিয়াল কৰাৰ ৰাস্তা উলিয়াব পৰা যায়। কথাটো আমাৰ গাত লাগিল। বৰদলৈদেৱ কৃষকৰ সন্তান নহলেও কৃষিত তেখেতৰ ৰাপ আছিল। গ্ৰাম্য পৰিবেশত অৱস্থিত আমাৰ এই কলেজখনত কৃষিকাৰ্য্যৰ মাজেৰে স্বাৱলম্বিতা, শ্ৰমৰ মৰ্য্যদা আদিৰ লেখীয়া আদৰ্শ বাস্তৱত প্ৰতিফলিত কৰাৰ সপোন আমি দেখিলো। এই উদ্দেশ্যেৰে ১৯৬৮ চনত শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈ দেৱক সভাপতি, শ্ৰীগোলোকচন্দ্ৰ ভূঞাঁক আহ্বায়ক আৰু সৰ্ব্বশ্ৰীগদাধৰ ফাটোৱালী, যোগেন্দ্ৰনাথ পাঠক আৰু জ্যোতিষচন্দ্ৰ চৌধুৰীক সদস্য হিচাবে কৃষিফাৰ্ম সমিতি গঠন কৰা হ'ল। উন্নত পদ্ধতিৰে খেতি কৰা, বিশেষকৈ কেবাযুগ ধৰি জঙ্গঁলেৰে আবৃত ৰিজাৰ্ভৰ পতিত মাটি খেতিৰ উপযোগী কৰি তোলাটো অকল কষ্টসাধ্যই নাছিল, যথেষ্ট ব্যয়বহুলো আছিল। কিন্তু মূলধনৰ উৎস ক'ত? কলেজ পঁজিৰ পৰা সহায় পোৱাৰ প্ৰশ্নই নাই। তথাপি আমি মৰসাহ কৰিলো। অধ্যাপক চৌধুৰী আৰু অধ্যাপক পাঠকে তেখেত সকলৰ ব্যক্তিগত জমাৰ পৰা ক্ৰমে ১২০০ আৰু ৩০০ মুঠ পোন্ধাৰশ টকা মোৰ হাতত তুলি দিলে। আমাৰ অতি নমস্য ৺প্ৰাণেশ্বৰ শৰ্মাদেৱৰ পৰা ৫০০ টকা ধাৰ লোৱা হ'ল। ইয়াকে সাৰথি কৰি ৰঙিয়া কলেজ কৃষিফাৰ্মৰ শুভাৰম্ভ কৰা হ'ল।

বহু বছৰৰ পতিত ওখ-চাপৰ মাটিৰ ঢাপ কাটি সমান কৰি কৃষিৰ উপযোগী কৰি তোলা হ'ল। আনুষঙ্গিক আন সমস্যাও আছিল–যেনে, ৭৫ বিঘা মাটিৰ এই বৃহৎ চৌহদটো বেৰ দি লোৱা যায় কেনেকৈ? এই ক্ষেত্ৰত আমি সেই সময়ৰ খণ্ড উন্নয়ণ বিষয়া শ্ৰীনগেন্দ্ৰ নাথ ডেকা দেৱৰ নাম কৃতজ্ঞতাৰে সুঁৱৰিবই লাগিব। এটা Test Relief ৰ সৌজন্যত তেখেতৰ যোগেদি সমগ্ৰ চৌহদৰ জোখ-মাপ কৰি দ খাৱৈ খান্দি গোটেই চৌহদ বেৰি লোৱা হৈছিল। ইয়াৰ উপৰিও প্ৰায় ৫০ বিঘা মাটি বিনা খৰচত চৰকাৰী ট্ৰেক্টৰেৰে চহাই দি আমাৰ কাম বহুলাংশে সহজসাধ্য কৰি তুলিছিল।

যথা সময়ত আহুধানৰ খেতি আৰম্ভ কৰা কৰা হ'ল। নতুন মাটি, নতুন কৰ্মোদ্যম। খেতিপথাৰ নদন-বদন, চালে চকুৰোৱা হৈ উঠিল। সেইবছৰৰ জুলাই মাহৰ ১১ তাৰিখ মঙ্গঁলবাৰে আনুষ্ঠানিকভাৱে মহাপয়োভৰেৰে ধান চপোৱাৰ উৎসৱ অনুষ্ঠিত হ'ল। বিশেষভাৱে আমন্ত্ৰিত অসমৰ তেতিয়াৰ কৃষিমন্ত্ৰী শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী দেৱৰ অনুপস্থিতিত তেতিয়াৰ মীনবিভাগীয় মন্ত্ৰী ৺মহেন্দ্ৰ নাথ হাজৰিকাদেৱে বিপুল জনতাৰ হৰ্ষো-



ল্লাসত উৎসৱৰ শুভউদ্বোধনী কৰিলে। অসম চৰকাৰৰ প্ৰচাৰ বিভাগে এই অনুষ্ঠানটিৰ বিশদ ভাৱে প্ৰচাৰৰ ব্যৱস্থা কৰাৰ উপৰিও এই কৃষিপামৰ ভিত্তিত এখন তথ্যচিত্ৰও নিৰ্মাণ কৰি উলিয়ালে।

ধান খেতিৰ দৰে সঁৰিয়হ আৰু আলুৰ খেতিতো আমি চমকপ্ৰদ সাফল্য অৰ্জন কৰিবলৈ সমৰ্থ হলো। আমাৰ কৃষিপামে অভিলেখ পৰিমাণৰ প্ৰায় ৪৭৫ মোণ ধান, সঁৰিয়হ ১১০ মোণ আৰু আলু ৬০ মোণ উৎপাদন কৰি একপ্ৰকাৰ আলোড়নৰ সৃষ্টি কৰিছিল। কৃষিপামৰ সৌজন্যত ক.লজৰ পুঁজিলৈ ৭৯০০ টকা আগবঢ়োৱা হৈছিল।

আমাৰ কলেজ কৃষিপামখনি যে সেইসময়ত বহুতৰ বাবে এক আদৰ্শ হৈ উঠিছিল তাত অকণো সন্দেহ নাই। আমাৰ আহিতে পিচলৈ মঙ্গঁলদৈ কলেজ আৰু বিশ্বনাথ কলেজে অনুৰূপ উদ্যোগ হাতত লৈছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয়-আৰম্ভণিৰ উৎসাহ-উদ্দীপনা আমি বৰ্ত্তাই ৰাখিব নোৱাৰিলো আৰু কালক্ৰমত আমাৰ কৃষিপামৰ অপমৃত্যু ঘটিল। এই কথা অনস্বীকাৰ্য্য যে কলেজৰ বাবে আবন্টিত ৭৫ বিঘা মাটিৰ প্ৰকৃত দখল স্বত্ব কৃষি পামেহে আনি দিছিল।

কলেজৰ আৰম্ভণিৰ কালত আমাৰ কিছুমান কৰ্মীয়ে বিভিন্ন বিষয়ত মৰসাহ দেখুৱাইছিলো। ইয়াৰে এটি নমুনা হিচাপে কলেজৰ সমুখ ফালৰ পকীদেৱাল সজা কাহিনীটোলৈ আঙুলিয়াব পাৰি। কথাতে কয় বোলে হাতত নাই কণটো, বৰ সবাহলৈ মনটো। এনেয়ে কলেজৰ লাওলোৱা অৱস্থা। তাতে আকৌ পকীদেৱাল সজাৰ চখ। ১৯৬৫ চনৰ আধাৰশিলাৰ ওপৰত প্ৰতিষ্ঠিত কলেজগৃহ বনগাঁৱৰ বিৰাট ভূক্ষেত্ৰত অনাবৃত, অৰক্ষিত অৱস্থাতেই বহুবছৰ ৰৈ আছিল। গতিকেই পকীদেৱাল এখনেৰে অন্ততঃ সমুখভাগৰ পৰা আৰম্ভ কৰি যিখিনি সম্ভৱ সেইখিনি কৰি আবুৰৰ ব্যৱস্থা কৰাৰ সপোন আমি দেখিলো। অধ্যক্ষ বৰদলৈ দেৱ আৰু সমাজসেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক হীৰেন্দ্ৰনাথ শৰ্মাদেৱ প্ৰমুখ্যে কিছুমানৰ লগত আলোচনা কৰি বিভিন্ন শিতানৰ পৰা কিছুটকা কাটি অনাৰ বুদ্ধি কৰা হ'ল। বিভিন্ন পৰ্য্যায়ৰ বৃত্তিধাৰী ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত হাত পতা হ'ল অলপ দান-বৰঙণিৰ বাবে। ছাত্ৰ-ছাত্ৰী সকলেও অকপটভাৱে ১০/২০ টকা দি যায় শ্ৰীজনেক বৈশ্যৰ হাতত। ইয়াকে মূলধন কৰি লৈ দেৱালৰ কাম আৰম্ভ কৰা হ'ল। ইতিমধ্যে কলেজৰ সমাজসেৱা বিভাগৰ বাৰ্ষিক শিবিৰ কলেজ চৌহদতে অনুষ্ঠিত কৰি প্ৰাৰম্ভিক প্ৰস্তুতিৰ লগতে কলেজৰ সন্মুখৰ ৰেললাইনৰ সমান্তৰাল পথছোৱাবো যথেষ্ট উন্নতি সাধন কৰা হ'ল। এটা সময়ত এই উদ্যমতে কলেজৰ সন্মুখভাগৰ পৰা আৰম্ভ কৰি ৪৫০ ফুট দীঘল পকী দেৱালখন থিয় দি উঠিল। এই কথা ঠিক যে অকল বৃত্তিধাৰী ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা যৎসামান্য ধন তথা অন্যান্য ফালৰ পৰা সংগৃহীত ধনেৰেই দেৱালখন সম্পূৰ্ণ হৈ উঠা নাছিল। কিন্তু এই কথাও ঠিক যে সেইদৰে উদ্যম নললে দেৱালৰ কাম হয়তো আৰু বহুবছৰ পিচুৱাই গ'লহেঁতেন।

ঈপ্সিত বস্তু এটি প্ৰাপ্তিৰ পিচত মনত আনন্দ হয়, ভাৱ হয় আৰু চিন্তা নাই। কিন্তু এইখিনিতে অৰ্থনীতিৰ 'Human wants are Unlimited' বোলা সৰ্ব্বকালৰ, সকলো স্তৰৰ মানুহৰ বাবে প্ৰযোজ্য কথাষাৰৰ যথাৰ্থতা আহি পৰে। এইবাৰ আমাৰ মূৰত এটি নতুন সমস্যাই বাহ ললে। কলেজৰ পকীঘৰ থিয় হ'ল, খণ্ডকৈ হলেও দেৱালো হ'ল। কিন্তু এই পৰিবেশৰ লগত ৰজিতা খোৱাকৈ কলেজৰ সমুখত তোৰণ এটি সাজি উলিওৱা যায় কেনেকৈ? কলেজৰ পুঁজিৰ পৰা ইমান বৃহৎ পৰি-মাণৰ টকা পোৱাৰ প্ৰশ্নই নুঠে। এইবাৰ আমি এটি অভিনৱ পৰিকল্পনা যুগুত কৰি উলিয়ালো।

১৯৭০ চনৰ বাৰ্ষিক সমাজসেৱা শিবিৰটো কলেজ চৌহদতে অনুষ্ঠিত কৰি সেই শিবিৰ উদ্বোধন কৰিবলৈ ৰঙিয়াৰ বিশিষ্ট সমাজসেৱী, কলেজ প্ৰতিষ্ঠাৰ অন্যতম দাঁতা ৺হৰিকান্ত সিং ডাঙৰীয়াক আমন্ত্ৰণ জনোৱা হ'ল। পূৰ্ববকল্পিত আঁচনি অনুযায়ী উদ্বোধনী সভাখন ঠিক সেই ঠাইটুকুৰাতে পতা হৈছিল য'ত কলেজৰ মূলতোৰণখন থকা উচিত। সভাৰ অন্তত কথা-বতৰা প্ৰসঙ্গত ৺সিঙে অধ্যক্ষ বৰদলৈদেৱক উদ্দেশ্য কৰি কলে সেই ঠাই টুকুৰাত এটা গেট থকাহেতেঁন বৰ ভাল লগা হ'লহেতেন। এই কথাষাৰ শুনাৰ বাবেই আমি অধীৰ হৈ আছিলোঁ। লগে লগে মাত দিলো কথাটো হওঁতে ঠিকেই; কিন্তু কামটো কৰা যায় কেনেকৈ? কলেজৰতো টকা নাই। ৺সিংজীয়ে সুধিলে, 'গেটখনত কিমান পৰিব?' আমি তপৰাই কলো, 'পাঁচ-ছয় হাজাৰ মান পৰিব পাৰে।' লগে লগে সিংজীয়ে গেটখন সজাই দিব বুলি প্ৰতিশ্ৰুতি দিলে। পাঁচ-ছয় হাজাৰত গেট কিন্তু হৈ নুঠিল। কামত ধৰিলে যেতিয়া তাক শেষ কৰিহে এৰিলে। পিচত হিচাপ ৰক্ষক শ্ৰীবৈশ্যৰ পৰা জনামতে গেটখনত প্ৰায় তেৰ হেজাৰ টকা পৰিছিল। এই ছেগতে ৺হৰিকান্ত সিং ডাঙৰীয়াক কৃতজ্ঞতাৰে সোঁৱৰণ কৰিছো।

১৯৭৭ চন পৰ্য্যন্ত কলেজগৃহৰ গম্বুজ (dome) টো হৈ উঠা নাছিল। উত্তৰা-দক্ষিণাকৈ দুইফালে দুটা বিল্ডিং খণ্ড খণ্ড অৱস্থাত বিচ্ছিন্ন হৈ আছিল। এই দুটা বিল্ডিংক সংলগ্ন কৰি তলেৰে কৰিডৰৰ লেখীয়া কৰি ওপৰত গম্বুজ এটা তৈয়াৰ কৰাৰ এটা বহুদিনীয়া হেপাঁহ আমাৰ মনত আছিল। বৰদলৈদেৱক এই বিষয়ে কেবাবাৰো উনুকিয়াওতে তেখেতৰো মনত ধৰিছিল যদিও এই ব্যয়বহুল আঁচনি এটা হাতত লোৱাৰ কাৰণে তেখেত সম্পূৰ্ণ প্ৰস্তুত নাছিল। আমি বাৰে বাৰে আমনি কৰাত কলেজৰ নিৰ্মাণ সমিতিত এই বিষয়ে আলোচনা হ'ল আৰু সেইমৰ্মে নিৰ্মাণ সমিতিৰ কাৰিকৰী উপদেষ্টা, অৱসৰপ্ৰাপ্ত অভিযন্তা ৺লোহিত চন্দ্ৰ পাটোৱাৰী দেৱৰ দ্বাৰা নক্সা আৰু আঁচনি প্ৰস্তুত কৰা হ'ল। যথাসময়ত ৺পাটোৱাৰীদেৱৰ নিৰ্দ্দেশনাত গম্বুজৰ কাম আৰম্ভ হ'ল আৰু সমাপ্তও হ'ল। ওপৰত গম্বুজ, গম্বুজৰ ঠিক তলতে অধ্যাপক অধ্যাপিকাৰ জিৰণি কোঠা আৰু একেবাৰে তলত কৰিডৰ–এই কৰিডৰৰ মাজেৰে ট্ৰাক এখন পাৰ হৈ ভিতৰ চৌহদত প্ৰৱেশ কৰিব পৰাৰ জোখাৰে ব্যৱধান। এই গম্বুজে কলেজ চৌহদৰ সৌন্দৰ্য্য বৰ্দ্ধনত প্ৰভূত অৰিহণা যোগাইছে। ইয়াৰ নিৰ্মাণ কাৰ্য্যত ৰাষ্ট্ৰীয় পথ সংমণ্ডলৰ তেতিয়াৰ কাৰ্য্যবাহী অভিযন্তা শ্ৰীমনমোহন দাস দেৱে সক্ৰিয় সহায়-সহযোগিতা আগবঢ়াইছিল। তেখেত আমাৰ কৃতজ্ঞতাৰ পাত্ৰ। আৰু এবাৰ আমাৰ মৰসাহৰ ফল পোৱা হ'ল।

নতুন অনুষ্ঠানৰ জন্মবেদনা আৰু এই অনুষ্ঠানৰ ক্ৰমবৰ্দ্ধমানৰ সংগ্ৰামৰ কাহিনী অতি দুৰ্বিৰ্সহ। এশ এটা আলৈ-আহুকালৰ মাজেৰে এইবিলাক অনুষ্ঠান গঢ় লৈ উঠিবলগীয়া হয়। ডেস্ক-বেঞ্চ, চকী-মেজ, অন্য বিভিন্ন সা-সৰঞ্জাম আদিৰে সুসমৃদ্ধ হৈ উঠিবলৈ এটা অনুষ্ঠানে তীব্ৰ সংগ্ৰামত অৱতীৰ্ণ হবলগীয়া হয়। আমাৰ এই অনুষ্ঠানখনিকো সুসমৃদ্ধ, স্বয়ংসম্পূৰ্ণ ৰূপত গঢ় দি লওঁতে বিভিন্ন বুদ্ধি-ভৰষাৰ আশ্ৰয় লবলগীয়া হৈছিল। প্ৰতিষ্ঠাকালৰ পৰা আজিলৈকে এই কলেজৰ লগত ওতঃপ্ৰোতভাৱে জৰিত সকলৰ এজন হিচাপে এই সমূহ ক্ষেত্ৰৰ প্ৰত্যক্ষ বা পৰোক্ষ অভিজ্ঞতা আমাৰ আছে। এই সমূহ অভিজ্ঞতাৰ কথা ৰোমন্থন কৰিলে মনটো ভাল লাগে, আবেগ-অনুভূতিৰে মন উথলি উঠে। আমাৰ কলেজৰ পচিশ বছৰীয়া ইতিহাসে আমাক এটাই শিক্ষা দিলে 'Where there is a will, there is a way' ইচ্ছাশক্তি থাকিলে উপায় ওলায়। আৰম্ভণিকালৰ সীমিত সম্পদ আৰু সা-সুবিধাক আশ্ৰয় কৰি কেবাটাও মৰসাহৰ কাম হাতত লোৱা হৈছিল আৰু এই সকলোটিয়েই সাফল্যমণ্ডিত হৈ উঠিছিল।



ব্যক্তি আৰু অনুষ্ঠানৰ সম্পৰ্ক অঙ্গাঁঙ্গী হলেও ব্যক্তি অবিহনে অনুষ্ঠান বৰ্ত্তি থাকিব পাৰে; কিন্তু অনুষ্ঠান অবিহনে ব্যক্তিৰ অস্তিত্ব অসাৰ। যিসকলৰ অহোপুৰুষাৰ্থত এই কলেজক বৰ্ত্তমানৰ ৰূপত আমি পাইছো তাৰে বহুজনৰ ইতিমধ্যে পৰলোক গমন হৈছে। এই অনুষ্ঠান কিন্তু প্ৰগতিৰ বাৰ্ত্তাবাহক হিচাপে নিৰ্ভীকভাৱে থিয় হৈ আছে, থাকিব। এই কলেজ উন্নতৰ পৰা উন্নততৰ পৰ্য্যায়লৈ উধাই যাওঁক––এই কামনাৰে ৰূপালী জয়ন্তীৰ ৰোমন্থন সামৰিছো। +

(মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ গুৰিধৰোতা কৰ্মীবৃন্দৰ অন্যতম শ্ৰীগোলোক চন্দ্ৰ ভূঞাদেৱ। শ্ৰীভূঞাদেৱ প্ৰতিষ্ঠাপক অধ্যাপক মণ্ডলীৰ এজনো আছিল। ৰঙিয়াৰ বিভিন্ন সংগঠন—অনুষ্ঠানৰ লগত ঘনিষ্ঠভাৱে জৰিত থাকি তেখেতে সমাজসেৱা কৰি আহিছে। বৰ্ত্তমানে তেখেত মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক।)

"কৰ্তব্যনিষ্ঠা জাতিৰ গৌৰৱ। অলস অকৰ্মণ্য জাতিৰ ভালপোৱাৰ গভীৰতা নাই আৰু বেয়া পোৱাৰো তিক্ততা নাই"।

––ত্ৰৈলোক্যনাথ গোস্বামী

১৯৬৩ চনৰ ৫ আগষ্ট তাৰিখৰ পৰা ১৯৮৮ চনৰ ডিচেম্বৰ মাহলৈ মিনিট, ঘণ্টা, মাহ আৰু বছৰৰ হিচাপত যথেষ্ট দীঘলীয়া সময়। ভাৰতীয় সকলৰ গড় আয়ুসৰ মাপকাঠিৰে জুখিলে এটা জীৱনৰ প্ৰায় অৰ্দ্ধেক বুলিব পাৰি। এনে ২৫টি বছৰ ৰঙিয়া কলেজৰ বসন্ত-শীতৰ হাঁহি-কান্দোনৰ লগত খেলি-ধূলি অতিবাহিত কৰাৰ কথা ভাবিলে সপোন যেন লাগে। মোৰ জীৱনৰ গতি নিৰ্ণায়ক আটাইতকৈ গুৰুত্বপূৰ্ণ সময়খিনি এই কলেজতে কটালো। চাকৰি জীৱনৰ শেষচৰণত উপনীত হৈ আজি অনুভৱ কৰিছো—মোৰ ব্যক্তিগত জীৱনৰ সুখ-দুখ ৰঙিয়া মহাবিদ্যালয়ৰ হৰ্ষ-বিষাদৰ লগত এনেভাবে একাকাৰ হৈ পৰিছে যে দুয়োটাকে পৃথক কৰা সমুলি সহজ নহয়।

বহু জল্পনা-কল্পনা আৰু আশাসুধীয়া প্ৰচেষ্টাৰ অন্তত ১৯৬৩ চনৰ ৫ আগষ্ট তাৰিখে গধূলি যেতিয়া এই কলেজৰ প্ৰাণ প্ৰতিষ্ঠা হ'ল সেই মুহূৰ্তত শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰে কলেজৰ পৰিয়ালটোত প্ৰাক্‌বিশ্ববিদ্যালয়ৰ ১১৪ জন আৰু স্নাতক প্ৰথম বাৰ্ষিকৰ ৪০ জন ছাত্ৰ-ছাত্ৰী, এজন কাৰ্য্যালয় সহায়ক এজন কাৰ্য্যালয় বাহকৰ লগতে ৫ জন অধ্যাপকৰ এজন হিচাপে ময়ো যোগদান কৰিছিলো। কলেজ প্ৰতিষ্ঠাৰ প্ৰাকমুহূৰ্তৰ পৰা তাৰ পৰৱৰ্তী দিনবোৰত এই কলেজখনক কেন্দ্ৰকৰি ৰাইজৰ আশা-আকাংক্ষা, উৎসাহ-উদ্দীপনা, চিন্তা-দুঃচিন্তাৰ ৰঙিয়াৰ আকাশে বতাহে যিদৰে প্ৰতিফলিত হৈছিল তাৰ যথাযথ ভাৱে বৰ্ণনা কৰা মোৰ পক্ষে সম্ভৱ নহয়।

# ৰঙিয়া কলেজত মোৰ পঁচিশ বছৰ

**শ্ৰীগদাধৰ ফাটোৱালী**

এইখন কলেজৰ প্ৰতিষ্ঠাৰ পটভূমি আৰু পৰৱৰ্তী কালৰ ইতিহাস সময়ে নিজেই লিখিব আৰু লিখাব। মই মাথোন এই কলেজত ২৫ বছৰীয়া চাকৰি জীৱনৰ কালছোৱাত দেখা, পোৱা, নোপোৱা আৰু পাইহেৰুওৱা চাক্ষুস অভিজ্ঞতাৰ দুই-এটিৰ বিষয়ে লিখাৰ প্ৰয়াস কৰিম। ইয়াত ব্যক্ত হোৱা দুই-এটি কথা সামগ্ৰিক ধাৰণাৰ লগত অমিল যেন লাগিলে সেইবোৰ এককভাবে ব্যক্তিগত বুলি যেন ধৰি লোৱা হয়।

সেইসময়ত ৰঙিয়াত বিজুলী যোগানৰ ব্যৱস্থা হোৱা নাছিল, নাছিল কলেজৰ মাটি আৰু ঘৰ। পাঠদানৰ বিষয় আছিল মাত্ৰ সাতটা। শ্ৰেণীবোৰ পোহৰোৱা হৈছিল অনিশ্চয়তাৰে ভৰা পেট্ৰমাক্স লাইটৰ সহায়ত। ছাত্ৰসকলৰ অধিকাংশই আছিল বহুদিনৰ আগতেই মেট্ৰিক অথবা ইণ্টাৰমিডিয়েট পৰীক্ষা পাছ কৰি ঘৰুৱা বা আৰ্থিক অসুবিধাৰ বাবে দূৰৰ কলেজলৈ গৈ কলেজীয়া শিক্ষা লাভৰ সৌভাগ্যৰ পৰা বঞ্চিত হৈ থকা বিভিন্ন পৰ্য্যায়ৰ



চাকৰিজীৱী অথবা ক্ষুদ্ৰব্যৱসায়ী। ইয়াৰে কোনো কোনো আমাৰ শিক্ষকসকলৰ সমবয়সীয়া বা বয়সত দুই-এবছৰৰ ডাঙৰেই আছিল। চলন-ফুৰণত এওঁলোক আছিল ধীৰ-গম্ভীৰ আৰু দায়িত্বশীল। উচ্চ শিক্ষাৰ প্ৰতি থকা একাগ্ৰতা আৰু শিক্ষকৰ প্ৰতি থকা নিৰ্মল শ্ৰদ্ধা আছিল এওঁলোকৰ মূলধন। ইয়াৰ মাজতে প্ৰাসঙ্গিক-অপ্ৰাসঙ্গিফ নানা ধৰণৰ প্ৰশ্ন কৰি শিক্ষকক বিব্ৰত কৰি আমোদ পোৱা দুই-এক ছাত্ৰও যে নাছিল এনে নহয়। ক্ৰম আৰু ব্যতিক্ৰম ইটোৱে সিটোৰ মহিমা বৃদ্ধি কৰাৰ দৰে এইসকল ছাত্ৰই সেইসময়ৰ কলেজৰ প্ৰতিটো সন্ধিয়া সজীৱ কৰি তুলিছিল। কলেজৰ শ্ৰেণীবোৰ আৰম্ভ হোৱাৰ বহুদিন পিচলৈকে শ্ৰেণীকোঠাৰ বাহিৰত ৰাস্তাৰ দাঁতিত থিয় হৈ অধ্যাপকসকলে কেনেকৈ পঢ়ায়, কি পঢ়ায় তাৰ সোৱাদ লোৱা সাধাৰণ দুই-এজন ব্যক্তি সদায়েই দেখা পাইছিলো। এই সকলোবোৰ আমাৰ বাবে আমোদৰ আৰু অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছিল। এই সকলোবোৰ মিলি ছাত্ৰ-শিক্ষক অভিভাৱক-সংগঠকৰ মাজত যি একাত্মতাৰ সৃষ্টি হৈছিল আখৰ আৰু শব্দেৰে তাৰ মূল্যাংকন কৰা সহজ নহয়।

প্ৰাৰম্ভিক বছৰ তিনিটা ৰঙিয়া কলেজ হাই-স্কুলতে থাকিল। ১৯৬৪ চনৰ জানুৱাৰী মাহত কলেজৰ কাৰ্য্যবাহী অধ্যক্ষ ৺সুখদেৱ সিং ৰঙিয়া এৰি যোৱাত শ্ৰীযুত বীৰেন্দ্ৰনাথ বৰদলৈদেৱ নতুন অধ্যক্ষ হিচাপে আমাৰ লগ লাগেহি। ইয়াৰ দুবছৰৰ পিচত বনগাঁৱৰ ৰিজাৰ্ভত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা কলেজৰ অৰ্দ্ধসমাপ্ত নিজা ঘৰলৈ এদিন গধূলি পৰত বৰলীয়া নৈৰ পাৰে পাৰে লুংলুঙীয়া পথৰুৱা বাটেৰে ৰঙিয়া কলেজ নিজৰ ঘৰলৈ গুছি আহিল। ৰঙিয়া কলেজৰ ক্ৰমবিকাশৰ ইতিহাস যেন ৰূপকথাহে। অন্যৰ গৃহত আশ্ৰিত, লালিত-পালিত হৰলগা অস্বস্তিৰ পৰা স্বগৃহ প্ৰৱেশৰ স্বস্তিলৈ কৰা এই যাত্ৰা ঠিকযেন ৰাতিৰ আন্ধাৰৰ পৰা দিনৰ পোহৰলৈ অহাৰ এক দীঘলীয়া কাহিনী। নিজা ঘৰলৈ অহাৰ আনন্দৰ সোৱাদ পোৱা বহুজন আমাৰ মাজত নাই। আমি যি সকল এতিয়াও আছো, আমাৰ আটাইৰে মনৰ মাজত সেইসকলৰ, সেইদিনবোৰৰ, সেই ভাবাবেগৰ জীৱন্ত ছবি কব নোৱাৰাকৈয়ে আঁকা হৈ আছে।

আজি ২৫ বছৰৰ অন্তত এই কলেজৰ নিজা মাটিত গঢ় লৈ উঠিছে আহল-বহল ঘৰ, ছাত্ৰ-ছাত্ৰীৰ বাবে আচুতীয়া আবাসগৃহ, খেলপথাৰ, খেতিৰ পথাৰ, মাছ-পোহা পুখুৰী, ২৩ হেজাৰ মূল্যবান গ্ৰন্থৰে সমৃদ্ধ পুথিভঁৰাল, অধ্যয়নকক্ষ, সভাগৃহৰ লগতে ৰঙ্গমঞ্চ। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি গৈছে ডেৰহেজাৰৰ সীমালৈ। অধ্যাপক-অধ্যাপিকাৰ সংখ্যা হৈছে ৪৯ গৰাকী, প্ৰশাসনীয় কৰ্মচাৰীৰ সংখ্যা হৈছে ১৯ জন। কলা শাখাৰ লগত যোগ হৈছে বিজ্ঞান শাখা। সাধাৰণ পাঠ্যক্ৰমৰ বিষয় হৈছেগৈ ১৮ টা আৰু বিশেষ পাঠদান (মেজৰ) বিষয় ৬টা। অনুষ্টুপীয়া আৰম্ভণিৰে ৰঙিয়া কলেজৰ ২৫ বছৰীয়া সাফল্যৰ এয়াই হ'ল সংক্ষিপ্ত ছবি। ৰঙিয়া কলেজৰ সমসাময়িক দুই-এখন কলেজে এই সময়ছোৱাত লাভ কৰা উন্নতি আৰু বিস্তৃতিৰ তুলনাত ৰঙিয়া কলেজে লাভ কৰা অগ্ৰগতি আপাত দৃষ্টিত হয়তো যথেষ্ট নহয়। কিন্তু তেতিয়াৰ আৰু এতিয়াৰ ৰঙিয়াৰ যি পাৰ্থক্য দৃষ্টিগোচৰ হয়, তাৰ পৰিপ্ৰেক্ষিতত ৰঙিয়া কলেজে আজি পৰ্য্যন্ত লাভ কৰা উন্নয়ন কম হোৱা বুলিও কব নোৱাৰি। ৰঙিয়াৰ সীমিত সমলেৰে লাহে লাহে লালন-পালন কৰি গঢ়ি তোলা এই অনুষ্ঠানটিৰ আজিৰ স্থিতি আৰু বিস্তৃতি সেই দৃষ্টিকোণৰ পৰা চালে কোনো গুণে কম হোৱা বুলিব নোৱাৰি।

এই ২৫ বছৰীয়া কালছোৱাত আমি তিনি গৰাকী অধ্যক্ষৰ লগত কাম কৰাৰ সুযোগ পাইছো। প্ৰথম গৰাকী আছিল ৺সুখদেৱ সিং। কলেজ আৰম্ভ হোৱাৰ দিনৰ পৰা এখেত আমাৰ লগত

প্ৰায় ছমাহ কাল থাকে। সঘনাই কফি আৰু পাইপেৰে মিহি ধঁপাতৰ ধোঁৱা খাই ভালপোৱা মানুহজন আচলতে ক'ৰমানুহ আছিল আমি জানিব নোৱাৰিলো। নিদ্ৰাহীনতা ৰোগত ভুগি থকা এই চুটি-চাপৰ মানুহজন কিন্তু তীক্ষ্ণ বুদ্ধিসম্পন্ন লোক আছিল। ইংৰাজীৰ ক্লাছ লোৱাৰ উপৰিও তেখেতে প্ৰাৰম্ভিক পৰ্য্যায়ৰ যোগাযোগ সম্পৰ্কীয় চিঠি-পত্ৰৰ লগতে কাৰ্য্যালয়ৰ সকলোখিনি কাম কৰিছিল। এটা সময়ত এখেত ৰঙিয়া এৰি গ'ল। কিছুদিন পিচত আমি তেখেতৰ আকস্মিক মৃত্যুৰ বাতৰি পাওঁ। যদিও তেখেত আমাৰ মাজত নাই, তেখেতে এৰি যোৱা স্মৃতিয়ে আমাৰ মন এতিয়াও শোকাকুল কৰি তোলে। তেখেতৰ আত্মাই শান্তি লাভ কৰক—তাকেই আমি কামনা কৰোঁ।

৺সুখদেৱ সিং যোৱাৰ পিচত ১৯৬৩ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৮১ চনৰ এপ্ৰিল মাহলৈ সুদীৰ্ঘ ১৭ বছৰ কাল এই কলেজৰ অধ্যক্ষৰ আসন শুৱনি কৰিছিল মাননীয় শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈদেৱে। এখেতৰ দিনতে কলা শাখাটোৱে চালুকীয়া অৱস্থাৰ পৰা পূৰ্ণাঙ্গ পৰ্য্যায় পোৱা বুলি কব লাগিব। এখেতৰ দিনতে কলেজগৃহৰ ভেঁটি স্থাপন হয় আৰু মূলগৃহৰ নিৰ্মাণো সম্পূৰ্ণ হয়। এই সময়তে কলেজে বিশ্ববিদ্যালয়ৰ affiliation ৰ পৰা আৰম্ভ কৰি চৰকাৰী অনুদান আৰু ঘাটি মঞ্জুৰীও লাভ কৰে। অনাৰ্চ পাঠ্যক্ৰমৰ বেছি অংশ এখেতৰ দিনতে আৰম্ভ হয়। থূলমূল ভাবে কবলৈ গলে এখেতৰ দিনতে ৰঙিয়া কলেজৰ স্থায়ী বুনিয়াদ তৈয়াৰ হৈ উঠে, যি বুনিয়াদৰ ওপৰত ভিত্তি কৰিয়েই ভৱিষ্যতৰ সম্প্ৰসাৰণ অথবা উন্নয়ন সাধিত হব। বৰদলৈদেৱে এই কলেজত যোগদান কৰা দিনৰে পৰা কলেজখনক স্থায়ীৰূপ দিয়াৰ বাবে প্ৰয়োজনীয় কামবোৰত নিজকে নিয়োজিত কৰিছিল। তেতিয়াৰ কলেজ পৰিচালনা সমিতিৰ সভাপতি ৺সিদ্ধিনাথ শৰ্মাদেৱ আৰু সম্পাদক শ্ৰীদুৰ্গাদত্ত আগৰৱালা প্ৰমুখ্যে শুভাকাংখী সকলৰ লগ লাগি ধন সংগ্ৰহ, গৃহ-নিৰ্মাণ আদি কাৰ্য্যত নিজকে ব্যস্ত ৰখাৰ উপৰিও ইংৰাজী বিভাগত পাঠদানৰ দায়িত্বও নিষ্ঠাৰে পালন কৰিছিল। কলেজৰ পুঁজি টনকিয়াল কৰাৰ উদ্দেশ্যে তেখেতৰ অনুপ্ৰেৰণাতে শিক্ষক ছাত্ৰ-সংগঠক সকলো মিলি কেবাবাৰো ভ্ৰাম্যমান থিয়েটাৰ চাৰ্কাছ, প্ৰদৰ্শনী ফুটবল খেল আদি অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ উপৰিও কলেজৰ শৈক্ষিক পৰিবেশৰ লগত বজিতা খোৱাকৈ এবাৰ সৰ্ব্বোদয় আন্দোলনৰ গ্ৰামদান আঁচনি সম্পৰ্কত এখনি আলোচনা চক্ৰ তথা প্ৰশিক্ষণমূলক সন্মিলন অনুষ্ঠিত কৰা হৈছিল। এই সন্মিলনলৈ সৰ্ব্বোদয় নেতা মাননীয় শ্ৰীচুনিভাই বৈদ্য আৰু আমাৰ সকলোৰে শ্ৰদ্ধেয় আজীৱন গান্ধীবাদী সৰ্ব্বোদয় কৰ্মী শ্ৰীঅমলপ্ৰভা দাস বাইদেউ আহি সকলোকে অনুপ্ৰাণিত কৰিছিল। বৰদলৈদেৱৰ উৎসাহতে আমি কেইজনমান অধ্যাপকে মিলি ১৯৬৮ চনত ৰঙিয়া কলেজৰ মাটিত এখন কৃষিপাম আৰম্ভ কৰো। এই কৃষিপাম পিচলৈ নিটিকিল। কিয় ইয়াৰ অপমৃত্যু হ'ল সেই ব্যাখ্যা ইয়াত অপ্ৰাসংগিক। বৰদলৈদেৱৰ চিন্তাধাৰাৰ এটা দিশৰ আভাস দিয়াৰ উদ্দেশ্যেহে কৃষিপামৰ উল্লেখ ইয়াত কৰা হৈছে। কৃষিপামত যেতিয়া সঁৰিয়হৰ সোণালী ফুলে ৰঙিয়া কলেজক সোণাৱালী কৰি তুলিছিল–ঠিক সেইসময়তে বৰদলৈদেৱে তেতিয়াৰ খ্যাতনামা সংসদসদস্য, বিখ্যাত লেখক-সমালোচক ৺হেমবৰুৱা আৰু তেখেতৰ সুলিখিকা পত্নী শ্ৰীঅনু বৰুৱা বাইদেউক মাতি আনি দেখুৱাইছিল। আমাৰ গৌৰৱ বঢ়াইছিল। বৰদলৈদেৱৰ নিজস্ব খ্যাতিৰ জেউতিৰে এইদৰে বহুতকে আকৰ্ষিত কৰি আনিছিল। তাৰ ভিতৰত যশস্বী গায়ক ডঃ ভূপেন হাজৰিকাৰ কথা স্মৰণযোগ্য। ১৯৬৬ চনৰ ১০ জানুৱাৰীত যেতিয়া ভাৰতৰ তেতিয়াৰ প্ৰধান মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ ৰাছিয়াৰ তাছখণ্ডত আকস্মিকভাবে মৃত্যু ঘটে সেইদিনা হাজৰিকাদেৱ এখনি সঙ্গীত সন্ধিয়া উপলক্ষে ৰঙিয়ালৈ আহি



বৰদলৈদেৱৰ ব্যক্তিগত অতিথি হিচাপে আছিলহি। আমি কেবাজনে হাজৰিকাদেৱক শাস্ত্ৰীৰ মৃত্যুৰ ওপৰত এটি গীত ৰচনা কৰি শোকসভাত গোৱাৰ বাবে অনুৰোধ কৰিছিলো। ৰঙিয়া পৌৰসভা প্ৰাঙ্গঁণত অনুষ্ঠিত ৰাজহুৱা সভাত হাজৰিকাদেৱে "নাই নাই নাই হেনো, আমাৰ আপোন শাস্ত্ৰী, তাছখণ্ডতে হ'ল শান্তিপথৰ যাত্ৰী" –শীৰ্ষক গীতটি পৰিবেশন কৰি সকলোকে কন্দুৱাইছিল। পিচদিনা সেইগীত আকাশবাণী যোগে সকলোতে প্ৰতিধ্বনিত হৈছিল। এই গীতটিৰ ৰচনা আৰু সুৰসংযোজনা বৰদলৈদেৱৰ ঘৰতে যে হৈছিল সেই কথা বহুতেই হয়তো নাজানে। বৰদলৈদেৱে নিজকে কলেজৰ কামত ব্যস্ত ৰখাৰ উপৰিও ৰঙিয়া অঞ্চলৰ সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ লগতো জড়িত আছিল। ১৯৭৩ চনত ৰঙিয়াত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনৰ আদৰণি সমিতিৰ সাধাৰণ সম্পাদকৰ দায়িত্ব বৰদলৈদেৱে সম্পাদন কৰিছিল। ১৯৭৯ ১০ ডিচেম্বৰৰ ৰাতি অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ পুলিচৰ প্ৰহাৰত মৃত্যু ঘটাৰ ঠিক কেইঘণ্টামান আগতে ৰঙিয়াৰ I. O. C. ৰ তেল ডিপোৰ কাষত পথ অৱৰোধ কাৰ্য্যসূচীৰ মুখ্যনায়ক হিচাপে থিয় হৈ বৰদলৈদেৱে পুলিচৰ প্ৰহাৰত বেয়াকৈ আহত হৈছিল। সেইদিনা তেখেতৰ লগতে ৰঙিয়া কলেজৰ প্ৰাক্তন ছাত্ৰ শ্ৰীশৰৎ শৰ্মা আৰু কেইগৰাকীমান অধ্যাপকৰ লগতে আমিও পুলিচৰ প্ৰহাৰৰ ভাগ পাইছিলো।

বহুতৰ মতে বৰদলৈদেৱে তেখেতৰ কাৰ্য্যকালছোৱাতে কলেজখনক আৰু আগুৱাই নিব পাৰিব লাগিছিল। প্ৰথম ভাগত তেখেতে দেখুওৱা উদ্যম শেষৰ পিনে স্তিমিত হোৱা যেন পৰিলক্ষিত হয়। এনেবোৰ অনুষ্ঠানৰ ক্ষেত্ৰত সাধাৰণতে যিটো ৰঙিয়া কলেজৰ বেলিকাও তাৰ ব্যতিক্ৰম নহ'ল। ১৯৬৩ চনৰপৰা ১৯৬৯ চনলৈ কলেজে ঘাটি মঞ্জুৰী লাভ নকৰালৈকে ৰাজহুৱা উৎসাহ-উদ্দীপনা অব্যাহত থাকিল। সেই কালছোৱাত বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহত লাভ কৰা ফলাফল, ধন সংগ্ৰহৰ বাবে অনুষ্ঠিত থিয়েটাৰ, চাৰ্কাছ আদি, মাজে মাজে পাই থকা সৰু-ডাঙৰ চৰকাৰী অনুদান আদি সৰু-ডাঙৰ সকলো কথাই সকলোকে স্পৰ্শ কৰি আছিল। কিন্তু ১৯৬৯ চনত এই কলেজ ঘাটি মঞ্জুৰী পোৱাৰ পিচত এই একাত্মতা আৰু আকৰ্ষণ যেন লাহে লাহে শিথিল হৈ আহিল। আৰ্থিক দুঃচিন্তাৰ যেন ওৰ পৰিল। তদুপৰি বিশ্ববিদ্যালয়ৰ বিধি-নিয়ম অনুযায়ী পৰিচালনা সমিতি গঠন কৰিব লগা হোৱাত সাধাৰণ ৰাইজ যেন কলেজৰ দৈনন্দিন জীৱনৰপৰা ক্ৰমান্বয়ে বিচ্ছিন্ন হৈ পৰিল। আগৰ ৰাজহুৱা উৎসাহ-উদ্দীপনাত হঠাতে এক স্থবিৰতা আহি পৰিল। ১৯৬৯-৭০ ৰ পিচৰ দশকটো এটা গতানুগতিক, বৈচিত্ৰহীন ক্লান্তিকৰ দীঘল যাত্ৰাত পৰিণত হ'ল। এই সময়খিনিত কেইটামান বিষয়ত অনাৰ্চ পাঠ্যক্ৰম আৰম্ভ কৰা আৰু কলেজৰ সীমাত পকীদেৱাল আৰু মূল প্ৰবেশদ্বাৰৰ ওপৰত সৌধটো সজা আদি সৰু-সুৰা কামহে চলি থাকিল। কলেজ নিৰ্মাণ প্ৰক্ৰিয়া শিথিল হৈ অহাৰ মূলতে অৱশ্যে বৰদলৈদেৱৰ মানসিক চিন্তাধাৰাৰ পৰিৱৰ্ত্তন বুলিও ধৰি ল'ব পাৰি। বৰদলৈ মানুহজন সমূলি জঞ্জালপ্ৰিয় নাছিল। আজিৰ প্ৰশাসনিক প্ৰক্ৰিয়া যি ধৰণে চলি আহিছে সেই প্ৰক্ৰিয়া বা ব্যৱস্থাৰ লগত তেখেতৰ ব্যক্তিগত ধ্যান-ধাৰণাৰ সমূলি মিল নাছিল। পদমৰ্য্যদা আৰু তীব্ৰ আত্মসন্মানবোধ ৰক্ষা কৰি চলাত তেখেতে বেছি গুৰুত্ব দিছিল। আজিৰ প্ৰক্ৰিয়াত বহুতে নিজ মৰ্য্যাদা জলাঞ্জলি দিও চৰকাৰী, প্ৰশাসনিক সা-সুবিধা আদায় কৰি ল'ব লাগিছে। বাঞ্ছনীয় নহলেও নতুনকৈ গঢ়ি উঠা অনুষ্ঠান এখনৰ গুৰিয়ালজন আজিৰ ব্যৱস্থাৰ লগত খাপ খাব পাৰিলেহে অনুষ্ঠানবোৰ খৰতকীয়াভাৱে গঢ়ি উঠা সম্ভৱ।

ববদলৈ কিন্তু তেনে ধাতুৰে গঢ়া পুৰুষ নাছিল। তেখেত নিজকে হেয় প্ৰতিপন্ন কৰিব নোখোজা, নিৰ্ভীক, পোনপটীয়া স্বভাৱৰ মানুহ আছিল। তদুপৰি বিষয়-বাসনা বা পদ-লোভ তেখেতৰ মুঠেই নাছিল। সেয়ে ক্ষুদ্ৰ ব্যক্তিগত স্বাৰ্থপূৰণৰ বাবে দুই-এক কৰা আচৰণ দেখিও সৌজন্য ৰক্ষাৰ খাতিৰত একো কব নোৱাৰি নিজেই গুপুতে বিবেকৰ দংশনৰ নিপীড়ণত ভুগিছিল। কুটিলতা, কপটতা তেখেতে মুঠেই ভাল নেপাইছিল আৰু শেষৰফালে কুটিলতা-কপটতাময় জীৱনৰ পৰা আঁতৰি আধ্যাত্মিক অন্বেষণত কীৰ্তন-ভজন আদিত অধিক মনোনিবেশ কৰিছিল। কলেজৰ উন্নয়ণ এইবোৰ বাৰমিহলি কাৰণত ব্যাহত হোৱা বুলিও কব পাৰি। যি নহ'ক তেখেতক লগ পোৱা সকলোৱে তেখেতৰ মহানুভৱতা, গভীৰ মানৱতাবোধ আৰু প্ৰশাসনিক সাফল্যৰ বাবে ব্যক্তিগত সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত অতি প্ৰয়োজনীয় ব্যৱধানখিনি ৰাখিও অন্তৰঙ্গতাৰ নিবিড়তাক সজীৱ কৰি ৰাখিব পৰা বিৰল গুণৰ অধিকাৰী বুলি স্বীকাৰ কৰে। কলেজৰ শিক্ষক-কৰ্মচাৰী ছাত্ৰ-ছাত্ৰীক সকলো সময়তে প্ৰশাসনিক বা পৰিস্থিতি সাপেক্ষ ৰক্ষণাবেক্ষণ দিয়া এখেতৰ কাৰ্য্যকুশলতাৰ এক বিশেষ দিশ আছিল। ছাত্ৰ-ছাত্ৰীৰ প্ৰতি তেখেত অতি মৰমিয়াল আছিল; কিন্তু অবাঞ্চিত প্ৰশ্ৰয় কোনোৱে পোৱা নাছিল। বহুতে নাজানে তেখেতে আমাৰ লগত, ছাত্ৰ-ছাত্ৰীৰ লগত খেলা-ধূলাও কৰিছিল। জ্যোতিসঙ্গীত, ৰাভাসঙ্গীত আৰু বিশেষকৈ শাস্ত্ৰীয় সঙ্গীত তেখেতৰ বৰ প্ৰিয় আছিল। এইজন ব্যক্তিক আমি হেৰুৱালো-- যেতিয়া ১৯৮১ চনত স্বইচ্ছাই পদত্যাগ কৰি তেখেত অসমৰ বাহিৰলৈ গুচি গ'ল। এই কথা ঠিক--তেখেত য'তেই নাথাকক কিয়, ৰঙিয়া কলেজ তেখেতৰ চিন্তনত-স্মৃতিত সদায় থাকিব।

ববদলৈদেৱ যোৱাৰ পিচৰপৰা বৰ্তমানৰ অধ্যক্ষ শ্ৰীনীলকান্ত মহন্তদেৱ ১৯৮১ চনৰপৰা ১৯৮৬ চনলৈ কাৰ্য্যবাহী অধ্যক্ষ হিচাপে থকাৰ পিছত ১৯৮৬ চনৰ ডিচেম্বৰ মাহৰপৰা স্থায়ী অধ্যক্ষ হিচাপে অধিষ্ঠিত হৈ আছে। কলেজ আৰম্ভ হোৱাৰ দিনাৰেপৰা নিৰৱচ্ছিন্নভাবে বিভিন্ন পদবীত থাকি কলেজৰ সকলো কামতে এখেত জড়িত হৈ আছে। কলেজ প্ৰতিষ্ঠা হোৱাৰ কেইবছৰমান পিছতে এখেত উপাধ্যক্ষ পদত অধিষ্ঠিত হয় আৰু সেই পদৰ পৰাই স্থায়ী অধ্যক্ষৰ পদলৈ পদোন্নতি লাভ কৰে। কলেজ প্ৰতিষ্ঠা হোৱাৰ দিনাৰে পৰা অৱসৰ গ্ৰহণ কৰা দিনটোলৈ একে-লেঠাৰিয়ে কলেজ পৰিচালনা সমিতিৰ সদস্য হিচাপে থকাৰ এক অতি বিৰল নজীৰ স্থাপন কৰাৰ পথত এখেত আগবাঢ়ি আছে। প্ৰতিষ্ঠাপক অধ্যাপক তথা বহুবছৰ উপাধ্যক্ষ হিচাপে আৰু শেষান্তৰত অধ্যক্ষ হিচাপে কলেজখনৰ প্ৰতিটো কথাতেই জড়িত থাকি এই কলেজৰ কৃতকাৰ্য্যতা আৰু ব্যৰ্থতাৰ প্ৰশংসা আৰু গ্লানি দুয়োটাৰে অংশীদাৰ এখেতো হ'ব লাগিব। অধ্যক্ষ আৰু উপাধ্যক্ষ হিচাপে এখেতৰ কাৰ্য্যপদ্ধতিত খুত নথকা বুলি কব নোৱাৰি। বাক্‌প্ৰিয়তা আৰু দ্বিধাগ্ৰস্ততা পৰিহাৰ কৰি নিজকে সফল অধ্যক্ষ আৰু প্ৰশাসক হিচাপে তৈয়াৰ কৰিবলৈ হলে অধিক বাক্-সংযম, নিৰপেক্ষ দৃষ্টিভঙ্গী আৰু অনুশাসন প্ৰয়োগ কৰিব লাগিব। এখেতৰ Plus point বোৰৰ অন্যতম হ'ল— অক্লান্ত-ভাবে পৰিশ্ৰম কৰিব পৰা অফুঁৰন্ত শক্তি, সদা প্ৰফুল্ল আৰু নিৰহঙ্কাৰ অভিব্যক্তি। এখেতে পূৰ্ণপৰ্য্যায়ৰ দায়িত্ব গ্ৰহণ কৰাৰ বৰ বেচি দিন নহলেও এখেতৰ দিনতে নতুন পৰিবৰ্ত্তনৰ আভাস দেখা গৈছে। শাস্ত্ৰজ্ঞ পণ্ডিত, সংস্কৃত ভাষানুৰাগী এই সুদৰ্শন অধ্যক্ষ গৰাকীয়ে এই কলেজখনিত নতুন প্ৰাণৰ সঞ্চাৰ কৰক--এয়ে সকলোৰে আশা।

প্ৰসঙ্গতঃ উল্লেখযোগ্য যে এখেতৰ কাৰ্য্য-কালতে এই প্ৰবন্ধকাৰ অভাজনে কিছুদিনৰ বাবে কলেজ পৰিচালনা সমিতিৰ সম্পাদকৰ দায়িত্ব



বহন কৰিবলগীয়া হৈছিল। ১৯৮৩-৮৬ চনলৈ একে লেঠাৰিয়ে এই দায়িত্ব পালন কৰা কাল-ছোৱাতে এই কলেজৰ গতানুগতিক জীৱনধাৰাৰ ওৰ পেলোৱাৰ চেষ্টা কৰা হয়। প্ৰথমতে অংক আৰু ভূগোল বিষয়ত পাঠদান আৰম্ভ কৰি ১৯৮৫ চনৰপৰা উচ্চতৰ মাধ্যমিক আৰু স্নাতক উভয় মহলাতে বিজ্ঞান শাখাৰ শুভাৰম্ভ কৰা হয়। এই সময়ছোৱাতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা গৃহ-সম্প্ৰসাৰণ আৰু লাইব্ৰেৰী সম্প্ৰসাৰণৰ বাবে শকত অনুদান লাভ কৰা হয় আৰু একে-সময়তে অসম চৰকাৰৰ পৰাও ৮৯ হেজাৰ Matching grant পোৱা হয়। এই ধনেৰে বিজ্ঞান শাখাৰ শ্ৰেণী কোঠা আৰু গৱেষণাগাৰ সাজি উলিওৱা হৈছে। চৰকাৰৰ পৰা ছাত্ৰী নিবাস নিৰ্মাণৰ বাবেও আমি ১ লাখ ২৭ হেজাৰ টকাৰ অনুদান লাভ কৰো—আৰু এই ধনেৰে আটকধুনীয়া ছাত্ৰী নিবাস এটি নিৰ্মাণ কৰি উলিওৱা হৈছে। এই সময়ৰ ভিতৰতে কলেজৰ ২০ হেজাৰ টকীয়া সংৰক্ষিত পুঁজি ৫০ হেজাৰ টকালৈ বৃদ্ধি কৰা হয়। এই স্থায়ী পুঁজিত ১৯৮১ চনত ৰঙিয়া কলেজে আমন্ত্ৰণ কৰি অনুষ্ঠিত কৰা গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাৰ পৰা উপাৰ্জন কৰা ১০ হেজাৰ টকাও নিয়োজিত কৰা হয়। ৰঙিয়া কলেজত বিজ্ঞান শাখা আৰম্ভ কৰাৰ ক্ষেত্ৰত বৰ্ত্তমানৰ অধ্যক্ষ মহন্তদেৱে সকলো সময়তে উৎসাহ-উদ্দীপনা যোগাই আহিছিল। এই ক্ষেত্ৰত আমাৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ বন্ধুসকলৰো যথেষ্ট সহযোগিতা আছে। বৰ্তমানৰ পৰিচালনা সমিতিৰ কেবাগৰাকী মাননীয় সদস্যৰ উৎসাহ-উদগণিও উল্লেখযোগ্য।

আমাৰ লগতে কলেজৰ জন্মলগ্নৰে পৰা এতিয়ালৈকে থকা দুজন সহকৰ্মীৰ কথাও এই ছেগতে উল্লেখ কৰা অপ্ৰাসঙ্গিক নহব। প্ৰথম জন অধ্যাপক শ্ৰীগোলোকচন্দ্ৰ ভূঞাঁ। তেখেত কলেজ প্ৰতিষ্ঠা কালত পৰিচালনা সমিতিৰ যুটীয়া সম্পাদক আছিল আৰু পিছলৈ সময়ে সময়ে পৰিচালনা সমিতিৰ সদস্য হিচাপে কলেজৰ প্ৰায় প্ৰতিটো কামতে জড়িত আছে। কলেজৰ বাবে ধন সংগ্ৰহৰ পৰা আৰম্ভ কৰি কলেজৰ মাটিত খেতি কৰা, সীমাৰ পকীদেৱাল সজা ইত্যাদি বিভিন্ন ক্ষেত্ৰৰ যোগেদি এখেতে এই কলেজলৈ সেৱা আগবঢ়াই আহিছে। দ্বিতীয়জন হ'ল বৰ্তমানৰ লাইব্ৰেৰী বাহক শ্ৰীআকলুৰাম কলিতা। শ্ৰীআকলু কলিতা মৃদুভাষী, নীৰৱ কৰ্মী। যি কামেই দিয়া নহওঁক কিয়, সততা আৰু নিষ্ঠাৰে তাক সম্পাদন কৰা এওঁৰ স্বভাৱ সুলভ গুণ। কলেজৰ সুখ-দুখ, হৰ্ষ-বিষাদ সকলোবে নীৰৱে সোৱাদ লৈ অহা এই কৰ্মী-জনাৰ কথা আমি কৃতজ্ঞতাৰে স্মৰণ কৰিব লাগিব।

এই ২৫ বছৰৰ ভিতৰত বহুজন গুণী-জ্ঞানী ব্যক্তিক সহকৰ্মী হিচাপে পোৱাৰ সৌভাগ্য আমাৰ বাবে আন এটি উল্লেখযোগ্য কথা। এইসকলৰ ভিতৰত খ্যাতনামা শিক্ষাবিদ্ ৺প্ৰাণেশ্বৰ শৰ্মাদেৱ ৺মৌলনা ইছলামুদ্দিন, ৺সুখদেৱ সিং ৺পৃথুৰাম নাথ, ৺হৰেন্দ্ৰ কুমাৰ দাস, ৺গজেন্দ্ৰনাথ কলিতা ৺নিৰঞ্জন তালুকদাৰ আদিৰ ইতিমধ্যে স্বৰ্গবাস হৈছে। আমি পোৱা আৰু পাই হেৰুওৱা অমূল্য ৰত্নটি হ'ল ৺প্ৰাণেশ্বৰ শৰ্মাদেৱ। কলেজৰ প্ৰাৰম্ভিক বছৰ কেইটাত এখেতে ইংৰাজী বিষয়ৰ পাঠদান কৰিছিল। অতি কম কথা কোৱা, সাধাৰণ–অনাড়ম্বৰ জীৱন যাপনত বিশ্বাসী এই অগাধ পাণ্ডিত্য সম্পন্ন ব্যক্তিগৰাকীয়ে তেখেতৰ সুদীৰ্ঘ অভিজ্ঞতাৰ পৰা সময়োচিত দিহা-পৰামৰ্শ দি চালুকীয়া অনুষ্ঠানটিক গঢ় দিয়াত বহুলভাবে অৰিহণা যোগাই গৈছে। এখেতৰ লগতে ৰঙিয়া আৰবী কলেজৰ তেতিয়াৰ অধ্যক্ষ ৺মৌলানা ইছলামুদ্দিন চাহেবে কলেজখনক পৌড়ত্বৰ গাম্ভীৰ্য্য প্ৰদান কৰিছিল। সহকৰ্মী ৺হৰেন্দ্ৰ কুমাৰ দাস

আছিল সুবক্তা আৰু সঙ্গীত প্ৰেমী লোক। ৺নিৰঞ্জন তালুকদাৰ আছিল এজন নীতি-পৰায়ণ, সহৃদয়তাপূৰ্ণ লোক। এই কলেজৰ আৰবী বিভাগত এসময়ত কাম কৰিছিল অতি মেধাবী শিক্ষক শ্ৰীআব্দুল আলীয়ে, তাৰ পিছত শ্ৰীমকিবৰ ৰহমান। আন আন বিভাগত কিছুদিন চাকৰি কৰি আমাৰ মনত সাঁচ বহুৱাই যোৱা সকলৰ ভিতৰত আছিল অনাতাঁৰ কণ্ঠশিল্পী শ্ৰীমতী মাধবী ভট্টাচাৰ্য্য, শ্ৰীজৱহৰলাল সিং, নেতৃত্বগুণ সম্পন্না হালিদা খাটুন, শ্ৰীমৰী মালিনী গোস্বামী (অলপতে ডক্টৰেট পাইছে) আৰু বিজ্ঞান শাখাত অৰণ্যেৰে ভৰা নৃপেন ডেকা, ৰঞ্জন হাজৰিকা, অৰুনিমা দাস, মৃদুল নেওঁগ, যাদৱ গোস্বামী, হীৰামালা তালুকদাৰ আদি বহুতো। স্বকীয় মাধুৰ্য্যৰ গৌৰবেৰে পুষ্ট এই আটাইবিলাক সহকৰ্মীয়ে মিলন আৰু বিচ্ছেদৰ মিশ্ৰিত অনুভূতিৰ লগতে মধুৰ স্মৃতিৰ টোপোলা আমাক দি থৈ গ'ল। আমাৰ অশেষ কৃতজ্ঞতা আৰু শুভেচ্ছা এখেত-সকলৰ প্ৰাপ্য।

এই সুদীৰ্ঘ কালত আমি লগপোৱা ছাত্ৰ-ছাত্ৰীসকলৰ সাধাৰণ আচৰণ (Behaviour Pattern) থুলমূলভাবে সন্তোষজনক বুলিব পাৰি। প্ৰাৰম্ভিক বছৰ কেইটাত লগপোৱা ছাত্ৰ-ছাত্ৰীসকলৰ চলন-ফুৰণ আৰু আচৰণৰ বিষয়ে ইতিপূৰ্ব্বে উল্লেখ কৰা হৈছে। আজি কিছু বছৰৰ পৰা ছাত্ৰ-ছাত্ৰীৰ চলন-ফুৰণ চিন্তা-চৰ্চ্চাত একধৰণৰ পৰিবৰ্তন আমাৰ চকুত পৰিছে। দলীয় বা আঞ্চলিক ৰাজনৈতিক ভাবধাৰাৰ প্ৰভাব এওঁলোকৰ মাজত প্ৰকট হৈ উঠা দেখা গৈছে। সামাজিক মূল্যবোধৰ যি অবনতি ঘটিছে তাৰেই প্ৰভাৱত এচাম ছাত্ৰৰ সাধাৰণ শিষ্টাচাৰ ভদ্ৰতা, নম্ৰতা আদি মূল্যবোধৰ স্খলন ঘটিছে। পঢ়া-শুনাৰ ক্ষেত্ৰে একেবাৰে পিঠি দি পৰীক্ষাত নকল কৰি ডিগ্ৰী লোৱাৰ অসৎ অভিপ্ৰায়ৰ ব্যাপকতা দিনে দিনে বৃদ্ধি পাইছে। ইয়াৰ মাজতো বহু ছাত্ৰ-ছাত্ৰীৰ বিনম্ৰতা, একনিষ্ঠতা আমাৰ দৃষ্টিগোচৰ নোহোৱাকৈ থকা নাই। এইসকলৰ সাফল্যই আমাক অভিভূত কৰে। শ্ৰীঅনন্ত ডেকা, ইব্ৰাহীম আলি আদিয়ে বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব দেখুওৱাই আমাৰ গৌৰব বঢ়াইছে। শ্ৰীনীলিমা খাটুন, মীনা শৰ্মা তৰুণ শইকীয়া, হিৰণ্য চৌধুৰী আদিয়ে সঙ্গীত আৰু নাট্যাভিনয়ত আৰু শ্ৰীসুভাষ চৌধুৰী আদিয়ে ক্ৰীড়াক্ষেত্ৰত সুনাম অৰ্জন কৰি আমাৰ সন্মান বৃদ্ধি কৰিছে। আমাৰ বহু ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিভিন্ন ঠাইত বিভিন্ন চৰকাৰী-বেচৰ-কাৰী কৰ্মক্ষেত্ৰত তেওঁলোকৰ যোগ্যতাৰ পৰিচয় দাঙি ধৰি আমাক গৌৰবান্বিত কৰিছে। বাৰ্দ্ধক্য-কালত স্মৃতিশক্তি ক্ষয়প্ৰাপ্ত হোৱা হেতুকে বহু ছাত্ৰ-ছাত্ৰীৰ নাম আমি সোঁৱৰণীলৈ আনিবপৰা নাই। সেয়েহে হঠাতে বাটে-ঘাটে, ৰেলে-মটৰে পৰিপাটি পোচাক পৰিহিত দুই-এক ডেকা ভদ্ৰলোকৰ পৰা যেতিয়াই "চাৰ, মোক চিনি পাইছেনে?" এই লেখীয়া বিনম্ৰ সম্ভাষণ পাওঁ, তেতিয়াই সেইজন ৰঙিয়া কলেজৰ আমাৰ ছাত্ৰ বুলি জানিব পাৰি মনটো অপাৰ আনন্দত ভৰি পৰে।

এই কলেজৰ জন্ম অৱস্থাৰপৰা বহুজন কৰ্মী আৰু সংগঠকৰ সান্নিধ্য লাভৰ সুযোগ আমি পাইছো। ইয়াৰ ভিতৰত কলেজৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক শ্ৰীদুৰ্গাদত্ত আগৰৱালাদেৱৰ এখন সুকীয়া আসন আছে। সংগঠক হিচাপে আঁচনি তৈয়াৰ কৰি তাক বাস্তৱত ৰূপায়িত কৰাৰ বিৰল চাতুৰ্য্য আৰু কাৰ্য্যদক্ষতা গুণসম্পন্ন এই ব্যক্তিজনক এক কথাত ৰঙিয়া কলেজ নিৰ্মাণৰ প্ৰধান ভাস্কৰ বুলিব পাৰি। এখেতেই কলেজ স্থাপনৰ বাবে প্ৰয়োজনীয় ধন সংগ্ৰহৰ কাৰ্য্যকৰী আঁচনিবোৰ তৈয়াৰ কৰি সেইবোৰৰ ৰূপায়ণৰ বাবে অসংখ্য কৰ্মীৰ মনত কৰ্মোদ্যম জগাই তুলিব পাৰিছিল। শ্ৰীআগৰৱালা ১৯৬৩ চনৰপৰা ১৯৮৫ চনলৈ একেলেঠাৰিয়ে কলেজ



পৰিচালনা সমিতিত থাকি সেৱা আগবঢ়াইছিল। এখেতৰ লগতে গুণে-গৰিমাই স্তম্ভসদৃশ, দেশনেতা ৺সিদ্ধিনাথ শৰ্মাদেৱে পিতৃ সুলভ ছত্ৰছায়া আৰু নিৰ্ভয় প্ৰদান কৰি ৰঙিয়া কলেজৰ প্ৰাণ প্ৰতিষ্ঠা কৰি থৈ গ'ল। ৺ভৱত কলিতা ৺শান্তিৰাম ডেকা ৺উপেন্দ্ৰমল তালুকদাৰ, ৺ৰাজেন্দ্ৰ ডেকা, ৺নিকুঞ্জ চৌধুৰী, ৺বাসুদেৱ আগৰৱালা আৰু সৰ্ব্বশ্ৰী কামিনীমোহন শৰ্মা, পৰেশ দত্ত, নৰেণ কাকতি, কৃষ্ণ লহকৰ, আব্দুল হামিদ, তাজুল ইছলাম, ধৰণী ভূঞা, আফছাৰ আলী প্ৰমুখ্যে অনেকজন খ্যাত-অখ্যাত কৰ্মীয়ে এই কলেজলৈ যি সেৱা আগবঢ়াই গৈছে তাৰ দীঘলীয়া তালিকা এই প্ৰৱন্ধত সন্নিবিষ্ট নহ'লেও কৃতজ্ঞ মানস পটত সেইসকল ব্যক্তি সদায় জিলিকি থাকিব।

ৰঙিয়া কলেজৰ বৰ্ত্তমান সহকৰ্মীসকলৰ বিষয়ে দুই-এটা কথা উল্লেখ নকৰিলে এই নিৱন্ধটি যেন আধৰুৱা হৈ ৰ'ব। আমাৰ মাজত বহুজন কীৰ্ত্তিমান ব্যক্তি আছে। আমি গৰ্ব্ব অনুভৱ কৰো দুগৰাকী ডক্টৰেট শ্ৰীআফজাল আহমদ আৰু শ্ৰীফাইয়াজুল হককলৈ। আমাৰ মাজৰে শ্ৰীআব্দুৰ ৰেজ্জাক আৰু শ্ৰীমতী যুথিকা ঘোষে এম্‌ফিল্ ডিগ্ৰী লাভ কৰি আমাৰ সন্মান বঢ়াইছে। এই কলেজৰে কেইজনমান প্ৰাক্তন ছাত্ৰই আমাৰ সহকৰ্মী অধ্যাপক হিচাপে এই কলেজতে কাম কৰি থকাটোও আমাৰ বাবে কম গৌৰৱৰ কথা নহয়। এই কলেজতে শিক্ষক-সকলৰ মাজত ৰাজ্যিক পৰ্য্যায়ৰ প্ৰাক্তন খেলুৱৈও আছে। এই কলেজৰে ইংৰাজী বিভাগৰ অধ্যাপক শ্ৰীভবেন্দ্ৰ নাথ ডেকাই অসম কলেজ শিক্ষক সন্থাৰ বাৰ্ষিক মুখপত্ৰখনি কৃতিত্বেৰে সম্পাদনা কৰি উলিওৱাৰ গৌৰৱ অৰ্জ্জন কৰিছে। একে বিভাগৰে শ্ৰীঅমৰেন্দ্ৰ শৰ্মা ১৯৭২ চনৰ শিক্ষাৰ মাধ্যম আন্দোলনৰ অগ্ৰণী নেতা হিচাপে সুপৰিচিত। আৰু আছে কেইগৰাকীমান নিষ্ঠা-বান সহকৰ্মী যিসকলে সকলো সময়তে সকলো দায়িত্বশীল কাৰ্য্য সম্পাদন কৰি অধ্যক্ষক নিশ্চিন্ত কৰি ৰাখিছে। আমাৰ কাৰ্য্যালয়তো কলেজখনক হাড়ে-হিমজুৱে ভালপোৱা কৰ্মচাৰী কেবাজনো থকাটোও অতি সুখৰ বিষয়। কিন্তু ইয়াৰ মাজতো দুই-এজন শিক্ষকৰ মাজত আজি কিছু-দিনৰ পৰা কৰ্মবিমুখতা আৰু দায়িত্ব পালনৰ ক্ষেত্ৰত শিথিলতাৰ ভাব লক্ষ্য কৰা হৈছে। পৰীক্ষাসমূহত এচাম ছাত্ৰই ব্যাপক হাৰত অসৎ উপায় অবলম্বন কৰা আৰু ইয়াক প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত উৰ্দ্ধতন মহলৰ পৰা যথাযথ ৰক্ষণাবেক্ষণ নোপোৱাৰ বাবে কিছুসংখ্যক নিষ্ঠা-বান শিক্ষক অসন্তুষ্ট হোৱা দেখা যায়। সি যি নহওঁক, ছাত্ৰসকলৰ এই নৈতিক স্খলন তথা শিক্ষকসকলৰ নিৰ্লিপ্ততা আৰু উদাসীনতা অতি শীঘ্ৰে ৰোধ কৰিব নোৱাৰিলে ইয়াৰ সুদূৰ প্ৰসাৰী কুফলে সমাজখনৰ সামগ্ৰিক জীৱনধাৰাত এক অশুভ প্ৰভাৱ পেলাব।

বহুতৰ ধাৰণাত শৈক্ষিক দিশত আমাৰ কলেজে আজিলৈকে লাভ কৰা কৃতকাৰ্যতা আশানুৰূপ নহয়। আমাৰ বিবেচনাত এনেধাৰণা উপৰুৱা বিশ্লেষণৰ ওপৰত প্ৰতিষ্ঠিত। শিক্ষাদান কাৰ্য্যৰ বিশিষ্ট উপাদান যিসকল ছাত্ৰ-ছাত্ৰী আমি পাই আহিছো সেইসকলৰ গুণগত অৰ্হতাৰ মান-দণ্ডেৰে জুখিলে আমাৰ কলেজৰ সাফল্য চমক-প্ৰদ বুলিয়েই কব লাগিব। এই কলেজলৈ পঢ়িবলৈ অহা ছাত্ৰ-ছাত্ৰীৰ অতি বেছি ৩ শতাংশ প্ৰথম বিভাগৰ, ৮০ ৰ ৯০ শতাংশ ছাত্ৰ-ছাত্ৰীয়েই বিশ্ববিদ্যালয় তথা বোৰ্ডসমূহৰ কৰুণাত কোনো-মতে সৰকি অহা তৃতীয় বিভাগৰ ছাত্ৰ-ছাত্ৰী। ঈয়াৰ পৰিপ্ৰেক্ষিতত আমাৰ কলেজে দেখুওৱা ফলাফল ওচৰ-চুবুৰীয়া উন্নত কলেজে দেখুওৱা ফলাফলতকৈ নিশ্চয় কম সন্তোষজনক নহয়। অবশ্যে অন্যান্য অনা-শৈক্ষিক ক্ষেত্ৰত, বিশেষকৈ খেলা-ধূলা, সুকুমাৰ কলা আৰু সাংস্কৃতিক দিশত কৰিবলগীয়া বহুখিনি বাকী আছে।

আজি ২৫ বছৰৰ অন্তত এইখন কলেজে বৃহত্তৰ ৰঙিয়া অঞ্চলক কি দিলে—সেই প্ৰশ্নৰ নিশ্চয় উদয় হব। এই কলেজে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে কি দিব পাৰিছে তাৰ যথাযথ মূল্যায়ণ সময়ে কৰিব। আমাৰ দৃষ্টিত প্ৰত্যক্ষভাবে এইখন কলেজে সহস্ৰাধিক স্নাতক সমাজক উপহাৰ দিছে। এইকলেজৰ পৰা ওলোৱা স্নাতকসকলৰ অধিকাংই বৃহত্তৰ ৰঙিয়া অঞ্চলত নতুন নতুন শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিছে, বহু শিক্ষানুষ্ঠানত শিক্ষকৰ পদ পূৰণ কৰি শিক্ষাৰ প্ৰসাৰত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। ৰঙিয়া কলেজ স্থাপনৰ সময়ত থকা মুঠ স্কুলৰ সংখ্যা আৰু আজি চাৰিওদিশে ফুল ফুলাদি গঢ়ি উঠা শিক্ষানুষ্ঠানৰ তুলনামূলক ছবিখন দেখিলেই এই কলেজৰ পৰোক্ষ অৱদানৰ আভাষ পাব পাৰি। ৰঙিয়া অঞ্চলত স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰতো এই কলেজ বিশিষ্ট বৰঙণি যোগাইছে। কলেজ প্ৰতিষ্ঠা হোৱাৰ দিনৰ পৰা আজিলৈকে বহুসংখ্যক মহিলা স্নাতক আমাৰ কলেজৰ পৰা ওলাইছে। ৰঙিয়াৰ স্থানীয় প্ৰথম মহিলা গ্ৰেজুৱেট গৰাকী আমাৰ কলেজৰ সৃষ্টি। এইখন কলেজৰ ছাত্ৰ-ছাত্ৰী-শিক্ষক সকলেই এই অঞ্চলৰ শৈক্ষিক-সামাজিক-সাংস্কৃতিক-বৌদ্ধিক চিন্তা-চৰ্চাৰ দিশত আগভাগ লৈ আহিছে। জন অৰণ্যক সৃজনশীল জনশক্তিলৈ পৰিৱৰ্তন কৰাত এই কলেজে প্ৰশংসনীয় ভূমিকা গ্ৰহণ কৰিছে।

পচিশ বছৰীয়া শিক্ষকতাৰ কালছোৱাত মনৰ নিভৃতকোণত নোপোৱাৰ যি বেদনা থাকি গ'ল—সেয়া হৈছে এই কলেজক স্থায়ী ৰূপদানৰ বাবে প্ৰথম অৱস্থাত গ্ৰহণ কৰা Master Planৰ কাৰ্য্যকৰীকৰণ নোহোৱা। সেইসময়ৰ পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক শ্ৰীআগৰৱালাদেৱ আৰু অধ্যক্ষ শ্ৰীবৰদলৈদেৱে কলেজখনক এখনি আবাসিক অনুষ্ঠান হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে এই Master Plan গ্ৰহণ কৰিছিল। দুখন বিষয় আমাৰ দিনত এই দিশত একো হোৱা দেখা নাপালো। বৰং, দেশনেতা ৺সিদ্ধিনাথ শৰ্মা আদি দূৰদৃষ্টি সম্পন্ন ব্যক্তিসকলে বহুকথা চিন্তা কৰি কলেজলৈ দি যোৱা ৭৫ বিঘা মাটিৰ আবণ্টৰপৰা যোৱা ২ বছৰৰ ভিতৰত ৩০ বিঘা মাটি অন্য চৰকাৰী অনুষ্ঠানৰ বাবে এৰি দিয়াৰ দৰে আত্মঘাতী কাৰ্য্যহে সাধিত হ'ল। এইখন কলেজত এতিয়াও বহু শিক্ষা শাখা খুলিবলৈ বাকী আছে। বিজ্ঞান শাখা পূৰ্ণাঙ্গ হৈ উঠাই হৈ উঠাই নাই। গবেষণা মূলক অধ্যয়ণ আদিৰ বাবে সা-সুবিধা হবলৈ আছেই। আমাৰ চাকৰি কালত এইবোৰ হৈ নুঠাৰ দুখ মনৰ পৰা কোনো দিনেই মচা নাযাব। সেয়েহে এই নিৱন্ধটি শেষ কৰাৰ আগতে ৰঙিয়া কলেজৰ লগত জড়িত সাধাৰণ ৰাইজ, ছাত্ৰ-শিক্ষক, পৰিচালক, অভিভাৱক সকলোকে কবি Frostৰ এই কথা কেইফাকি সুঁৱৰি থাকিবলৈ আহবান জনালো—

"The woods are lovely
Dark and deep,
But I have promises to keep
And miles to go before I sleep,
And miles to go before I sleep"

ৰঙিয়া কলেজৰ জয় হওঁক; জয়ৰ পোহৰে মৃতজীৱিত সকলোকে পুনৰ সঞ্জীৱিত কৰক। +

(ৰঙিয়া মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীগদাধৰ ফাটোৱালীদেৱ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক মণ্ডলীৰ এজন। বিগত পচিশটা বছৰে এই অনুষ্ঠানৰ ক্ৰমবিকাশৰ ধাৰাৰ লগত তেখেত নিবিড়ভাবে জড়িত আছে। কৃতী শিক্ষক, দক্ষ প্ৰশাসক নিপুণ ক্ৰীড়াবিদ আৰু ক্ৰীড়া সংগঠক হিচাপে তেখেত সুপৰিচিত। প্ৰায় তিনিবছৰ কাল ৰঙিয়া মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদকৰ দায়িত্ব বহন কৰি শ্ৰীফাটোৱালীদেৱে যোগ্যতাৰ স্বাক্ষৰ ৰাখি গৈছে। অধ্যয়নপুষ্ট আৰু ৰসিক এই মানুহজনৰ সঙ্গ সদা আনন্দময়।)



# শ্ৰদ্ধাঞ্জলি ঃ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাদেৱলৈ

ধৈৰ্য্য আৰু সহিষ্ণুতাৰ গুণত মানুহে কেনেকৈ উন্নতিৰ জখলাৰ উচ্চ খোপলৈ উঠিব পাৰে, কৰ্ত্তব্যনিষ্ঠা আৰু আত্মবিশ্বাসৰ বলেৰে কেনেকৈ পদ-মৰ্য্যদাৰ অধিকাৰী হব পাৰে তাৰে এটি পটন্তৰ আমি পাওঁ— স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাদেৱৰ জীৱনৰ পৰা। শিক্ষা-দীক্ষাত পিচ পৰা গাওঁ অঞ্চলত জন্মগ্ৰহণ কৰিও নিজৰ অধ্যৱসায়, একাগ্ৰতা আৰু কৰ্মপ্ৰেৰণাৰে উদ্বুদ্ধ হৈ সামাজিক—ৰাজনৈতিক উভয়ক্ষেত্ৰতে সমানে আগবাঢ়ি গৈ অসম আৰু বহিঃ অসমতো নেতৃত্বৰ গৌৰৱ অৰ্জন কৰিব পৰা ব্যক্তি আছিল স্বৰ্গীয় সিদ্ধিনাথ শৰ্মা।

এই ৰঙিয়াৰ গাতে লাগি থকা নকুল গাঁৱত সিদ্ধিনাথ শৰ্মাৰ জন্ম হয় ইং ১৮৯১ চনত। অতি কম বয়সতে সিদ্ধিনাথৰ পিতৃবিয়োগ হয় আৰু বৰ অভাৱ-অনাটনৰ মাজেৰে ডাঙৰ-দীঘল হব লগা হয়। গাঁৱত জন্মলোৱা আৰু গ্ৰাম্য পৰিবেশত ডাঙৰ-দীঘল হোৱা আন দহজনৰ দৰে সিদ্ধিনাথৰো বাল্যকাল আৰম্ভ হয়। ঈশ্বৰৰ কৃপাত বাল্যকালৰে পৰা সিদ্ধিনাথে পাইছিল নিটোল স্বাস্থ্য আৰু সেই স্বাস্থ্য অটুত আছিল জীৱনৰ শেষ মুহূৰ্ত্তলৈ। সেই কাৰণেই বোধকৰো কৰ্মজীৱনত তেওঁ কোনোদিনে নিষ্ক্ৰিয় হবলগীয়া হোৱা নাছিল।

সেইদিনত ৰঙিয়া উচ্চ প্ৰাইমাৰী স্কুলখনেই আছিল আশে-পাশে থকা কেবাখনো গাঁৱৰ মাজত একমাত্ৰ শিক্ষানুষ্ঠান; য'ত সিদ্ধিনাথৰ বিদ্যাৰম্ভ হ'ল। তীক্ষ্ণবুদ্ধিৰ সিদ্ধিনাথে নিজৰ বুদ্ধি-বৃত্তি আৰু সৰল, অমায়িক প্ৰকৃতিৰ গুণেৰে শিক্ষকসকলৰ মন আকৰ্ষণ কৰিলে। প্ৰাইমাৰী পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ বৃত্তি লাভ কৰিলে।

গুৱাহাটী কটন কলেজিয়েট স্কুলৰপৰা ১৯১২ চনত তেওঁ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। সেইবছৰতে গুৱাহাটীৰ উজানবজাৰৰ ৺নন্দীশ্বৰ বৰুৱাৰ প্ৰথমা কন্যাৰ লগত তেওঁৰ বিয়া হয় আৰু উজানবজাৰতে নিগাজীকৈ থাকিবলৈ লয়। কটন কলেজত বিজ্ঞান শাখাত চাৰিবছৰ অধ্যয়ন কৰাৰ পিছত ১৯১৬ চনত বিজ্ঞানৰ স্নাতক ডিগ্ৰী লয়। তেওঁৰ সহ-পাঠী আছিল কৃতী অধ্যাপক ৺ৰাধাকান্ত দাস। দুয়োজনেই অঙ্কত বৰ মেধাবী আছিল। আৰু সেইসময়ৰ গণিতৰ অধ্যাপক ৺ৰজনীকান্ত বৰাতৰ প্ৰিয়পাত্ৰ আছিল। আৰ্থিক অসুবিধাৰ কাৰণে তেওঁ স্নাতকোত্তৰ মহলালৈ যোৱাৰ মন নকৰি গুৱাহাটীতে থাকি কাম-কাজৰ চেষ্টাত লাগিল।

চাকৰি জীৱনৰ প্ৰথম পৰ্য্যায়ত তেওঁ কিছুদিন চৰকাৰৰ লোকগণনা বিভাগত নিৰীক্ষকৰ

পদ পাইছিল। ইয়াত কিছুদিন কাম কৰাৰ পিচত তেওঁ গুৱাহাটীৰ কলেজিয়েট স্কুলত শিক্ষকতা কৰাৰ সুযোগ পালে। শিক্ষকতা কৰি থাকোতেই বনবিভাগৰ কনজাৰভেটৰ পদৰ প্ৰাৰ্থী হিচাপে ডেৰাডুনত প্ৰশিক্ষণৰ বাবে মনোনয়ন লাভ কৰে। বাছনি পৰীক্ষাত তেওঁ হেনো সৰ্ব্বোচ্চ নম্বৰ লাভ কৰিছিল।

১৯১৮ চনত সিদ্ধিনাথ শৰ্মাই ডেৰাডুনৰ বনবিভাগীয় প্ৰশিক্ষণ কেন্দ্ৰত যোগদান কৰে। সেইসময়ত ভাৰতীয় সকলক নিৰ্য্যাতন-নিপীড়ন কৰাৰ অৰ্থে বৃটিছ চৰকাৰে ৰাওলাট আইনকে আদি কৰি বহুতো দমনমূলক আইন প্ৰণয়ন কৰিছিল। বৃটিছৰ এই কু-অভিসন্ধিৰ ফলস্বৰূপেই তেওঁ প্ৰশিক্ষণ সমাপ্ত নকৰাকৈ ডেৰাডুনৰ পৰা উভটি আহিব লগা হ'ল। চৰকাৰী চাকৰিৰ প্ৰতি তেওঁৰ বিতৃষ্ণা জন্মিল আৰু স্বাধীন বৃত্তি অৱলম্বন কৰিবলৈ সংকল্প ললে। সেই উদ্দেশ্যে তেওঁ গুৱাহাটীৰ আৰ্ল ল কলেজত আইন পঢ়িবলৈ ললে আৰু যথাসময়ত ওকালতি পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীতে ওকালতি আৰম্ভ কৰে।

এনেসময়তে ভাৰতৰ জাতীয় আন্দোলন দেশৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰবলভাবে গা কৰি উঠিছে। সেইসময়ত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, ডঃ হৰেকৃষ্ণ দাস, চন্দ্ৰনাথ শৰ্মা আদি বহু দেশনেতাৰ আহ্বানত অসমতো বৃটিছ বিৰোধী শক্তি এটা জাগি উঠিল। এই-সকল নেতাৰ দ্বাৰা অনুপ্ৰাণিত হৈ সিদ্ধিনাথ শৰ্মায়ো একানপতীয়াভাবে সক্ৰিয় ৰাজনীতিত নামি পৰিল। সেই সময়ৰ অসমৰ আন্দোলনৰ গুৰিধৰোতা কৰ্মবীৰ বৰদলৈ আৰু দেশভক্ত ফুকনৰ সোহাঁতস্বৰূপে কাম কৰি শৰ্মাদেৱে ক্লান্তিহীন অধ্যৱসায় আৰু কৰ্ত্তব্যনিষ্ঠাৰ পৰিচয় দিলে, আৰু ৰাজনীতিক্ষেত্ৰতো সুপৰিচিত হৈ উঠিল।

১৯২০-২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত গঢ়ি উঠা ঐতিহাসিক অসহযোগ আন্দোলনত পূৰ্ণ সহাঁৰি জনাই সিদ্ধিনাথ শৰ্মাই ওকালতি বৰ্জ্জন কৰে আৰু কংগ্ৰেছৰ প্ৰচাৰ আৰু সংগঠনমূলক কাৰ্য্যত আত্মনিয়োগ কৰে। এই সময়ছোৱাতে তেওঁ প্ৰথমতে গুৱাহাটী লোকেল বৰ্ডৰ সদস্য আৰু পিচলৈ ক্ৰমে উপসভাপতি আৰু সভাপতি নিৰ্ব্বাচিত হয়। লোকেল বোৰ্ডত প্ৰৱেশ কৰাৰ লগে লগে শৰ্মাদেৱৰ ৰাজহুৱা জীৱন ব্যাপক ৰূপত ৰূপায়িত হয়।

১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ অধিবেশনত সিদ্ধিনাথ শৰ্মাক অতি গুৰুত্বপূৰ্ণ দায়িত্ব দিয়া হ'ল। আবাস বিভাগৰ সম্পাদক ৰূপে তেওঁ যি অদম্য কৰ্মশক্তি আৰু কৰ্ত্তব্যবোধ দেখুৱালে তাৰ বাবে কংগ্ৰেছ মহলত তেওঁৰ যশস্যাও বাঢ়িল। ১৯২৮ চনত তেওঁ গুৱাহাটী জিলা কংগ্ৰেছৰ সম্পাদক নিৰ্ব্বাচিত হয় আৰু পিচলৈ সভাপতি পদতো অধিষ্ঠিত হয়।

১৯৩০ চনত কংগ্ৰেছ মহাসভাৰ মীৰাট অধিবেশনলৈ যাওঁতে বাটতে শৰ্মাদেৱৰ লগত যোৱা আটাইকেইজন প্ৰতিনিধিক চৰকাৰৰ নিৰ্দ্দেশত আলিপুৰ চেণ্ট্ৰেল জেলত আটক কৰি ৰখা হয়। ইতিমধ্যে শৰ্মাদেৱ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি নিৰ্ব্বাচিত হয়। ১৯৩৭ চনত বৰদলৈদেৱৰ নেতৃত্বত গঠন হোৱা অসমৰ প্ৰথম সংযুক্ত মন্ত্ৰীসভাৰ গঠনত সিদ্ধিনাথ শৰ্মাৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে তেওঁৰ সংগঠন পদ্ধতি আছিল অতিকৈ বাস্তৱধৰ্মী।

ইয়াৰ পিছত আৰম্ভ হয় বিয়াল্লিছৰ ঐতিহাসিক ভাৰত ত্যাগ আন্দোলন। বোম্বাইত বহা কংগ্ৰেছ মহাসভাৰ বিশেষ অধিবেশনত অসমৰ প্ৰতিনিধিত্ব কৰিছিল লোকপ্ৰিয় বৰদলৈ আৰু



সিদ্ধিনাথ শৰ্মাই আৰু সেইসময়ৰ ছাত্ৰনেতা শ্ৰীকামিনী মোহন শৰ্মাও তেখেতসকলৰ লগত গৈছিল। অসমলৈ উভটি অহাৰ বাটত বৰদলৈদেৱ আৰু শৰ্মাদেৱ উভয়কে ধুবুৰীত আটক কৰি গোনে গোনে যোৰহাট আৰু চিলচৰ জেললৈ নিয়া হয়। ইয়াৰ পিচত আৰম্ভ হোৱা ব্যাপক সত্যাগ্ৰহ আন্দোলনত অংশ গ্ৰহণ কৰা বাবে তেখেত ১৯৪৪ চনৰ শেষভাগলৈ কাৰাৰুদ্ধ হৈ থাকিবলগীয়া হয়।

১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীন হোৱাৰ আগে আগে ভাৰতক দ্বিখণ্ডিত কৰাৰ উপৰিও অসমক গ্ৰুপিঙৰ অন্তৰ্ভূক্ত কৰি পূৰ্ব-পাকিস্থানৰ সৈতে চামিল কৰাৰ এটা হীন প্ৰচেষ্টাত চলিছিল। এই সম্পৰ্কে মহাত্মা গান্ধীৰ ওচৰত অসমৰ ন্যায্য দাবী উত্থাপন কৰিবলৈ লোকপ্ৰিয় বৰদলৈৰ লগত সিদ্ধিনাথ শৰ্মা আৰু মহেন্দ্ৰমোহন চৌধুৰীও নোৱাখালীলৈ গৈ গান্ধীজীক সাক্ষাৎ কৰি অসমৰ জটিল পৰিস্থিতিৰ কথা নিবেদন কৰিছিল। গান্ধীজীৰ আশ্বাসবাণীত উৎসাহিত হৈ এই তিনিওগৰাকী নেতাই দিল্লীত কংগ্ৰেছ হাইকমাণ্ডৰ ওচৰত গ্ৰুপিঙবিৰোধী প্ৰস্তাৱ নিৰ্ভীকভাৱে দাভি ধৰিলে।

স্বাধীনতাৰ পিছত লোকপ্ৰিয় বৰদলৈৰ নেতৃত্বত অসমত কংগ্ৰেছ মন্ত্ৰীসভা গঠন হ'ল। শৰ্মা তেতিয়া প্ৰদেশ কংগ্ৰেছৰ সভাপতি। সময়ৰ গুৰুত্ব উপলব্ধি কৰি শৰ্মাৰ নিচিনা স্থিৰবুদ্ধিসম্পন্ন ব্যক্তি এজনক প্ৰদেশ কংগ্ৰেছৰ সভাপতি পদতেই ৰখা হৈছিল। ১৯৫০ চনত বৰদলৈদেৱৰ আকস্মিক মৃত্যুৰ পিচত নেতৃত্বৰ দায়িত্বলোৱা স্বৰ্গীয় বিষ্ণুৰাম মেধী ডাঙৰীয়াই শৰ্মাদেৱক মন্ত্ৰীসভাত লৈ গড়কাপ্তানি আৰু পৰিবহনৰ দায়িত্ব দিয়ে।

সংকটৰ সময়ত ধৈৰ্য্য আৰু সহিষ্ণুতাৰে পৰিস্থিতিৰ সন্মুখীন হোৱাৰ অপূৰ্ব্ব কৌশল আছিল সিদ্ধিনাথ শৰ্মাদেৱৰ। ৰাজ্যৰ ভৌগোলিক সীমা নিৰ্দ্ধাৰণৰ সময়ত বিভিন্ন কু-চক্ৰান্ত প্ৰতিৰোধ কৰি ৰাজ্য পুনৰগঠন আয়োগৰ সন্মুখত শৰ্মাদেৱে বলিষ্ঠ ভূমিকা লৈছিল। ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ত হোৱা ব্যাপক অশান্তি আৰু আলোড়ণৰ সমুখত শান্তি-সম্প্ৰীতি অটুত ৰখাৰ উদ্দেশ্যে প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে শৰ্মাদেৱে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ জনমত গঢ়ি তোলাত নেতৃস্থানীয় ভূমিকা লৈছিল।

স্বৰ্গীয় বিমলাপ্ৰসাদ চলিহাই মন্ত্ৰীসভা গঠন কৰাৰ পিছত কেইবছমানৰ কাৰণে শৰ্মা ডাঙৰীয়া মন্ত্ৰীসভাৰ পৰা আঁতৰত আছিল। পিচলৈ তেওঁৰ বিচক্ষণতা, দিহা-পৰামৰ্শ অপৰিহাৰ্য্য হৈ পৰাত তেওঁ পুনৰাই মন্ত্ৰীসভাত যোগদান কৰে আৰু ৰাজহ, পৰিবহন আৰু বনবিভাগৰ দৰে গুৰুত্বপূৰ্ণ দপ্তৰসমূহৰ দায়িত্ব গ্ৰহণ কৰে। এই দায়িত্ব থকা অৱস্থাতে ১৯৬৬ চনত ৭৫ বছৰ বয়সত তেখেতে ইহলোক ত্যাগ কৰে।

সিদ্ধিনাথ শৰ্মাই কামৰূপ জিলাৰ ৰঙিয়া সমষ্টিক অসম বিধান সভাত প্ৰতিনিধিত্ব কৰিছিল। দেশভক্ত ফুকনক পৰাজিত কৰি নিৰ্ব্বাচিত হোৱাৰ পিচৰে পৰা একে লেঠাৰিয়ে মৃত্যুৰ সময় লৈ তেখেতে ৰঙিয়া সমষ্টিৰ বিধায়ক আছিল। ৰঙিয়া অঞ্চলৰ সৰু-বৰ সকলো অনুষ্ঠানৰ লগত শৰ্মাদেৱ ওতঃপ্ৰোতভাবে জড়িত আছিল। ৰঙিয়া অঞ্চলৰ শিক্ষানুষ্ঠানবোৰৰ উন্নয়নাৰ্থে তেখেতে যি অবদান যোগালে সি লেখত লবলগীয়া। বিশেষকৈ ৰঙিয়াত বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ পতালৈ হোৱা বাদ-বিসম্বাদ প্ৰতিৰোধ কৰি এমাহৰ ভিতৰতে ৰঙিয়া হাইস্কুলৰ চৌহদত অস্থায়ী ঘৰ সজাই প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰিছিল। ৰঙিয়াত কলেজ এখন পতা সম্বন্ধে তেখেতৰ মতামত বিচৰাত, মানুহৰ আৰ্থিক অনাটন আৰু বিৰাট পৰিমানৰ ধন ব্যয়ৰ কাৰণে

তেওঁ ইয়াৰ সপক্ষে মত পোষণ কৰা নাছিল। হয়তো উদ্যোক্তাসকলৰ মনোবল আৰু কৰ্মশক্তিৰ ওজন জুখিবৰ উদ্দেশ্যেই তেওঁ তেনে ভাব পোষণ কৰিছিল। কিন্তু বাস্তৱত যেতিয়া কলেজ স্থাপনৰ আঁচনি ৰূপায়িত কৰাৰ কথা আহিল, তেখেতেই ইয়াৰ গুৰি ধৰি দিহা-পৰামৰ্শ দি কৰ্মীসকলক অনুপ্ৰাণিত কৰিছিল। কলেজৰ স্থায়ী ঘৰ সজাৰ বাবে ৭৫ বিঘা চৰকাৰী মাটি পট্টন দিয়াই কলেজৰ ভেঁটি সুদৃঢ় কৰি থৈ গ'ল। এই অনুষ্ঠানবোৰৰ যোগেদি আমি তেখেতক সদায় সোঁৱৰণ কৰিম। তেখেতে যি আদৰ্শ আৰু কৰ্মপ্ৰেৰণা আমাক দেখুৱাই গ'ল— সেই আদৰ্শেৰে কৰ্মক্ষেত্ৰত অগ্ৰসৰ হবলৈ চেষ্টা-যত্ন কৰাটোহে হব তেখেতৰ প্ৰতি আমাৰ আন্তৰিক শ্ৰদ্ধাৰ প্ৰকৃত নিদৰ্শন। +

(* ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাদেৱৰ এই জীৱনালেখ্য স্বৰ্গীয় প্ৰাণেশ্বৰ শৰ্মাদেৱে লিখা আৰু অসম সাহিত্য সভাৰ চত্বাৰিংশ ৰঙিয়া অধিবেশনৰ স্মৃতি-গ্ৰন্থত প্ৰকাশিত "দেশনেতা ৺সিদ্ধিনাথ শৰ্মা (চমুজীৱনী)" শীৰ্ষক প্ৰবন্ধৰ পৰা যুগুত কৰা হৈছে।)

—সম্পাদক

"আমাৰ নৈতিক সত্তাটো হ'ল সকলো স্থিতিৰ ঘাইশিপা, আৰু নৈতিক নিয়মতন্ত্ৰই হ'ল এই জগতৰ সৰ্ব্বময় নিয়ম"।

—কনফিউচিয়াচ



# কলেজ প্ৰতিষ্ঠাৰ এগৰাকী বিশিষ্ট উদ্যোক্তা আৰু প্ৰাক্তন শিক্ষকৰ পূতস্মৃতিত

শ্ৰীউমেশ চন্দ্ৰ গোস্বামী

পিন্ধনত খদ্দৰৰ ধুতি-পাঞ্জাবী, চকুত তীক্ষ্ণ দৃষ্টি, ক্ষীণদেহী—সেয়া আছিল স্বৰ্গীয় প্ৰাণেশ্বৰ শৰ্মাদেৱ। ৰঙিয়া উচ্চ(এতিয়া উচ্চতৰ) মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক আৰু ৰঙিয়াৰ বৰ্তমান পুৰুষৰ শ্ৰদ্ধেয় 'চাৰ', যি জনা ব্যক্তি বহুকাল ধৰি ৰঙিয়াৰ বৌদ্ধিক তথা সাংস্কৃতিক সমাজখনৰ মধ্যমণি আছিল। স্বাভাৱিকতে সেই গৰাকী ব্যক্তিয়ে ৰঙিয়া কলেজৰ জন্মলগ্নত যে অগ্ৰণী ভূমিকা লব সি সহজে অনুমেয়। ১৯৬৩ চনত স্থাপিত হোৱা ৰঙিয়া কলেজৰ পৰিচালনা সমিতিৰ উপসভাপতি হিচাপে কাৰ্য্যভাৰ বহন কৰাৰ উপৰিও এই কলেজত ইংৰাজী বিষয়ত উপযুক্ত শিক্ষকৰ অভাৱ হোৱাত পৰিচালনা সমিতিৰ অনুৰোধত ইংৰাজী বিষয়ত শিক্ষাদান কৰিবলৈ শৰ্মাচাৰ আগবাঢ়ি আহিছিল। তেতিয়াৰ পৰা তিনিবছৰ কাল (ৰঙিয়া কলেজ নিজ ভৱনলৈ স্থানান্তৰিত হোৱা কাললৈ) তেখেতে শিক্ষক ৰূপে এই কলেজলৈ যি বহুমূলীয়া সেৱা আগবঢ়াইছিল তাৰ বাবে ৰঙিয়াৰ ৰাইজ তেখেতৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিব। তেখেতৰ মৰমৰ ৰঙিয়া কলেজ আজি এখন স্বয়ং সম্পূৰ্ণ আৰু সমৃদ্ধ শিক্ষানুষ্ঠান। এই কলেজৰ ৰূপালী জয়ন্তী মহোৎসৱত ভাগ লবলৈ 'চাৰ' আজি আমাৰ মাজত নাই। সেয়েহে তেখেতৰ পুণ্যস্মৃতিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰি ব্যক্তি গৰাকীৰ কৰ্মময় জীৱনৰ এটি চমু আলোচনা দাঙি ধৰা হ'ল।

১৯০৫ চনত ৰঙিয়া মহকুমাৰ অন্তৰ্গত ডোবোকা গাঁৱৰ এটি মধ্যবিত্ত পৰিয়ালত শৰ্মাচাৰৰ জন্ম হৈছিল। সৰুৰেপৰা তীক্ষ্ণবুদ্ধিৰ অধিকাৰী চাৰে গাঁৱৰ প্ৰাথমিক স্কুলৰ পৰা বৃত্তি লাভ কৰি ১৯২৫ চনত সোণাৰাম হাইস্কুলৰপৰা অঙ্ক আৰু সংস্কৃতত লেটাৰ সহ প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২৭ চনত কটন কলেজৰপৰা অসমীয়াত লেটাৰ লৈ আই-এছচি পৰীক্ষা পাছ কৰে। স্নাতক মহলাত তেখেতে বিজ্ঞানৰ পৰিবৰ্ত্তে কলা শাখাত অধ্যয়ন কৰে আৰু সেই কলেজৰ পৰাই ১৯২৯ চনত সংস্কৃতত অনাৰ্চ সহ অঙ্ক বিষয়টো লৈ বি, এ ডিগ্ৰী লাভ কৰে। ১৯৩০ চনত গুৱাহাটীত ৰাষ্ট্ৰীয়তাবাদী প্ৰেৰণাৰ ফলশ্ৰুতিত স্থাপিত কামৰূপ একাডেমী হাইস্কুলত শিক্ষক হিচাপে শৰ্মাচাৰে কৰ্মময় জীৱনৰ পাতনি মেলে আৰু তাত চাৰিবছৰ শিক্ষকতা কৰাৰ অন্তত ১৯৩৪ চনত নগাওঁ জিলাৰ কলিয়াবৰ হাইস্কুলত প্ৰধান শিক্ষক হিচাবে যোগদান কৰে। উল্লেখযোগ্য যে গুৱাহাটীত থকা কালতে তেখেতে আইন বিভাগতো স্নাতক উপাধি লাভ কৰে।

১৯৩৬ চনত ৰঙিয়া 'হাইস্কুল' আৰু 'হাই-

মাদ্ৰাছা' নামৰ দুখন স্কুল একেলগে আৰম্ভ হয়। দুয়োখন পৃথক পৃথক অনুষ্ঠান হলেও দুয়োখনৰে অৱস্থা টনকিয়াল নোহোৱাত দুয়োখনকে একত্ৰীকৰণ কৰি 'ৰঙিয়া হাইস্কুল আৰু হাইমাদ্ৰাছা' নামাকৰণেৰে একেটা ঘৰতে চলাবলৈ সিদ্ধান্ত লোৱা হয়। কিন্তু যৌথ এই স্কুলখন পৰিচালনা কৰিবলৈ এজন সুদক্ষ প্ৰধান শিক্ষকৰ আৱশ্যক হোৱাত তেতিয়াৰ স্কুলসমূহৰ পৰিদৰ্শক স্বনামধন্য শিক্ষাবিদ ৺শৰৎচন্দ্ৰ গোস্বামীদেৱৰ ৰাপমৰ্শক্ৰমে স্কুল পৰিচালনা সমিতিৰ সভাপতি, দেশনেতা ৺সিদ্ধিনাথ শৰ্মা ডাঙৰীয়াই ১৯৩৯ চনত প্ৰাণেশ্বৰ শৰ্মাচাৰক কলিয়াবৰৰ পৰা ৰঙিয়ালৈ মাতি আনে। তেতিয়াৰপৰা শৰ্মাচাৰে এই যৌথ শিক্ষানুষ্ঠানটিৰ প্ৰধান শিক্ষকৰূপে দায়িত্বভাৰ বহন কৰিবলগীয়া হয়। সহকাৰী প্ৰধানশিক্ষক জেহিৰুদ্দিন আহমেদ চাহেবৰ সহযোগিতাত এই যৌথ অনুষ্ঠানটি নিয়াৰিকৈ চলে যদিও কিছুবছৰ পিছত কিছুমান বিষয়ত বিশেষকৈ পৰীক্ষা সংক্ৰান্ত বিষয়ত বেমেজালিৰ সৃষ্টি হৈছিল। কাৰণ হাইস্কুলৰ পৰীক্ষা চলিছিল কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত আৰু হাইমাদ্ৰাছাৰ পৰীক্ষা চলিছিল ঢাকা বোৰ্ডৰ অধীনত। সেইকাৰণে শৰ্মাচাৰৰ সুপৰামৰ্শত আৰু সেই সময়ৰ সহকাৰী শিক্ষাধিকাৰ ৺ৰাধাকান্ত দাসদেৱৰ পৰিদৰ্শন টোকা সাপেক্ষে এই অনুষ্ঠানটি পৃথক পৃথক হয় ১৯৪৫ চনত। সেইকাল অবধি অৱসৰ পোৱা কাল (১৯৬৮) লৈ ৰঙিয়া হাইস্কুলৰ প্ৰধান শিক্ষকৰ গুৰু দায়িত্ব নিষ্ঠাসহকাৰে পালন কৰি তেখেতে ৰঙিয়া হাইস্কুলখনক এখন উন্নত আৰু মৰ্যাদাসম্পন্ন স্কুললৈ উন্নীত কৰে। ৰঙিয়া হাইস্কুলৰ পৰা অৱসৰ লোৱাৰ পিছতো এইজনা কৃতীশিক্ষকক পুঠিমাৰীৰ জৱাহৰজ্যোতি হাইস্কুলৰ পৰিচালনা সমিতিয়ে প্ৰধান শিক্ষকৰূপে আমন্ত্ৰণ কৰি লৈ যায়। প্ৰধান শিক্ষকৰূপে কেইবছৰমান বহমূলীয়া সেৱা আগবঢ়াই শৰ্মাচাৰে সেইস্কুলখনক সুপ্ৰতিষ্ঠিত হৈ উঠাত সহায় কৰে। ইয়াৰ কিছুকাল পিছত ৰঙিয়াত নতুনকৈ স্থাপন হোৱা আৰিমত্ত বিদ্যাপীঠ হাইস্কুলতো ৰাইজৰ অনুৰোধক্ৰমে তেখেতে কেইবছৰমান সেৱা আগবঢ়াই এই স্কুলখনকো গঢ় দি তোলে। শিক্ষা আৰু ৰাইজৰ সেৱাত উৎসৰ্গিত শৰ্মাচাৰৰ জীৱন ভাৰতীয় ঋষিবাদৰ এক জ্বলন্ত নিদৰ্শন আছিল। সেয়েহে বৃদ্ধাৱস্থালৈ তেখেতে সমাজলৈ বিভিন্ন প্ৰকাৰে সেৱা আগবঢ়াই ভক্তি আৰু শ্ৰদ্ধাৰ পাত্ৰহৈ জীৱন নাটৰ যৱনিকা পেলাইছিল ১৯৮৫ চনৰ মাৰ্চ মাহৰ ১৪ তাৰিখে।

শিক্ষাবিদ শৰ্মাচাৰ এজন সাহিত্যসেৱীও আছিল। ভাষা-জননীৰ পূজাত তেখেতৰ অৰ্ঘ্য একেবাৰে কম নাছিল। তেখেতৰ তত্ত্বগধুৰ বহু প্ৰবন্ধ আৱাহন, জয়ন্তী, সুৰভি আৰু বিভিন্ন কাকত-পত্ৰত প্ৰকাশ পাইছিল। পাঠ্যপুথিৰ ভিতৰত তেখেতে এখন ইংৰাজী ব্যকৰণ আৰু এখন অষ্টম শ্ৰেণীৰ দ্ৰুত-পাঠ প্ৰণয়ন কৰিছিল। তেখেতৰ ৰচিত নাটকৰ ভিতৰত 'চন্দ্ৰহাস', 'বিষকুম্ভ', 'হৰদত্ত' আৰু 'ৰাণাপ্ৰতাপ' ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনৰ ৰঙ্গমঞ্চত অভিনীত হৈছিল। উল্লেখযোগ্য যে একাধিক নাটকত সফলতাৰে মঞ্চত অভিনয় কৰি তেখেতে ৰাইজক চমক লগাইছিল। এইবোৰৰ উপৰিও চাৰৰ ভালেমান লিখনী ঘৰপোৰা জুইত ভস্মীভূত হয়, যিটো কাৰণত স্থিতপ্ৰজ্ঞ এইগৰাকী পুৰুষ মৰ্মাহত হৈ পৰিছিল। খেল-ধেমালিতো চাৰৰ অত্যন্ত নিচা আছিল। তেখেতে বিশেষকৈ ক্ৰিকেট খেলৰ প্ৰতি অনুৰক্ত আছিল।

সমাজকৰ্মীৰূপে চাৰ ৰঙিয়াৰ প্ৰায় সকলো অনুষ্ঠানৰ লগতে জড়িত আছিল। ৰঙিয়াত প্ৰথম Rural Panchayat স্থাপিত হোৱাত তেখেত সভাপতি নিৰ্ব্বাচিত হৈছিল। ১৯৫৬ চনত ৰঙিয়াত টাউন কমিটী গঠিত হোৱাত ইয়াৰ সভাপতি মনোনীত হৈ তেখেতে নগৰবাসীৰ সেৱাত আত্মনিয়োগ কৰিছিল। ১৯৭৩ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৰঙিয়া অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে চাৰে সম্পাদক শ্ৰীবীৰেন্দ্ৰ



নাথ বৰদলৈ (তেতিয়াৰ ৰঙিয়া কলেজৰ অধ্যক্ষ) দেৱৰ সহযোগিতাত অধিবেশন খনি সফলতাৰে পৰিচালনা কৰি ৰঙিয়াৰ গৌৰৱ বৃদ্ধি কৰিছিল। কেবাবছৰ ধৰি শৰ্মাচাৰ Regional Railway Recruitment Advisory Board ৰ সদস্য আছিল। ৰঙিয়া কলেজৰ প্ৰতিষ্ঠালগ্নৰ পৰা একেৰাহে কুৰিবছৰ কাল কলেজৰ পৰিচালনা সমিতিৰ সদস্য হিচাপে তেখেতে অনুষ্ঠানটিক সৰ্ব্বতোপ্ৰকাৰে আগবঢ়াই নিয়াত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

বিভিন্ন সামাজিক কামত জড়িত থাকিলেও শৰ্মাচাৰ আছিল এগৰাকী কৃতী শিক্ষক আৰু প্ৰবীণ শিক্ষাবিদ। 'সহজ-সৰল জীৱন যাপন আৰু উচ্চ চিন্তা'—ভাৰতীয় দৰ্শনৰ এই মহান পৰম্পৰা ৰক্ষা কৰি তেখেতে জীৱনৰ সকলো সুখ-সম্ভোগ, উচ্চাকাংক্ষা পৰিহাৰ কৰি এটা অতি সংযমী জীৱন যাপন কৰিছিল। তেখেতৰ পাণ্ডিত্যত মুগ্ধ হৈ অযোধ্যা সাহিত্য পৰিষদে ১৯৬০ চনত তেখেতক "সাহিত্যালংকাৰ" উপাধি প্ৰদান কৰিছিল। আদৰ্শ শিক্ষকতাৰ ৰাষ্ট্ৰীয় স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় বঁটা তেখেতলৈ আগবঢ়োৱা হৈছিল ১৯৫৯-৬০ চনত। এই উপলক্ষে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ে প্ৰকাশ কৰা Citation ত তেখেতৰ বিষয়ে কোৱা হৈছিল: " a teacher and Headmaster with 25 years of dedicated service··· greatly interested in co-curricular activities and the welfare of his pupils. He is known for his literary activities. His school is considered one of the best in the region."

১৯৮৫ চনৰ ১৪ মাৰ্চত কৰ্মযোগী, পণ্ডিত, মহান ব্যক্তিত্বৰ অধিকাৰী এইজনা পুৰুষৰ জীৱনাৱসান ঘটে। তেখেত সশৰীৰে আমাৰ মাজত নাই যদিও তেখেতৰ আদৰ্শ আৰু গুণৰাজি হেজাৰ-হেজাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সদায় ৰৈ থাকিব। শ্ৰদ্ধেয় চাৰৰ অমৰ আত্মাৰ চিৰশান্তি কামনা কৰি ইয়াতে সামৰিলো।

ওঁম শান্তি ! ওঁম শান্তি !! ওঁম শান্তি !!! +

(শ্ৰীউমেশ চন্দ্ৰ গোস্বামী ইংৰাজী ভাষা-সাহিত্য আৰু ভাৰতীয় দৰ্শন-সংস্কৃতি সম্পৰ্কে গভীৰ অধ্যয়ন থকা এগৰাকী চিন্তাশীল লিখক। তেখেত বৰ্ত্তমানে ৰঙিয়া মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক।)

# শ্ৰদ্ধা তৰ্পণ

[ ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা লগ্নৰে পৰা বিগত পঁচিশটা বছৰৰ ভিতৰত মহাবিদ্যালয়ত শিক্ষকতাত ব্ৰতী কেইবাগৰাকীও কৃতী ব্যক্তিয়ে আমাৰ মাজৰ পৰা চিৰবিদায় লৈছে। ৰূপালী জয়ন্তীৰ মধুৰ ক্ষণত এইসকল পুণ্যাত্মাৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰিছো আৰু আশা ৰাখিছো তেখেতসকলৰ গুণৰাজিৰ সোঁৱৰণে উত্তৰপুৰুষক কৰ্মক্ষেত্ৰত প্ৰেৰণা যোগাব। ]

### আলহাজ মৌলানা ইছলামুদ্দিন ঃ

ৰঙিয়া কলেজৰ জন্মলগ্নতে যিসকল শিক্ষা-সেৱীয়ে নবজাত এই অনুষ্ঠানটিক গঢ় দিয়াৰ মহান দায়িত্ব লবলৈ আগবাঢ়ি আহিছিল—সেই-সকলৰ ভিতৰত আলহাজ মৌলানা ইছলামুদ্দিন চাহেব আছিল অন্যতম। মৰহুম ইছলামুদ্দিন চাহেব আৰবী ভাষা-সাহিত্যৰ এগৰাকী বিশিষ্ট পণ্ডিত আৰু অসমত আৰবী ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত তেখেতৰ বৰঙণি উল্লেখযোগ্য।

১৯১৯ চনত দৰং জিলাৰ সানোৱা গাৱঁত জন্ম গ্ৰহণ কৰা ইছলামুদ্দিন চাহেবে ১৯৪৪ চনত হাইলাকান্দি চিনিয়ৰ মাদ্ৰাছাৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ ১৯৪৫ চনত কলিকতাৰ টাইটেল মাদ্ৰাছাত ভৰ্ত্তি হয়। ১৯৪৬ চনত ইয়াৰ পৰা যোগ্যতা সহকাৰে উপাধি গ্ৰহণ কৰে। ১৯৪৭ চনত তেখেত ঘৰলৈ আহি ৰঙিয়া হাই মাদ্ৰাছাত শিক্ষকতা কৰে।

এইখিনিতে ইছলামুদ্দিন চাহেবৰ ভাগ্য চক্ৰৰ পৰিবৰ্ত্তন ঘটে। ১৯৪৯ চনত ভাৰত চৰকাৰৰ পৃষ্ঠপোষকতাত তেখেতে উচ্চ শিক্ষাৰ বাবে মিচৰলৈ যাত্ৰা কৰে। মিচৰৰ সুপ্ৰসিদ্ধ বিশ্ববিদ্যালয় 'আল আজহাৰ'ৰ পৰা সুখ্যাতিৰে উচ্চতম ডিগ্ৰী লাভ কৰি যোগ্যতাৰ পৰিচয় দিয়ে। ইয়াৰ পিচত তেখেতে কাইৰোৰ প্ৰসিদ্ধ আমেৰিকান বিশ্ববিদ্যালয়ৰ পৰা এম-এ ডিগ্ৰী লাভ কৰে। এই সময়ছোৱাতে তেখেতে ইৰাণ, ইৰাক, বেইৰুট, চিৰিয়া, জৰ্ডান, পেলেষ্টাইন আদি ভ্ৰমণ কৰি ইছলামীয় সভ্যতা-সংস্কৃতিৰ ওপৰত বিস্তৰ জ্ঞান অৰ্জন কৰে। ১৯৫৪ চনত তেখেত পুনৰ কাইৰোলৈ যায় আৰু লগতে চুডান প্ৰমুখ্যে কিছুমান আফ্ৰিকীয় দেশতো ভ্ৰমণ কৰে।

মৰহুম ইছলামুদ্দিন ৰঙিয়া আৰবী কলেজৰ প্ৰতিষ্ঠাপক। তেখেতে জন্ম দিয়া আৰবী কলেজ মিচৰত পঢ়ি থাকোতে কৰা এক কল্পনাৰ বাস্তৱ ৰূপ। ১৯৫৫ চনত প্ৰতিষ্ঠিত এই কলেজ তেখে-তৰ প্ৰাণৰ অনুষ্ঠান। এই অনুষ্ঠানটি সকলো প্ৰকাৰে আগবঢ়াই নিবলৈ তেখেতে অহোপুৰুষাৰ্থ কৰিছিল আৰু মৃত্যুৰ সময়লৈ ইয়াৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

১৯৬৯ চনত মৌলানা ইছলামুদ্দিন চাহেবক International Conventionত ভাৰতক প্ৰতি-নিধিত্ব কৰিবলৈ নিৰ্ব্বাচিত কৰা হয়। কাইৰোত হোৱা এই Conventionত পাকিস্তানী বিদ্বেষ আৰু বিষোদগাৰৰ বিপক্ষে ইছলামুদ্দিন চাহেবে স্পষ্ট ভাষাত ভাৰতীয় দৃষ্টিভঙ্গী দাঙি ধৰিছিল।

ৰঙিয়া আৰবী কলেজৰ অধ্যক্ষ হিচাপে কাৰ্য্য-নিৰ্ব্বাহ কৰাৰ উপৰিও ইছলামুদ্দিন চাহেব ১৯৭৬ চনৰ পৰা ৰঙিয়াৰ সদৰ কাজী হিচাপে অধিষ্ঠিত আছিল। বিভিন্ন সময়ত তেখেতে ৰঙিয়া কলেজ, ৰঙিয়া হাই মাদ্ৰাছা আদি অনুষ্ঠানৰ পৰিচালনা সমিতিৰ সদস্য আছিল।

১৯৮৩-৮৪ চনত ইছলামুদ্দিন চাহেবৰ পাণ্ডি-ত্যৰ স্বীকৃতি স্বৰূপে কেন্দ্ৰীয় চৰকাৰে তেখেতলৈ ৰাষ্ট্ৰীয় পুৰস্কাৰ আগবঢ়ায়। ১৯৮৮ চনৰ ২৭ জানুৱাৰীৰ দিনা এইজনা শিক্ষাবিদ পণ্ডিতে গুৱা-হাটী চিকিৎসা মহাবিদ্যালয়ত শেষনিশ্বাস ত্যাগ কৰে।

শিক্ষা বিস্তাৰ আৰু সমাজ সংস্কাৰৰ বাবে উৎসৰ্গিত এইগৰাকী নিৰহঙ্কাৰ ব্যক্তিক সমাজৰ সকলোবৰ্গৰ লোকে শ্ৰদ্ধা কৰিছিল। ৰঙিয়া কলে-জৰ আৰম্ভণিতে আৰবী বিভাগত শিক্ষকৰ অভাৱ হোৱাত তেখেতে কেবা বছৰ ধৰি যি সেৱা আগবঢ়াই গ'ল ৰঙিয়া কলেজে চিৰকাল কৃতজ্ঞতাৰে সোঁৱৰণ কৰিব। তেখেতৰ আত্মাই শান্তি লাভ কৰক।

### স্বৰ্গীয় পৃথুৰাম নাথ ঃ

ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠালগ্নৰ অধ্যাপক মণ্ডলীৰ অন্যতম আছিল স্বৰ্গীয় পৃথুৰাম নাথ। গুৰু-গম্ভীৰ খোজ-কাটল, পৰিপাটি পিন্ধনেৰে ধুনীয়াকৈ মানুহগৰাকীয়েই আছিল স্বৰ্গীয় নাথ। অতি কম সময়ৰ ভিতৰতে স্বৰ্গীয় নাথদেৱে কলেজখনৰ সামূহিক জীৱনত গভীৰভাবে ৰেখা-পাত কৰিব পাৰিছিল।

কমলপুৰ ৰাজহ চক্ৰৰ মাৰৈ গাৱঁত ১৯৩৬ চনত স্বৰ্গীয় পৃথুৰাম নাথৰ জন্ম হয়। পিতৃ স্বৰ্গীয় বয়াৰাম নাথৰ এঘাৰটি সন্তানৰ ভিতৰত পৃথুৰাম নাথ ষষ্ঠ আছিল। সৰুৰে পৰা তেখেত অমায়িক আৰু লাজকুৰীয়া স্বভাৱৰ আছিল। নিষ্ঠা আৰু একাগ্ৰতা আছিল তেখেতৰ সহজাত গুণ আৰু এই দুয়োটা গুণেই তেখেতৰ সামগ্ৰিক জীৱনত প্ৰতিফলিত হৈছিল।

১৯৫৫ চনত সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচত তেখেতে কলেজীয়া শিক্ষাৰ পাতনি মেলে। ১৯৫৭ চনত আই-এ আৰু ১৯৫৯ চনত স্নাতক হোৱাৰ পিচত ৰাজনীতি বিজ্ঞান বিভাগত স্নাতকোত্তৰ মহলাত ভৰ্ত্তি হয়। এম-এ ডিগ্ৰী লোৱাৰ অলপ দিন পিচতেই স্বৰ্গীয় নাথে ১৯৬৩ চনত সদ্য প্ৰতিষ্ঠিত ৰঙিয়া কলেজৰ ৰাজনীতি বিজ্ঞানৰ প্ৰথম গৰাকী অধ্যাপক হিচাপে যোগদান কৰে আৰু ১৯৬৫ চনৰ জুন মাহত অস্বাভাৱিকভাবে মৃত্যুক আঁকোৱালি লোৱাৰ সময়লৈকে এই অনুষ্ঠানলৈ আশাসুধীয়া সেৱা আগবঢ়াইছিল।

অমায়িক, অল্পভাষী ৺নাথ আছিল এগৰাকী আদৰ্শ শিক্ষক। ৰঙিয়া কলেজৰ উপৰিও কমলপুৰ অঞ্চলৰ বিভিন্ন সামাজিক কামত স্বৰ্গীয় নাথ নিবিড়ভাবে জড়িত আছিল। কমল-পুৰ হাইস্কুলৰ সম্পাদকৰ গধুৰ দায়িত্ব কেবা-বছৰ ধৰি তেখেতে সুকলমে সম্পাদন কৰিছিল।

স্বৰ্গীয় নাথৰ স্মৃতি আমাৰ মনত চিৰসজীৱ হৈ থাকিব। ৰূপালী জয়ন্তীৰ শুভ মুহূৰ্ত্তত আমি তেখেতৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছো।

## স্বৰ্গীয় গজেন্দ্ৰনাথ কলিতা ঃ

ৰঙিয়া মহাবিদ্যালয়ৰ আৰম্ভণিৰ প্ৰথম কেইবছৰত কিছুদিনৰ বাবে অংশকালীনভাবে অধ্যাপনাৰ দায়িত্ব বহন কৰিছিল স্বৰ্গীয় গজেন্দ্ৰনাথ কলিতাদেৱে। আজীৱন শিক্ষাব্ৰতী স্বৰ্গীয় কলিতা পুঠিমাৰী অঞ্চলৰ ৰাজহুৱা জীৱনৰ এগৰাকী নেতৃস্থানীয় ব্যক্তি আছিল।

১৯৩২ চনত কমলপুৰ চক্ৰৰ পালাৰা গাৱঁত স্বৰ্গীয় গজেন্দ্ৰনাথ কলিতাই জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃ ঁউত্তম কলিতা আৰু মাতৃ ঁবিলাহী কলিতা। অতি দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰিলেও অধ্যৱসায় আৰু ঐকান্তিকতাৰ গুণত ঁকলিতাদেৱে উচ্চ শিক্ষাৰ জখলাৰে উঠাব পাৰিছিল। ১৯৫২ চনত পুঠিমাৰী হাইস্কুল (এতিয়া উচ্চতৰ মাধ্যমিক)ৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচত কটন কলেজৰ পৰা আই.এচ.চি পাছ কৰি বি. বৰুৱা কলেজত বি.এ পঢ়িবলৈ লয় আৰু ১৯৫৬ চনত বি.এ পাছ কৰে আৰু শিক্ষাবিদ স্বৰ্গীয় গিৰিধৰ শৰ্ম্মা প্ৰমুখ্যে ব্যক্তিসকলে আৰম্ভ কৰা আৰ্য্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰিবলৈ লয়। স্বৰ্গীয় কলিতাদেৱে ১৯৫৯ চনত পুঠিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোগদান কৰে আৰু পিচলৈ অৰ্থনীতি বিষয়ত এম.এ পাছ কৰাত বিষয় শিক্ষক হিচাপে নিযুক্ত হয়। ইয়াৰ মাজতে তেখেতে আইনৰ স্নাতক ডিগ্ৰীও লাভ কৰে। ইতিমধ্যে তেখেত পুঠিমাৰী উচ্চতৰ মাধ্যমিকৰ উপাধ্যক্ষ নিযুক্ত হয় আৰু ১৯৭৪ চনত অধ্যক্ষ পদত অধিষ্ঠিত হয়।

কৃতীশিক্ষক আৰু সুদক্ষ প্ৰশাসক হিচাপে ঁকলিতাদেৱ সুপৰিচিত আছিল। অঞ্চলটোৰ সামাজিক-সাংস্কৃতিক আৰু ধৰ্ম্মীয় অনুষ্ঠানবোৰৰ লগত তেখেত ঘনিষ্ঠভাবে জড়িত আছিল। মঞ্চ অভিনেতা হিচাপেও তেখেতে কৃতিত্ব অৰ্জন কৰিছিল। ১৯৮১ চনত আৰম্ভ হোৱা পুঠিমাৰী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু পৰিচালনা সমিতিৰ সভাপতিৰূপে তেখেতে মূল্যবান সেৱা আগবঢ়াইছিল।

১৯৮২ চনৰ সাত চেপ্তেম্বৰ তাৰিখে মাত্ৰ ৫০ বছৰ বয়সতে এইগৰাকী ব্যক্তিয়ে পৰলোক গমন কৰে। তেখেতৰ মৃত্যুত সমগ্ৰ অঞ্চলটোৰ অপূৰণীয় ক্ষতি হ'ল। স্বৰ্গীয় কলিতাদেৱক আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো।

## স্বৰ্গীয় হৰেন্দ্ৰ কুমাৰ দাস

ৰঙিয়া মহবিদ্যালয়ৰ একেবাৰে চালুকীয়া অৱস্থাত এই অনুষ্ঠানটিক সুস্থভাবে গঢ় দিয়াত যিসকল অধ্যাপকে আত্মনিয়োগ কৰি এক দুৰ্যোগপূৰ্ণ সময়ত সেৱা আগবঢ়াইছিল—সেইসকলৰ ভিতৰত স্বৰ্গীয় হৰেন্দ্ৰ কুমাৰ দাসো স্মৰণীয় হৈ ৰব। মিষ্টভাষী, সদালাপী স্বৰ্গীয় দাস আছিল এক আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী।

১৯৩৭ চনৰ অক্তোবৰ মাহত নলবাৰীৰ বড়িগাৱঁত জন্ম গ্ৰহণ কৰা স্বৰ্গীয় দাসে ১৯৫৫ চনত স্কুলীয়া শিক্ষা সমাপ্ত কৰি ১৯৫৯ চনত স্নাতক হয়। ১৯৬৩ চনত স্নাতকোত্তৰ মহলাৰ অৰ্থনীতি বিষয়ত ডিগ্ৰী লৈ প্ৰথমে স্কুলত শিক্ষকতা কৰিবলৈ লয়। ১৯৬৫ চনত ৰঙিয়া মহাবিদ্যালয়ত অৰ্থনীতি বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰি মৃত্যু পৰ্যন্ত এই পদতেই থাকে।

এগৰাকী কৃতী শিক্ষক হিচাপে প্ৰায় দুইদশক কাল ৰঙিয়া কলেজলৈ সেৱা আগবঢ়োৱাৰ উপৰিও ৰঙিয়া অঞ্চলৰ বিভিন্ন সামাজিক কামৰ লগত তেখেত জড়িত আছিল। সমাজৰ সকলো বৰ্গৰ লোকৰ লগত স্বৰ্গীয় দাসদেৱৰ এক মধুৰ সম্পৰ্ক আছিল। ধৰ্ম, দৰ্শন, আধ্যাত্মিকতা আদি জটিল বিষয়বোৰৰ ওপৰত তেখেতৰ গভীৰ অধ্যয়ন আছিল। তেখেত এগৰাকী সুবক্তা আছিল। সভা-সমিতি, আলোচনা চক্ৰ আদিত



সততে অংশ গ্ৰহণ কৰা স্বৰ্গীয় দাসদেৱে বিষয়-বস্তুবোৰ এনে আকৰ্ষণীয়ভাবে ব্যাখ্যা কৰিব পাৰিছিল যে সেইবোৰ সকলোৰে বাবে সহজ বোধগম্য হৈ পৰিছিল।

স্বৰ্গীয় দাসদেৱৰ এটি সংস্কৃতিপ্ৰেমী মন আছিল। ৰঙিয়া অঞ্চলৰ আৰু বিশেষকৈ ৰঙিয়া কলেজৰ সাংস্কৃতিক দিশটোৰ লগত তেখেতৰ অভিন্ন সম্পৰ্ক আছিল। নিজে গায়ক-গীতিকাৰ হোৱাৰ উপৰিও বিভিন্ন বাদ্যযন্ত্ৰতো তেখেত পাৰদৰ্শী আছিল। উল্লেখযোগ্য যে ৰঙিয়া কলেজৰ আধাৰশিলা স্থাপন উপলক্ষে আয়োজিত অনুষ্ঠানত পৰিবেশিত সমবেত গীতটি ৰচনা কৰাৰ উপৰিও ইয়াত তেখেতে কণ্ঠদানো কৰিছিল।

পাৰিবাৰিক জীৱনত স্বৰ্গীয় দাস আছিল অতি অনাড়ম্বৰ আৰু আপোনভোলা স্বভাৱৰ। তেখেতৰ সান্নিধ্য আছিল অতি মধুৰ। পৰম প্ৰেমময় ঠাকুৰ শ্ৰীশ্ৰীঅনুকূলচন্দ্ৰৰ একান্ত অনুগামী ঁদাসে ঠাকুৰৰ জীৱন দৰ্শন, সমাজ নিৰ্দ্দেশনা, শিক্ষা নিৰ্দ্দেশনা আদি বিষয়ে গভীৰভাবে অধ্যয়ন কৰাই নহয়, বৰ্ত্তমানৰ যুগ সন্ধিক্ষণত এইবোৰৰ প্ৰাসংগিকতা সম্পৰ্কে সুস্পষ্ট অভিমত ব্যক্ত কৰিছিল।

১৯৮৪ চনৰ ২০ মাৰ্চ তাৰিখে উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ এইজনা কৃতী সৰবৰহী শিক্ষক আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি যায়। ৰূপালী জয়ন্তীৰ মধুৰক্ষণত তেখেতক আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো।

## স্বৰ্গীয় নিৰঞ্জন তালুকদাৰ ঃ

১৯৭৩ চনত মিঠাবৰণৰ, অমায়িক, দীৰ্ঘদেহী এগৰাকী অধ্যাপকে ৰঙিয়া কলেজৰ সংস্কৃত বিভাগত যোগদান কৰে। সদা বিনম্ৰ আৰু বন্ধুৱৎ আচৰণৰ গুণত এই মানুহজনে অতি কম সময়ৰ ভিতৰতে ছাত্ৰ আৰু শিক্ষক মহলত বিশেষ জনপ্ৰিয়তা অৰ্জ্জন কৰিবলৈ সক্ষম হৈছিল। এই মানুহজনেই আছিল পাঠশালাৰ ডুমুৰীয়া গাৱঁত জন্মগ্ৰহণ কৰা স্বৰ্গীয় নিৰঞ্জন তালুকদাৰ।

বজালী উচ্চতৰ মাধ্যমিক, কটন কলেজ, গুৱাহাটী বিশ্ববিদ্যালয় আদি খ্যাতনামা শিক্ষানুষ্ঠানত শিক্ষা সাং কৰি তেখেতে পোনতে বাউসী বাণীকান্ত কলেজত শিক্ষকতা কৰিবলৈ লয়। ইয়াৰ অলপদিনৰ পিচতে অৰ্থাৎ ১৯৭৩ চনত ঁতালুকদাৰে ৰঙিয়া মহাবিদ্যালয়ত যোগদান কৰে। আদৰ্শ, নিষ্ঠাবান শিক্ষক হিচাপে মাত্ৰ সাতটা বছৰৰ ভিতৰতে সমগ্ৰ অঞ্চলটোতে গভীৰভাবে সঁাচ বহুৱাব পাৰিছিল এই ডেকা অধ্যাপক গৰাকীয়ে। ৰঙিয়া কলেজৰ খেলা-ধূলা, কৃষ্টি-সংস্কৃতি আদি সকলো দিশৰে লগত ঁতালুকদাৰদেৱৰ অভিন্ন সম্পৰ্ক আছিল। মৃত্যুৰ মাত্ৰ কেইমাহ আগতে তেখেতে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ অফিচাৰৰ প্ৰশিক্ষণ লৈ আহিছিল।

চাল-চলন, কথা-বতৰাত মানুহজন যেনে বিনম্ৰ আছিল, পিন্ধন-উৰণ আৰু জীৱন নিৰ্ব্বাপদ্ধতিৰো আছিল সহজ-সৰল। সংস্কৃত সাহিত্য চৰ্চ্চাৰ প্ৰতি তেখেতৰ অপৰিসীম ধাউতি আছিল আৰু ছাত্ৰ-ছাত্ৰীৰ মনত এই বিষয়টো সহজবোধগম্য কৰি তুলিবলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল।

১৯৭৯ চনত অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সময়ত ডিচেম্বৰ মাহত বেগম আবেদা আহমেদে বৰপেটালৈ মনোনয়ন পত্ৰ দাখিল কৰিবলৈ যোৱাৰ নিশা গুৱাহাটীৰ পৰা বৰপেটালৈ সমগ্ৰ পথছোৱাতে সংঘটিত নাৰকীৰ ঘটনাৱলীৰ স্মৃতি অসমীয়া মানুহে মচি পেলাব নোৱাৰে। ৰঙিয়াত যিসকলে ধৰ্ণাত অংশ গ্ৰহণ কৰিছিল সেইসকলৰ মাজত স্বৰ্গীয় নিৰঞ্জন তালুকদাৰো আছিল। সিদিনাই পুলিচৰ লাঠিচালনাত তেখেত গুৰুতৰ-

ভাবে আহত হৈছিল। ইয়াৰ কেইমাহমানৰ পিচতে তেখেত নৰিয়াত পৰে আৰু শেষলৈ সেই নৰিয়াই অচিন ৰোগৰ ৰূপ ধাৰণ কৰে। এনে অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ থাকোতে ১৯৮০ চনৰ ১৮ ডিচেম্বৰ তাৰিখে তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত স্বৰ্গীয় তালুকদাৰে ইহ সংসাৰত বৃদ্ধা মাতৃৰ লগতে সন্তান-সন্তুৱা প্ৰিয়তমা পত্নীক এৰি থৈ যায়। তেখেতৰ মৃত্যুৰ কেইমাহমান পিচত জন্ম লাভ কৰা পুত্ৰ সন্তানটিৰ মুখ দেখাৰ সৌভাগ্য তেখেতৰ আৰু নহল।

তালুকদাৰদেৱৰ মৃত্যু ৰঙিয়া কলেজৰ বাবে পূৰাব নোৱাৰা ক্ষতি। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক—এয়ে আমাৰ প্ৰাৰ্থনা।+

* এই নিবন্ধটি যুগুত কৰোতে ৰঙিয়া কলেজৰ সতীৰ্থ মণ্ডলী—সৰ্ব্বশ্ৰী জ্যোতিষ চন্দ্ৰ চৌধুৰী, ৰজত চন্দ্ৰ ডেকা, উমেশ চন্দ্ৰ গোস্বামী, ডিমুৰ শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা আৰু ছাত্ৰ শ্ৰীজিয়াউল ইছলাম আৰু ছাত্ৰী শ্ৰীগীতালী শৰ্মাই আমাক সহায় কৰিছে। এইসকলৰ ওচৰত আমি কৃতজ্ঞ।

—সম্পাদক

প্ৰতি সূৰ্য্যোদয় জীৱনৰ আৰম্ভণি। প্ৰতিটো সূৰ্য্যাস্ত জীৱনৰ শেষ। এই কম সময়ৰ ভিতৰত প্ৰতিজন ব্যক্তিয়ে নিজৰ বাবে জ্ঞান আৰু শক্তি আহৰণ কৰাৰ উপৰিও পৰোপকাৰী কামৰ খতিয়ান ৰাখি থব লাগে।

—ৰাস্কিন



# শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈ মানুহজন : মই যিভাৱে চিনিছো

শ্ৰীতৰুণ শইকীয়া
(প্ৰাক্তন ছাত্ৰ)

মোক যদি কোনোবাই প্ৰশ্ন কৰে, বৰদলৈচাৰ মানুহজন কেনে? উত্তৰত মই পোনচাতে কম এক অসাধাৰণ ব্যক্তিত্বসম্পন্ন লোক আৰু এগৰাকী আদৰ্শ শিক্ষকৰ আটাইবোৰ গুণেই তেখেতৰ দেহ-মনত বিদ্যমান। ১৯৬৪ চনৰ পৰা ১৯৮১ চনৰ এপ্ৰিল মাহলৈ ৰঙিয়া কলেজৰ বহুতো ছাত্ৰই তেখেতক পাইছে। ইয়াৰ বিপৰীতে ১৯৭৭ চনৰ পৰা ১৯৭৯ চনলৈ এই কলেজৰ স্নাতক মহলাৰ ছাত্ৰহিচাপে পোৱাৰ উপৰিও মই তেখেতক অতি ওচৰৰ পৰা পাইছো, সান্নিধ্য লাভ কৰিছো। ক্লাছত ইংৰাজী কবিতা পঢ়াওতে শ্যেলী, কিটচ্, ওৱাৰ্দচৱৰ্থ আদিৰ কবিতাৰ ভাবময় জগতখনৰ লগত নিজকে সম্পূৰ্ণৰূপে বিলাই দিয়া এই মানুহজনৰ কথাবোৰ আজিও আমাৰ মনত সজীৱ হৈ আছে। শ্ৰেণীকোঠাৰ এজন শিক্ষক আৰু কলেজৰ অধ্যক্ষ হিচাপে বিভিন্ন কামত ব্যস্ত মানুহজনৰ বহুতো কথাই আমাৰ মানসপটত জিলিকি আছে।

সেইসময়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এনে বহুজন ছাত্ৰ-ছাত্ৰী ওলাব যিসকলৰ অধ্যয়নকালত বৰদলৈচাৰে বিশেষভাবে উৎসাহ যোগাইছিল আৰু দায়িত্ব লৈছিল এজন অভিভাৱকৰ দৰে। বহুতো দুখীয়া ছাত্ৰ-ছাত্ৰীক কিতাপ কিনি দিয়াৰ উপৰিও মাহিলী মাচুল, পৰীক্ষাৰ মাচুল নিজ হাতৰ পৰা দি ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ় দিয়াত চাৰে যি অৰিহণা যোগাইছিল তাৰ দৃষ্টান্ত অতি বিৰল। এই আলোচনা প্ৰসঙ্গত মই হয়তো সেইসকল ভাগ্যবান ছাত্ৰ-ছাত্ৰীৰ নামোল্লেখ কৰিব নোৱাৰিম; কিন্তু সেইসকল ছাত্ৰ-ছাত্ৰীয়ে হয়তো আজি ৰঙিয়া কলেজৰ ৰূপালী জয়ন্তীৰ মধুৰ ক্ষণত লোকৰ আগত এইবোৰ কথা সদৰি কৰি জ্ঞানী-গুণী শিক্ষাগুৰুজনাৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ সুযোগ গ্ৰহণ কৰিব।

মানবীয় মূল্যবোধৰ প্ৰতি গভীৰ বিশ্বাস আৰু শ্ৰদ্ধাশীল মনোভাব আৰু মানুহৰ প্ৰতি থকা প্ৰেম-ভালপোৱা চাৰে জন্মগতভাবে লাভ কৰিছে—ই যেন চাৰৰ সহজাত প্ৰবৃত্তি। ইং ১৯৩৫ চনৰ ৯ জুন তাৰিখে কোনো এক শুভক্ষণত জন্মগ্ৰহণ কৰা শ্ৰীযুত বীৰেন্দ্ৰনাথ বৰদলৈ অসমৰ প্ৰথম প্ৰধানমন্ত্ৰী (পিচলৈ মুখ্যমন্ত্ৰী) লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ দ্বিতীয় পুত্ৰ। পৰাধীনতাৰ শৃংখল ছিঙিবলৈ ওলোৱা পিতৃমনৰ অদম্য সাহস আৰু মানসিক শক্তিৰ ছবিখন বৰদলৈচাৰে শৈশৱতে দেখা পাইছিল। বাল্যকালতে স্বাধীনভাবে মুখ খুলি কথা কবলৈ আৰু মূৰ তুলি থিয় হবলৈ চাৰে প্ৰেৰণা পাইছিল নিজ ঘৰতেই। যি জাতিৰ জাতীয় জীৱন মুক্ত আৰু স্বাধীন, সেই জাতিৰ মানুহে নিৰ্ভয়ে— নিঃসংকোচে সংকীৰ্ণতাক কৰবালৈ ঠেলি পঠিয়াই মুকলি মনেৰে বুকুফিন্দাই বিচৰণ কৰিব পাৰে। পিতৃৰ সান্নি-

ধ্যত লাভ কৰা এনে মহৎ আদৰ্শৰ প্ৰতিফলন ঘটিছিল চাৰৰ জীৱনত ছাত্ৰাৱস্থাৰ পৰাই। চাৰে ৯।১০ বছৰ বয়সতে মাক-দেউতাকৰ লগত একেলগে বহি ঘৰতে নিজে সূতা কাটি নিজৰ সাজ-পোচাক তৈয়াৰ কৰি লবলৈ শিকিছিল। দেউতাকৰ সান্নিধ্যত বাল্যকালতে বুজিছিল যে যেতিয়ালৈকে দেশৰ প্ৰতিজন নাগৰিক স্বাৱলম্বী হৈ নুঠে তেতিয়ালৈকে দেশখন সম্পূৰ্ণৰূপে স্বাৱলম্বী হৈ উঠা সম্ভৱ নহয়। তেনেক্ষেত্ৰত চাৰৰ বাবে জীৱন আদৰ্শৰ মূল উৎস নিজৰ ঘৰখন আৰু পিতৃ-মাতৃ।

ইং ১৯৪২ চন। ৮ বছৰীয়া শিশু বৰদলৈ চাৰে স্বাধীনতা নামৰ শব্দটোৰ অৰ্থ ভালদৰে উপলব্ধি কৰি উঠিব পৰাই হোৱা নাই। কিন্তু মহাত্মাগান্ধীৰ হাতেৰোৱা ত্ৰিৰঙ্গ পতকাখনিত স্বাধীনতা নামৰ শব্দটো লিখি দিবলৈ কোমল শিশু মনত কি এক দুৰ্ব্বাৰ বাসনা! সেই-বছৰতে সমগ্ৰ দেশতে সৰ্ব্বত্ৰ গা কৰি উঠা অসহযোগৰ কোনো এটা দিনত ক্লাছ IIIৰ ছাত্ৰ বৰদলৈচাৰে যেতিয়া হাতত ত্ৰিৰঙ্গ পতাকা লৈ চেনীকুঠি প্ৰথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ৰাজপথলৈ উলিয়াই লৈ আহিছিল, সেইসময়ত বিদ্যালয়ৰ প্ৰধান শিক্ষক চণ্ডীদেৱ শৰ্মাই বেতডাল হাতত লৈ বাৰান্দাত থিয় হৈ তধা লাগি চাই থকাৰ বাহিৰে একো কৰিবৰ উপায় নাছিল। আৰু সৌ সিদিনাৰ কথা। সমগ্ৰ অসমৰ ৰাজনৈতিক আৰু সামাজিক অস্থিৰতাৰ মাজতে অবৈধ ভোটাৰ তালিকাৰে অসমবাসীৰ ইচ্ছাৰ বিৰূদ্ধে নিৰ্ব্বাচন জাপি দিয়া হ'ল। জনমত সৰৱ হৈ উঠিল— এই নিৰ্ব্বাচন বন্ধ কৰিবই লাগিব। ৯ ডিচেম্বৰ, ১৯৭৯ চনৰ হাড়কপোৱা শীতৰ ৰাতি। সেইনিশা বেগম আবিদা আহমেদ ৰঙিয়াৰ মাজেৰে বৰপেটা অভিমুখে যাব মনোনয়ন-পত্ৰ দাখিল কৰিবলৈ। লৰালি কালৰ পৰা দেশৰ আহ্বানৰ প্ৰতি সন্মান জনাই অহা চাৰৰ সংগ্ৰামী সত্বাটোৱে সিদিনা স্থিৰেৰে থাকিব নোৱাৰিলে। স্বদেশ আৰু স্বজাতিৰ স্বাৰ্থত ওলাই আহি সহস্ৰজন সংগ্ৰামী সহযাত্ৰীৰ সৈতে ৰঙিয়াৰ I. O. Cৰ সন্মুখত খাপ দি ৰ'ল বেগম আবিদাক বাধা দিবলৈ। নিশা প্ৰায় ১১-৪০ বজাত যুদ্ধকালীন প্ৰস্তুতিৰে সজ্জিত পুলিচ—চি, আৰ, পি বাহিনী অতৰ্কিতভাবে জপিয়াই পৰিল অহিংসা পথৰ সংগ্ৰামী ৰাইজৰ ওপৰত। আজি কিন্তু তাহানিৰ প্ৰধান শিক্ষক চণ্ডী শৰ্মা হাতত বেতলৈ উপস্থিত নাছিল। বৰং সেই পুলিচ বাহিনীৰ প্ৰধান শিক্ষক স্বৰূপ কে, পি, এচ গিলে অত্যাচাৰৰ শুভাৰম্ভ কৰিলে নিজৰ হাতত থকা শকত লাঠীৰ প্ৰহাৰেৰে। পুলিচৰ লাঠীৰ কোব আৰু বুটজোটাৰ গচকত চাৰৰ লগতে বহুকেইজন ৰাস্তাত বাগৰি পৰিল। বৰদলৈ চাৰ গুৰুতৰ ভাবে আহত হ'ল, চাৰৰ বাওঁহাতখন ভাঙিল। অথচ চাৰৰ লেখীয়া নেতৃস্থানীয় বহুতো হয়তো সেই অভিশপ্ত নিশা লেপৰ তলত উমলৈয়ে কটাই দিছিল।

কম-বেচি পৰিমাণে আজিৰ সমাজৰ মানুহ আত্মকেন্দ্ৰিক— ই এক বাস্তৱ সত্য। ধন-সম্পত্তি, ঐশ্বৰ্য্য-বিভূতি, আত্মপ্ৰতিষ্ঠাক লৈয়ে মানুহ ব্যস্ত। এই ক্ষেত্ৰত বৰদলৈ চাৰ যেন এক ব্যতিক্ৰম। বহুজনৰ ঈপ্সিত মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদ—সন্মান, পদমৰ্য্যদা, ক্ষমতা আদি সকলোফালৰে পৰা এই পদ বহুতৰে বাবে কামনাৰ বস্তু। অথচ বহুজনৰ আকাংক্ষিত এই পদৰ লগতে জাগতিক সকলো লাহ-বিলাস, উচ্চাকাংক্ষা জলাঞ্জলি দি প্ৰশান্তিনিলয়মৰ গভীৰ প্ৰশান্ত পৰিবেশত চাৰে আশ্ৰয় ললেগৈ এজন অধ্যাপক হিচাপে। চাৰৰ এনে মানসিক পৰিবৰ্ত্তন হঠাতে নিশ্চয় হোৱা নাছিল। তাহানিৰ শিক্ষাগুৰুসকল চেনীকুঠি প্ৰাথমিক বিদ্যালয়ৰ চণ্ডীদেৱ শৰ্মা, মানিকচন্দ্ৰ মধ্য ইংৰাজী বিদ্যালয়ৰ ভৰত শৰ্মা, কটন কলেজিয়েট স্কুলৰ হৰিনাথ শৰ্মাৰ লেখীয়া পুৰুষ-



সকলৰ আদৰ্শ জীৱনযাত্ৰাই নিশ্চয় চাৰৰ মনত গভীৰভাবে সাঁচ বহুৱাইছিল।

১৯৫১ চনত কটন কলেজৰ ছাত্ৰ বৰদলৈ চাৰে অধ্যাপক অতুল দত্ত আৰু আজন্ম অন্ধ অধ্যাপক ডঃ ডি, আৰ ভিবেদীৰ সান্নিধ্যত লাভ কৰিছিল শিক্ষকৰ ছাত্ৰৰ প্ৰতি থকা প্ৰেম আৰু ভাতৃত্ববোধৰ আদৰ্শ। ডঃ ভিবেদীৰ জীৱনৰ আদৰ্শ অনুধাবন কৰি বৰদলৈ চাৰে উপলব্ধি কৰিছিল যে অন্তদৃৰ্ষ্টিৰ সহায়তহে মানুহে জগতখনক নতুনৰূপত চাব পাৰে, আত্মাৰ সন্ধান পাব পাৰে। আত্মাক চিনিলে পৰমাত্মাৰ সন্ধান সহজ হৈ পৰে। এনেদৰেই চাৰৰ মানসিক জগতখনৰ উত্তৰণ ঘটিছিল।

বৰদলৈ চাৰৰ জীৱনক প্ৰভাবিত কৰা আন এগৰাকী ব্যক্তি আছিল ৺হেম বৰুৱা। গুৱাহাটী বি, বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ। ৰাজনীতিবিদ্ কবি-সাহিত্যিক-সমালোচক ৺হেমবৰুৱাৰ সান্নিধ্যত শিক্ষা লাভ কৰি বৰদলৈ চাৰে অধ্যক্ষ হিচাপে নিজৰ জীৱনত উপলব্ধি কৰিছিল যে স্বাধীন ৰাষ্ট্ৰৰ একো একোজন শিক্ষিত নাগৰিকৰ বাবে মহাবিদ্যালয়ৰ পবিত্ৰ চৌহদত কঠোৰ প্ৰশাসনীয় নীতি-নিয়মৰ নিশ্চয় প্ৰয়োজন নাই। শিক্ষাসেৱী সমাজখনত নিজৰ নিজৰ নৈতিক দায়িত্ব আৰু কৰ্ত্তব্য বুজি, অন্তৰত প্ৰেম-ভাতৃত্ববোধ, পাৰস্পৰিক বুজাপৰা আৰু সহযোগিতাৰ মনোভাবেৰে জ্ঞান-মন্দিৰৰ পবিত্ৰ সৌধ নিৰ্মাণৰ কথা সোঁৱৰাই দিয়াৰ প্ৰয়োজনেই বা ক'ত!

ৰঙিয়াবাসী ৰাইজৰ প্ৰতি, ৰঙিয়া অঞ্চলটোৰ প্ৰতি চাৰৰ ভালপোৱা ভাব আজিৰ নহয়। ১৯৫১ চনত কটন কলেজৰ ছাত্ৰ থাকোতে ৰঙিয়াৰ ভবিষ্যত সম্ভাৱনাৰ প্ৰতীক, সেইসময়ৰ ছাত্ৰ ৺মোহনচন্দ্ৰ কলিতাৰ সৈতে চাৰৰ প্ৰথম চিনাকি হয় সোণাপুৰত হোৱা এটি এন, চি, চি কেম্পত। এই চিনাকিয়ে পিচলৈ প্ৰগাঢ় বন্ধুত্বত পৰিণত হৈছিল আৰু সেইসূত্ৰে ছাত্ৰ মোহন কলিতাৰে সৈতে ৰঙিয়ালৈ আহি প্ৰায় এসপ্তাহ কাল ঘূৰি-পকি চাই ৰঙিয়া অঞ্চলৰ লগত পৰিচিত হৈছিল। ১৯৬৩ চনত ৰঙিয়া মহাবিদ্যালৰ স্থাপনৰ গুৰিধৰোতা ৺সিদ্ধিনাথ শৰ্মা, ৺প্ৰাণেশ্বৰ শৰ্মা, ৺মোহন কলিতা, শ্ৰীদুৰ্গাদত্ত আগৰৱালা, শ্ৰীকামিনী মোহন শৰ্মা আদি বহুজন কলেজপ্ৰেমীৰ মৰমসনা আহ্বান উপেক্ষা কৰিব নোৱাৰি প্ৰাগজ্যোতিষ কলেজত অধ্যাপনা কৰি থকা বৰদলৈ চাৰে ১৯৬৪ চনৰ ১৭ জানুৱাৰীত শিল্পীদিবসৰ দিনা এক নতুন শিল্পীৰ ৰূপত ৰঙিয়া কলেজৰ অধ্যক্ষৰ আসন অলংকৃত কৰিলে।

সদ্যপ্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ আথিক অনগ্ৰসৰতা দূৰীকৰণৰ বাবে চাৰে মহাবিদ্যালয়ৰ পতিত ভূমিখণ্ডত কৃষিপাম এখন স্থাপনৰ উদ্যোগ লৈছিল। কেবাগৰাকী সহযোগী অধ্যাপকক লগত লৈ কৰা এই প্ৰচেষ্টাৰ জৰিয়তে মহাবিদ্যালয়ৰ আৰ্থিক স্বচ্ছলতা অনাৰ উপৰিও শিক্ষাৰ লগত কৃষিৰ সমন্বয় সাধন কৰি ছাত্ৰ-ছাত্ৰীসকলক শ্ৰমৰ মৰ্য্যদাৰ শিক্ষা দিয়াৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

ৰঙিয়া অঞ্চলৰ আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'গ্ৰাম স্বৰাজ পৰিষদ'ৰ অন্যতম জন্মদাতা শ্ৰীযুত বৰদলৈ চাৰ। অঞ্চলটোৰ ওচৰে-পাজৰে থকা নিৰক্ষৰ কৰ্ম্মঠ পুৰুষ-মহিলাসকলৰ কৰ্ম সংস্থানৰ বাবে গ্ৰামস্বৰাজত কপাহী সূতা প্ৰস্তুত কৰি কাপোৰ বই উলিওৱা আৰু বাহঁ-বেত আদি বিভিন্ন কামৰ আঁচনি প্ৰস্তুত কৰি তাৰ বাস্তৱ ৰূপায়ণৰ বাবে চাৰে দেহে-কেহে খাটিছিল। তাত থকা অনাথ আশ্ৰমখনৰ কুৰিজন অনাথ শিশুৰ লগত একেলগে বহি সাধুকথা কোৱাৰ ছলেৰে চাৰে শিশুসকলৰ অন্তৰত জ্ঞানৰ প্ৰদীপ জ্বলাইছিল।

বৰদলৈ চাৰৰ মানসিক জগতখনৰ এনে উত্তৰণে সৃষ্টি কৰিলে এক আধ্যাত্মিক বাতাবৰণ। ক্ৰমে ক্ৰমে চাৰ আকৰ্ষিত হ'ল তেনে এখন জগতলৈ যিখন জগতক সংকীৰ্ণতা আৰু গেলি-পচি উৰ্ঙলি যোৱা ৰাজনীতিৰ দুৰ্গন্ধ বাষ্পই দুষিত কৰিব পৰা নাই। বৰদলৈ চাৰে অনুসৰণ কৰিলে ত্যাগৰ পথ। ভাৰতীয় জাতীয়তা আৰু পৰম্পৰাৰ সৈতে এই পথৰ নিবিড় সম্পৰ্ক আছে। পোহৰ সন্ধানী বৰদলৈ চাৰে আধ্যাত্মাবাদৰ পোহৰত সন্ধান পালে জীৱনৰ নতুন এক অৰ্থৰ।

পৰমব্ৰহ্ম-পৰমেশ্বৰক যিজন ব্যক্তিয়ে সততে নিজৰ হৃদয়ত অনুভৱ কৰি আত্মানুসন্ধানত ব্ৰতী হৈ আনকো সেই আলোকৰ দ্বাৰা আলোকিত কৰাৰ প্ৰয়াস কৰিছে, সেইজন পুৰুষ কেতিয়াও সংকীৰ্ণ হব নোৱাৰে; তেওঁ মহান। আৰু সেয়ে হয়তো বৰদলৈ চাৰৰ অতি আপোন সমাজৰ সাধাৰণ শ্ৰেণীৰ প্ৰতীক স্বৰূপ মহাবিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ জনৈক কৰ্মচাৰীয়ে শোৱনি কোঠাতে সৰু থাপনা এখনত সযত্নে ৰাখি থৈছে সেইজন বৰদলৈ চাৰৰ এখন ফটো। ফটো নহয়, এখন ছবি। যিখন ছবি ৰঙিয়া মহাবিদ্যালয়ৰ হেজাৰ-বিজাৰ প্ৰাক্তন ছাত্ৰ, বহুতো অনাথ শিশু আৰু এই অঞ্চলৰ সাধাৰণ শ্ৰেণীৰ বহুতো মানুহৰ অন্তৰত সদায়েই অঙ্কিত হৈ আছে, সেই ছবিখনক পূজা কৰো মোৰ হৃদয়ৰ এপাহ ভক্তিভৰা ফুলেৰে। *

(ৰঙিয়া মহাবিদ্যালয়ৰ পচিশ বছৰীয়া জীৱন কালৰ দুই তৃতীয়াংশতকৈও অধিক সময় অধ্যক্ষৰ আসনত থাকি এই মহাবিদ্যালয়খনিক গঢ় দিয়াত বিশিষ্ট ভূমিকা গ্ৰহণ কৰা আদৰ্শ পুৰুষ শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈ দেৱৰ ব্যক্তিত্বৰ ওপৰত আলোকপাত কৰি এই আলেখ্যটি যুগুতাইছে এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰীতৰুণ শইকীয়াই। শ্ৰীশইকীয়া উদীয়মান লিখক—কলাকাৰ হিচাপে সুপৰিচিত। বৰ্ত্তমানে তেখেতে ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অসমীয়া বিভাগৰ বিষয় শিক্ষক।)

"মোৰ ৰাজনৈতিক আদৰ্শ গণতন্ত্ৰ। প্ৰতিজন মানুহেই ব্যক্তি হিচাপে সন্মানিত হওঁক আৰু কোনো লোককে দেৱতা হিচাপে পূজা কৰা নহওঁক।

এলবাৰ্ট আইনষ্টাইন



# মোৰ স্মৃতিপটত ৰঙিয়া মহাবিদ্যালয়

চৈয়দ মুছলিমুদ্দিন আহমেদ
( প্ৰাক্তন ছাত্ৰ )

ইংৰাজী ১৯৬৩ চনটো ৰঙিয়াবাসী ৰাইজৰ বাবে এটি অতিকৈ স্মৰণীয় আৰু গৌৰৱমণ্ডিত বছৰ। এই বছৰতে ৰঙিয়া মহাবিদ্যালয়ৰ শুভাৰম্ভ হয়। "Time and tide wait for none." সুযোগ আহিলেই তাক গ্ৰহণ কৰিব লাগে। সুযোগ এবাৰেই আহে; তাক গ্ৰহণ কৰি আকোঁৱালি লোৱাটো স্থিৰবুদ্ধিসম্পন্ন ব্যক্তিৰ সময়োচিত কাৰ্য্য বুলি গণ্য কৰা হয়। কবি আনন্দ চন্দ্ৰ আগৰৱালা দেৱে তেওঁৰ 'আজি আৰু কালি' কবিতাটিত সময়ৰ শৰ সময়ত মাৰিবলৈ আমাক সঁকিয়াই দিছে—

"সৌভাগ্যই লাগ দিলে, যদি কেতিয়াবা
ফুলে ফুলে তোমাৰ বাটত,
তেতিয়া চাপৰি তুমি সি ফুল গোটাবা
আজি হেৰা আজিৰ দিনত।"

পাচলৈ কাম পেলাই থলে সি সহজে নিসিজে। ৰাজনীতিবিদ্, শিক্ষক, ছাত্ৰ, কৃষক, বনুৱা-নিবনুৱা আটায়ে সময়ৰ সদ্ব্যৱহাৰৰ প্ৰতি মনোনিবেশ কৰি সফলতা আহৰণ কৰিবলৈ যত্ন কৰা একান্ত বাঞ্ছণীয়। ৰঙিয়া মহাবিদ্যালয়ৰ জন্মও এনে শুভ চিন্তাৰেই পৰিচায়ক।

ৰঙিয়া মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী সমাৰোহৰ এই শুভক্ষণত মোৰ স্মৃতি-পটত চিৰসেউজ হৈ থকা কথাখিনিকেই এই ক্ষুদ্ৰ প্ৰবন্ধটিত লিপিবদ্ধ কৰাৰ প্ৰয়াস কৰিছো। ১৯৫৮ চন। মই অসম হাইমাদ্ৰাছা শেষান্ত পৰীক্ষা পাছ কৰি আৰ্থিক অনাটন হেঁতুকে উচ্চশিক্ষা লাভৰ আশা মনতে সাচি থৈ চাকৰিমুখী হোৱাৰ আশাৰে গুৱাহাটীৰ Commercial School ত Type writing ৰ প্ৰশিক্ষণ লৈ Wakf Board ত কিছুদিন কাৰ্য্যালয় সহায়কৰ কাম কৰিছো। এনেতে ৰঙিয়া হাইমাদ্ৰাছাত কাৰ্য্যালয় সহায়ক হিচাপে নিযুক্তি পাই ১৯৫৯ চনৰ ১৪ আগষ্ট মাদ্ৰাছাত সোমাও। সেই সময়ত ৰঙিয়াত উচ্চশিক্ষাৰ অনুষ্ঠান নাথাকিলেও মনৰ পৰা উচ্চশিক্ষাৰ আশা কিন্তু ত্যাগ কৰা নাছিলো। সময়ে সময়ে মনলৈ আশাৰ চিকিমিকি পোহৰ আহিছিল—যেতিয়াই শুনিবলৈ পাইছিলো যে ৰঙিয়াত কলেজ স্থাপনৰ চিন্তা ৰঙিয়াবাসীৰ মনলৈ আহিছে। সকৰে পৰা সামাজিক কামত ৰাপ থকা হেতুকে মাজে সময়ে দুই-এগৰাকী ব্যক্তিৰ লগতে কলেজ স্থাপন সম্পৰ্কে মতামত বিনিময় কৰাৰ সুযোগ এৰি দিয়া নাছিলো। সি যি কি নহওঁক চাওঁতে চাওঁতে ১৯৬৩ চনৰ ৫ আগষ্ট তাৰিখে ৰঙিয়া তথা অসমৰ সুযোগ্য সন্তান স্বৰ্গীয় সিদ্ধিনাথ শৰ্মা আৰু ৰঙিয়াৰ

শিক্ষানুৰাগী সমাজসেৱী সকলৰ চেষ্টাত ৰঙিয়াত নৈশ কলেজ স্থাপন হ'ল ৰঙিয়া হাইস্কুলৰ ঘৰত। ৰাইজে নথ জোকাৰিলে নৈ বয়। চিন্তাশীল ৰাইজৰ আৰ্থিক, কায়িক, মানসিক আৰু বৌদ্ধিক দানৰ ফলত ক্ৰমাগতভাৱে এই অনুষ্ঠানৰ শ্ৰীবৃদ্ধি হবলৈ ধৰিলে। পবিত্ৰ হদিচত দানৰ বিষয়ে এটি আখ্যান আছে। হজৰত আনাচ (ৰাঃ) ৰ পৰা বৰ্ণনা কৰা হৈছে যে আল্লাহ তাৱালাই যেতিয়া পৃথিৱীখন সৃষ্টি কৰে তেতিয়া ই অস্থিৰ হৈ আছিল। তাৰ পিচত পাহাৰ সৃষ্টি কৰি তেওঁ তাক স্থিৰ হৈ থাকিবলৈ কৈছিল। পৃথিৱী স্থিৰ হোৱাত ফিৰিস্তা (দেৱদূত) সকলে আচৰিত হৈ সুধিলে––"হে প্ৰভু, তোমাৰ সৃষ্টিত ইয়াতকৈ বেচি শক্তিশালী আৰু কিবা বস্তু আছেনেকি ?" আল্লাহ তাৱালাই উত্তৰ দিছিল––"জুই"। তেওঁ-লোকে (ফিৰিস্তাসকলে) সুধিলে—"জুইতকৈ শক্তিশালী আৰু কিবা আছে নেকি ?" তেওঁ উত্তৰ দিছিল–"পানী"। তেওঁলোকে প্ৰশ্ন কৰিলে– "পানীতকৈ শক্তিশালী কি আছে ?" তেওঁ উত্তৰ দিলে "বতাহ"। তেওঁলোকে সুধিলে–"বতাহতকৈ বেচি শক্তিশালী কিবা আছে নেকি ?" আল্লাহ তাৱালাই উত্তৰ দিলে––"আদম সন্তানৰ এই দান, যি দান সোঁহাতেৰে সম্পাদন কৰা হয়, বাওঁহাত খনে কিন্তু তাক নাজানে।" গতিকে দেখা যায় প্ৰকৃত দান পাহাৰ জুই, পানী বতাহ আদিতকৈও বেচি শক্তিশালী। নৈশ কলেজ স্থাপন হোৱাত কৰুণাময়ৰ ওচৰত অশেষ চুকৃৰিয়া আদায় কৰিছিলো আৰু নিজকে ভাগ্যবান বুলি সন্তোষ লভিছিলো––কাৰণ নৈশ কলেজ নহলে দিনত চাকৰি কৰি পঢ়া সম্ভৱ নহ'লহেঁতেন। এই মহান শিক্ষানুষ্ঠানখনেই আজি মোক ৰঙিয়া মহকুমাৰ অতি উচ্চ মানবিশিষ্ট শিক্ষানুষ্ঠান ৰঙিয়া হাইমাদ্ৰাছাৰ অধীক্ষকৰ পদ লাভ কৰিবলৈ সামৰ্থ্য দান কৰা বুলি কলে অকণো বঢ়াই কোৱা নহয়।

আন বহুতৰ দৰে ময়ো ১৯৬৩ ইং চনতে প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত নামভৰ্ত্তি কৰি অধ্যয়নত মনোনিবেশ কৰিলো। 'Where there is a will, there is a way.'––এই বাক্য সাৰোগত কৰি দিনত চাকৰি কৰি ৰাতি ক্লান্ত দেহাৰে বতাহ, বৰষুণ, ঠাণ্ডা, গৰম নেওচি অধ্যয়ন কৰিছিলো। আৰম্ভণিতে আমি আন বহুতো সমস্যাৰ লগতে আৰবী বিষয়টোক লৈও সমস্যাত পৰিছিলো। আৰবী বিষয়ত ছাত্ৰ কম হোৱা বুলি বিষয়টো বন্ধ কৰাৰ হুকুম তেতিয়াৰ অধ্যক্ষ ৺শুকদেৱ সিং ডাঙৰীয়াই জাননীযোগে আমাক জানিবলৈ দিয়াত আমি চিন্তিত হৈছিলো। মই আৰু আন দুজনমানে লগ লাগি কলেজৰ Admission Register ত থকা মুছলমান ছাত্ৰ-ছাত্ৰীৰ নামবোৰ উলিয়াই লৈ সকলোৱে আৰবী বিষয় লব বুলি সন্মতি দি Governing Body ৰ ওচৰত আবেদন কৰাৰ মূৰত অধ্যক্ষ মহাশয়ে শ্ৰেণীলৈ গৈ সকলোৰে মতামত লৈছিল। উপ-স্থিত থকা আটাইখিনি মুছলমান ছাত্ৰ-ছাত্ৰীয়ে আৰবী লোৱাৰ সন্মতি দিয়াত সমস্যাৰ ওৰ পৰিছিল। পিচত অৱশ্যে আটাইকেইজনে আৰবী লোৱা নাছিল। সেই একে সমস্যাৰে সন্মুখীন হৈছিলো তাৰ পিচৰ বছৰ Degree first year ত। আৰবী লোৱা আমি মাত্ৰ তিনিজনহে ছাত্ৰ আছিলো। অন্ততঃ ৫ জন ছাত্ৰ নহলে বিষয় এটি খোলাৰ অনুমতি হেনো Governing Body নিদিয়ে। তেতিয়াৰ অধ্যক্ষ মাননীয় বৰদলৈচাৰে আমাৰ শ্ৰেণীলৈ গৈ আমাক আন বিষয় লবলৈ দি খণ্ডতে ওলাই আহিছিল। আমি নিৰুপায় হৈ কোন বিষয়ত কিমান ছাত্ৰ আছে তাৰে তালিকা সংগ্ৰহ কৰি দেখিলো বুৰঞ্জী বিষয়ত আৰবীতকৈও কম ছাত্ৰলৈ বিষয়টো চলাই থকা হৈছে। আমি পুনৰ Governing Body ৰ ওচৰত আবেদন জনোৱাত যেনিবা বিষয়টো অস্থায়ীভাবে ৰখাৰ অনুমতি দিলে। বিষয়টি বৰ্ত্তমান Honours (Major) সহ সুন্দৰভাৱে চলি আছে।

ৰঙিয়া কলেজৰ আজিৰ এই যৌৱনকালত সেইসকল গুণী-জ্ঞানী শিক্ষকলৈ সঘনে মনত



পৰিছে। অধ্যক্ষ ৺শুকদেৱ সিং এগৰাকী প্ৰখৰ স্মৃতিশক্তি সম্পন্ন ব্যক্তি আছিল। অধ্যাপক ৺ পৃথুৰাম নাথ ছাত্ৰৰ মনত ৰেখাপাত কৰিব পৰা এজন দক্ষ শিক্ষক আছিল। সম্পূৰ্ণ অস্থায়ীভাবে শিক্ষকতা কৰা ৰাষ্ট্ৰীয় বটাঁবিজয়ী ৰঙিয়া হাইস্কুলৰ তেতিয়াৰ প্ৰধান শিক্ষক ৺ প্ৰাণেশ্বৰ শৰ্মা মহাশয়ে ইংৰাজী বিষয় আঁৰ নলগাই পঢ়ুৱাই আমাক আনন্দ দিছিল। সেইদৰে আৰবী কলেজৰ অধ্যক্ষ মৰহুম জনাব মহঃ ইছলামুদ্দিন চাহেবেও আৰবী বিষয়টো সুন্দৰভাৱে ফঁহিয়াই, পঢ়ুৱাই আমাক উপকৃত কৰিছিল। এই ত্যাগী মাননীয় শিক্ষা-গুৰুসকলক পৰম কৰুণাময়ে স্বৰ্গবাসী কৰক–– তেখেতসকলৰ আত্মাই শান্তি লভক।

শিক্ষাগুৰু বৰ্ত্তমানৰ অধ্যক্ষ শ্ৰীযুত নীলকান্ত মহন্ত, শ্ৰীযুত গোলোক চন্দ্ৰ ভূঞা, শ্ৰীযুত গদাধৰ ফাটোৱালী, চৈয়দ চফিউদ্দিন আহমেদ, শ্ৰীযুত হীৰেন্দ্ৰনাথ শৰ্মা, শ্ৰীযুত যোগেন্দ্ৰনাথ পাঠক প্ৰমুখ্যে গুণী-জ্ঞানী শিক্ষক সকলে ত্যাগৰ মনো-ভাবেৰে সামান্যতম মজুৰি লৈ একাগ্ৰপতীয়াভাৱে আমাক (মামৰে ধৰা ছাত্ৰসকলক) অতি নিষ্ঠাৰে শিক্ষাদান কৰিছিল। 'ঘঁহি থাকিলে শিলো ক্ষয় যায়' এই নীতি কথাফাঁকি সাৰোগত কৰি ঠেটুৱৈ ধৰা জাৰকো আওকাণ কৰি নিয়মিত পাঠদানেৰে কলেজখনৰ সৰ্ব্বতোপ্ৰকাৰে উন্নতিৰ হকে এইসকল শিক্ষকে গুৰিবঠা নধৰাহেঁতেন আজিৰ এইৰূপত ৰঙিয়া কলেজক দেখিবলৈ নাপালোহেতেঁন।

কলেজত প্ৰবৰ্ত্তন হোৱা N. C. C বিভাগটোৱে আমাক অৰ্থাৎ চাকৰিয়াল ছাত্ৰসকলক আন এটা সমস্যাত পেলাইছিল। N. C. C. প্ৰশিক্ষণ আমাৰ ওপৰত ভূতৰ ওপৰত দানহ পৰাৰ দৰে হৈছিল। আমি চাকৰিয়াল ছাত্ৰসকলে দুয়ো কুল (চাকৰি আৰু অধ্যয়ন) ৰক্ষা কৰি N. C. C.ত ভাগলোৱা সাধ্যাতীত বোধ কৰি কৰ্তৃপক্ষৰ ওচৰত আমাক N. C. C. ৰ পৰা ৰেহাই দিব লাগে বুলি আবেদন জনোৱাত কৰ্তৃপক্ষই কৃপা কৰি Earners আৰু Learners সকলক N. C. C ৰ পৰাই ৰেহাই দিছিল। আমি বৰ সকাঁহ পালো। এইদৰে বিভিন্ন প্ৰতিকুল সমস্যাৰ মাজেৰে ১৯৬৮ চনত কলেজীয়া জীৱন শেষ কৰিছিলো বি, এ ডিগ্ৰী লাভ কৰাৰ পিচত।

আজি এই মহাবিদ্যালয়ত কলা শাখা প্ৰায় পূৰ্ণাঙ্গ হৈছে। মুঠ ছয়টা বিষয়ত অনাৰ্চ (মেজৰ) প্ৰৱৰ্ত্তন কৰা হৈছে। বৰ্ত্তমান বিজ্ঞান শাখাৰো আৰম্ভণি হৈছে আৰু Governing Body এ বিজ্ঞান শাখাৰ সৰ্ব্বাঙ্গীন উন্নতিৰ হকে চেষ্টা কৰি আছে। মই এই মহাবিদ্যালয়ৰ আৰম্ভণিৰ এজন ছাত্ৰ হিচাপে গৌৰৱ বোধ কৰো আৰু এই মহাবিদ্যালয় Governing Bodyৰ এজন সদস্য হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰাৰ সুযোগ পাই ধন্য মানিছো। আশা ৰাখিছো কলেজখনৰ সকলো প্ৰকাৰ অভাৱ-অভিযোগ তথা সৰ্ব্বতোপ্ৰকাৰ উন্নতিৰ প্ৰতি মনোযোগ দি ইয়াক সৰ্ব্বাঙ্গসুন্দৰ কৰি গঢ়িতোলাত সহায় কৰিবলৈ সক্ষম হ'ম। কলেজখনৰ আৰু উন্নতি হওক। এই কামনাৰে মোৰ স্মৃতিচাৰণ সামৰিছো। +

(লিখক চৈয়দ মুছলিমুদ্দিন আহমেদ ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাবৰ্ষৰ ছাত্ৰ আছিল। তেখেত বৰ্তমান ৰঙিয়া হাইমাদ্ৰাছাৰ অধীক্ষক আৰু ৰঙিয়া মহাবিদ্যালয় পৰিচালনা সমিতিৰ বিশিষ্ট সদস্য।)

# মোৰ সোঁৱৰণীত ৰঙিয়া মহাবিদ্যালয়

শ্ৰীনৰেন্দ্ৰ শৰ্মা
( প্ৰাক্তন ছাত্ৰ )

৫ আগষ্ট, ১৯৬৩ ইং চন। ইতিহাস প্ৰসিদ্ধ ৰঙিয়াক কেন্দ্ৰ কৰি বৰলুইতৰ উত্তৰপাৰৰ পুবে দৰংজিলা আৰু পশ্চিমে বৰ্ত্তমান নলবাৰী জিলাৰ মাজত অৱস্থিত বিৰাট জনবহুল অঞ্চলৰ ৰাইজৰ দীৰ্ঘদিনীয়া উচ্চশিক্ষাভিলাসী চিন্তা-চৰ্চ্চাৰ ফল-শ্ৰুতিৰ স্বাক্ষৰ বহন কৰা এটা স্মৰণীয় দিন। এই পবিত্ৰ দিনতে প্ৰতিষ্ঠা হৈছিল—প্ৰায় ১৫ খন চুবুৰীয়া হাইস্কুলৰ শেষান্ত পৰীক্ষাত উৰ্ত্তীৰ্ণ হৈ উচ্চশিক্ষাৰ আকাংক্ষা বুকুত বান্ধিলোৱা গ্ৰামাঞ্চলৰ অৰ্থনৈতিক ভাবে পিচপৰা ছাত্ৰ-ছাত্ৰীৰ সপোনৰ ৰঙিয়া মহাবিদ্যালয়। অৰ্থনৈতিকভাবে অনগ্ৰসৰ আৰু আৰু শৈক্ষিক দিশত অতিকৈ পিচপৰা এনে এটি অঞ্চলত মহাবিদ্যালয় পৰ্য্যায়ৰ এক বিশাল অনুষ্ঠানৰ প্ৰস্তুতি কিমান কষ্টসাধ্য সেই কথা অভিজ্ঞলোকেহে অনুধাবন কৰিব পাৰিব। ৰঙিয়া অঞ্চলৰ এচাম বিদ্যোৎসাহী লোক আগ-বাঢ়ি আহিছিল মনত দৃঢ় এক সংকল্প লৈ—ৰঙিয়া মহাবিদ্যালয় প্ৰতিষ্ঠা হবই। ১৯৫৮–৫৯ চন মানতে আৰম্ভ হোৱা মহাবিদ্যালয় স্থাপনৰ চিন্তা-চৰ্চ্চাই সাকাৰ ৰূপ ললে ১৯৬৩ চনত।

১৯৬৩ চন। আমি সেইবছৰ নলবাৰী মহা-বিদ্যালয়ৰ প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীৰ ছাত্ৰ হিচাপে শেষান্ত পৰীক্ষাত বহিছো আৰু উত্তীৰ্ণ হৈছো। ৰঙিয়াত মহাবিদ্যালয় স্থাপনৰ প্ৰচাৰ-পত্ৰ ৰাইজৰ মাজত বিলোৱা হৈছে! মনটো কিন্তু সেমেকি গ'ল—কাৰণ সেইবছৰ প্ৰাক্‌ বিশ্ববিদ্যালয় শ্ৰেণীহে খোলা হব। স্নাতক পৰ্য্যায়ত পঢ়িবৰ বাবে আকৌ বাহিৰলৈ যাবই লাগিব। এনেতে হঠাৎ এদিন তিনিমান বজাত (তাৰিখটো মনত নপৰে) কলেজৰ শিক্ষা উপ-সমিতিৰ দুগৰাকী সন্মানীয় সদস্য শ্ৰীভবকান্ত শৰ্মাচাৰ আৰু শ্ৰীগোলোক ভূঞাঁচাৰে কথা প্ৰসংগত উল্লেখ কৰিলে যে ছাত্ৰ-ছাত্ৰী পালে স্নাতক পাঠ্যক্ৰমৰ প্ৰথম বৰ্ষও আৰম্ভ কৰা হব। মনৰ দুশ্চিন্তা কিন্তু নাতৰিল। নতুন কলেজ, নিজা ঘৰ-দুৱাৰ নাই, টকা-পইচা নাই, প্ৰৱক্তা নাই—একে সময়তে জানো দুটা পাঠ্যক্ৰমৰ দুটা শ্ৰেণী খোলা সম্ভৱ হৈ উঠিব? প্ৰাক্‌ বিশ্ববিদ্যালয় শ্ৰেণীত নামভৰ্ত্তি আৰম্ভ হ'ল; স্নাতক মহলাৰ বাবে কিন্তু কোনো আগবাঢ়ি নাহে। আমি নলবাৰী মহাবিদ্যালয়ৰ ফৰ্ম এখন পুৰাই থৈছিলো যদিও প্ৰতিমুহূৰ্ত্ততে চিন্তা কৰিছিলো—আমি যদি সাহস গোটাব নোৱাৰো, আমি যদি কিছু ত্যাগ কৰিবলৈ পৰাঙমুখ হওঁ কোনে কৰিব? শ্ৰদ্ধেয় শৰ্মাচাৰ আৰু ভূঞাঁচাৰৰ অনুপ্ৰেৰণাত একপ্ৰকাৰ মৰসাহ কৰাৰ দৰেই স্নাতক মহলাৰ প্ৰথম বাৰ্ষিকত নাম ভৰ্ত্তি কৰি স্নাতক পৰ্য্যায়ৰ প্ৰথম জন ছাত্ৰ হোৱাৰ গৌৰৱৰ অধিকাৰ সাব্যস্ত কৰিলো। উক্ত দুয়োগৰাকী শ্ৰদ্ধেয় শিক্ষাগুৰুৰ লগতে আমাক অনুপ্ৰেৰণা যোগোৱা আন সকললৈ শ্ৰদ্ধাৰ শৰাই আমাৰ মনৰ থাপনাত সদায়েই থাকিব।



ৰঙিয়া হাইস্কুলৰ গৃহত ৰঙিয়া মহাবিদ্যালয়ৰ শুভাৰম্ভ হ'ল। বয়সত নবীন-প্ৰবীণ ছাত্ৰ-ছাত্ৰীৰ সমাগত স্নাতক প্ৰথম শ্ৰেণী কোঠাত খদমদম লাগিল। প্ৰতিষ্ঠা লগ্নৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বত আছিল প্ৰয়াত শুকদেৱ সিং আৰু প্ৰৱক্তা সকল সৰ্ব্বশ্ৰী নীলকান্ত মহন্ত, গোলোকচন্দ্ৰ ভূঞাঁ, গদাধৰ ফাটোৱালী আৰু প্ৰয়াত পৃথুৰাম নাথ। এই সকলৰ উপৰিও প্ৰথিতযশা শিক্ষাবিদ্‌ ৰাষ্ট্ৰীয় পুৰস্কৰপ্ৰাপ্ত আদৰ্শ শিক্ষক, ৰঙিয়া হাইস্কুলৰ তেতিয়াৰ প্ৰধান শিক্ষক প্ৰয়াত প্ৰাণেশ্বৰ শৰ্মাচাৰে আমাক ইংৰাজী পঢ়ুৱাইছিল। ছাত্ৰ-ছাত্ৰী সকলৰ দৃষ্টিত এই গৰাকী আদৰ্শ পুৰুষ ভক্তিত ভগৱান সদৃশ আছিল। স্কুলীয়া আৰু সাংসাৰিক অনেক ব্যস্ততাৰ মাজতো আহৰি উলিয়াই আমাক শিক্ষা-দান কৰি তেখেতে দাঙি ধৰা ত্যাগৰ আদৰ্শ আমাৰ মনত সদায়েই থাকি যাব।

আজিৰ পৰা পচিশ বছৰ আগৰ ৰঙিয়াৰ সামাজিক, শৈক্ষিক পৰিবেশৰ বিষয়ে ৰোমন্থন কৰিলে স্মৃতি পটত বহুকথাই ভুমুকি মাৰে। সেই সময়ৰ ৰঙিয়াত বিজুলী বাতিৰ ব্যৱস্থা নাছিল। শিক্ষকে নৈশ শ্ৰেণীত পঢ়াই থকাৰ মাজতে যেতিয়া হেচাক্‌ লাইটটো নুমাই যোৱাৰ উপক্ৰম হয়, আমাৰ মাজৰ পৰা কোনো এজন উঠি গৈ পাম্প মৰাটো আছিল এটা নিত্য নৈমিত্তিক কাম। কেতিয়াবা আকৌ লাইট নুমায়েই গৈছিল। কিন্তু এই অনিশ্চয়তাৰ মাজতো আছিল বেলেগ এক আমেজ। বৃহত্তৰ ৰঙিয়াৰ শতাধিক গাঁৱৰ মাজত, লক্ষাধিক জনসাধাৰণৰ বসতিস্থল, হাতৰ আঙুলিৰ মূৰত লেখিবপৰা কুৰিজনতকৈ অধিক স্নাতক নথকা এই পিচপৰা অঞ্চলত ঘৰে ঘৰে স্নাতক জন্ম দিয়াৰ পথ প্ৰশস্ত কৰাৰ বাবে আমি যে এইখিনি ত্যাগ স্বীকাৰ কৰিবই লাগিব।

আমাৰ লগতে সৰ্ব্বশ্ৰীৰত্নধৰ শৰ্মা, ত্ৰৈলোক্য শৰ্মা, দেৱকান্ত মহন্ত, জমিৰুদ্দিন আহমেদ প্ৰমুখ্যে মুষ্টিমেয় কেইজনমান আছিল প্ৰাক্‌বিশ্ব-বিদ্যালয় পৰীক্ষা উত্তীৰ্ণ হৈ ভৰ্ত্তিহোৱা সূত্ৰে নতুন ছাত্ৰ। বাকী কুৰিজনৰো অধিক আছিল বিভিন্ন কৰ্মক্ষেত্ৰত ব্ৰতী। সেই সকলৰ ভিতৰত সৰ্ব্বশ্ৰী ৰাজেন কলিতা, কৃষ্ণ লহকৰ, শম্ভুনাথ শৰ্মা, ভুবনেশ্বৰ শৰ্মা. বসন্ত ভৰালী, উপেন কলিতা, খলিলৰ ৰহমান, বিপিন বিহাৰী সিন্‌হা, গোপাল চৌধুৰী, গোপাল কলিতা, বাঁহী কলিতা, কেশৱ চৌধুৰী, মেহেৰুন্নিচা বেগম আদি (সোঁৱৰণীলৈ আনিব নোৱাৰা সকলৰ প্ৰতি ক্ষমা বিচাৰিছো) অনেকে শিক্ষাজীৱন প্ৰায় সমাপ্ত কৰাৰ দৰেই হৈছিল আৰু বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত আছিল। অপ্ৰিয় হলেও এই কথা সত্য যে ৰঙিয়াত এখন মহাবিদ্যালয় সেই সময়ত হৈ নুঠিলে এই সকলৰ অনেকেই হয়তো স্নাতক হোৱাৰ গৌৰৱ অৰ্জ্জন কৰিব নোৱাৰিলেহেঁতেন।

কলেজীয়া জীৱনৰ তিনিটা বছৰৰ বহুকথাই আমাৰ মনলৈ আহে। সদ্যপ্ৰতিষ্ঠিত এখন মহা-বিদ্যালয়ত কলেজীয়া জীৱনৰ তথাকথিত মাদ-কতাৰ সোৱাদ আমি মুঠেই নাপালো সঁচা! কিন্তু সীমিত পৰিসৰৰ ভিতৰতে এটা শৈক্ষিক আৰু বৌদ্ধিক পৰিবেশ গঢ়ি তোলাৰ বাবে ঐকান্তিকতাৰ অভাৱ মুঠেই হোৱা নাছিল। সাহিত্য-সংস্কৃতি-কলাৰ ক্ষেত্ৰত প্ৰতিভা বিকাশৰ বাবে প্ৰচেষ্টা অব্যাহত আছিল। মহাবিদ্যালয়ৰ নিজা ভৱন প্ৰেক্ষাগৃহ নথকাত গীত-মাত, নাট অনুশীলনৰ বাবে আচুতীয়া ব্যৱস্থাৰ কথা ভবাটো সমূলি অবান্তৰ আছিল। কেতিয়াবা হয়তো শীতৰ সেমেকা ৰাতি কোনো ক্লাছ নোহোৱা অৱস্থাত কোনোজনে স্বতঃস্ফূৰ্ত্ত কণ্ঠেৰে কোনো নাটৰ বচন আওৰাইছিল, কোনোৱে হয়তো একো বাদ্য যন্ত্ৰ নোহোৱাকৈ এফাঁকি-দুফাঁকি গীতৰেই অনুশীলন কৰিছিল।

পৰ্য্যায়ক্ৰমে মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িল; নতুন নতুন প্ৰৱক্তাও আহিল। বহুজনৰ

ত্যাগৰ স্বাক্ষৰ সময় বালিত বৈ গ'ব। কিছুদিনৰ বাবে পুঠিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত গজেন কলিতাদেৱেও শিক্ষক হিচাপে সেৱা আগবঢ়াইছিল।

১৯৬৫ ইং চন। ৰঙিয়া মহাবিদ্যালয়ৰ নিজা গৃহ নিৰ্মাণৰ প্ৰস্তুতি আৰম্ভ হ'ল। কলেজ কমিটীৰ সাধাৰণ সম্পাদক শ্ৰীদুৰ্গাদত্ত আগৰৱালা প্ৰমুখ্যে উদ্যোক্তাসকলৰ তৎপৰতাত ধন-সংগ্ৰহ অভিযান আৰম্ভ হ'ল। মোৰ স্মৃতিয়ে চুকি পোৱাত অসমৰ ভ্ৰাম্যমান নাট্যমঞ্চৰ জনক শ্ৰীঅচ্যুত লহকৰৰ দু:সাহসী প্ৰচেষ্টাত গঢ় লৈ উঠা নটৰাজ থিয়েটাৰে মহাবিদ্যালয়ৰ সাহায্যাৰ্থে চাৰি নিশাৰ বাবে নাট মঞ্চস্থ কৰি ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে কলেজ পুঁজিৰ বাবে প্ৰায় দহহেজাৰ মান টকা সংগ্ৰহ কৰি দিছিল। মহাবিদ্যালয়ৰ অগ্ৰগতিত বিশেষভাবে সহায়-সহযোগিতা আগবঢ়োৱা সেই সময়ৰ ৰঙিয়াৰ কেইগৰাকীমান চৰকাৰী বিষয়াৰ নাম উল্লেখ নকৰিলে ভুল কৰা হব। ডাঃ বাণীকান্ত শৰ্মা, আভিযান্ত্ৰিক বিষয়া শ্ৰীনগেন বৰুৱা, শ্ৰীমদনচন্দ্ৰ তালুকদাৰ আদিয়ে বিভিন্ন দিশত সেৱা আগবঢ়াইছিল।

কলেজীয়া জীৱনতে ঋষিতুল্য এগৰাকী আদৰ্শনিষ্ঠ ব্যক্তিৰ সান্নিধ্য লাভৰ সুযোগ ঘটিছিল। সেয়া আছিল সেই সময়ৰ অধ্যক্ষ শ্ৰদ্ধেয় শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈ চাৰ। এই খিনিতে এটি সৰু ঘটনা (মোৰ মনত কিন্তু বিশেষ তাৎপৰ্য্যপূৰ্ণ) ৰ বিষয়ে উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো। ১৯৬৫ চনৰ কোনো এটা দিনৰ ৰাতিপুৱা ১০-৩০ বজা। শ্ৰীনগেন বৰুৱা আৰু শ্ৰীমদনচন্দ্ৰ তালুকদাৰৰ লগত কলেজৰ আধাৰশিলা স্থাপনৰ প্ৰস্তুতি সন্দৰ্ভত বনগাঁৱৰ ৰিজাৰ্ভলৈ গৈছো। বৰদলৈ চাৰৰ লগত কথা-বতৰাৰ মাজতে ধেমালিতে মোৰ মুখৰপৰা হঠাতে ওলাই গ'ল—ঘৰৰ জোখ-মাখ, প্লেন আদি দিলে কি হব? আমিটো এই ঘৰ হোৱালৈকে ছাত্ৰ হৈ নাথাকিম!" বৰদলৈ চাৰে লগে লগে মোৰ মূৰত হাত বুলাই কৈছিল— তেনেকৈ ভাবিব নেপায়। আজি পুতিবলৈ লোৱা প্ৰথমটো খুটাক ভিত্তি কৰি গঢ়িবলগীয়া এইখন মহাবিদ্যালয়ৰ দায়িত্ব এটা সময়ত তোমালোকে লব লাগিব। তুমি লব লাগিব। আশীৰ্ব্বাদ কৰিছো তুমি পাৰিবা।" সেই মুহূৰ্ত্তত মই গোটেই শৰীৰতে এক শিহৰণ অনুভৱ কৰিছিলো। ১৯৮৬ চনত যেতিয়া সচাঁকৈয়ে ৰঙিয়া মহাবিদ্যালয়লৈ অসম চৰকাৰৰ মনোনীত সদস্য হিচাপে নিযুক্তি পত্ৰ খন পালো—ভাবিবলৈ মন গ'ল এয়া যেন মহাপুৰুষৰ ভবিষ্যতবাণী বাস্তৱত ফলিয়ালে। শ্ৰদ্ধেয় বৰদলৈ চাৰে যি কাৰণতেই নহওঁক কিয় ৰঙিয়া এৰি যোৱাৰ পিচত স্থায়ী অধ্যক্ষবিহীন মহাবিদ্যালয়খনৰ ছয় বছৰীয়া অনিশ্চয়তা আঁতৰাবৰ বাবে পৰিচালনা সমিতিৰ সন্মানীয় সতীৰ্থসকলৰ সৈতে ঐক্যমতত উপনীত হৈ এক গ্ৰহণযোগ্য সমাধান বিচাৰি উলিওৱাত অংশীদাৰ হবলৈ পোৱাটো আমাৰ বাবে গৌৰৱৰ কথা বুলিয়েই ভাবিছো।

আঠৈদশকৰ আগেয়ে জন্মলাভ কৰা কলেজৰ কলাশাখাৰ লগত সম্প্ৰতি বিজ্ঞানশাখা সংযোজন কৰিবলৈ লোৱা হৈছে। ইও সন্তোষৰ বিষয়। চালুকীয়া বিজ্ঞান শাখা পূৰ্ণাঙ্গৰূপত গঢ় দিয়াৰ বাবে আমি সংকল্পৱদ্ধ। আমাৰ বিশ্বাস ছাত্ৰ-ছাত্ৰী, শিক্ষকবৰ্গ, ৰাইজ সকলোৰে আশীৰ্ব্বাদত আমি এই দায়বদ্ধতা স্বীকাৰ কৰিবলৈ প্ৰেৰণা পাম।

আমাৰ সোৱৰণীৰ দুই-চাৰিটা কথাৰ উদ্ধৃতিৰে ৰূপালী জয়ন্তীৰ আনন্দমুখৰ পৰিবেশত কলেজখনৰ প্ৰতিষ্ঠাপক উদ্যোক্তাবৃন্দ, জন্মলগ্নৰ পৰা সেৱা আগবঢ়াই অহা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, পৰৱৰ্তীকালত শিক্ষাদানত ব্ৰতী হোৱা শিক্ষকমণ্ডলী আটাইলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিলো। এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ লগতে উত্তৰকালৰ ভাতৃপ্ৰতিম ছাত্ৰ-ছাত্ৰীসকললৈ শুভেচ্ছা জ্ঞাপন কৰিলো। ৰূপালী জয়ন্তীৰ আবেগ সনা মুহূৰ্ত্তত এই অনুষ্ঠানৰ প্ৰতিষ্ঠাবৰ্ষৰ এজন ছাত্ৰ হিচাপে গৌৰৱ বোধ কৰিছো আৰু পৰিচালনা সমিতিৰ এজন সদস্য হিচাপে দায়বৱদ্ধতাৰ কথা পুনৰবাৰ দোহাৰি আমাৰ প্ৰাণৰ এই অনুষ্ঠানটিৰ সৰ্ব্বাঙ্গীন উন্নতি কালনা কৰি কলম সামৰিছো।+

**জয়তু ৰঙিয়া মহাবিদ্যালয়।**

(ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা বৰ্ষৰ অন্যতম ছাত্ৰ শ্ৰীনৰেন্দ্ৰ শৰ্মা ৰঙিয়া অঞ্চলৰ এগৰাকী বিশিষ্ট সমাজ কৰ্মী আৰু সংগঠক। তেখেত সদৌ অসম কৰ্মচাৰী পৰিষদৰ এজন আগশাৰীৰ নেতা। ৰঙিয়াৰ বিভিন্ন সাংস্কৃতিক-সামাজিক অনুষ্ঠানৰ লগত জৰিত শ্ৰীশৰ্মা বৰ্ত্তমান ৰঙিয়া মহাবিদ্যালয় পৰিচালনা সমিতিৰ এগৰাকী সন্মানীয় সদস্য।)

"সিদ্ধপুৰুষ সকলে সদায় সীমা চেৰাই যায়। সীমা চেৰাই যোৱাটোৱেই তেওঁলোকৰ ধাৰ্মিকতাৰ লক্ষণ। ...... সত্য আৰু ন্যায়ৰ কাৰণে তেওঁলোকে মৃত্যুবৰণ কৰিছিল যদিও, তেওঁলোক চিৰ-জীৱিত, তেওঁলোকৰ প্ৰতিধ্বনি আৰু জ্যোতি অনন্ত কালধৰি থাকিব। তেওঁলোকে মানুহৰ মনৰ পৰিবৰ্ত্তন সাধন কৰে আৰু মানৱ বুৰঞ্জীৰ অন্ধকাৰ পাত কেইটাও আলোকিত কৰি তোলে।"

ৰঙিয়া মহাবিদ্যালয়ৰ লগত মোৰ জীৱনৰ এটি গুৰুত্বপূৰ্ণ অধ্যায়ৰ বহু স্মৃতি বিজড়িত হৈ আছে। স্মৃতিপটত ছাত্ৰজীৱনৰ সেই স্মৃতি যেতিয়াই উদ্ভাষিত হৈ উঠে তেতিয়াই মই পুলকিত হওঁ।

'৭২ ত ৰঙিয়া উচ্চমাধ্যমিক ( এতিয়াৰ উচ্চতৰ মাধ্যমিক ) বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক শেহান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচত ৰঙিয়া মহা-বিদ্যালয়ৰ দুৱাৰ দলিত ভৰি দিওঁ। সেই দিনবোৰত বৃহত্তৰ ৰঙিয়া অঞ্চলৰ ( কবলৈ গলে আজিৰ ৰঙিয়া মহকুমাৰ ) একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান আছিল ৰঙিয়া মহাবিদ্যালয়। তেতিয়া

# ৰঙিয়া মহাবিদ্যালয়, তোমাক নমস্কাৰ !

**শ্ৰীঅনন্ত ডেকা**
প্ৰাক্তন ছাত্ৰ

ৰঙিয়া মহাবিদ্যালয়ত ৰঙিয়াৰ আশে-পাশে থকা বিস্তীৰ্ণ গাঁৱলীয়া অঞ্চলবোৰৰ ছাত্ৰ-ছাত্ৰীসকলে মূলতঃ পঢ়া-শুনা কৰিছিল। ৰঙিয়া চহৰৰ মুষ্টিমেয় সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে এই মহাবিদ্যা-লয়ত নাম ভৰ্ত্তি কৰিছিল। সম্বল থকা প্ৰায় সকলোখিনি ছাত্ৰ-ছাত্ৰীয়ে তেতিয়া উন্নত মানৰ শিক্ষা আৰু আধুনিক জীৱন যাত্ৰাৰ হেঁপাহত গুৱাহাটীলৈ ধাপলি মেলিছিল।

আমি যেতিয়া ৰঙিয়া মহাবিদ্যালয়ত সোমাওঁ তেতিয়া মহাবিদ্যালয়ৰ ৰূপ আছিল অন্য। চহৰৰ ব্যস্ততা আৰু কোলাহলৰ পৰা বিচ্ছিন্ন মহাবিদ্যালয় খনিৰ শান্ত আৰু নিৰিবিলি পৰিবেশত আমি পঢ়া-শুনা কৰাৰ সুযোগ পাইছিলো। দুৰ্ভোগো অৱশ্যে আছিল। বাৰিষাৰ ছমাহ মহাবিদ্যালয়লৈ যোৱা পথটোৰ কাৰণেই দুৰ্ভোগ ভুগিবলগীয়া হৈছিল— ছাত্ৰ শিক্ষক কৰ্মচাৰী সকলোৱে। ৰঙিয়া মহাবিদ্যালয়খনি সৰু আছিল। এতিয়াও বৰ ডাঙৰ বুলি কব নোৱাৰি। বিজ্ঞান আৰু বাণিজ্য শাখা খোলা দূৰৈৰ কথা, কলা শাখাটোও পূৰ্ণাঙ্গ হৈ উঠা নাছিল। কলা বিভাগতো বিষয় নিৰ্ব্বাচনৰ সুযোগ নাছিল। অসমীয়া ব্যতিৰেকে আনকোনো বিষয়তে সন্মান পাঠ্যক্ৰম নাছিল।



পুথিভঁড়ালৰ অৱস্থাও মুঠেই টনকিয়াল নাছিল। ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰ অভাৱতেই মহাবিদ্যা-লয়খনে ঠন ধৰি উঠিব পৰা নাছিল। তেতিয়া দিল্লীৰপৰা দিচপুৰলৈ কংগ্ৰেছৰ দপদপনি।

এনে এক বাস্তৱ অৱস্থাত যথেষ্ট সীমাৱদ্ধতাৰ মাজত ছাত্ৰ-শিক্ষক-কৰ্মচাৰী সকলোৱে কামত অগ্ৰসৰ হবলগীয়া হৈছিল। তথাপিও মহাবিদ্যা-লয়খনত প্ৰাণ আছিল, আছিল উদ্দীপনা। প্ৰতিকুলতাকো নেওচি ছাত্ৰ-শিক্ষক-কৰ্মচাৰী সকলোৰে অহৰহ এটাই ব্ৰত আছিল কেনেকৈ চালুকীয়া অনুষ্ঠানখনৰ অৱস্থা টনকিয়াল কৰা যায়।

আমাৰ কলেজীয়া দিনবোৰত আমাক ইংৰাজীত শ্ৰদ্ধেয় উমেশ গোস্বামী, ভবেন্দ্ৰনাথ ডেকা; অসমীয়াত যোগেন পাঠক, চফিউদ্দিন আহমেদ, হৰেন্দ্ৰনাথ শৰ্মা; অৰ্থনীতিত গদাধৰ ফাটোৱালী, প্ৰয়াত হৰেণ দাস; বুৰঞ্জীবিভাগত জ্যোতিষ চৌধুৰী, গোলোক ভূঞাঁ; শিক্ষাবিষয়ত হৰি শৰ্মা, নীলিমা ডেকা ( হাজৰিকা ); আৰু ৰাজনীতি বিজ্ঞানত ৰজত ডেকা আৰু হীৰেণ শৰ্মা চাৰে পাঠদান কৰিছিল। পঢ়া-শুনাত ঘৰুৱা পৰিবেশ পাইছিলো, প্ৰেৰণা আৰু উদগণিও পাই-ছিলো। এইটো অনস্বীকাৰ্য যে যথেষ্ট সীমাৱদ্ধ-তাৰ মাজতো ৰঙিয়া মহাবিদ্যালয়ে আমাক যিমানখিনি দিব পাৰে সিমানখিনি উজাৰি দিছিল। বিষয় বস্তুৰ জটিলতাৰ পাক খুলিব নোৱাৰি বহুদিন ফাটোৱালীচাৰ জ্যোতিষ চৌধুৰী চাৰ আৰু নীলিমা বাইদেউৰ কাষ চাপিছিলো। অকৃপণচিত্তে তেখেত সকলে সহায় কৰিছিল। এই জীৱদ্দশাত সেই দিনবোৰৰ স্মৃতি কাহানিও পাহৰিব নোৱাৰিম। ছাত্ৰৰ সাফল্য আৰু কৃতিত্বই শিক্ষক সকলক কিদৰে উৎফুল্লিত কৰে তাকো লক্ষ্য কৰিছিলো।

তেতিয়াৰ অধ্যক্ষ বীৰেন্দ্ৰনাথ বৰদলৈ চাৰ সহ আটাইখিনি শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ অহৰহ এটাই উদ্বেগ আছিল কিদৰে মহাবিদ্যালয় খনৰ অৱস্থা টনকিয়াল কৰিব পৰা যায়। জনেক বৈশ্যদা, কুমুদডেকাদা, আকলু কলিতাদাক তেতিয়া দেহে-কেহে খটা দেখিছো। অধ্যক্ষ বৰদলৈ চাৰ আছিল প্ৰাণখোলা মানুহ। নিজৰ প্ৰতিষ্ঠাক লৈ কোনো দিনেই মুহূৰ্ত্তৰ বাবেও মূৰ নঘমোৱা এই মানুহজনৰ ব্যক্তিত্ব তেতিয়া বহুতৰে কাৰণে প্ৰেৰণাৰ উৎস আছিল। মহাবিদ্যালয়ত বিজ্ঞান বিভাগ হৈ নুঠা বাবে তেখেতে প্ৰায়েই খেদ প্ৰকাশ কৰিছিল। এটা বিৰাট অঞ্চলৰ এক মাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ ৰঙিয়া মহাবিদ্যালয়ত তেতিয়ালৈ বিজ্ঞান আৰু বাণিজ্য শাখা নোহোৱাটো সচাঁকৈয়ে কম পৰিতাপৰ বিষয় নাছিল। বিজ্ঞান শাখা খোলা আৰু মহাবিদ্যালয়ৰ পুথিভড়াঁলটোৰ অৱস্থা উন্নত কৰাৰ কাৰণে এবাৰ ৰঙিয়া হাইস্কুল খেলপথাৰত কলিকতাৰ মহমেদান স্পৰ্টিং আৰু গুৱাহাটী একাদশৰ মাজত এখন প্ৰদৰ্শনীমূলক খেলৰ আয়োজন কৰা হৈছিল। ফাটোৱালী চাৰৰ উদ্যোগ আছিল যথেষ্ট। তেতিয়া চাৰসকলৰ লগতে আমিও ৰঙিয়াৰ ঘৰে ঘৰে, ব্যৱসায় প্ৰতিষ্ঠানৰ দুৱাৰে দুৱাৰে গৈছিলো টিকট 'পুছ' কৰাৰ কাৰণে। কি যে ভীষণ উদ্দীপনা আছিল সেই দিনবোৰত। খেলখনৰ জৰিয়তে পোৱা প্ৰায় ৭০০০ বো অধিক টকা পুথিভড়াঁলটোৰ উন্নতি সাধনৰ কাৰণে ব্যৱহাৰ কৰা হয়।

মহাবিদ্যালয়ত বহুবোৰ বিষয়তে সন্মান পাঠ্যক্ৰম নাছিল। গতিকে বহু মেধাবী ছাত্ৰই স্নাতক পৰ্য্যায় পালেই ৰঙিয়া মহাবিদ্যালয় এৰি গুচি গৈছিল। বাহিৰলৈ যাবনোৱাৰা সকল বিশেষীকৃত শিক্ষালাভৰ পৰা বঞ্চিত হৈছিল। আমি মহা-বিদ্যালয়ত অৰ্থনীতি, ইতিহাস, ৰাজনীতি বিজ্ঞান আদি বিষয়ত সন্মান পাঠ্যক্ৰম খোলাৰ বাবে মহা-বিদ্যালয়কৰ্তৃপক্ষৰ লগতে চৰকাৰৰ ওচৰত বাৰম্বাৰ দাবী জনাইছিলো। শিক্ষকসকলৰ লগতে মহা-

বিদ্যালয়ৰ কৰ্তৃপক্ষয়ো আমাৰ লগত থিয় দিছিল আৰু চাপ সৃষ্টি কৰিছিল। এই চাপৰ ফলত ১৯৭৪ চনতে কেবাটাও বিষয়ত সন্মান পাঠ্যক্ৰম মুকলি কৰাটো সম্ভৱ হৈ উঠে। কিন্তু আজিলৈ ইংৰাজী বিষয়ত সন্মান পাঠ্যক্ৰম ( এতিয়া মেজৰ ) প্ৰৱৰ্ত্তন নোহোৱা আৰু বিজ্ঞান শাখাৰ পূৰ্ণাঙ্গ হৈ নুঠাতো কম খেদৰ কথা নহয়।

মোৰ জীৱনৰ পটপৰিবৰ্ত্তনৰ অন্তৰালত এইখন মহাবিদ্যালয়ৰ অৰিহণা কম নহয়। ৰাজনৈতিক জীৱনৰ আদিপাঠ ইয়াতেই লাভ কৰিছিলো; ৰঙিয়া মহাবিদ্যালয়তেই প্ৰথম ৰাজহুৱাভাৱে বক্তব্য দাঙি ধৰাৰ সাহস গোটাইছিলো। এটা দিনৰ স্মৃতি এতিয়াও সজীৱ হৈ আছে। মই তেতিয়া প্ৰাক্‌বিশ্ববিদ্যালয় প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। মহাবিদ্যালয়ত বিজ্ঞান আৰু অধ্যাত্মিকতা প্ৰসংগত এটি আলোচনা চক্ৰৰ আয়োজন চলিছিল। অসমীয়া বিভাগৰ যোগেন পাঠক চাৰে আলোচকৰ তালিকাত মোৰ নামটোও সুমুৱাই দিছিল। শ্ৰেণীকক্ষত সৰৱ আৰু সক্ৰিয় দেখিয়ে চাৰে হয়তো মোৰ অংশ গ্ৰহণ নিশ্চিত বুলি ভাবিছিল। কিন্তু তেতিয়ালৈ মই ৰাজহুৱাভাৱে ক'তো বক্তব্য দাঙি ধৰা নাছিলো। গত্যন্তৰ নেদেখি মই আলোচনাত ভাগ লৈছিলো। তেতিয়া অধ্যাত্মিকতাৰ পক্ষেই মই বক্তব্য দাঙি ধৰিছিলো। উপাধ্যক্ষ মহন্তচাৰ ( এতিয়াৰ অধ্যক্ষ ) আছিল আলোচনাৰ সূত্ৰধৰোতা— পৰিচালক। আলোচক সকলৰ ভিতৰত মই প্ৰথম স্থান পাইছিলো। সিদিনাৰ সেই প্ৰেৰণালৈ পৰৱৰ্ত্তী দিনবোৰত খোজ দিব পাৰিছো।

মহাবিদ্যালয়ত বৌদ্ধিক চিন্তা-চৰ্চাৰ থল আছিল। সঘনাই তৰ্কসভা, আলোচনা চক্ৰ আদি অনুষ্ঠিত হৈছিল। বিজ্ঞান, আধ্যাত্মিকতা, শিক্ষা, অৰ্থনীতি আদি বিষয়ৰ ওপৰতেই মূলতঃ তৰ্কসভা আৰু আলোচনা চক্ৰবোৰ অনুষ্ঠিত হৈছিল। আমাৰ দিনতে সিদ্ধিনাথ শৰ্মা সোৱৰণী আন্তঃ কলেজ তৰ্ক প্ৰতিযোগিতাৰ সূচনা হয়। ছাত্ৰৰ মাজত তেতিয়া ভালে কেইজন সুবক্তা লক্ষ্য কৰিছিলো। ৰূপচাঁদ আলী, লীলাধৰ কাকতি, বিনন্দি ডেকা, সুভাষ চৌধুৰী আদি সচাঁয়ে বিতৰ্কত ভাল আছিল। সদৌ অসম ভিত্তিত চলা তৰ্ক প্ৰতিযোগিতাবোৰত আমাৰ মহাবিদ্যালয়ৰ অংশ গ্ৰহণ প্ৰায় সুনিশ্চিত আছিল। মহাবিদ্যালয়ত তৰ্কসভা/আলোচনাচক্ৰ চলা সময়ত হলটি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকেৰে ঠাহ খাই পৰিছিল। অনুষ্ঠানবোৰত প্ৰাণ আছিল। মহাবিদ্যালয় সপ্তাহ চলা দিন কেইটাত খদমদম লাগি পৰিছিল। ছাত্ৰ-শিক্ষক কৰ্মচাৰী সকলোৰে আনন্দ-উলাহৰ অন্ত নাছিল। গীত-মাত, নাটক, তৰ্কসভা, আলোচনা চক্ৰ, খেলা-ধূলা এই সকলোবোৰে এক উৎসৱমুখৰ পৰিবেশ সৃষ্টি কৰিছিল।

এইবোৰ ক্ষেত্ৰত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উল্লেখযোগ্য ভূমিকা আছিল। বন্ধু ঘনশ্যাম কলিতা সাধাৰণ সম্পাদক থকা সময়তে মই সহঃ সাধাৰণ সম্পাদকৰূপে কাৰ্যনিৰ্ব্বাহ কৰিছিলো। তাৰ পিচত দুবাৰো ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ৰূপে কাৰ্যনিৰ্ব্বাহ কৰাৰ সুযোগ পাইছিলো। ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাই সমগ্ৰ ৰঙিয়াৰ ছাত্ৰ আন্দোলনৰ শুৱিবৰ্ঠা ধৰিছিল। সেই সময় ছোৱাৰ এটি উল্লেখযোগ্য ছাত্ৰ আন্দোলন—'৭৪ৰ খাদ্য আন্দোলনৰ ৰঙিয়া অঞ্চলত নেতৃত্ব দিয়াৰ সুযোগ পাইছিলো। কংগ্ৰেছ চৰকাৰৰ প্ৰকৃত স্বৰূপ তেতিয়াই বুজি উঠিছিলো। '৭৫ৰ অসম কলেজ শিক্ষক সন্থাৰ আন্দোলনৰ লগত ওঃতপ্ৰোতভাৱে জড়িত হৈ পৰিছিলো। শিক্ষক আন্দোলনৰ ওপৰত কংগ্ৰেছ চৰকাৰে পুলিচী নিৰ্য্যাতন জাপি দিছিল। কংগ্ৰেছ চৰকাৰৰ সমস্ত ছল-চক্ৰান্ত ব্যৰ্থ কৰি ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰসমাজে শিক্ষক আন্দোলনৰ প্ৰতি পূৰ্ণ সংহতি প্ৰকাশ কৰিছিল।



কলেজ শিক্ষক আন্দোলনৰ সময়তে দেশজুৰি জৰুৰী অৱস্থা ঘোষিত হয়। ব্যক্তি স্বাধীনতা, নাগৰিক অধিকাৰ আৰু সংবাদ-পত্ৰৰ স্বাধীনতাৰ ওপৰত নগ্ন আক্ৰমণ সংঘটিত হয়। দমন-পীড়ন আৰু সন্ত্ৰাসৰ মুখত পৰি কলেজ শিক্ষকৰ একাংশই পশ্চাদপসৰণ কৰিবলৈ লয় আৰু ৰাজ্যচৰকাৰৰ লগত আপোছৰ পক্ষপাতিত্ব কৰে। জৰুৰী অৱস্থাৰ সেই অন্ধকাৰ দিনবোৰত ছাত্ৰনেতৃত্বৰ একাংশইও চৰকাৰৰ ওচৰত নতি স্বীকাৰ কৰিছিল। ঠিক এই সময়খিনিতে অনুষ্ঠিত বাৰ্ষিক অধিবেশনত সাধাৰণ সম্পাদকৰ প্ৰতিবেদনত শিক্ষক আন্দোলনৰ পিচৰ পৰিস্থিতি সম্পৰ্কে কিছু সমালোচনা মূলক মন্তব্য ৰখাৰ প্ৰয়াস কৰিছিলো। বহুতেই কথাখিনি সহজভাবে লব পৰা নাছিল আৰু আপত্তি কৰিছিল। ফলত মোৰ প্ৰতিবেদন গৃহীত নোহোৱাকৈয়ে থাকি গ'ল। তাৰবাবে মোৰ কোনো খেদ নাই। সেই আন্দোলনৰ জেৰ এতিয়াও মৰা নাই। '৮৬ চনৰ পৰাই কলেজ আৰু বিশ্ববিদ্যালয় শিক্ষক সকলৰ সংশোধিত বেতনক্ৰম প্ৰৱৰ্ত্তন নোহোৱাত শিক্ষক সমাজ আজিও বিক্ষোভমুখৰ হৈ উঠিছে। সম্প্ৰতি শিক্ষক আন্দোলনৰ এটি প্ৰৱল ঢৌৱে সমগ্ৰ অসমৰ শিক্ষাজীৱনক কঁপাই তোলাৰ সম্ভাৱনা প্ৰবল হৈ উঠিছে। এই আন্দোলন সংগ্ৰামবোৰৰ প্ৰত্যক্ষ অভিজ্ঞতাই পৰৱৰ্ত্তী জীৱনত বাটবুলাত আমাক সহায় কৰিছে।

এবাৰ ধুমুহাত গোটেই মহাবিদ্যালয়খনৰ টিন পাতবোৰ উৰি অ'ত ত'ত সিঁচৰিত হৈ পৰিছিল বিস্তীৰ্ণ এলেকাজুৰি। ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক তেতিয়া কুমুদ লহকৰ। তেওঁৰ নেতৃত্বতে আমি এটা বেলাতে গোটেইখিনি থানথিত লগাইছিলো। এনেদৰেই শ্ৰমৰ প্ৰতি এক অনন্য মূল্যবোধ সৃষ্টি হৈছিল। বৰদলৈ চাৰৰ মুখত আমি হাঁহি বিৰিঙাব পাৰিছিলো।

ছাত্ৰ একতা সভাই ভালেমান উন্নয়ণ মূলক কামতো আগভাগ লৈছিল। কলেজলৈ যোৱা পথটো উন্নত কৰা, হলত স্থায়ী মঞ্চৰ ব্যৱস্থা কৰা ( এই ক্ষেত্ৰত পৰেশ মণ্ডল আৰু বৈশ্যদাৰ ভূমিকা পাহৰিব নোৱাৰিম ), খেল-পথাৰখন উন্নত কৰা চাইকেল ষ্টেণ্ড তৈয়াৰ কৰা, ছাত্ৰ একতা সভাৰ বাবে এটা কাৰ্য্যালয়ৰ ব্যৱস্থা কৰা আদি ৰচনাত্মক কামত ছাত্ৰ একতা সভাৰ উল্লেখযোগ্য ভূমিকা আছিল।

সেয়েহে দুখীয়াৰ ভগা পঁজা হলেও মহাবিদ্যাখনিত গতিশীলতা আছিল, সৃষ্টিশীল কৰ্মকাণ্ডৰ বাবে প্ৰেৰণা আৰু উদ্যমৰ অভাৱ হোৱা নাছিল। পঢ়া-শুনাৰ লগতে খেলা-ধূলাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ সীমাহীন আগ্ৰহ পৰিলক্ষিত হৈছিল। ফুটবলাৰ সুভাষ চৌধুৰী, বিনন্দি বসুমতাৰী আদিৰ লগত মহাবিদ্যালয়তে পৰিচিত হওঁ। উন্নত মানৰ সুযোগ-সুবিধা পোৱাহেঁতেন এওঁলোকে অসমৰ ফুটবল জগতত খ্যাতি অৰ্জ্জন কৰিব পাৰিলেহেঁতেন।

আমাৰ কলেজীয়া দিনবোৰত ছাত্ৰ-শিক্ষকৰ মাজত মধুৰ সম্পৰ্ক বিৰাজ কৰিছিল। আদৰ্শগত আৰু ৰাজনৈতিক প্ৰশ্নত সংঘাত সৃষ্টি নোহোৱাকৈ থকা নাছিল। কিন্তু পাৰস্পৰিক শ্ৰদ্ধা, আস্থা আৰু বুজাবুজিৰ ভিত্তিত চলা বিতৰ্কবোৰ সচাঁকৈয়ে জীৱন্ত আৰু প্ৰাণস্পৰ্শী হৈ উঠিছিল। নুবুজা বিষয় বুজাৰ কাৰণে শিক্ষকবৃন্দৰ ওচৰ চপাত কোনো দ্বিধা নাছিল, ভিন্নমত দাঙি ধৰাৰ ক্ষেত্ৰত কোনো সংকোচ নাছিল। কিন্তু অশ্ৰদ্ধাৰ ভাবে কেতিয়াও বাহ লব পৰা নাছিল। আজিৰ নিচিনাকৈ তেতিয়া নকলৰ পয়োভৰ নাছিল।

ছাত্ৰাৱস্থাতে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ৰজত ডেকা চাৰে পুথিভঁড়ালৰ অধ্যয়ন কক্ষত 'কম্যুনিষ্ট মেনিফেষ্ট' খন হাতত গুজি কৈছিল, "বুজাৰ চেষ্টা কৰা"। মহাবিদ্যালয়ৰ দিনকেইটাতে জীৱনক নতুনকৈ বুজিবলৈ আৰম্ভ

কৰিছিলো—সমাজখনক নতুনকৈ চাবলৈ শিকিছিলো আৰু অবক্ষয়ী সমাজৰ ফোপোলা মূল্যবোধৰ বিৰুদ্ধে যুজাঁৰ সাহস গোটাইছিলো আৰু এনেকৈয়ে আৰু এখন বহল মঞ্চ গুৱাহাটী বিশ্ববিদ্যালয়ৰ দুৱাৰদলিত ভৰি দিছিলো। মোৰ জীৱনলৈ নতুন প্ৰত্যয় কঢ়িয়াই অনা সেই চাৰিটা বছৰৰ মোৰ কাৰণে এযুগ যেন লগা) স্মৃতি কোনোদিনেই পাহৰিব নোৱাৰিম।

ৰঙিয়া মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে কলম সামৰিছো। +

(শ্ৰীঅনন্ত ডেকা এইখন মহাবিদ্যালয়ৰে প্ৰাক্তন কৃতী ছাত্ৰ। এসময়ৰ ছাত্ৰনেতা শ্ৰীডেকা বৰ্ত্তমানে অসমৰ প্ৰগতিশীল বামপন্থী আন্দোলনৰ লগত ঘনিষ্ঠভাৱে জৰিত হৈ আছে। অসমৰ শৈক্ষিক মানচিত্ৰত ৰঙিয়া কলেজৰ উজ্বল ছবি অঙ্কিত কৰাত শ্ৰীঅনন্ত ডেকাৰ কৃতিত্ব কম নহয়।)

"ধৰ্মই এই জগতত মানৱ প্ৰাণৰ কিছুমান স্বাভাৱিক দোষৰ ক্ষতি পূৰণ সাধে আৰু আমাৰ এই অস্থায়িত্ব, অনিশ্চয়তা আৰু ছিদ্ৰপূৰ্ণ জগতৰ অৰ্থশূণ্যতা দূৰ কৰি ঈশ্বৰৰ উপস্থিতিৰে ইয়াক পাহৰাব খোজে। সম্পূৰ্ণাঙ্গ জগত এখন কল্পনা ৰুৰি মানৱ মনত থকা সৰ্ব্বাঙ্গসুন্দৰ জনৰ ধাৰণা এটা--বাহিৰত প্ৰকাশ কৰিবলৈ কৰা প্ৰচেষ্টাই হল দৰাচলতে আৰু বাস্তৱ ক্ষেত্ৰত আমাৰ ধৰ্ম, ই আমাক ঘটনাৰ বাস্তৱতাৰ পৰা নিস্কৃতি দি ভাৱবাদী অভিজ্ঞতালৈ যোৱাৰ উপায় দিয়ে"।



# My Reminiscenes of Rangia College

**Sri Bipin Behari Sinha**
( Ex-Student )

The 5th August, 1963 is a red letter day in the history of Rangia. It was on this day that Rangia College came into being as a result of the firing zeal and enthusiastic co-operation of the people of the locality. The need for an institution of higher education at Rangia was long felt by the people, but somehow people's aspirations could not be translated into action for a long long time. And when the college started in 1963, people were all agog with joy and jubilation, and a new chapter was opened in the educational history of Rangia.

The college started functioning at Rangia High School (now Rangia H.S. School). All though the college had no physical existence at the begining, yet it had possessed all the spiritual and intellectual values necessary for a newly-born college. The college office functioned from Rangia Congress Bhavan and classes were held in the evening shift at the nearly school buildings. The atmosphere was charged with a new spirit which was hither to unknown.

In the Pre-University class, we were one hundred and fourteen students coming from a wide range of far-flung areas. I happened to be the lone student from Bihar, and naturally I was an object of attraction for the fellow-students and teachers alike. No doubt, the students at that time did not get all the amenities of a college; but this was compensated for more than adequately by the love and affection showered abundantly by our respected teachers. They always kept their doors wide open for the inquisitive students. There was a very close man-to-man contact among the teachers and students, and as a result a unique cordiality prevailed in the teacher-student relationship.

The teachers served the institution with a missionary zeal. They did not even hesitate to help us outside the class room at the cost of personal recreations. They were ready to give us everything. Bhuyan Sir's (Prof. Golok Ch. Bhuyan) words, "Be very punctual and sincere" still echo in my memory. I cherish a fond memory of Prof. Gadadhar Phatowali who taught us economics so fluently. He dramatised the lessons and made them attractive. Principal B.N. Bardoloi was a perennial source of inspiration. I looked upon him as a constant friend, Philosopher and guide both inside and outside the college. In all, the teaching staff provided all the

inspiration that acted as a tonic of vitality for all of us.

As a member of the alumni of this alma mater, I feel nostalgic about tne happy days at Rangia College. The college has since made significant strides under the guidance of a competent teaching staff and an efficient administration. The arts faculty has attained maturity. The Science faculty, which has just been opened, will provide new avenues for the students of this backward area in the field of science education. I am fully convinced that Rangia College will attain all-round glory in the days to come.

Finally, on this happy occasion of the Silver Jubilee of the college, I share the joys and emotions of the students, teachers, ex-students and members of public. I am indeed thankful to the Editor of the Souvenir for giving me this privilege to express me feelings. Long Live Rangia College.

** Sri Sinha is presently the Headmaster of Rangia Hindi Vidyalaya.

"The past is ever with us, and all that we are and that we have comes from the past we are its products and we live immerse in it."

Jawaharlal Neheru



# স্মৃতিৰ টুকুৰা

মঃ ৰূপচান্দ আলী, এম,এ

১৯৭১ চনৰ পৰা ১৯৭৪ চনলৈ মই ৰঙিয়া কলেজৰ ছাত্ৰ আছিলোঁ। এই সুদীৰ্ঘ কাল-ছোৱাত মই বহু সহপাঠী বন্ধু-বান্ধৱী শিক্ষক-শিক্ষয়িত্ৰী আৰু ৰঙিয়া অঞ্চলৰ গুণী-জ্ঞানী লোকক লগ পাইছিলোঁ। আজি ৰঙিয়া কলেজৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ গৌৰৱময় মুহূৰ্ত্তত মোৰ কলেজীয়া জীৱনৰ মধুৰ স্মৃতি ৰোমন্থন কৰিবলৈ ওলাইছোঁ।

আমি পঢ়া সময়ত কলেজখন অতি চালুকীয়া অৱস্থাত আছিল। পঢ়া-শুনাৰ সা-সুবিধাও আছিল সীমাবদ্ধ সেইসময়ত কেৱল কলা বিভাগহে খোলা হৈছিল। অসমীয়া বিষয়ৰ বাহিৰে অন্য বিষয়ত অনাৰ্চ নাছিল। সময় বাগৰি যোৱাৰ লগে লগে কলেজৰ কলেৱৰ বৃদ্ধি হ'ল। এতিয়া বিজ্ঞান বিভাগো খোলা হৈছে। সীমিত সুযোগ-সুবিধাৰ সদ্ব্যৱহাৰ কৰি আমি আমাৰ প্ৰতিভা বিকাশ কৰিবলৈ চেষ্টা কৰিছিলোঁ। কলেজত শৈক্ষিক আৰু বৌদ্ধিক পৰিবেশ অব্যাহত আছিল। তেতিয়া অৱশ্যে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল ৰাজনীতিৰ মেৰপাকত সোমাই পৰা নাছিল।

মোৰ জীৱন পথত লগা আহিলাখিনি মই ৰঙিয়া কলেজতেই আহৰণ কৰিব পাৰিছিলোঁ। জীৱনৰ প্ৰতি খোজতেই এতিয়া ইয়াৰ প্ৰভাৱ অনুভৱ কৰিছোঁ। অসমৰ সৰ্বোচ্চ শিক্ষানুষ্ঠান গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিলেও ৰঙিয়া কলেজে দিয়া তেল-শলিতাই মোৰ জীৱনৰ পৰম ধন আৰু পাথেয় হৈ আছে। এই কলেজৰ অৱদানখিনি নহলে বিশ্ববিদ্যালয়ত মই নিজকে কেনেকৈ প্ৰতিষ্ঠা কৰিলোঁহেঁতেন? সেয়েহে ৰঙিয়া কলেজ মোৰ অতি আপোন আৰু মৰমৰ।

আমাৰ কলেজৰ শ্ৰদ্ধেয় শিক্ষাগুৰুসকলে শিক্ষাদানৰ পবিত্ৰ দায়িত্ব অতি নিঁষ্ঠাৰে পালন কৰিছিল। তেওঁলোক আছিল আমাৰ গুৰু, বন্ধু, বিচাৰক আৰু পথ-প্ৰদৰ্শক। তেওঁলোকে উৎসাহ-উদ্দীপনা আৰু সাহস দিয়াৰ বাবেই আমাৰ আশাৰ বিজুলী চমকি উঠিছিল। কলেজৰ সেইসময়ৰ অধ্যক্ষ আছিল শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈদেৱে। তেখেত আছিল এজন উদাৰ-চিতীয়া আৰু উজ্জ্বল ব্যক্তিত্বৰ লোক। কলেজৰ শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলোকে সমানভাৱে প্ৰভাৱিত কৰাৰ প্ৰতিভা তেখেতে লাভ কৰিছিল। বৰদলৈদেৱৰ পাচত অধ্যক্ষৰ গুৰুভাৰ বহন কৰে উপাধ্যক্ষ শ্ৰীনীলকান্ত মহন্তদেৱে। তেখেতৰ অধীনত কলেজে দোপত-দোপে উন্নতি কৰি বৰ্তমান অৱস্থা পাইছে। মহন্তদেৱে এজন অতি খোলা অন্তৰৰ লোক। তেখেত এতিয়াও আমাক য'তেই লগ পায় পুত্ৰবৎ স্নেহৰ মাতেৰে মাতে আৰু মূল্যবান

পৰামৰ্শ দিয়ে। আন এজন শিক্ষাগুৰু শ্ৰীউমেশ চন্দ্ৰ গোস্বামী মহোদয়ৰ কথা কেতিয়াও পাহৰিব নোৱাৰোঁ। তেখেত এজন আদৰ্শবান, মৰমিয়াল, সহজ-সৰল আৰু খোলা অন্তৰৰ লোক। তেখেতৰ দৰে এজন সৎ মৰমিয়াল শিক্ষক পোৱাটো আমাৰ সৌভাগ্য আছিল। শ্ৰদ্ধেয় শিক্ষাগুৰু শ্ৰীভবেন্দ্ৰ নাথ ডেকা, শ্ৰীগদাধৰ ফাটোৱালী, ডঃ ফাইয়াজুল হক, শ্ৰীগোলোক চন্দ্ৰ ভুঞা, ডঃ আফজাল আহমদ আদি চাৰসকলে দাঙিধৰা আদৰ্শ আৰু ব্যক্তিত্বৰ বাবে ছাত্ৰ-ছাত্ৰীৰ শ্ৰদ্ধাৰ পাত্ৰ হ'ব পাৰিছিল। ডঃ ফাইয়াজুল হক মহোদয়ৰ ওচৰত মই চিৰঋণী। তেখেত প্ৰকৃতাৰ্থত এজন আদৰ্শ শিক্ষক। নিজৰ বিষয়ৰ ওপৰত আছে তেখেতৰ পৰিপক্ক জ্ঞান। তেখেতৰ সাহিত্য চৰ্চ্চাৰ আদৰ্শই আমাৰ আৰবী ভাষা সাহিত্যত প্ৰবেশ কৰিবলৈ উৎসাহ দিছিল। ডঃ হকচাৰে আমাক আধুনিক তথা বৈজ্ঞানিক পদ্ধতিৰে আৰবী ভাষা শিকাইছিল। এই ক্ষেত্ৰত শ্ৰদ্ধেয় শিক্ষাগুৰু ডঃ আফজাল আহমদ মহোদয়ৰ বৰঙণিও অনস্বীকাৰ্য। এই দুগৰাকী অধ্যাপকে আৰবী ভাষাৰ বুনিয়াদী জ্ঞানখিনি নিদিয়া হলে আজি বিশ্ববিদ্যালয়ত নিজকে প্ৰতিষ্ঠা কৰা মোৰ সম্ভৱ নহ'লহেঁতেন। শিক্ষাৰ ক্ষেত্ৰত এনেকুৱা ত্যাগ স্বীকাৰ কৰা শিক্ষক মই জীৱনত পোৱা নাই। সেয়েহে কলেজৰ ৰূপালী জয়ন্তীৰ শুভ-মুহূৰ্তত এইসকল শিক্ষাগুৰুলৈ শ্ৰদ্ধাঞ্জলী যাচিলোঁ।

ৰঙিয়া কলেজত পঢ়ি থকা সময়ত ৰঙিয়াবাসী ৰাইজৰ বহুতৰ লগত মোৰ নিবিড় সম্পৰ্ক ঘটিছিল। সেয়েহে ৰঙিয়াবাসী ৰাইজ তথা ৰঙিয়াৰ বিষয়ে মোৰ অভিজ্ঞতাৰ কথা দুআষাৰ নকলে নিশ্চয় ভুল কৰা হ'ব। বহুতে আকৌ মোক ৰঙিয়াৰ বুলিহে ভাবে। দৰাচলতে মোৰ ঘৰ ছিপাঝাৰতহে। কলেজত পঢ়ি থকা কাল-ছোৱাত ইতিহাস প্ৰসিদ্ধ ৰঙিয়া অঞ্চলৰ বিষয়ে বহুকথা জানিব পাৰিছিলোঁ। এটা আমোদজনক কথা এই যে, ৰঙিয়াৰ আশে-পাশে থকা প্ৰায় সকলো ঠাইৰ নামৰ উৎপত্তিৰ লগত একোটা সুন্দৰ কাহিনী জড়িত আছে। ৰঙিয়া অঞ্চল শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়া। এই ঠাইতে বহুতো প্ৰগতিশীল চিন্তাধাৰাৰ লোকৰ লগত মোৰ সম্পৰ্ক ঘটিছিল। হবদত বীৰদত্ত ভৱনত অনুষ্ঠিত হোৱা বিভিন্ন সভাত বক্তৃতা শুনিছিলোঁ; সেইবোৰৰ স্মৃতি আজিও মোৰ মনত স্পষ্ট হৈ আছে। প্ৰখ্যাত মুক্তি যোদ্ধা, ৰাজনীতিক আৰু সমাজসেৱী শ্ৰীযুত কামিনী মোহন শৰ্মা আৰু শিক্ষাবিদ বাহাৰুদ্দিন আহমেদ চাহেবৰ বক্তৃতা আজিও আমাৰ কাণত ৰিনিকি ৰিনিকি বাজি উঠে। আন এজন ৰঙিয়াৰ সৰৱৰহী লোক আলহাজ চৈয়দ হাছমত আলী চাহেবক কেতিয়াও পাহৰিব নোৱাৰোঁ। তেখেত আছিল এজন ধাৰ্মিক, দানশীল আৰু শিক্ষানুৰাগী লোক। আমি বিভিন্ন ঠাইৰ পৰা অহা বহু ছাত্ৰই তেখেতৰ ভাড়া ঘৰত থাকি ৰঙিয়া কলেজত পঢ়িছিলোঁ। বহুতো দুখীয়া ছাত্ৰক ভাড়া নোলোৱাকৈও থাকিবলৈ তেখেতে সুবিধা দিছিল তেখেতে আমাক পঢ়া-শুনাত বৰ উৎসাহ দিছিল আৰু আমাৰ তত্বাৱধান লৈছিল। তেখেতৰ পবিত্ৰ স্মৃতি আমাৰ মানস পটত সদায় জীৱন্ত হৈ থাকিব।

১৯৭৩ চনত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ৰঙিয়া অধিবেশনৰ স্মৃতি আজিও মোৰ মানস পটত উজ্জ্বল হৈ আছে। সেই অধি-বেশনত সাহিত্যানুৰাগী আৰু কলামোদী ৰঙিয়া ৰাইজৰ কাৰ্য্যকলাপ আৰু উৎসাহ দেখি অভি-ভূত হৈছিলোঁ। শিক্ষা সংস্কৃতি আৰু কলা সাধনাৰ বাবে ৰঙিয়া সমাজে সৃষ্টি কৰা বাতা-বৰণৰ কথা সঁচাকৈয়ে স্মৰণযোগ্য।

মোৰ কলেজীয়া জীৱনৰ আটাইতকৈ উল্লেখ-যোগ্য আৰু স্মৰণীয় কথাটো হ'ল, ১৯৭১-৭২ চনৰ “ৰঙিয়া কলেজ আলোচনী” সম্পাদনা কৰাটো। ইয়াৰ তত্বাৱধায়ক আছিল শ্ৰদ্ধেয় শিক্ষাগুৰু শ্ৰীহৰেন্দ্ৰ নাথ শৰ্মাদেৱ। আলোচনী-খন মোৰ সম্পাদনাত প্ৰকাশ হৈ পোহৰলৈ অহাৰ মুহূৰ্তটো মোৰ জীৱনত চিৰস্মৰণীয় হৈ ৰ'ব। স্মৃতিৰ পটত ঢৌ খেলি থকা সকলো-বোৰ কথা লিখিলে বৰ দিঘলীয়া হ'ব। সেয়েহে ৰঙিয়া কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি তলৰ কবিতা ফাঁকিৰে ইমানতে সামৰিলোঁ।

ৰঙিয়া কলেজ,
তুমি চিৰযৌৱনময়ী, চিৰজ্যোতিস্মান
বিলাবা তুমি জ্ঞানৰ আলোক
অনন্ত কালৰ ধৰাৰ বুকুত
তোমাৰ আলোকত
সন্ধানী মনীষাই
দেখিব সপোন নতুন সৃষ্টিৰ। +

( মঃ ৰূপচান্দ আলী গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰবী বিভাগৰ প্ৰবক্তা তথা ৰঙিয়া মহাবিদ্যা-লয়ৰ প্ৰাক্তন ছাত্ৰ। )

---

“মানৱ জাতিৰ ইতিহাস মহাপুৰুষ সকলৰ জীৱন কাহিনী মাথোন।”

কাৰ্লাইল

# মোৰ দৃষ্টিত ৰঙিয়া মহাবিদ্যালয়

শ্ৰীঅৰুণ চন্দ্ৰ ডেকা
(প্ৰাক্তন ছাত্ৰ)

৫ আগষ্ট, ১৯৬৩— এই দিনটো ৰঙিয়াবাসীৰ বাবে এক ঐতিহাসিক দিন হিচাপে স্মৰণীয় হৈ ৰব। ৰঙিয়া হাইস্কুলৰ প্ৰাঙ্গণত এটি সুসজ্জিত পৰিবেশত এটি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান আৰম্ভ হ'ল। উদ্বোধক অসম সাহিত্য-সভাৰ ভূতপূৰ্ব্ব সভাপতি, প্ৰাগজ্যোতিষ কলেজৰ তেতিয়াৰ অধ্যক্ষ প্ৰয়াত তীৰ্থনাথ শৰ্মাদেৱ। তেখেতৰ সুমধুৰ, প্ৰাণস্পৰ্শী, ভাবগধুৰ ভাষণেৰে আৰম্ভ হ'ল— ৰঙিয়া মহাবিদ্যালয়। কাষতে আসন গ্ৰহণ কৰিছে মহাবিদ্যালয়ৰ উদ্যোক্তা-মণ্ডলী তথা নতুন মহাবিদ্যালয়ত অধ্যাপনাৰ দায়িত্ব লবলৈ আগবাঢ়ি অহা বিশিষ্ট ব্যক্তি-সকল— সৰ্ব্বশ্ৰীনীলকান্ত মহন্ত, গোলোকচন্দ্ৰ ভূঞা, গদাধৰ ফাটোৱালী, ৺পৃথুৰাম নাথ, ৺প্ৰাণেশ্বৰ শৰ্মা (ৰঙিয়া হাইস্কুলৰ তেতিয়াৰ প্ৰধান শিক্ষক)' স্বৰ্গীয় ইছলামুদ্দিন চাহেব (আৰবী কলেজৰ তেতিয়াৰ অধ্যক্ষ)।

কিছুসময়ৰ পিছত লম্বনুৰাম চৌধুৰী হলৰ বাৰান্দাত টং টং কৈ ঘণ্টা বাজি উঠিল। মাইকত ঘোষণা হ'ল— ছাত্ৰ-ছাত্ৰী সকল হলৰ ভিতৰত সোমাব লাগে। কলেজপ্ৰেমী ৰাইজ স্কুলচৌহদত ঠাহ খাই পৰিছে। অন্তৰত এবুকু আশা লৈ সোমাই পৰিছিলো হলৰ ভিতৰত। সকলো নীৰৱ। সোমাই আহিছিল গুৰু-গম্ভীৰ খোজেৰে মাননীয় তীৰ্থনাথ শৰ্মাদেৱ। প্লেটফৰ্মত উঠি আৰম্ভ কৰিলে ৰঙিয়া মহাবিদ্যালয়ৰ পাঠদানৰ পাতনি।

ৰাইজৰ বহু আকাংক্ষাৰ ৰঙিয়া মহাবিদ্যালয়ৰ শুভাৰম্ভ হ'ল— নৈশশাখাৰ দুটা শ্ৰেণীৰে। প্ৰাক্‌বিশ্ববিদ্যালয়ৰ আৰু স্নাতক প্ৰথম বৰ্ষ। সেইদিনত প্ৰাক্‌বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম এবছৰীয়া আছিল—সময় কিন্তু ৮।৯ মাহমানহে পোৱা হৈছিল। মনত বৰ ভয় হৈছিল — নতুন কলেজ, নতুন প্ৰবক্তা ; পাছ কৰিব পাৰিম জানো ? কিন্তু মনত দৃঢ়তা আনিলো— পাছ কৰিবই লাগিব। নিজৰ আৰু প্ৰবক্তাসকলৰ প্ৰচেষ্টা সমান উদ্যমত চলিল। নৈশকলেজ হলেও শ্ৰেণীবোৰ পূৰ্ণগতিত চলিছিল। অৱশ্যে কিছুমান সমস্যাৰ কথা আমাৰ বেচ মনত পৰে। সেইসময়ত ৰঙিয়া চহৰে বিজুলী চাকিৰ সুবিধা পোৱা নাছিল। একোটা কোঠাত দুই-তিনিটা পেট্ৰমাক্স লাইট আঁৰি পোহৰৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু বতাহ পালেই লাইট-কেইটাই লুকাভাকু আৰম্ভ কৰিছিল। এনে অৱস্থাত লাইটম্যানজন ভাগৰি পৰিছিল। ইয়াৰ উপৰিও বতৰৰ অসুবিধা কিছু থাকেই। তথাপি কিন্তু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ হাৰ কমা নাছিল। অৱশ্যে তেতিয়াৰ দিনত ছাত্ৰীৰ সংখ্যা নিচেই তাকৰ আছিল।



ছাত্ৰহিচাপে দায়িত্বসচেতন হৈ নতুন কলেজ এখনৰ সুবিধা-অসুবিধাৰ কথাবোৰ আমি ভালদৰে উপলব্ধি কৰিছিলো। কলেজীয়া ছাত্ৰ-হিচাপে খেলা-ধূলা বা অন্যান্য সা-সুবিধাৰ পৰা আমি বঞ্চিত আছিলো সচাঁ ; কিন্তু গণ-তান্ত্ৰিক পদ্ধতিৰে ছাত্ৰ একতা সভা গঠন কৰি আৱশ্যকীয় অনুষ্ঠানবোৰ উদ্‌যাপনৰ সুবিধা নোপোৱাকৈ থকা নাছিলো। কলেজ আৰম্ভণিৰ দ্বিতীয় বছৰতে N. C. C ৰ সুবিধা আমি পাইছিলো। N. C. C ৰ কেডেট হিচাপে বিশ্বনাথ চাৰিআলি আৰু মাণিকপুৰত হোৱা বাৰ্ষিক কেম্পত আমি কলেজৰ পৰা যোগদান কৰিছিলো। চাৰিআলিৰ কেম্পত U. O হিচাপে দলৰ নেতৃত্ব বহন কৰিছিল চৈঃ হবিবুল হকদেৱে। এখেত বৰ্ত্তমান শিক্ষাবিভাগৰ বিষয়া। মাণিকপুৰ কেম্পত দলৰ নেতৃত্বৰ দায়িত্ব পৰিছিল Sr. U. O হিচাপে আমাৰ ওপৰত। মাননীয় শ্ৰীগোলোক চন্দ্ৰ ভূঞাদেৱে আছিল তত্বাৱধায়ক অধ্যাপক।

গণতান্ত্ৰিক পদ্ধতিৰে কলেজৰ ছাত্ৰসস্থা গঠিত হৈছিল। দলীয় গোষ্ঠ তেতিয়াৰ দিনত নাছিল। প্ৰথম বছৰত প্ৰথম বৰ্ষৰ পৰা শ্ৰীত্ৰৈলোক্য শৰ্মা আৰু পিছৰ বছৰ মই নিজে সাধাৰণ সম্পাদক নিৰ্ব্বাচিত হৈছিলো। খেল-ধেমালিৰ দিশত বিশেষ সা-সুবিধা নেথাকিলেও কলা-কৃষ্টিৰ দিশত আমাৰ কলেজ পিচপৰা নাছিল। বিশেষকৈ নাট্যাভিনয়ৰ দিশত বহু প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাৰ কলেজে যোগ্যতাৰ পৰিচয় দিব পাৰিছিল।

শিক্ষামূলক ভ্ৰমণৰ সুবিধাও আমি দ্বিতীয় বছৰৰ পৰাই পাইছিলো। প্ৰথমবাৰ আমি ২৬ জনীয়া দল এটাই কলিকতা, আগ্ৰা, দিল্লী, লক্ষ্মৌ, বাৰাণসী আদি বুৰঞ্জীপ্ৰসিদ্ধ ঠাইবোৰ চোৱাৰ সুযোগ পাইছিলো। আমাৰ দলৰ নেতৃত্ব বহন কৰিছিল শ্ৰীনীলকান্ত মহন্তদেৱে আৰু সহযোগী হিচাপে আছিল শ্ৰীউমেশচন্দ্ৰ গোস্বামীদেৱ। ১৯৭১ চনৰ অক্তোবৰ মাহত সদৌ অসমৰ কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ শিক্ষামূলক ভ্ৰমণৰ বাবে বিশেষ ৰেল এখনৰ ব্যৱস্থা হৈছিল। অসমৰ বিভিন্ন কলেজৰ পৰা ৭০০ জন ছাত্ৰ আৰু ৮০ গৰাকীমান ছাত্ৰীয়ে এই ভ্ৰমণৰ সুবিধা পাইছিল। ৰঙিয়া কলেজৰ পৰা শ্ৰীগোপাল বড়ো আৰু শ্ৰীশৈলেন্দ্ৰ বড়োৰ লগতে আমিও এই সুযোগতে অমৃতসৰ, ভাক্ৰা আদি বহুত ঠাই দৰ্শন কৰাৰ সুবিধা পাইছিলো।

নতুন কলেজ এখনক আগবঢ়াই নিবলৈ ধন লাগে। ধন সংগ্ৰহৰ বাবে কলেজ পৰিচালনা সমিতিয়ে বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰিছিল। অসমৰ সৰ্ব্বপ্ৰথম ভ্ৰাম্যমান নাট্যগোষ্ঠী নটৰাজ থিয়েটাৰদল কলেজৰ সৌজন্যতে প্ৰথমে ৰঙিয়ালৈ আহে আৰু নাট্যাভিনয়ৰ যোগেদি ৰাইজক চমক লগোৱাৰ লগতে কলেজৰ পুঁজি টনকিয়াল কৰিছিল। ভ্ৰাম্যমান অসম ষ্টাৰ থিয়েটাৰৰ যোগেদিও কলেজে পুঁজি সংগ্ৰহৰ ব্যৱস্থা কৰিছিল। এনেবোৰ অনুষ্ঠানত আমি এচাম ছাত্ৰই বেচ সহযোগ কৰিছিলো। কোনো এটি বছৰত দুৰ্গাপূজাৰ সময়ত মুষ্টিভিক্ষাৰ মাধ্যমেৰে কিছুধন সংগ্ৰহ কৰি কলেজ পুঁজিত জমা দিছেলো। এই ক্ষেত্ৰত ছাত্ৰ একতা সভাই নেতৃত্ব লৈছিল আৰু শ্ৰীমিলন কাকতি, শ্ৰীহেমেশ দাস প্ৰমুখ্যে বহুজনে আগভাগ লৈছিল।

কেইমাহমান কাম কৰাৰ পিছতে অধ্যক্ষ শুকদেৱ সিঙদেৱে কলেজ এৰি যায়। যি-কাৰণতেই কলেজ নেৰক কিয়, শিক্ষকহিচাপে মানুহজন লেখত লবলগীয়া আছিল। প্ৰত্যুৎপন্নমতিসম্পন্ন আৰু সহিষ্ণু সিঙ চাৰে সহজতে সকলোৰে লগত মিলি যাব পাৰিছিল। মানুহজনৰ প্ৰখৰ বুদ্ধিৰ উদাহৰণ দিবৰ কাৰণে এটি ঘটনা

উল্লেখ নকৰি নোৱাৰিলো। এদিন চাৰে ক্লাছত 'The Cuckoo' কবিতাটো পঢ়াই থাকোতে এন্ধাৰৰ সুযোগ লৈ কোনোবাই সুৰলগাই 'কুকু' 'কুকু' বুলি চিঞৰি দিছিল। চাৰক বৰ অস-ন্তুষ্ট দেখা গৈছিল। কিছুসময় সকলো নীৰৱ। চাৰে কিন্তু অলপ পিছতে দোষী ছাত্ৰজনক চিনাক্ত কৰি উলিয়াইছিল।

সিঙচাৰে ৰঙিয়া এবাৰ সময়তে স্বনামধন্য লোকপ্ৰিয় বৰদলৈদেৱৰ সুযোগ্য পুত্ৰ শ্ৰীযুত বীৰেন্দ্ৰনাথ বৰদলৈদেৱক অধ্যক্ষ হিচাপে পোৱাৰ সৌভাগ্য ঘটে। অভিজাত পৰিয়ালৰ পৰা আহি-লেও বৰদলৈদেৱ আছিল নিৰহঙ্কাৰী আৰু সদাহাস্যময়। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি থকা তেখেতৰ সহানুভূতি মনকৰিবলগীয়া। কলেজখনৰ উন্নতিৰ বাবে তেখেতে সজাগ আছিল। বিদেশী বহিষ্কাৰ আন্দোলনত তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰাই নহয়, একপ্ৰকাৰে নেতৃত্বও গ্ৰহণ কৰিছিল। বিদেশী বহিষ্কাৰ আন্দোলনৰ তুঙ্গতেই বৰদলৈ চাৰে ৰঙিয়া এৰি যোৱাটো আমাৰ বাবে সৰ্চাঁকৈয়ে দুৰ্ভাগ্যৰ বিষয়। তেখে-তৰ দৰে ঋষিতুল্য এগৰাকী পুৰুষৰ অনুপ-স্থিতি আমি বাৰুকৈয়ে উপলব্ধি কৰিছিলো।

১৯৬৫ চনত কলেজৰ স্থায়ী গৃহনিৰ্মাণৰ কাম আংশিকভাবে সমাপ্ত হৈছিল। স্থায়ী-গৃহলৈ স্থানান্তৰিত হোৱাৰ লগে লগে নৈশ শ্ৰেণীৰ সমাপ্তি ঘটিছিল। এটি-দুটিকৈ কোঠা বাঢ়ি গৈ কলেজখন ঠন ধৰি উঠিবলৈ ধৰিলে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বাঢ়িল। এই কলেজখনেই ৰঙি-য়াৰ সমাজ জীৱনত এক পৰিৱৰ্তনৰ সূচনা কৰিলে। কলেজীয়া শিক্ষাৰ পৰা যিসকল বিভিন্ন কাৰণত বঞ্চিত হৈ আছিল সেইসকলে শিক্ষা-লাভৰ সুযোগ পালে। উচ্চশিক্ষাৰ অৰ্হতা অবি-হনে যিসকলৰ পদোন্নতি হোৱা নাছিল সেই-সকলৰ পদোন্নতি ঘটোৱাত অবিহণা যোগালে এইখন অনুষ্ঠানে। ঘৰে ঘৰে উচ্চশিক্ষাত শিক্ষি-তৰ সংখ্যা বৃদ্ধি হ'ল। এন্ধাৰে আবৰা ৰঙিয়াৰ বুকুলৈ পোহৰ নামি আহিল।

এইখন কলেজৰ ছাত্ৰহিচাপে প্ৰবক্তা শিক্ষা-গুৰুসকলৰ লগত আমাৰ যি সম্পৰ্ক আছিল সেয়া চিৰস্মৰণীয় হৈ ৰব। আজিও চাৰসকলৰ প্ৰতি আমাৰ শ্ৰদ্ধাভক্তি পূৰামাত্ৰেই অটুত আছে। চাৰসকলৰ মৰমসনা আশীৰ্ব্বাদ আজিও আমাৰ কাৰণে অনুপ্ৰেৰণাৰ উৎস হৈয়েই আছে। সচাঁ-কৈয়ে যেন গুৰু-শিষ্যৰ এই সম্পৰ্কৰ তুলনা নাই।

ৰঙিয়া কলেজৰ শ্ৰীবৃদ্ধি হওঁক আমাৰ অঞ্চ-লৰ সকলো ক্ষেত্ৰতে এই অনুষ্ঠান এক আদৰ্শৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠিত হওঁক। +

॥ জয়তু ৰঙিয়া মহাবিদ্যালয় ॥

( ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰীঅৰুণ ডেকা ৰঙিয়া সাহিত্য-সংস্কৃতিৰ লগত ঘনিষ্ঠভাবে জড়িত এজন উদ্যোগী কৰ্মী। তেখেতে শিক্ষকতা কৰে।)



# অতীতলৈ উভতি চাইছো

শ্ৰীনীলিমা খাটুন
( প্ৰাক্তন ছাত্ৰী )

**উভতি** গৈছো ১৯৬৬ চনলৈ। হাইস্কুল শিক্ষান্ত পৰীক্ষা শেষ কৰি কৃতকাৰ্য্যতা লাভ কৰাৰ মূৰত উচ্চশিক্ষাৰ দুৱাৰ দলিত ভৰি দিছো। নতুনকৈ প্ৰতিষ্ঠা হোৱা ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত ভৰ্তি হলো। সেই দিনবোৰত ৰঙিয়া মহাবিদ্যালয়ৰ একেবাৰে চালুকীয়া অৱস্থা; নিজাববীয়াকৈ মহাবিদ্যালয়ৰ ঘৰ-দুৱাৰ নিৰ্মান হৈ উঠাই নাই। সেয়ে আমাৰ শ্ৰেণীসমূহ পুৱাৰ ভাগত ৰঙিয়া হাইস্কুলৰ গৃহত কৰিবলগীয়া হৈছিল। ৰাতিপুৱা সোণকালে উঠি ৬ বজাতে ক্লাছলৈ যাবলগীয়া হোৱাটোও এক নতুন অভিজ্ঞতাই আছিল। ১০ বজাত স্কুল বহাৰ সময়লৈ আমাৰ ক্লাছবোৰ বহিছিল। এই পৰিবেশটো বৰ ভাল লাগিছিল; বিশেষকৈ জাৰৰ দিনত ৰাতিপুৱা বাহিৰৰ বননিত বহি কোমল ৰ'দৰ উম লবলৈ পাই আমি এক নতুন আমেজ অনুভৱ কৰিছিলো।

এইদৰে কিছুদিন পাৰ হোৱাৰ পিছত সম্পূৰ্ণ হৈ নুঠিলেও মহাবিদ্যালয়ৰ নিজা গৃহলৈ শ্ৰেণীসমূহ স্থানান্তৰিত হ'ল। আমি ৰঙিয়া মহাবিদ্যালয়ৰ নতুন গৃহত ক্লাছ কৰাৰ সুযোগ পালো। ইও এক অভিজ্ঞতাই আছিল বুলি কব লাগিব। নগৰীয়া জীৱনৰ হাই-উৰুমি আৰু কোলাহলৰ পৰা একেবাৰে আঁতৰত গছ-গছনি আৰু শস্য-পথাৰেৰে পৰিবেষ্টিত এক প্ৰাকৃতিক, গ্ৰাম্য পৰিবেশত অৱস্থিত আমাৰ মহাবিদ্যালয়ে মনলৈ কঢ়িয়াই আনিছিল এক নতুন সজীৱতা, এক নতুন আনন্দ।

সদ্যপ্ৰতিষ্ঠিত অনুষ্ঠান এই ৰঙিয়া মহা-বিদ্যালয়; স্বাভাৱিকতে সকলোৰে মনত এক নতুন উৎসাহ-উদ্দীপনা। ৰঙিয়া অঞ্চলৰ শিক্ষানুৰাগী ৰাইজৰ বহুদিনৰ ঈপ্সিত মনোকামনাৰ বাস্তৱ ৰূপ এই মহাবিদ্যালয়। ৰাইজ, ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী সকলোৰে সন্মিলিত প্ৰচেষ্টাত মহাবিদ্যালয়ে এডেও-দুডেও কৈ আগবাঢ়িব ধৰিলে। সেইদিনবোৰ, সেইদিনবোৰৰ কথা এতিয়া ইতিহাস মাত্ৰ। আজি দুকুৰি পাচ বছৰৰ অন্তত ৰঙিয়া মহাবিদ্যালয় এখন সুপ্ৰতিষ্ঠিত, স্বয়ংসম্পূৰ্ণ অনুষ্ঠান। মহাবিদ্যালয়ৰ আৰম্ভণি কালৰ এগৰাকী ছাত্ৰী-হিচাপে ঘাত-সংঘাতৰ মাজেৰে লাভ কৰা মহাবিদ্যালয়ৰ এই ক্ৰমবিকাশৰ কাহিনী সোঁৱৰণ কৰি আমি গৰ্ব্ব অনুভৱ কৰো।

আমাৰ কলেজীয়া দিনবিলাকত সচৰাচৰ জীৱনত পাবলগীয়া সুবিধাবিলাক একেবাৰেই নাছিল--যিহেতু কলেজখনেই পূৰ্ণাঙ্গ হৈ উঠা নাছিল। ঘৰৰ ওচৰৰ অনুষ্ঠান বুলিয়েই আনন্দ লভিছিলো। আমাৰ সময়ৰ ছাত্ৰ-ছাত্ৰী সকল সাধাৰণতে নম্ৰ প্ৰকৃতিৰ আছিল। শিক্ষকসকলৰ লগত আমাৰ সম্পৰ্ক আছিল অতিকৈ মধুৰ আৰু সৌহাৰ্দ্যপূৰ্ণ। আমাৰ অধ্যক্ষ শ্ৰীযুত বীৰেন্দ্ৰনাথ বৰদলৈদেৱ আছিল অতিকৈ সহজ-

সৰল আৰু আপোনভোলা প্ৰকৃতিৰ লোক। ৰঙিয়া মহাবিদ্যালয়ৰ কথা মনত পৰিলে দাসচাৰ, শৰ্মাচাৰ, ফাটোৱালীচাৰ প্ৰমুখ্যে নমস্য শিক্ষা-গুৰু সকললৈ আমাৰ মনত পৰে।

শিক্ষাগুৰু হৰেন্দ্ৰ কুমাৰ দাসদেৱৰ আকস্মিক বিয়োগৰ বাতৰি পাই মৰ্মাহত হৈছিলো। তেখেত আছিল এগৰাকী মৰমিয়াল শিক্ষক, মোৰদেউতাৰ বন্ধু আৰু মোৰ পিতৃসদৃশ। সঙ্গীত সাধনা তেখেতৰ ব্ৰত আছিল আৰু সেইসময়ত সঙ্গীত চৰ্চাৰ ক্ষেত্ৰত দাস চাৰেই সকলোকে অনুপ্ৰেৰণা যোগাইছিল। তেখেতে নিজে গীত ৰচনা কৰি আমাক গাবলৈ দি বৰ আনন্দপাইছিল। তেখেতে অনবৰতে গানৰ কথা কৈ থাকে কাৰণে মাজে মাজে বিৰক্তও হৈছিলো। কিন্তু এই কথা অনস্বীকাৰ্য্য যে তেখেতৰ নেৰানেপেৰা চেষ্টাৰ ফলতেই, উৎসাহ-উদগণিৰ ফলতেই পৰৱৰ্ত্তী-কালত বহুখিনি আগবাঢ়িবলৈ সক্ষম হৈছিলা। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক-এয়েই কামনা কৰিছো।

ৰঙিয়া মহাবিদ্যালয়ত পঢ়ি থকা অৱস্থাতেই মোৰ জীৱনৰ স্মৰণীয় মুহূৰ্ত্তটি আহিছিল যেতিয়া ১৯৬৯ চনৰ ডিচেম্বৰ মাহত পোন প্ৰথমবাৰৰ বাবে অনাতাঁৰ শিল্পী হিচাপে গীত গোৱাৰ সুযোগ পাইছিলো। তাৰ পিছৰ পৰাই প্ৰতিষ্ঠিত কণ্ঠশিল্পী হিচাপে অনাতাঁৰ, H. M. V. কথাছবি, দূৰদৰ্শন আদি বিভিন্ন মাধ্যমৰ যোগেদি নিয়মীয়াভাবে গীত পৰিবেশন কৰাৰ সুযোগ পাই আহিছো।

ৰঙিয়া মহাবিদ্যালয় আমাৰ প্ৰাণৰ অনুষ্ঠান। জীৱন গঢ়াৰ প্ৰেৰণা এই মহাবিদ্যালয়তে লাভ কৰিছিলো। যি সকল শিক্ষাগুৰুৰ অহোপুৰুষাৰ্থ চেষ্টা-যত্নৰ গুণত জীৱনত বাট বুলাৰ আদৰ্শ লাভ কৰিলো--সেইসকল গুণী-জ্ঞানী ব্যক্তি আমাৰ চিৰনমস্য। তেখেতসকলৰ দীৰ্ঘজীৱন, সুখৰজীৱৰ কামনা কৰিছো। কৰ্মব্যস্ত জীৱনৰ অশেষ ব্যস্ততাৰ বাবে তেখেত সকলক লগ পোৱাৰ অদম্য স্পৃহা জাগিলেও লগ ধৰাৰ সুবিধা কৰিব পৰা নাই। অদূৰ ভৱিষ্যতে তেখেতসকলক ব্যক্তিগতভাবে লগ পোৱাৰ আশা ৰাখিছো। শেষত ৰূপালী জয়ন্তী উপলক্ষে সমূহ অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা নিবেদন কৰিছো। +

( অসমৰ যশস্বী কণ্ঠশিল্পী শ্ৰীনীলিমা খাটুন ৰঙিয়াৰ জীয়ৰী আৰু ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী।



# এৰি অহা দিনবোৰৰ টুকুৰা স্মৃতি

শ্ৰীজ্যোতিষ চন্দ্ৰ চৌধুৰী

**ৰঙিয়া কলেজত মোৰ প্ৰথম দিনটো ঃ**

১৯৬৪ চনত ১ আগষ্ট। ৰঙিয়া কলেজৰ অধ্যক্ষ মহোদয়ৰ পৰা নিযুক্তি পত্ৰ পাই আবেলি ৫ বজাত বুৰঞ্জীবিভাগৰ প্ৰবক্তা হিচাপে কামত যোগদান কৰো। সেইদিনাই ৰাজনীতি বিজ্ঞান বিভাগত শ্ৰীৰজতচন্দ্ৰ ডেকাদেৱেও যোগদান কৰে। তেতিয়ালৈকে কলেজৰ নিজা ঘৰ হৈ উঠা নাছিল ; শ্ৰেণীসমূহ নৈশশাখাত ৰঙিয়া হাইস্কুলতে চলি আছে। অলপপৰ পিছতেই বুৰঞ্জীবিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীগোলোকচন্দ্ৰ ভূঞাদেৱে মোক স্নাতক ২য় বাৰ্ষিক শ্ৰেণীলৈ লৈ গৈ পৰিচয় কৰাই দিলে। শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি নাছিল; কিন্তু যি কেইজন উপস্থিত আছিল সেইকেইজনক দেখি-য়েই মোৰ বুকুত ধপধপনি আৰম্ভ হৈছিল। কাৰণ, শ্ৰেণীত উপস্থিত থকা সকলৰ সৰহ সংখ্যকেই আছিল মোৰ সমবয়স্ক বা বয়সত ডাঙৰ। ভূঞাঁদেৱে মোক চিনাকি কৰি দিয়াৰ ঠিক লগে লগে শকত-আৱত ওখ-পাখ এগৰাকী বয়সীয়া ছাত্ৰই গুৰু-গম্ভীৰ কণ্ঠস্বৰেৰে এক-প্ৰকাৰ প্ৰতিবাদৰ সুৰত নতুন শিক্ষক এজনক তেওঁলোকৰ পাঠদানত নিয়োজিত কৰাৰ বিপক্ষে মত ব্যক্ত কৰিলে। ভূঞাঁদেৱে পৰিস্থিতি সাপেক্ষে দুই-এষাৰ কথাকৈ ওলাই গ'ল। মোৰ অৱস্থা সেইসময়ত কেনে হৈছিল এতিয়া হয়তো মই নিজেই বৰ্ণনা কৰিব নোৱাৰিম। কোনোমতে নিজকে চম্ভালি মই উত্তৰ দিছিলো যদি পাঠ-দানত মোৰ অসমৰ্থতা ওলাই পৰে তেতিয়া মই শ্ৰেণীৰ পৰা নিজেই আঁতৰি যাম। সৌভাগ্য-বশতঃ সিদিনাখনেই সেইখিনি ছাত্ৰক মই আপোন কৰি লব পাৰিছিলো আৰু তেওঁলোকৰ পৰা অতি সৌহাৰ্দ্যপূৰ্ণ ব্যৱহাৰ আদায় কৰিবলৈ সমৰ্থ হৈছিলো। পিচলৈ আমাৰ এই সম্পৰ্ক হৈ পৰিছিল অতি মধুৰ, অতি প্ৰাণস্পৰ্শী।

**সেই একাগ্ৰতা আছিল আদৰ্শনীয় ঃ**

ৰঙিয়া কলেজৰ আৰম্ভণি কালৰ বেছিভাগ ছাত্ৰই আছিল শিক্ষক বা অন্যবিভাগৰ কৰ্মচাৰী। সাংসাৰিক দায়িত্বৰ বোজাও অনেকে বহন কৰিব লগা হৈছিল। চাকৰিয়াল ছাত্ৰসকলৰ দৈনন্দিন জীৱন ৰাতিপুৱা ৮ বজামানতে আৰম্ভ হৈছিল। কোনো কোনোৱে দহ-বাৰ মাইল দূৰৰপৰা চাইকেলেৰে আহি চাকৰি কৰিছিল আৰু চাক-ৰিৰ কৰ্মব্যস্ততাৰ অন্তত আবেলি ৫ বজাত কলেজৰ শ্ৰেণীত উপস্থিত হৈছিল। কলেজৰ শ্ৰেণীসমূহ শেষ কৰি ৰাতি ৯ বজাত তেওঁলোকে তেওঁলোকৰ দিনপঞ্জী সমাপ্ত কৰিছিল। এই ছাত্ৰসকল আছিল অতিকৈ মনোযোগী। সাধা-

ৰণ পোছাক-পৰিচ্ছদেৰে, পুহ-মাঘমহীয়া হাড়-কপোৱা শীতকো নেওচি শেষৰ পিৰিয়দলৈ শ্ৰেণীত থাকি সেই ছাত্ৰসকলে অতুলনীয় একাগ্ৰতাৰ পৰিচয় দিছিল। সেইসকল ছাত্ৰৰ একাগ্ৰতাই আমাকো অনুপ্ৰাণিত কৰিছিল। সচাঁকৈয়ে সেই একাগ্ৰতা আছিল আদৰ্শনীয়।

### দৈৱই যেতিয়া সুদৃষ্টি কৰে

১৯৬৭ চনৰ শীতকালৰ কোনো এটি সন্ধিয়াৰ কথা, তাৰিখটো মনত নপৰে। বোধহয় সন্ধিয়া ৭ মান বাজিছিল। বৰ্ত্তমানৰ কলেজ কাৰ্য্যালয় কোঠাটোৰ নিৰ্মাণ কাৰ্য্য চলি আছিল। শ্ৰেণী চলি থকা সময়তেই হওক বা শ্ৰেণী শেষ হোৱাৰ পিচতেই হওক অলপ সময় উলিয়াই দিনটো কামৰ অগ্ৰগতিক বুজ লোৱাটো আমাৰ নিত্য নৈমিত্তিক কৰ্মৰ দৰে হৈ পৰিছিল। নিৰ্মীয়মান কোঠাসমূহৰ ভিতৰত সোমাই অমি ৰঙীন সপোনবোৰ দিঠকত পৰিণত হোৱাৰ সম্ভাৱনা বিচাৰি পাইছিলো।

সেইদিনা কলেজ কাৰ্য্যালয়টোৰ খিৰিকিৰ ওপৰৰ অংশলৈ ইটা গাঁথি মিস্ত্ৰী-বনুৱাসকল গধূলি ঘৰলৈ উভতি গৈছে। আমাৰ অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈ প্ৰমুখ্যে আমি কেবাজনে কামৰ অগ্ৰগতি চাই আহি আহি কাৰ্য্যালয়ৰ কোঠাটোৰ নিৰ্মাণকাৰ্য্য চলাবলৈ সোমাইছো। লগে লগে পোহৰ দেখুৱাই আহিছে শ্ৰীদৈব্যৰাম কলিতাই। কোঠাবোৰৰ বাৰান্দাৰ কোনো কাম তেতিয়া হোৱা নাছিল। সমূখৰ ফালে প্ৰায় ৩।৪ ফুট দ খাৱৈৰ দৰে। অস্থায়ীভাবে পাৰি দিয়া ইটাৰ চিৰিৰে উঠা-নমাৰ ব্যৱস্থা কৰা হৈছিল। কোঠাৰ ভিতৰতো সম্পূৰ্ণকৈ মাটি পূৰোৱা হোৱা নাছিল। আমি সকলোটিয়ে ভিতৰলৈ গৈ কাম চাই এজন এজনকৈ ওলাই আহিছো। বৰদলৈদেৱ আছিল ঠিক মোৰ আগে আগে। হঠাৎ কি ঘটিল কোনোৱে তৰ্কিবই নোৱাৰিলে। মই মাত্ৰ দেখিলো কিছুসময় আগেয়ে গাঁথি থৈ যোৱা ইটাৰ দেৱালখন হালি আহিছে। সম্ভৱতঃ বৰদলৈদেৱে সদ্যনিৰ্মিত ইটাৰ দেৱালখনক আশ্ৰয় কৰি নামি আহিব খুজিছিল। মই জোৰেৰে চিঞৰি দিলো ; কিন্তু ফল একো নধৰিলে। মুহূৰ্ত্তৰ ভিতৰতে দেৱালৰ ইটাবোৰে বৰদলৈদেৱক বগৰাই পেলালে আৰু ইটাবোৰে মানুহজনক প্ৰায় ঢাকি ধৰিলে। আমি ততাতৈয়াকৈ ইটাবোৰ আঁতৰ কৰি দিয়াত তেখেতে উঠি বহিল আৰু কেনেকৈ এই ঘটনা ঘটিল জানিব বিচাৰিলে। শৰীৰৰ বিভিন্ন ঠাইত আঘাত পোৱা স্বত্ত্বেও বৰদলৈদেৱ প্ৰফুল্লিত হৈয়েই আছিল। আঘাত অৱশ্যে গুৰুতৰ বিধৰ নাছিল। সোনকালেই তেখেত সুস্থ হৈ উঠিছিল। ইয়াক কিন্তু দৈৱৰ কৃপা বুলি ভাবিবলৈহে মন যায়।

### প্ৰকৃতিয়ে যেতিয়া তাণ্ডৱনৃত্য দেখুৱায়

১৯৭৫ চনৰ ১৫ এপ্ৰিল, বহাগৰ ৰবিহুৰ দিনাখনৰ মাজৰাতি। হো হো, গো গো শব্দেৰে প্ৰবলগতিত বতাহ বলিছিল। প্ৰকৃতিৰ তাণ্ডৱ, গভীৰ নিদ্ৰাত থকা মানুহৰ টোপনি বিঘ্নিত কৰা প্ৰলয়ঙ্কৰী বতাহ। বাহিৰলৈ ওলাই চোৱাৰ সাহস হোৱা নাছিল। নিমিষতে গছ-গছনি, ঘৰ-দুৱাৰ ভাঙি-ছিঙি-মোহাৰি লণ্ডভণ্ড কৰি পেলালে। তাৰপিচত ধাৰাসাৰ বৰষুণ। ৰাতিপুৱাই আমাৰ বাবে দুখৰ বাতৰি কঢ়িয়াই আনিছিল কলেজৰ চকিদাৰ মণিলালে। বতাহে কলেজৰ আটাইকেইটা গৃহৰ চালৰ টিনপাত উৰুৱাই নিছে। খবৰ পোৱাৰ পিচত আমি কলেজলৈ গলো। যিয়ে য'তে খবৰ পালে তেনেকৈয়ে কলেজলৈ পোনালে। গৈ দেখিলো কলেজ গৃহৰ প্ৰায় আটাইবোৰ টিন বতাহে উৰুৱাই নিছে আৰু ঘৰবোৰ নঙঠা ৰূপ ধাৰণ কৰিছে। কলেজগৃহৰ পুৱফালৰ মুকলি ঠাইত টিনপাতবোৰ অ'ত ত'ত সিচঁৰিত হৈ পৰি আছে। আনকি ৰেললাইনৰ পূৱৰ পথাৰতো কিছু টিনপাত পৰি আছে। বিশ্বাস কৰিবলৈ টান লাগে যদিও সচাঁ যে চকিদাৰ মণিলালৰ বাসগৃহৰ টিনৰ চালিখন কাঠেৰে সৈতে উৰুৱাই নি পূৱৰ বাঁহনিত ওলোমাই থৈছিল। টিনপাতবোৰ বিচাৰি অ'ৰ ত'ৰ পৰা বুটলি আনি কলেজ চৌহদত দমাই থোৱা হৈছিল ; সৰহভাগ টিনেই কিন্তু ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছিল। কিছুমান টিনৰ অৱস্থা দেখি এনে লাগিছিল যেন তিতা কাপোৰৰ পৰা পানী চেপি উলিয়াবলৈহে পকোৱা হৈছে। শিক্ষক-ছাত্ৰৰ সন্মিলিত উদ্যোগত দিনটোৰ ভিতৰতে কলেজ চৌহদৰ পৰা প্ৰায় এক-কিলোমিটাৰ পৰিধিৰ বিস্তৃত অঞ্চলত সিচঁৰিত হৈ থকা টিনপাতবোৰ একত্ৰিত কৰি ৰখাৰ ব্যৱস্থা সম্পূৰ্ণ হৈ উঠিছিল। গোটেই নিশা অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈদেৱৰ নেতৃত্বত ছাত্ৰ-শিক্ষকৰ এটা দলে ভজন-কীৰ্ত্তন কৰি বয়বস্তুবোৰৰ পহৰাৰ ব্যৱস্থা কৰিছিল।

ধুমুহাৰ এই অভাবনীয় ধ্বংসলীলাৰ ফলস্বৰূপে আমাৰ কলেজৰ শৈক্ষিক জীৱনত এক বিৰাট অচলাৱস্থাৰ সৃষ্টি হৈছিল। শ্ৰেণীসমূহ চলাই ৰখা টান হৈ পৰিছিল। নানা বুদ্ধি-ভৰষাৰ মাজেৰে বুজন পৰিমাণৰ অৰ্থব্যয়ৰ বিনিময়ত কোঠাবিলাক পাঠদানৰ উপযোগীকৈ পুনৰ নিৰ্মাণ কৰি উলিওৱা হৈছিল। অসম চৰকাৰৰ শিক্ষামন্ত্ৰী মহোদয়ে নিজেই ক্ষয়-ক্ষতিৰ বুজ লৈ চৰকাৰী সাহায্যৰ বাবে plan and estimate পঠাবলৈ কৈ গৈছিল। যথাসময়ত উপযুক্ত কৰিকৰী বিশেষজ্ঞৰ অনুমোদন সাপেক্ষে plan and estimate পঠোৱা হৈছিল। সেয়া বোধহয় ফাইল শুৱনি হৈয়েই থাকি গ'ল ; সাহায্য দিয়াৰ প্ৰয়োজন চৰকাৰে বোধ নকৰিলে হয়তো। +

(শ্ৰীজ্যোতিষচন্দ্ৰ চৌধুৰীদেৱ ৰঙিয়া মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক। অধ্যাপনাৰ উপৰিও কলেজখনৰ বিভিন্ন দিশত তেখেতে নিষ্ঠাৰে সেৱা আগবঢ়াই আছে।)

জীৱনৰ অতি গভীৰতম সত্যসমূহ জানিব পাৰি মাত্ৰ স্বজ্ঞাতবোধ বা প্ৰজ্ঞাৰ দ্বাৰাহে।

—ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণন।

গ্ৰন্থাগাৰ হ'ল জ্ঞানৰ ভঁৰাল। মনীষী সকলে জীৱন ব্যাপী আহৰণ কৰা জ্ঞান পুথি বা কিতাপৰ আকাৰত সংগৃহীত হৈছে। এই জ্ঞানৰ সংকলন বা পুথিসমূহ থুপখাই থকা ঘৰটোৱে হ'ল পুথিভঁৰাল বা গ্ৰন্থাগাৰ। গ্ৰন্থাগাৰ হ'ল শিক্ষানুষ্ঠানৰ কেন্দ্ৰবিন্দু আৰু উচ্চ শিক্ষা আহৰণৰ পথ প্ৰদৰ্শক। আৱশ্যকীয় গ্ৰন্থসমূহ সংগ্ৰহ কৰি আনি উপযুক্ত পঢ়ুৱৈৰ হাতত দিব পৰাটোৱে হ'ল গ্ৰন্থাগাৰৰ মূল উদ্দেশ্য।

# ৰঙিয়া মহাবিদ্যালয় গ্ৰন্থাগাৰ

শ্ৰীবীৰেন্দ্ৰ শৰ্মা

মহাবিদ্যালয় এখন স্থাপন কৰাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ ভৰ্তিকৰণ আৰম্ভ হয়। ইয়াৰ লগে লগে গ্ৰন্থাগাৰৰ আৱশ্যকতা আহি পৰে। ৰঙিয়া মহাবিদ্যালয় আৰম্ভ কৰাৰ লগে লগে বিভিন্ন শিক্ষাপ্ৰেমী মানুহৰ দান-বৰঙণিৰে মহাবিদ্যালয়ত গ্ৰন্থাগাৰ এটা আৰম্ভ কৰা হয়। ইয়াৰ পিচৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সংগৃহীত ধনেৰে (Library fee) বছৰে বছৰে কিতাপ কিনোতে যোৱা ২৫-২৬ বছৰত গ্ৰন্থগাৰৰ আকাৰ বাঢ়িল। কৰ্মচাৰীৰ সংখ্যাও বাঢ়িল। বাঢ়িল পঢ়ুৱৈ সমাজ, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সংখ্যা।

ৰঙিয়া মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো বৰ্ত্তমান ২৩,০০০ বিভিন্ন ধৰণৰ গ্ৰন্থেৰে সমৃদ্ধ। ৪০০০ বিভিন্ন ধৰণৰ আলোচনী আছে। ১৯৮৩-৮৪ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ গ্ৰন্থাগাৰ উন্নয়নৰ বাবে দিয়া এটা অনুদানৰ পৰাই ৰঙিয়া মহাবিদ্যালয় গ্ৰন্হাগাৰ গুণগত ভাবে কিছু সমৃদ্ধ হয়। গ্ৰন্হাগাৰত বৰ্তমানে বিভিন্ন বিষয়ৰ ৬টা বিশ্বকোষৰ চেট্, কিছুমান আপুৰুগীয়া গ্ৰন্হ আৰু কেইবাগৰাকী মনীষীৰ ৰচনাৱলী সমূহ সংগ্ৰহ কৰা হৈছে। তথ্য বিজ্ঞানৰ ক্ষিপ্ৰ সম্প্ৰসাৰণ আৰু গ্ৰন্হাগাৰ পৰিচালনাৰ বিজ্ঞান সন্মত পদ্ধতিৰ আধুনিক বিকাশৰ পৰিপ্ৰেক্ষিতত ৰঙিয়া মহাবিদ্যালয়ৰ গ্ৰন্হাগাৰ সেৱাৰ উন্নয়নৰ বাবে কিছু আধুনিক সৰঞ্জাম অনা হয়।

**পাঠ্য পুথি সংগ্ৰহ পদ্ধতি ঃ—** অসমৰ উচ্চ শিক্ষাৰ সঞ্চালক মহোদয়ৰ নিৰ্দেশক্ৰমে ৰঙিয়া মহাবিদ্যালয়ৰ গ্ৰন্হাগাৰ উন্নয়নৰ বাবে এটা গ্ৰন্হাগাৰ উন্নয়ন সমিতি গঠিত হৈছে। এই সমিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ সভাপতি আৰু গ্ৰন্হাগাৰিকজন পদেন সচিব, মহাবিদ্যালয়ৰ হিচাব ৰক্ষক জন আৰু কেইজনমান অভিজ্ঞ অধ্যাপকক সদস্য হিচাবে মনোনীত কৰা হয়। উন্নয়নৰ কাৰণে সকলো কাম-কাজ এই সমিতিৰ উপদেশ ক্ৰমে কৰা হয়। ৰঙিয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ অৰ্থনৈতিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰেণীৰ পাঠ্যক্ৰমত অনুমোদিত গ্ৰন্হসমূহ (Text book) কিনাৰ প্ৰতি বিশেষ চকু ৰখা হয়। প্ৰসঙ্গ পুথি সংগ্ৰহৰ ক্ষেত্ৰতো গ্ৰন্হাগাৰটো দুৰ্বল নহয়।

**অধ্যয়ন কক্ষ ঃ—** ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ বাবে অধ্যয়ন কক্ষত কেইবাখনো বাতৰি কাকত



আৰু আলোচনী ৰখা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ সংখ্যাৰ অনুপাতত অধ্যয়ন কক্ষটো তেনেই সৰু হৈছে। মাত্ৰ কেইজনমান ছাত্ৰ-ছাত্ৰীয়েহে বহিবলৈ আসন পায়। গ্ৰন্হাগাৰত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ প্ৰতি লক্ষ্য কৰিলে পঢ়া-শুনাৰ প্ৰতি এওঁলোকৰ আগ্ৰহ বাঢ়িছে যেন অনুমান হয়।

**গ্ৰন্থাগাৰ সেৱা ঃ—** গ্ৰন্হাগাৰৰ উন্নতিৰ প্ৰকৃত জোখ গ্ৰন্হাগাৰৰ সেৱাৰ মানদণ্ডতহে, গ্ৰন্হাগাৰ ভৱনৰ আকাৰ, সৌন্দৰ্য্য আৰু জখে-মধে সংগ্ৰহ কৰা বিৰাট আকাৰৰ গ্ৰন্হসম্পদত নহয়। পাঠকসকলৰ চাহিদা পূৰণৰ সন্তুষ্টি আৰু উপকৃত হোৱাৰ পৰিমাণেহে গ্ৰন্হাগাৰৰ মানদণ্ড নিৰ্দ্ধাৰণ কৰে। গ্ৰন্হাগাৰিক সেৱাৰ গুণৰ ওপৰত গ্ৰন্হাগাৰৰ উন্নতি সম্পূৰ্ণৰূপে নিৰ্ভৰশীল। বৰ্তমানৰ চাহিদা আৰু ভৱিষ্যতৰ চাহিদা অনুসৰি গ্ৰন্হাগাৰত নিৰ্বাচিত কিতাপ সংগ্ৰহ কৰি সময়মতে উপযুক্ত পাঠকৰ হাতত দিব পৰা আৰু গ্ৰন্থাগাৰৰ সেৱাৰ দ্বাৰাই অধ্যয়ন বিমুখ ছাত্ৰ-ছাত্ৰী/ব্যক্তিসকলক নিয়মিত পাঠক-ৰূপে গঢ়ি তোলা আধুনিক গ্ৰন্থাগাৰিকৰ কৰ্তব্য হ'ব লাগে।

ৰঙিয়া মহাবিদ্যালয়ত প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীক দুখনকৈ কাৰ্ড দিয়া হয়। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে দুখনকৈ কিতাপ ল'ব পাৰে। মেজৰ বিষয়ে থকা ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ সুবিধা আছে। ইয়াৰ উপৰিও আগ্ৰহী ছাত্ৰ-ছাত্ৰীক কিতাপ, আলোচনী আদি একোটা নিৰ্দিষ্ট সময়ৰ বাবে ঘৰলৈ নিবলৈ দিয়া হয়। অনুসূচিত জাতি/ভৈয়াম জনজাতি, মেধাবী ছাত্ৰ-ছাত্ৰী আৰু অতিশয় দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে গ্ৰন্থাগাৰৰ পৰা বিশেষ সহায় দিয়া হয়। মহা-বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অঞ্চলটোৰ অধ্যয়নশীল ব্যক্তিসকলৰ দুই চাৰি জনে মহা-বিদ্যালয়ৰ কৰ্তৃপক্ষৰ অনুমতি সাপেক্ষে এই গ্ৰন্থগাৰটোৰ পৰা সহায় সহযোগ পাই আহিছে। এইদৰে দেখা যায় ৰঙিয়া মহাবিদ্যালয়ৰ গ্ৰন্থা-গাৰটোৱে ৰঙিয়া অঞ্চলত এটা বৌদ্ধিক পৰিৱেশ সৃষ্টি কৰাত কিছুপৰিমাণে অৰিহণা যোগাই আহিছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-সকলৰ তুলনাত গ্ৰন্থাগাৰত কৰ্মচাৰীৰ সংখ্যা কম হৈছে। আৱশ্যক অনুযায়ী কৰ্মচাৰী নাথা-কিলে গ্ৰন্থাগাৰ সেৱা সুবিধাজনকভাৱে দিব পৰা নাযায়।

বৰ্তমান শিক্ষা পদ্ধতি আৰু বিশ্ববিদ্যালয় পৰীক্ষা পদ্ধতি পাঠ্যক্ৰম মুখী হলেহে গ্ৰন্থ অধ্যয়ণ আৰু গ্ৰন্থাগাৰৰ চাহিদা বৃদ্ধি হ'ব বুলি আশা কৰিব পাৰি। শ্ৰেণীত শিক্ষাদান পদ্ধতি কিতাপ আলোচনী ভিত্তিক আৰু গ্ৰন্থাগাৰ কেন্দ্ৰীক কৰি গঢ়ি তুলিব পাৰিলে বৰ্তমান অতি উদ্বেগ-জনকভাবে অৱনমিত হৈ অহা শিক্ষাৰ মানদণ্ড কিছু উন্নত হ'ব বুলি আশা কৰিব পাৰি।

**কৰ্মচাৰীঃ-** ৰঙিয়া মহাবিদ্যালয়ৰ আৰম্ভণীৰ পৰাই শ্ৰীআকলু কলিতাই এগৰাকী প্ৰবক্তাৰ তত্ত্বাৱধানত গ্ৰন্থাগাৰ পৰিচালনা কৰিছিল। ইয়াৰ পিচত গ্ৰন্থাগাৰ পৰিচালনাৰ বিজ্ঞান সন্মত পদ্ধতিৰ আধুনিক বিকাশৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়ত গ্ৰন্থাগাৰ বিজ্ঞানত প্ৰশিক্ষণ প্ৰাপ্ত গ্ৰন্থাগাৰিক এজনৰ আৱশ্যক হ'ল। সেয়েহে ১৯৭৭ চনত শ্ৰীনৰেন্দ্ৰ নাথ লহকৰ এই গ্ৰন্থাগাৰৰ প্ৰথমজন গ্ৰন্থাগাৰিক হিচাবে নিযুক্ত হয়।

মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰটো উচ্চ মানবিশিষ্ট হলেহে মহাবিদ্যালয়ৰ লগতে অঞ্চলটোৰ বৌদ্ধিক উৎকৰ্ষ সাধন হব বুলি আশা কৰিব পাৰি। গ্ৰন্থাগাৰৰ উচ্চ মানদণ্ডৰ প্ৰতি কৰ্তৃপক্ষ আৰু জনসাধাৰণ সচেতন হোৱাৰ আৱশ্যক। এই ক্ষেত্ৰত কোঠাৰী শিক্ষা আয়োগ (১৯৬৪-৬৬) ৰ পৰা পৰামৰ্শৱলী উল্লেখ কৰিব পাৰি।

"Nothing could be more damaging to a University/College/department than to neglect the library or to give it a low Priority ; on the contrary the library should be a more important centre of attraction in the college or university campus."

মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটোৰ উত্তৰোত্তৰ বিকাশ কামনা কৰি আমাৰ বক্তব্য এইখিনিতে সামৰিলোঁ। +

(শ্ৰীবীৰেন্দ্ৰ শৰ্মা আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক। তেখেতে বৰ্তমানে সদৌ অসম মহাবিদ্যালয় গ্ৰন্থাগাৰিক সন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্বও বহন কৰি আছে।)

স্থবিৰতাই মৃত্যু, নিৰ্বিকাৰতাই জড়তা। ভীৰুতা নিস্তেজণ, অৱসন্নতাৰেই নামান্তৰ। চেতনা, অচেতনাত লীন যোৱা সময়েই চৰম সংকট, চৰম দুৰ্যোগৰ সময়। সামাজিক দৃষ্টিকোণৰ পৰা ব্যক্তিৰ চেতনা যেতিয়া জড় হয়, স্থবিৰ হয়, নিৰ্বিকাৰ হয়, ভীৰু হয়, সমষ্টিৰ জীৱনলৈ তেতিয়াই আহে মৃত্যু। জাতি একোটাক নিশ্চিহ্ন কৰিবৰ বাবে জাতীয় চেতনা অৱবিলুপ্ততকৈ ডাঙৰ ভয়াবহতা আৰু আন একো নাই।

—নিৰ্মলপ্ৰভা



# ৰঙিয়া মহাবিদ্যালয় আলোচনী ঃ এটি সমীক্ষা

**অধ্যাপক শ্ৰীনৰেন্দ্ৰ কলিতা**

ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশত এক অনবদ্য অৱদান যোগাই আহিছে মহাবিদ্যালয়-আলোচনী সমূহে। কিয়নো সাহিত্য সৃষ্টিৰ পাতনি হ'ল আলোচনীবোৰ। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ ঘটে; লগতে বহুতো দিশত প্ৰেৰণা পায়। মহাবিদ্যালয় আলোচনী এখনক সাহিত্যৰ এক অন্যতম অঙ্গ বুলি ক'ব লাগিব। স্বৰূপাৰ্থত ক'বলৈ গ'লে মহাবিদ্যালয় আলোচনী ছাত্ৰ-ছাত্ৰীৰ এক আপুৰুগীয়া সম্পতি। ইয়াত থাকে পৈণত মনৰ গভীৰ জ্ঞান। মহাবিদ্যালয় আলোচনীৰ পৰা যে অকল ছাত্ৰ-ছাত্ৰীয়েই উপকৃত হয় সেইয়া নহয়। ইয়াৰ পৰা অধ্যাপক-অধ্যাপিকা তথা পাঠক-পাঠিকা সকলেও উপকৃত হ'ব পাৰে।

বৰ্ত্তমানলৈকে ৰঙিয়া মহাবিদ্যালয়ৰ যোলখন আলোচনী প্ৰকাশ পাইছে আৰু প্ৰত্যেকখন আলোচনীৰে একোটিকৈ চমু সমীক্ষা দাঙি ধৰা হ'ল।

ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ প্ৰথম সংখ্যা প্ৰকাশ হয় ইং ১৯৬৬-৬৭ চনত। পাঁচটা প্ৰবন্ধ আধা ডজন কবিতা, চাৰিটা গল্প আৰু হৃদয়গ্ৰাহী সম্পাদকীয় সহ এই আলোচনীখনে ৰঙিয়া মহাবিদ্যালয়ৰ সাহিত্যৰ দিশত এক উজ্বল ভবিষ্যতৰ ইঙ্গিত বহন কৰিছে। ৰঙিয়া মহাবিদ্যালয়ৰ বৰ্ত্তমানৰ অধ্যক্ষ মাননীয় নীলকান্ত মহন্তদেৱ তেতিয়া অধ্যাপক হিচাপে তত্বাৱধান কৰা এই আলোচনীখনৰ সম্পাদক শ্ৰীপৰমেশ শৰ্মাই শক্তিশালী সম্পাদকীয় প্ৰবন্ধত লিখিছে, "আজিৰ অসমীয়াই শুই থাকিবৰ সময় নহয় এতিয়া। জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ অসম আৰু অসমীয়াৰ স্বাৰ্থৰ হকে মাত মাতিবৰ বাবে প্ৰতিজন অসমীয়া সাজু হবৰ হ'ল।" অধ্যাপক শ্ৰীনীলকান্ত মহন্ত, শ্ৰীলক্ষ্মীকান্ত শৰ্মা, শ্ৰীগোপী ৰাম কুমাৰ আদিয়ে বিভিন্ন বিষয় বস্তুৰ ওপৰত লিখা প্ৰৱন্ধ কেইটিয়ে এই প্ৰথম সংকলনটিক স্বকীয় মৰ্যদা দান কৰিছে। আনহাতে, সৰ্ব্বশ্ৰীমীৰা শৰ্মা, নীলিমা খাতুন, হিত ৰাম চহৰীয়াই লিখা কবিতাত কবিসকলৰ নিভৃতকোণত অনুৰণিত হোৱা ভাৱাবেগৰ মুক্তপ্ৰকাশ হৈছে। শ্ৰীৰত্নধৰ শৰ্মাৰ গল্পত পাঠক-পাঠিকাৰ মন মুহিব পৰা এটা নিজস্ব ভঙ্গী আছে। শ্ৰীহিৰণ্য চৌধুৰীয়ে "লটি-ঘটি" নামৰ এখনি খুহুতীয়া একাঙ্কিকা লিখিছে। ইংৰাজী বিভাগত থকা অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈ, শ্ৰীহৰেণ চন্দ্ৰ ডেকা, অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ গোস্বামী, অধ্যাপক আব্দুল আলীৰ প্ৰৱন্ধত সচাঁকৈয়ে বিস্তৃত জ্ঞান আৰু সুক্ষ্ম পৰ্য্যালোচনা শক্তিৰ পৰিচয় পোৱা গৈছে। এই সংখ্যা আলোচনীৰ বেটুপাতৰ শিল্পী হৈছে শ্ৰীমনোৰঞ্জন বৰুৱা

এই তাপৎৰ্য্যপূৰ্ণ বেটুপাতটিয়ে আলোচনীখনৰ সৌন্দৰ্য্য বাৰুকৈয়ে বঢ়াই তুলিছে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে, তেতিয়া আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ নাম "ৰঙিয়া কলেজ আলোচনী" আছিল। ইং ১৯৮৬ চনতহে "ৰঙিয়া মহাবিদ্যালয় আলোচনী" বুলি নামাকৰণ কৰা হয়।

ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ ২য় সংখ্যা প্ৰকাশিত হয় ইং ১৯৬৭-৬৮ চনত। এই সংখ্যাৰ তত্বাৱধায়ক, সম্পাদক আৰু বেটুপাত অঙ্কন কৰোঁতা আছিল ক্ৰমে অধ্যাপক, শ্ৰীচফিউদ্দিন আহমেদ, শ্ৰীবিভবা ভট্ট আৰু শ্ৰীমনোৰঞ্জন বৰুৱা। মহাবিদ্যালয়ৰ ভূতপূৰ্ব্ব সভাপতি ৺সিদ্ধিনাথ শৰ্মা দেৱৰ নামত অৰ্পণ কৰা এই আলোচনীখনৰ অসমীয়া বিভাগত প্ৰবন্ধ পাঁচটা, কবিতা আধা ডজন আৰু গল্প তিনিটা আছে। তেতিয়াৰ অধ্যাপক শ্ৰীনীলকান্ত মহন্তদেৱে "আত্ম-বোধ" নামেৰে এটা অগতানুগতিক প্ৰবন্ধ লিখি আলোচনী খনৰ সৌষ্ঠৱ বৃদ্ধি কৰে। বাকী প্ৰৱন্ধ গল্প কবিতাকেইটিও উপভোগ্য হৈছে। ইংৰাজী শিতানত প্ৰয়োজনীয় প্ৰৱন্ধ, কবিতা সামৰি লোৱা দেখা গৈছে। তাৰে ভিতৰত অধ্যাপক সৰ্ব্বশ্ৰীভবেন্দ্ৰ নাথ ডেকা, আব্দুল আলী, ৰজত ডেকা, হীৰেন্দ্ৰ নাথ শৰ্মা, শ্ৰীশৰৎ শৰ্মা, জালালুদ্দিন আহমেদ স্বপ্না ৰয় আদিৰ সাহিত্য-কৃতিয়ে সোণত সুৱগা চৰাইছে।

অধ্যাপক শ্ৰীহৰি নাথ শৰ্মাৰ তত্বাৱধানত শ্ৰীবাণেশ্বৰ শৰ্মা সম্পাদিত ইং ১৯৬৯-৭০ চনত প্ৰকশিত ৰঙিয়া মহাবিদ্যালয়–আলোচনীৰ তৃতীয় নিবেদনৰ বিশেষত্ব আছিল আলোক-চিত্ৰ সন্নিবিষ্ট কৰাটো। বিভিন্ন পৰিবেশত "সহজ সৰল গাঁৱৰ জীৱন, খন্তেক বৈ চাবা", "কহিমাৰে আধুনিকা ডালিমী", "সন্ধিয়াৰ আকাশত আদি বিষয় বস্তু তথা নামাকৰণেৰে ছপা কৰা চিত্ৰ সমূহ আকৰ্ষণীয় হৈছে। এই সংখ্যা আলোচনীৰ অসমীয়া বিভাগত থকা গল্প, কবিতা, প্ৰবন্ধ আদি উন্নত যদিও আৰু অলপ চেষ্টা কৰিলে অধিক উন্নত কৰাৰ থল আছিল। ইংৰাজী বিভাগত থকা শ্ৰীশৰৎ শৰ্মা, অধ্যাপক শ্ৰীৰজত চন্দ্ৰ ডেকাৰ কবিতা আৰু অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ গোস্বামীৰ "Educational reform : a personal review" নামৰ প্ৰবন্ধটো সুখ-পাঠ্য হৈছে। ছাত্ৰ আৰু ৰাজনীতি, ছাত্ৰ জীৱনৰ ওপৰত লিখা সম্পাদকীয় সাহিত্যমোদী তথা ছাত্ৰ-ছাত্ৰীৰ কাৰণে অতীব প্ৰয়োজন হোৱা বুলি স্বীকাৰ কৰিব লাগিব। ইং ১৯৬৮-৬৯ চনৰ আলোচনীৰ দৰেই বেটুপাত দিয়া হৈছে।

ইং ১৯৭১-৭২ চনত ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ চতুৰ্থ সংখ্যা প্ৰকাশিত হয়। তত্বাৱধায়ক আছিল অধ্যাপক শ্ৰীহৰেন্দ্ৰ নাথ শৰ্মা আৰু সম্পাদক আছিল শ্ৰীৰূপচাঁদ আলী। অসমীয়া বিভাগৰ অন্তৰ্গত অধ্যাপক শ্ৰীহৰেন্দ্ৰ নাথ শৰ্মা, শ্ৰীত্ৰৈলোক্য নাথ শৰ্মা, ৰফিকুদ্দিন আহমেদৰ সমালোচনা মূলক প্ৰৱন্ধকেইটা তত্বগধুৰ হৈছে। আক্ৰাম হুছেইনৰ গল্পটো ভাল হৈছে। ইয়াত সন্নিবিষ্ট কবিতাকেইটিৰ আটাইকেইটিয়ে কবিতাৰ শাৰীত স্থান দিব পৰা হোৱা নাই। গল্পকেইটিয়ে পাঠক-পাঠিকাৰ মনৰ খোৰাক দিব পাৰিব। প্ৰাক্তন ছাত্ৰ শ্ৰীগনেশচন্দ্ৰ নাথে বেটুপাত অঙ্কন কৰিছে। অৱশ্যে বেটুপাত উপস্থাপন সময়োপযোগী হৈছে। ইংৰাজী বিভাগত থকা প্ৰৱন্ধ আৰু কবিতা সমূহৰ মানদণ্ড উন্নত হৈছে।

ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ পঞ্চম সংখ্যা প্ৰকাশিত হৈছিল ইং ১৯৭৩-৭৪ চনত। সম্পাদক শ্ৰীৰমেশ মহন্ত আৰু তত্বাৱধায়ক আছিল অধ্যাপক শ্ৰীভবেন্দ্ৰ নাথ ডেকা। এইখন আলোচনীলৈ ভাৰতৰ ৰাষ্ট্ৰপতি ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে "শুভেচ্ছা বাণী" পঠাইছিল। এই আলোচনী



খনতো অসমীয়া আৰু ইংৰাজী দুয়োটা বিভাগেই আছে। ৰূপচাঁদ আলীৰ "আধুনিক অসমীয়া কবিতা", অধ্যাপক ডঃ আফজাল আহমদৰ "আৰবী সাহিত্যত নতুন গতিধাৰা", অধ্যাপক ৺নিৰঞ্জন তালুকদাৰ "শূদ্ৰকৰ 'মৃচ্ছকটিকা'ত সমাজ ব্যৱস্থা" আৰু অধ্যাপক শ্ৰীনৰেন্দ্ৰ কলিতাৰ "দুৱৰাৰ 'বন ফুল'ত আশাবাদৰ ৰেঙনি" নামৰ সমালোচনামূলক প্ৰৱন্ধ সমূহৰ মানদণ্ড উচ্চ হৈছে। শ্ৰীমুকুল কলিতাৰ গল্প "হেমামালিনীৰ ভেম" বেয়া হোৱা নাই। শ্ৰীবিবেকানন্দ অধিকাৰীৰ কবিতা "মই জিৰাব খুজিছিলোঁ যত/সেয়া তোমাৰ শীতল ছায়া"––অতি প্ৰাণস্পৰ্শী হৈছে। ৺বিনন্দ ডেকা, প্ৰীতি কলিতা, অনিমা ঠাকুৰীয়াৰ কবিতাও ইয়াৰ ব্যতিক্ৰম হোৱা নাই। ইংৰাজীত লিখা শ্ৰীঅলকেশ বৈশ্য, অধ্যাপক শ্ৰীহীৰেন্দ্ৰ নাথ শৰ্ম্মাৰ প্ৰৱন্ধ চমু অথচ বেছ উপাদেয় হৈছে। বেটুপাত অঙ্কণ কৰি দিছে শিল্পী শ্ৰীপ্ৰদীপ দত্তই। এই সংখ্যা আলোচনী ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰী চণ্ডীকা শৰ্মাৰ অকাল বিয়োগৰ সোঁৱৰণত উৎসৰ্গা কৰিছে।

ভাৰতৰ ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলী আহমেদে ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ ৬ষ্ঠ সংখ্যালৈ পঠোৱা "শুভেচ্ছাবাণী" সহ আলোচনীখন প্ৰকাশ হয় ইং ১৯৭৪-৭৫ চনত। তত্বাৱধায়ক আছিল অধ্যাপক শ্ৰীযোগেন্দ্ৰ নাথ পাঠক। সম্পাদনা কৰিছিল শ্ৰীভূপেন কাকতিয়ে। একাধিক ৰঙেৰে ৺বিনন্দি ডেকাই অঙ্কণ কৰা বেটুপাত দেখনিয়াৰ হৈছে। শ্ৰীঅনন্ত কুমাৰ ডেকাৰ "সমাজ আৰু সংঘৰ্ষ" নামৰ প্ৰৱন্ধটোত চিন্তাৰ খোৰাক যথেষ্ট আছে। অধ্যাপক শ্ৰীফাইয়াজুল হকে "পবিত্ৰ কোৰ আনৰ, সাহিত্যিক তাৎপৰ্য্য"ৰ ওপৰত লিখিছে। এই সংখ্যা আলোচনীত পোন প্ৰথমবাৰৰ বাবে দুটা গল্পত ৰাখ্যা চিত্ৰ দিয়া হৈছে। গল্প কেইটা গতানুগতিকতাৰ চাৰি বেৰৰ মাজতে সীমাবদ্ধ। চফিদা বেগম, প্ৰীতি কলিতা, অৰ্পণা দত্ত প্ৰতুল কুমাৰ শৰ্মাৰ কবিতাসমূহক অৰ্দ্ধ প্ৰস্ফুটিত ফুলৰ লগত ৰিজাব পাৰি,––য'ত সম্ভাৱনা লুকাই আছে। সম্পাদক শ্ৰীকাকতিয়ে স্বাধীনোত্তৰ যুগৰ শ্ৰেষ্ঠ কবি-আৰু উপন্যাসিক শ্ৰীনৱকান্ত বৰুৱাদেৱৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি এই আলোচনীখনত প্ৰকাশ কৰিছে। এই সাক্ষাৎকাৰটিৰ দ্বাৰা পঢ়ুৱৈ সমাজ বিশেষকৈ কলেজীয়া শিক্ষাৰ্থীসকল উপকৃত হব বুলি ভৰসা কৰিব পাৰি। ইংৰাজী শিতানৰ অন্তৰ্ভুক্ত অধ্যাপক শ্ৰীৰজত ডেকাৰ "An archaic Travel : Free at last" নামৰ কবিতা, শ্ৰীঅলকেশ বৈশ্য, অধ্যাপক শ্ৰীহৰি শৰ্মা, অধ্যাপক শ্ৰীভবেন্দ্ৰ নাথ ডেকা, অধ্যাপক শ্ৰীঅমৰেন্দ্ৰ শৰ্মাই লিখা প্ৰৱন্ধই সুনাম অৰ্জ্জনত সহায় কৰিছে।

ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ ইতিহাসত এক অনবদ্য সংযোজন হ'ল ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ সপ্তম সংখ্যা (ইং ১৯৭৫-৭৬ চন)। সম্পাদনা কৰিছে শ্ৰীপ্ৰতুল কুমাৰ শৰ্মাই। তত্বাৱধায়কৰ দায়িত্ব বহন কৰিছে অধ্যাপক শ্ৰীঅমৰেন্দ্ৰ কুমাৰ শৰ্মাই। আলোচনীখনৰ অন্যান্য দিশৰ লগৰ মিলালে বেটুপাতটো তেনেই নিষ্প্ৰভ যেন লাগে। অৰ্থাৎ লিখনি ৰাখ্যা চিত্ৰ আদিৰ সৈতে তুলনা কৰি বেটুপাতটো শিল্পী শ্ৰীঅৰূপ মজুমদাৰে আৰু উন্নত কৰিব পাৰিলেহেঁতেন। শ্ৰীগিৰীশ কলিতাৰ ব্যাখ্যা চিত্ৰ সমূহ অতি অৰ্থপূৰ্ণ আৰু চকুত লগা। শ্ৰীঅনন্ত ডেকাৰ "জন গণৰ মঞ্চৰ পৰা" প্ৰতিবাদী কণ্ঠৰ এক ৰূপ। অধ্যাপক শ্ৰীঅমৰেন্দ্ৰ কুমাৰ শৰ্মাৰ "সাময়িক-চিন্তা", অধ্যাপক ৺নিৰঞ্জন তালুকদাৰ "কৰ্ম-যোগ", অধ্যাপক ৺হৰেন্দ্ৰ কুমাৰ দাসৰ "পৰম প্ৰেমময় শ্ৰীশ্ৰীঠাকুৰ আৰু শিক্ষা বিধায়না" অধ্যাপক শ্ৰীনৰেন্দ্ৰ কলিতাৰ 'অৰুণা'ৰ পটভূমিত গোস্বামীৰ গল্প প্ৰৱন্ধ কেইটা অতি উচ্চ মানৰ। তাৰোপৰি আলোচনীখনত থকা ১৬টা কবিতা অতি সুন্দৰ হৈছে। অধ্যাপক শ্ৰীভবেন্দ্ৰ নাথ ডেকা অনুদিত ইটালী, স্পেইন আৰু

চুইদেনৰ কবিতা কেইটিয়ে আলোচনীখনত এক সুকীয়া স্থান দখল কৰিছে। গল্প-শিতানত ৺বিনন্দি ডেকাৰ "ধূপ নুমাই যোৱাৰ পিছত", অধ্যাপক শ্ৰীহৰেন্দ্ৰ নাথ শৰ্মাৰ অণূদিত "শ্ৰীকৃষ্ণৰ শেষ অস্ত্ৰ "প্ৰবন্ধটো অভিৰুচিপূৰ্ণ হৈছে। সু-সাহিত্যিক ৺ত্ৰৈলোক্য নাথ গোস্বামীদেৱৰ এটা সাক্ষাৎকাৰো প্ৰকাশ কৰিছে। অঙ্গ-সজ্জা অতি সুন্দৰ। মুঠতে, এই সংখ্যা আলোচনী ৰঙিয়া মহাবিদ্যালয়ৰ বাবে এক গৌৰৱ বুলি কব পাৰি। ইংৰাজী শিতানত লিখা প্ৰবন্ধ আৰু কবিতাসমূহ উন্নতমানৰ হৈছে।

ইং ১৯৭৬–৭৭ চনত ৰঙিয়া মহাবিদ্যালয়ৰ ৮ম সংখ্যা আলোচনী অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ গোস্বামীৰ তত্বাৱধানত আৰু শ্ৰীবদন চন্দ্ৰ ভৰালীৰ সম্পাদনাত প্ৰকাশিত হৈছে। বাখ্যা-চিত্ৰ আৰু বেটুপাত ভালেই হৈছে। শ্ৰীগকুল কলিতাৰ "বিজ্ঞান আৰু মহাকাশ সম্বন্ধে" নামৰ প্ৰবন্ধটো উন্নত মানৰ হৈছে। বৰ্ত্তমান বিজ্ঞানৰ লগত সঙ্গতি ৰাখি প্ৰবন্ধটো লিখা হৈছে। শ্ৰীপ্ৰতুল কুমাৰ শৰ্মাৰ 'আণৱিক যুদ্ধ আৰু আমি' প্ৰবন্ধটোও ভাল হৈছে। সুন্দৰ সম্পাদনাৰে সম্পাদকে আলোচনীখন লেখতলবলগীয়া কৰি তুলিছে। কবিতা শিতানত নবীন কবিসকলৰ কবিতা সমূহ মনোমোহা হৈছে। তাৰ ভিতৰত শ্ৰীভগীৰথ শৰ্মাৰ কবিতা "সিহঁতৰ জীপাল ওঠত নোদোকা হাঁহি/সেয়াই বোধহয় চঞ্চল যৌৱনৰ নিলাজী জনী"—বেছ আকৰ্ষণীয় হৈছে। ইংৰাজী বিভাগত অধ্যাপক শ্ৰীআব্দুৰ ৰেজাক, অধ্যাপক শ্ৰীহীৰেন্দ্ৰ নাথ শৰ্মা, অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ গোস্বামী অধ্যাপক শ্ৰীহৰি নাথ শৰ্মা আৰু অধ্যাপক শ্ৰীঅমৰেন্দ্ৰ কুমাৰ শৰ্মাই বিভিন্ন দিশত লিখা প্ৰবন্ধ সমূহ উচ্চখাপৰ হোৱা বুলি কব পাৰি।

মহাবিদ্যালয়ৰ ৯ম সংখ্যা আলোচনী প্ৰকাশ হয় ইং ১৯৭৭-৭৮ চনত। সম্পাদক শ্ৰীধীৰেন্দ্ৰ নাথ শৰ্মা আৰু তত্বাৱধায়ক আছিল অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ গোস্বামী। বেটুপাত অঙ্কণত শ্ৰীপ্ৰদীপ কুমাৰ দত্ত। বেটুপাত গতানুগতিক হৈছে যদিও বেটুপাতত এক অনন্য প্ৰভাৱ দেখা যায়। অঙ্গ-সজ্জা আৰু উন্নত কৰাৰ থল নোহোৱা নহয়। "প্ৰগতিশীল কবি আৰু কবিতা" বিষয়-বস্তুক লৈ লিখা সম্পাদকীয় ভাল হৈছে। প্ৰবন্ধ গল্প, কবিতা যথাযথ হৈছে যদিও তাৰ মাজত শ্ৰীদেবেন ডেকাৰ প্ৰবন্ধ "জাতীয়তবাদ ঃ এটা বিশ্লেষণ", শ্ৰীমুকুল কলিতাৰ গল্প "প্ৰেমত পৰা ছোৱালী" উচ্চখাপৰ হৈছে। শ্ৰীগকুল কলিতাৰ বিজ্ঞান ভিত্তিক প্ৰবন্ধ "বিজ্ঞান ঃ জনসংখ্যা আৰু পৃথিবী" অতি সময়োপযোগী আৰু উন্নত মানদণ্ডৰ হৈছে। বিখ্যাত অভিনেতা চাৰ্লি চ্যাপলিনৰ ওপৰত শ্ৰীতফছিৰ আহমেদে লিখা জীৱনী মনোগ্ৰাহী হৈছে। এই সংখ্যা আলোচনীৰ অসমীয়া বিভাগত মৌলিক গল্প প্ৰবন্ধ, কবিতাতকৈ অণুদিত কবিতা, প্ৰবন্ধ, গল্পত অধিক গুৰুত্ব দিয়া যেন বোধ হৈছে। ইংৰাজী শিতানত শ্ৰীহৰি আগৰৱালা "Indian agri-culture at the Gross roads"সুন্দৰ হৈছে।

ইং ১৯৭৮-৭৯ চনৰ দশম সংখ্যা ৰঙিয়া মহা-বিদ্যালয় আলোচনীৰ তত্বাৱধায়ক আৰু সম্পাদক আছিল যথাক্ৰমে অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ গোস্বামী আৰু শ্ৰীকন্দৰ্প কুমাৰ কলিতা। শিল্পী শ্ৰীদেবেন ডেকাই অলপ চেষ্টাৰ ত্ৰুটি নকৰা হলে বেটুপাত আৰু উন্নত কৰিব পৰা গ'লহেঁতেন। সম্পাদকৰ বক্তব্য খিনি চমুকৈ লিখা হলে ভাল হলহেঁতেন সবিতা লহকৰে "নাৰী-মুক্তি আন্দোলন সম্পৰ্কে আলোচনা"টিৰ মাজেৰে "নাৰী তুমি অৰ্দ্ধ আকাশ"—এই কথাষাৰৰ তাৎপৰ্য্য বিশদভাৱে বিশ্লেষণ কৰি দেখুৱাইছে। শ্ৰীবদন স্বৰ্গীয়াৰীৰ "বড়োসকলৰ ঐতিহ্য ঃ "খেৰাই নৃত্য'ত ইয়াৰ প্ৰকাশ" নামৰ প্ৰবন্ধটোৰ পৰা বড়ো সংস্কৃতি আৰু ঐতিহ্যৰ বিষয়ে এক সম্যক জ্ঞান পোৱা যায়।



ইয়াত প্ৰকাশিত প্ৰায়বোৰ কবিতাৰ অন্তৰ্নিহিত ভাবাৰ্থৰ মিল থকা বুলি কলেও অত্যুক্তি কৰা নহয়। গল্পবোৰ গতানুগতিক। ইংৰাজী শিতানত সন্নিবিষ্ট অধ্যাপক শ্ৰীহৰি নাথ শৰ্মাৰ "Prob-lems in the spread of adult education among rural women of Assam" প্ৰবন্ধটো উন্নত যে হৈছে সেইটো অনস্বীকাৰ্য্য।

মহাবিদ্যালয়–আলোচনীৰ একাদশ সংখ্যা ইং ১৯৭৯-৮০-৮১ চনত প্ৰকাশিত হৈছিল শ্ৰীসঞ্জীৱ কলিতাৰ সম্পাদনাত। তত্ত্বাৱধায়ক আছিল অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ গোস্বামী। ৰঙিয়া "স্বৰ গোষ্ঠী"ৰ সৌজন্যত অঙ্কন কৰা বেটুপাত অৰ্থবহ আৰু উন্নত খাপৰ হৈছে। শ্ৰীগিৰীশ কলিতাৰ বাখ্যা চিত্ৰ সমূহ ৰঙিয়া মহাবিদ্যালয় আলোচনীত এক অনবদ্য সংযোজন, যি চিত্ৰই প্ৰতিটো গল্পক বা লিখনিক অধিক উচ্চ স্তৰলৈ লৈ গৈছে। সম-সাময়িক দিশত লিখা সম্পা-দকীয়ৰ মাজত এক দ্বন্দ্বৰ উপলব্ধি উল্লেখ কৰাত বেছ চমকপ্ৰদ হৈছে। শ্ৰীশ্ৰীধৰ কলিতাই লিখা প্ৰবন্ধ "পৃথিবীত শক্তিৰ নাটনি, শক্তি অবিহনে ভৱিষ্যত পৃথিবী" বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী হৈছে। "সাম্প্ৰদায়িক অশান্তি আৰু মানৱ চিন্তাৰ বিকল্প স্ৰোত" নামৰ শ্ৰীমাইকণ কলিতাৰ প্ৰবন্ধটো সময়োপযোগী হৈছে বুলি স্পষ্টকৈ ক'ব পাৰি। এই আলোচনীখন এনে এটা সময়ত প্ৰকাশ হৈছিল, যিটো সময়ত ঐতিহাসিক অসম-আন্দোলন তীব্ৰতৰ ৰূপত আছিল। গতিকে আলোচনীখনৰ দায়িত্বও অসীম আছিল। তেনেকুৱা দৃষ্টি ভঙ্গীত লিখা মোজা-ম্মিল হকৰ সমসাময়িক প্ৰবন্ধ "চল্লিশ লাখ মানুহৰ জেল" ভাল হৈছে। শ্ৰীসত্যৱতী কলিতাৰ কবিতা আৰু আন কবিতাত আলোচনী খনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। শ্ৰীবিজয়া চৌধুৰী আৰু শ্ৰীসঞ্জীৱ কলিতাৰ গল্প ক্ৰমে "স্মৃতি' আৰু 'মৃত্যু" সংবেদনশীল হৈছে। এই সংখ্যা আলোচনীত অণূদিত গল্প আৰু কবিতাৰো সমাবেশ ঘটা দেখা গৈছে। ইংৰাজী শিতানত "Language Policy and National Integration" নামৰ প্ৰবন্ধ এটা অধ্যাপক শ্ৰীঅমৰেন্দ্ৰ শৰ্মাই লিখাৰ উপৰিও অধ্যাপক আব্দুৰ ৰেজাকৰ "Problems of Small industries of Assam নামৰ প্ৰবন্ধটোৰ কথা বিশেষভাৱে উল্লেখ কৰাৰ প্ৰয়োজন বোধ কৰিছো। সম্পাদনা ইয়াতকৈ সুন্দৰ কৰাৰ যথেষ্ট অৱকাশ থাকি গ'ল।

ৰঙিয়া মহাবিদ্যালয়ৰ আলোচনীৰ দ্বাদশ সংখ্যাৰ ( ইং ১৯৮২-৮৩ চন ) সম্পাদক আছিল শ্ৰীখগেন চন্দ্ৰ ডেকা। তত্ত্বাৱধায়কৰ দায়িত্বত অধ্যাপক শ্ৰীনৰেন্দ্ৰ কলিতা আছিল। জিয়াউল ইছলামে অঁকা বেটুপাত অৰ্থপূৰ্ণ যদিও চেষ্টা কৰিলে যথেষ্ট চকুত লগা কৰিব পাৰিলেহেঁতেন। "সেউজ অসমক ঘঁৰিয়ালৰ মুখৰ পৰা বচাব লাগে" ভাৱধাৰাৰে অঙ্কণ কৰা বেটুপাত সমসাম-য়িক আৰু অৰ্থবহ। জিয়াউল ইছলামৰ তুলনাত্মক প্ৰবন্ধ "ইছলাম আৰু মাৰ্ক্সীয় কমিউনিজিম্",ৰ উপৰিও শ্ৰীবিজুলী চক্ৰৱৰ্ত্তীয়ে "অসমীয়া সংবাদ জগত" প্ৰবন্ধেৰে জণগণক অসমীয়া আলোচনীৰ এটি চমু ইতিহাস জনাৰ সুবিধাকণ দি প্ৰশং-সনীয় কাম কৰিছে। নাজিমুদ্দিন আহমেদৰ" 'ব্লেকষ্টোন', কুসুম কুমাৰৰ 'এটি পঙ্গু পখীৰ কাহিনী' দীপক দাসৰ 'পৰিৱৰ্তন' গল্প চিত্তা-কৰ্ষক। শ্ৰীপ্ৰদীপ কাকতিৰ 'এটি তৰ্পন', শ্ৰীসীমান্ত শালৈৰ 'শ্বহীদৰ আত্মা'কে কেন্দ্ৰ কৰি প্ৰায় ভাগ কবিতাতে বিগত অসমৰ অস্তিত্ব ৰক্ষাৰ অহিংস আন্দোলনত আত্মাহুতি দিয়া জ্ঞাত-অজ্ঞাত বীৰ-বীৰাঙ্গনা সকলক স্মৰণ কৰি নবীন কবিসকলে শত সহস্ৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা ৰলক্ষিত হৈছে। চান্দ মহম্মদৰ 'পেলেষ্টাইন' : ।.তাতো সেই একে সুৰেই ধ্বনিত হোৱা যেন লাগে ইংৰাজী শিতানত তিনিটা কবিতাৰ বাহিৰে আন

দুটি প্ৰবন্ধও আছে। অধ্যাপিকা শ্ৰীমালিনী গোস্বামীৰ 'Scientific Pursuit in Vedic era' প্ৰবন্ধটিত অধ্যয়ণ যথেষ্ট সমল আছে। আপাতঃ দৃষ্টিত আলোচনীখন ভাল হৈছে যদিও সম্পাদকে সম্পাদনা সমিতি কিম্বা তত্বাৱধায়কৰ অগোচৰে বিভিন্ন কাম নিজস্বভাৱে কৰা হেতু আলোচনীখনত যথেষ্ট আসোঁৱাহ দৃষ্টিত পৰিছে।

অধ্যাপক শ্ৰীনৰেন্দ্ৰ কলিতাৰ তত্বাৱধানত আৰু সম্পাদক শ্ৰীমনোৰঞ্জন গোস্বামীৰ সম্পাদনাত ভাষা-সাহিত্যৰ বেদীত আগবঢ়োৱা ত্ৰয়োদশ সংখ্যাটিৰ বেটুপাত অঙ্কন কৰিছে প্ৰাক্তন ছাত্ৰ তথা উদীয়মান শিল্পী শ্ৰীতৰুণ শইকীয়াই। এই সংখ্যা আলোচনীত অসমীয়া বিভাগত চাৰিটা প্ৰবন্ধ, গল্প পাঁচটা আৰু কবিতা পোন্ধৰটা সন্নিবিষ্ট হৈছে। ইংৰাজী বিভাগতো পাঁচটা প্ৰবন্ধ আৰু তিনিটা কবিতা আছে।

অধ্যাপিকা শ্ৰীমালিনী গোস্বামীয়ে লিখা "পাঠ সমীক্ষাৰ আভাস" প্ৰবন্ধটিত লেখিকাৰ এটি অধ্যয়নপুষ্ট মনৰ পৰিচয় পোৱা হৈছে। আন প্ৰবন্ধ কেইটিও ছাত্ৰ-ছাত্ৰীৰ কাৰণে উপাদেয় নোহোৱাকৈ থকা নাই। কবিতা কুঞ্জত সামৰি লোৱা জোৎস্না বেগম, বিজুলী চক্ৰৱৰ্ত্তী, ৰমেশ ও'ৱাৰী, জুৰি দেৱী, তিলক দাস, নীলিমা শইকীয়া মনোৰঞ্জন গোস্বামী আদিৰ কবিতাত কবি-সুলভ চিন্তাধাৰাৰ সম্ভাৱনা বিৰাজমান। নাজিমুদ্দিন আহমেদৰ 'সাগৰিকা', দীপক দাসৰ "সি" আৰু প্ৰমোদ কলিতাৰ "মাজ নিশাৰ উচুপনি" নামৰ গল্প কেইটিয়ে পাঠক-পাঠিকাৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হৈছে। ইংৰাজী বিভাগৰ অধ্যাপক শ্ৰীঅমৰেন্দ্ৰ কুমাৰ শৰ্মাই শ্বেক্সপীয়েৰৰ বিশ্ব-বিশ্ৰুত চৰিত্ৰ "Shylock"-অৰ ওপৰত নতুন দৃষ্টি ভঙ্গীৰে এটি গভীৰ চিন্তামূলক সমালোচনাৰ আগবঢ়াইছে। অধ্যাপক সৰ্ব্বশ্ৰী ৰজত চন্দ্ৰ ডেকা, হৰি নাথ শৰ্মা, ডঃ ফাইয়াজুল হক, অনিল কুমাৰ শৰ্মাই লিখা প্ৰবন্ধ কেইটি উচ্চমানদণ্ডৰ হোৱা বুলি নিঃসন্দেহে কব পাৰি। অধ্যাপক ওচমান গণি, দীপালী কলিতাৰ ইংৰাজী কবিতা ভাল হোৱা বুলিয়ে কব লাগিব।

শ্ৰীসীমান্ত শালৈয়ে ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ চতুৰ্দ্দশ প্ৰকাশৰ সম্পাদনা কৰে ইং ১৯৮৪-৮৫ চনত। তত্বাৱধায়কৰ দায়িত্বত আছিল অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ গোস্বামী। বেটুপাত অঙ্কণ কৰিছে উদীয়মান ছাত্ৰ শ্ৰীপ্ৰণৱ দাসে। অৱশ্যে বেটুপাত অঙ্কণৰ শ্ৰেষ্ঠতাত সন্দেহ নাই। শ্ৰীপ্ৰদীপ দত্তই বাখ্যা চিত্ৰসমূহ অধিক উন্নত কৰিব পাৰিলেহেঁতেন। সমসাময়িক দিশত লিখা সম্পাদকীয় মনোগ্ৰাহী হৈছে। এই আলোচনীখনত অসম সাহিত্য সভাৰ তেতিয়াৰ সভাপতি শ্ৰীযোগেশ দাসৰ সাক্ষাৎকাৰ দিয়া হৈছে, য'ত সভাপতি গৰাকীয়ে "অসম সাহিত্য সভাৰ মেলামুখিতা ভাষা আৰু জাতীয়তাৰ কাৰণেও" বুলি কৈছে। অধ্যক্ষ শ্ৰীনীলকান্ত মহন্তদেৱে ইং ১৯৮৫ চনৰ নবেম্বৰ মাহত অনুষ্ঠিত হোৱা "সদৌ ভাৰত প্ৰাচ্যবিদ্যা সন্মিলনৰ সভাত (All India Oriental Conference) যোগদানাৰ্থে যাত্ৰা কৰা কালছোৱাৰ পৰা উভতি অহালৈ সমগ্ৰ ঘটনা বিৱৰি লিখি সকলোকে উপকৃত কৰিছে। ৺প্ৰাণেশ্বৰ শৰ্মাৰ "ৰাষ্ট্ৰপতি ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ জীৱন দৰ্শন", শ্ৰীমিনু শৰ্মাৰ "অসমৰ বিভিন্ন জনগোষ্ঠী আৰু সংহতি", অধ্যাপক শ্ৰীনৰেন্দ্ৰ কলিতাৰ "সুকবি নাৰায়ণ দেৱৰ দৃষ্টিত বেউলা" নামৰ প্ৰবন্ধকেইটা অসমীয়া বিভাগৰ উল্লেখযোগ্য অৱিহণা। সৰ্ব্বশ্ৰী জ্যোতিৰ্ময় কলিতা, প্ৰণৱ দাস, ৰমেশ ওৱাৰী, ৰমণী ৰাজবংশীৰ কবিতাত উঠি অহা নবীন কবিৰ কবি-প্ৰতিভা প্ৰকাশ পাইছে। সৰ্ব্বশ্ৰীদীপক দাস, নাজিমুদ্দিন আহমেদ, ৰমেন দাসৰ গল্পত তৰুণ মনত থকা গভীৰ জ্ঞানৰ পৰিচয় পোৱা যায়। ইংৰাজী শিতানত অধ্যাপক সৰ্ব্বশ্ৰীভবেন্দ্ৰ নাথ ডেকা, জ্যোতিষ চৌধুৰী, বিমলকৃষ্ণ ভট্টাচাৰ্য্যই প্ৰবন্ধ লিখি



ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিছে। অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ গোস্বামী আৰু অধ্যাপক শ্ৰীওছমান গণিয়ে ইংৰাজী কবিতা লিখিছে।

ইং ১৯৮৫-৮৬ চনত প্ৰকাশ হোৱা আলোচনীখনৰ পঞ্চদশ সংখ্যা সম্পাদনা কৰিছে শ্ৰীজ্যোতিৰ্ময় কলিতাই। তত্বাৱধায়ক আছিল অধ্যাপিকা শ্ৰীশ্ৰুতিধাৰা চক্ৰৱৰ্ত্তী। যুটীয়াভাৱে বেটুপাত অঙ্কণ কৰিছে সৰ্ব্বশ্ৰীকিশোৰ কলিতা, মুকুতানন্দ ভট্টাচাৰ্য্যই। আলোচনীখনৰ বেটুপাত অৰ্থবহ যদিও ৰঙৰ ব্যৱহাৰত ত্ৰুটী থকা যেন লাগে। এই আলোচনীখনৰ বিশেষত্ব এই যে, প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়-আলোচনী ডিমাই ¼ আকাৰে প্ৰকাশ কৰা হয়। শ্বহীদ তৰ্পন শীৰ্ষক "চকুলো সহ আই"ৰ বুক আৰু "মোৰ মৃত্যুৰ পাছত তেজৰ চেকুৰাবোৰে সোঁৱৰাব, মোৰ মৃত্যুক, স্বদেশবাসীলৈ"—এই ফাঁকি কবিতাৰে আলোচনীখনৰ সুন্দৰ পাতনি মেলিছে। অতি চমুকৈ বিভিন্ন উদাহৰণসহ সংবাদ-পত্ৰৰ স্বাধীনতাৰ ওপৰত লিখা সম্পাদকীয় উচ্চমান বিশিষ্ট হৈছে। লিখনি সমূহ উচ্চমানদণ্ডৰ। প্ৰবন্ধসমূহৰ ক্ষেত্ৰত অধ্যাপক শ্ৰীভূপেন্দ্ৰ নাথ শৰ্মাৰ "বৰ্ত্তমান সময়ত ছাত্ৰ আৰু শিক্ষকৰ ভূমিকা, শ্ৰীনিজৰা কলিতাৰ "চিন্তাত একাগ্ৰতাৰ প্ৰয়োজন" আৰু শ্ৰীধৰ্ম্মেশ্বৰ দাসৰ "বিহুগীত আৰু অসমীয়া জাতীয় জীৱন"—আদিৰ নাম নলৈ নোৱাৰি। ইয়াত থকা কবিতা সমূহৰ উপৰিও শ্ৰীদীপক দাস আৰু শ্ৰীনীলাধৰ শালৈৰ গল্প দুটা সুন্দৰ, উচ্চমানদণ্ডৰ হৈছে। অনুবাদ শিতানত থকা শ্ৰীদিনমনি ডেকাৰ প্ৰবন্ধ আৰু শ্ৰীমইনুলহ'ক আহমেদৰ গল্পটোৱে আলোচনীখনক বিশেষ মৰ্য্যদা দিছে। তাৰোপৰি এখন নাটিকাৰ লগতে সৰ্ব্বশ্ৰী সন্দীপ বৰুৱা, জ্যোতিৰ্ময় কলিতাৰ বাখ্যা চিত্ৰসহ আলোচনীখনৰ সম্পাদনা সুন্দৰ। আনহাতে ইংৰাজী শিতানত সন্নিবিষ্ট কবিতা আৰু প্ৰবন্ধ সমূহত ৰচকসকলৰ চিন্তাশীল আত্মপ্ৰকাশ হৈছে।

ৰঙিয়া মহাবিদ্যালয়-আলোচনীৰ ষষ্ঠদশ সংখ্যাৰ (ইং ১৯৮৬-৮৭ চন) সম্পাদক হ'ল শ্ৰীমুকুতানন্দ ভট্টাচাৰ্য্য। তত্বাৱধায়ক হ'ল অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ গোস্বামী। আলোচনীখনৰ বেটুপাত অঙ্কন কৰিছে শ্ৰীপ্ৰদীপ কুমাৰ দত্তই। বেটুপাতটো নিঃসন্দেহে অৰ্থপূৰ্ণ আৰু আকৰ্ষণীয় হোৱা বুলি কবই লাগিব। আলোচনীখনৰ কাগজ আৰু ছপা চকুত লগা হৈছে; কিন্তু লিখনীসমূহত বাখ্যা চিত্ৰ দিলে আৰু আকৰ্ষণীয় হ'লহেঁতেন। আলোচনীখনৰ আৰম্ভণীতে অসম-মাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলক স্মৰণ কৰা হৈছে। "নতুন পুৰুষে কৰিব নোৱাৰা কাম একো নাই। যি কামকেই কৰা হয়, আন্তৰিকতা নিষ্ঠা আৰু সৃষ্টিশীল মনোভাৱ নিহিত থাকিলে সকলো গঠন মূলক কামৰে সুফল পোৱা যায়" বুলি "শুভেচ্ছা-বাণী"ত কোৱা শ্ৰেষ্ঠা গল্পকাৰ শ্ৰীনিৰোধ চৌধুৰীৰ এই কথাখিনি বৰ্ত্তমান সময়ত প্ৰণিধানযোগ্য। সৰ্ব্বশ্ৰী দিলীপ কুমাৰ শৰ্মা, বিজুলী চক্ৰৱৰ্ত্তী, অশোক কুমাৰ শৰ্মা আৰু অধ্যাপিকা শ্ৰীনীলিমা ডেকাৰ "আজিৰ উদ্‌ভ্ৰান্ত যুৱ-মানসিকতাৰ উৎপত্তি আৰু ইয়াৰ প্ৰতিকাৰৰ উপায়"—এই আটাই কেইটা প্ৰবন্ধই আলোচনীখনৰ উৎকৃষ্টতাৰ কথাই সূচায়। প্ৰকাশিত কবিতাসমূহত নবীন উঠি অহা অনাদৃত কবিসকলৰ উজ্বল ভবিষ্যতৰ ইঙ্গিত পোৱা যায়। শ্ৰীদীপক দাস, শ্ৰীদিনমণি ডেকা আদিৰ গল্প সমূহ ভাল হৈছে। ইংৰাজী শিতানৰ শ্ৰীৰমনী ৰাজবংশীৰ "Swan Song" শ্ৰীদিলোৱাৰ হুছেইনৰ "A red rose", অধ্যাপক শ্ৰীওচমান গণিৰ "A morning Song of my Village"—কবিতা সমূহত আবেগ-অনুভুতিৰ মূৰ্ত্ত প্ৰকাশ হৈছে। অধ্যাপক শ্ৰীভবেন্দ্ৰ নাথ ডেকাই লিখা

"The New Vaishnavits movement and Sankardeva" আৰু অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ গোস্বামীয়ে লিখা "The Upanishads : A Revoluation" প্ৰবন্ধ উচ্চ মানদণ্ডৰ হৈছে। চমু কথাত ক'বলৈ হলে, আলোচনীখন অন্যান্য দিশত সুন্দৰ হৈছে।

মহাবিদ্যালয় আলোচনীখনৰ উদ্দেশ্যনো কি এই সম্পৰ্কে সাহিত্যিক, ৰাজনীতিবিদ, অধ্যক্ষ ৺ হেম বৰুৱাই কৈছিল,--"For a full flowering of individual as well as of collective talent of students, a college must serve as a forum, a healthy seedbed and a light that calls to greater attainments. A College magazine is such an avenue, the one out of many, that leads to such a flowering of the human mind ; it is both a preparation and a key to further growth and attainments."+

( অধ্যাপক শ্ৰীকলিতা ৰঙিয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা। তেখেতৰ ৰচিত ভালেমান চিন্তাগধুৰ প্ৰবন্ধ কাকত-আলোচনীত প্ৰকাশিত হৈছে।)

সত্যৰ মুখামুখি হবলৈ ভয় নকৰিব। সত্য সদায় ভয়ংকৰ। যি কাপুৰুষ, তেওঁহে কেতিয়াও সত্যৰ মুখামুখী হ'ব নোৱাৰে।

হোমেন বৰগোহাঞি



# Our Department of Arabic : A Retrospection

**Dr. Afzal Ahmad**

From the point of view of linguistics and human civilization Arabic is one of the important languages of the world. After English and French, Arabic is the next most widely spoken language of the globe. With the impact of Arab conquests in the seventh and eighth centuries and afterwards and also due to spread of Islamic civilization the Arabic language came out from the Arabian peninsula and reached the remote countries of the world.

When our country became independent our great leaders stressed the need for teaching the modern Arabic language in order to facilitate the extension of the bond of friendship to the Arab countries. For this purpose a number of colleges and universities laid emphasis on teaching of Arabic. In the context of imparting teaching of Arabic Delhi played a leading role. Accordingly, the Delhi University, Jamia Milia and the J.N.U. have produced a good number of efficient students. Afterwards, other universities improved their syllabus and put emphasis on imparting the modern Arabic language. Our government has given much importance on disseminating this language in the nook and corner of the country.

Arabic was introduced in the Rangia College at the time of its birth in 1963. At first, Janab Islamuddin, the late principal of Rangia Arabic College taught the subject as part time lecturer. Later on, Prof. (Dr.) Abdul Ali (at present, Reader in the department of Islamic studies in the Aligarh Muslim Uuiversity) was appointed Lecturer in the department. I joined the department on the 13th September, 1967. Within six months of my arrival Prof. (Dr.) A. Ali left this college. Prof. Muquibur Rahman was appointed in in his place. After some time, he also left the college and joined the Cotton College. Dr. Faiyazul Haque was appointed in 1970. At present, the department is manned by three lecturers. We have been serving the department to the best of our abilities. But we are constrained to note that lack of interest and sincerity on the part of students and lengthy syllabus are two important factors for which we fail to achieve the desired result. All said and done, the Arabic department of our college has shown some remarkable achievements over the years. Honours course was opened in 1981, and we give below a table of results of the succeeding. years :—

| Sl. No. | Name of the students | Year | Result |
|---|---|---|---|
| 1. | Hafizul Islam | 1983 | II |
| 2. | Shahidullah | 1983 | II |
| 1. | Nuruzzaman Ali | 1984 | II |
| 1. | Ibrahim Ali | 1985 | I |
| 2. | Hafizur Rahman | 1985 | I |
| 3. | Abdul Aziz | 1985 | II |
| 4. | Chand Muhammad Ali | 1985 | II |
| 5. | Ferhad Ali Ahmed | 1985 | II |
| 6. | Safura Begum | 1985 | II |
| 7. | Nure Assma | 1985 | II |
| 1. | Khairul Islam | 1986 | I |
| 2. | Abdul Matlib | 1986 | II |
| 1. | Umme Solma Begum | 1987 | II |
| 2. | Moktab Ali Ahmed | 1987 | II |
| 3. | Abdullah | 1987 | II |
| 4. | Abdul Aziz Ahmed | 1987 | II |
| 5. | Maqboul Hussain | 1987 | II |
| 6. | Khairul Hussain | 1987 | II |

While looking back to our department, I want to make some suggestions to our colleagues and Arabic teachers in connection with preparation of certain series of Arabic books in Assam. First of all, we must prepare some beneficial series of books for beginners and gradually teach them through translation method—from Asssamese to Arabic and vice versa, giving minimum emphasis on grammer. It is to be practised constantly. Arabic is not at all a difficult language to learn. It can be learnt properly, in two years provided proper attention is paid. We have experimented this method in our college, and we can boast fully declare that we have met with success to a great extent. Our student Md. Rupchand Ali (now lecturer in Arabic, G.U.) and Md. Ibrahim Ali who topped the list of Honours Graduates of G.U. in 1985 are glaring revealations in this regard.

When I came to Rangia students of Arabic had to face many hurdles in the matter of studying Arabic, the notable among these being the non-availability of prescribed books. With a view to mitigating the difficulties faced by students, the Modern Arabic Language Society was instituted in co-operation with my colleagues. This society has done tremendous service by undertaking the publication of books right from the Higher Secondary to the Degree level. The society is contemplating to expand its activities to the field of publication of new books for the benefit of our increasing number of teachers and students. Let the Grace of Almighty Allah be showered over us all. +



(A renowned figure in the field of Arabic education in Assam, Dr. Ahmed is the Head, Deptt. of Arabic, Rangia College. )

A good book is a precious life blood of a master spirit, embalmed and treasured up on purpose to a lifel beyond life."

Milton

# ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ৰঙিয়া মহাবিদ্যালয়

লেফটেনেন্ট শ্ৰীবিমল কৃষ্ণ ভট্টাচাৰ্য্য

মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনেই হ'ল––শিক্ষাৰ মূল উদ্দেশ্য। মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল – "By education I mean the all round development of the child, his body, mind and spirit." শৈশৱ কালৰ পৰা প্ৰাপ্তবয়স্ক অৱস্থালৈ ব্যক্তিৰ জীৱনত পৰিৱৰ্তন হোৱা দেখা যায়। সাধাৰণতে এনে এক পৰিবৰ্তনৰ পৰাই আমি এজন সাধাৰণ নাগৰিকৰপৰা অভিজ্ঞ, জ্ঞানী ব্যক্তি আশা কৰিব পাৰো। এনেধৰণৰ শাৰীৰিক, মানসিক, সামাজিক, উন্নতি সুশিক্ষাৰ জৰিয়তেহে সম্ভৱ হৈ উঠা দেখা যায়। এনেবোৰ প্ৰক্ৰিয়াৰে এক শক্তিশালী মাধ্যম হ'ল ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ জন্ম হয় ইং ১৯৪৬ চনত। ভাৰতবৰ্ষত যেতিয়া প্ৰত্যেক মানুহে স্বাধীনতা যে এক জন্মস্বত্ব তাক বুজি উঠিছিল, তেতিয়া কিছু মানুহৰ মনত সামৰিক শিক্ষাৰ প্ৰৱনতাই ভুমুকি মাৰিছিল। এই সামৰিক প্ৰশিক্ষণ যাতে ছাত্ৰাৱস্থাৰ পৰাই হয় সেইবিষয়ে পৰামৰ্শ দিয়াৰ বাবে এখন কমিটী গঠন কৰা হৈছিল। পণ্ডিত এইচ, এন কুন্‌জৰোৰ সভাপতিত্বত এই কমিটী গঠিত হৈছিল। ইং ১৯৪৮ চনত স্বাধীন ভাৰতৰ এই শিক্ষাৰ্থী বাহিনী গঠন কৰা হয়। বহিঃ শত্ৰুৰ আক্ৰমণৰপৰা ভাৰতৰ অখণ্ডতা ৰক্ষাৰ ব্যৱস্থা কটকটীয়া কৰাৰ উদ্দেশ্য ১৯৬৩ চনৰ পৰা ১৯৬৮ চনলৈ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ প্ৰশিক্ষণ বিদ্যালয়–– মহাবিদ্যালয়ত বাধ্যতামূলক কৰা হৈছিল। ১৯৭২ চনত পুণা-বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ জি, এচ মহাজনিক সভাপতি হিচাপে লৈ এখন কমিটী গঠন কৰি ইয়াৰ নীতি-লক্ষ-সংগঠন আদি বিষয় নতুনকৈ চালি-জাৰি চাব দিয়া হয়। এই কমিটীৰ সিদ্ধান্ত মৰ্মে ১৯৭৪ চনৰ ২৪ জানুৱাৰীত সদনত উত্থাপন কৰা নীতি-নিৰ্দ্দেশনা অনুযায়ী ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীক কোনো খেলাধূলা বা সমাজ সেৱা বিভাগৰ লগত একেলগে সাঙুৰি নাৰাখি এটা স্বতন্ত্ৰ সংস্থা হিচাপে ৰখাৰ পৰামৰ্শ দিয়া হয়। লগতে এই বাহিনীত বছা বছা কেডেটক লোৱাৰ পৰামৰ্শ আগবঢ়োৱা হয়। প্ৰত্যোক শিক্ষানুষ্ঠানতে এই বাহিনীৰ শাখা খুলি অনুষ্ঠানৰ মুৰব্বীজনক ইয়াৰ লগত ওতঃপ্ৰোতভাৱে জৰিত



কৰাত গুৰুত্ব দিয়া হয়। পূৰ্ণপৰ্য্যায়ৰ এন. চি. চি. বিষয়বোৰ ক্ৰমান্বয়ে লুপ্ত কৰিবৰ ব্যৱস্থাও এই কমিটীয়ে সদৰি কৰে। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়ে কেডেটসকলক যাতে যিকোনো বিষয়তে পাৰদৰ্শিতা দেখুৱাৰ সুবিধা দিব পাৰে সেই বিষয়েও চকু দিবলৈ কোৱা হয়।

উক্ত উপদেশাৱলীৰ বাহিৰেও ইয়াৰ তিনিটা মূল লক্ষ্য স্থিৰ কৰা হয়ঃ–

(১) কেডেটসকলৰ মনত নেতৃত্বৰ ভাব, চৰিত্ৰ-গুণ, বন্ধুত্ব তথা খেলুৱৈ সুলভ মনোভাৱ গঢ়ি তোলা।

(২) দেশৰ জৰুৰীকালীন অৱস্থাত সৈন্য বাহিনীক সহায় কৰিব পৰাকৈ প্ৰতিৰক্ষাৰ বাবে এটি সুদক্ষ আৰু নিপুণ ২য় পংক্তি গঠন কৰা।

(৩) প্ৰত্যেক কেডেটৰ মনত উচ্চস্তৰৰ বিষয়াৰ ভাব জাগৃত কৰা আৰু পিচলৈ সেনা বাহিনীতো উচ্চ পদত অধিষ্ঠিত হোৱাৰ স্পৃহা জগাই তোলা।

বৰ্ত্তমানে শিক্ষানুষ্ঠান বিলাকত থকা এই বাহিনী স্থল, জল, বায়ু–এই তিনিটা বিভাগত বিভক্ত। এই বাহিনীৰ সৰ্ব্বাধিনায়ক তথা সঞ্চালক প্ৰধান গৰাকী হ'ল আশীষ বেনাৰ্জী। এখেতৰ কাৰ্য্যালয় নতুন দিল্লীত। গোটেই ভাৰতবৰ্ষৰ সঞ্চালক প্ৰধানৰ অধীনত ১৭টা সঞ্চালকালয়ত ভাগ কৰা হৈছে। সঞ্চালকালয়সমূহৰ তলত কিছুমান গ্ৰুপ হেড্‌কোৱাৰ্টাৰ আৰু তাৰ তলত কিছুমান বেটেলিয়ান থাকে। আমাৰ ৰঙিয়া মহাবিদালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বিভাগটিৰ মুখ্য কাৰ্য্যালয় গুৱাহাটীৰ পল্টন বজাৰত থকা "১ম অসম ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী"ৰ কাৰ্য্যালয়ত।

ৰঙিয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ শাখা আৰম্ভ হয় ইং ১৯৬৫ চনত এই ক্ষেত্ৰত সেই সময়ৰ অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈদেৱৰ প্ৰচেষ্টা আৰু তৎপৰতা উল্লেখযোগ্য। অধ্যাপক শ্ৰীগোলোক চন্দ্ৰ ভূঞাঁই কামটি আৰু পুৰন্দৰত দুবাৰো প্ৰশিক্ষণ লৈ আহি কেপ্তেইন পৰ্য্যন্ত প্ৰমাণ–পত্ৰলৈ সুখ্যাটিৰে ১৯৭৮ চনলৈ কাৰ্য্যনিৰ্বাহ কৰে। ইয়াৰ পিছত প্ৰয়াত অধ্যাপক নিৰঞ্জন তালুকদাৰে প্ৰশিক্ষণ লৈ আহি এই দায়িত্ব গ্ৰহণ কৰে। মাত্ৰ এবছৰ কাল এই দায়িত্ব বহন কৰাৰ পিছতেই তেখেতে ইহলীলা সম্বৰণ কৰাত পুনৰ অধ্যাপক ভূঞাঁদেৱে অস্থায়ীভাৱে এই কাৰ্য্যভাৰ গ্ৰহণ কৰে।

১৯৮২ চনলৈ বিভিন্ন অসুবিধাৰ সন্মুখীন হ'বলগীয়া হোৱাত আমাৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কাম নিষ্প্ৰভ হৈ থাকে। ১৯৮৩ চনৰ ২৭ আগষ্টত অধ্যক্ষ মহোদয়ৰ নিৰ্দ্দেশমতে মই নাগপুৰলৈ প্ৰশিক্ষণৰ বাবে ৰাওনা হওঁ। পিছত ডিচেম্বৰ মাহত চেকেণ্ড লেফ্‌টেনেণ্ট হৈ আহি ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কামত আত্মনিয়োগ কৰো। অসম চৰকাৰৰ সৌজন্যত মই পুনৰ নাগপুৰলৈ প্ৰশিক্ষণ লবলৈ গৈ ১৯৮৬ চনত লেফটেনেণ্ট পদলৈ উন্নীত হওঁ।

আমাৰ ৰঙিয়া মহাবিদ্যলয়ৰ কেডেটসকলে বিগত বছৰ কেইটাত ঢেঁকিয়াজুলি, মিছামাৰি বৰঝাৰ, জালুকবাৰী আদিত কেম্প কৰি সুখ্যাতিৰ স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হৈছে। বিগত তিনিবছৰত আমাৰ মহাবিদ্যালয়ৰ কেডেটে ভাৰতৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা কেম্পত যোগদান কৰাৰ যোগ্যতা অৰ্জন কৰে। আমাৰ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা কেডেটসকল হ'ল সৰ্ব্বশ্ৰীযোগেন শালৈ, ডম্বৰু কলিতা, ঘনশ্যাম কলিতা নৰুি ন আহমেদ আৰু দীপক কলিতা।

আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কাৰ্য্যালয়টো নিৰাপত্তাবিহীন অৱস্থাত

থকা বুলি কলেও অত্যুক্তি কৰা নহয়। মহাবিদ্যালয় কৰ্তৃপক্ষই এই দিশত সহানুভূতিশীলভাৱে বিবেচনা কৰিব বুলি আশা ৰাখিছো। আৱশ্যকীয় নথি-পত্ৰ ৰখাৰ বাবে আলমাৰী এটা নাইবা লিখা-মেলা কৰাৰ বাবে চকী-মেজ নাই বুলিলেই হয়। আনহাতে, আন এটি নিৰাশাজনক দিশৰ কথা উল্লেখ নকৰিলে ভুল কৰা হ'ব। কিছু সংখ্যক কেডেটে নিয়া পোছাক পাতি (Uniform) কাৰ্য্যালয়লৈ ঘূৰি নহাটো অতিকৈ দোষণীয় অভ্যাসত পৰিণত হৈছে। এজোন ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটক দায়িত্ব আৰু কৰ্ত্তব্যৰ কথা সোঁৱৰাই দিবলগীয়া হোৱাটো সঁচাকৈয়ে লাজ আৰু পৰিতাপৰ বিষয়।

আমি আশাকৰো কেডেটসকলে এই বিষয়ত বিশেষ সচেতনতা আৰু তৎপৰতা প্ৰদৰ্শন কৰিব।

সদৌ শেষত, আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীত অংশ গ্ৰহণ কৰা কেডেটসকলে নিজৰ, দহৰ আৰু দেশৰ সুনাম কঢ়িয়াই আনিবলৈ সংকল্পবদ্ধ হোৱাৰ কামনা কৰো। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ মৰ্য্যদা, ৰঙিয়া মহাবিদ্যালয়ৰ মৰ্য্যদা অটুত ৰখাৰ বাবে কেডেটসকল প্ৰতিজ্ঞাবদ্ধ হওঁক—এই কামনাৰে সামৰিলো।

জয়তু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী।
জয়তু ৰঙিয়া মহাবিদ্যালয় ।।

(লেফটেনেণ্ট' শ্ৰীভট্টাচাৰ্য্য ৰঙিয়া মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক তথা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ মহাবিদ্যালয় শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া।)

আমাৰ প্ৰাণত জাগিছে নীৰৱে
ৰাৱণৰ চিতাজুই,
আহিছে সময় শিখা বিয়পাৰ
আৰু যে নাথাকো শুই ।।"



# Rangia College Employees' Co-operative Thrift & Credit Society Ltd : Dream & Reality

**Prof. Rajat Ch. Deka**

Co-Operative Thrift & Credit Societies represent one of the varied forms of Co-operative Societies that have grown in India and so in Assam. It is a part of the manifestation of the socialist thought and movement throughout the world. Co-Operative Movement has assumed a significant importance in the present-day world, and quite naturally ce-operative societies including the one we have in our Rangia College under the nomenclature of "Rangia Colleges Employees' Co-operative Thrift & Credit Society Ltd." have played a vital role in our community life.

That the Co-operative idea and movement are closely tied up with the socialist idea for the economic upliftment of the poor can be seen if the origin of the movement is explored. Now, it is not our purpose here to trace the history of origin of the movement. Suffice it to say that the Co-operative movement is a part of the gigantic socialist movement in the world. In India, the Co-operative process had started in implementing the Act of 1904 during the tenure of Lord Ripon as Viceroy. In Assam, it had its beginning in 1912.

Varied ramifications have sprung up in respect of co-operative societies such as Agricultural Aid Co-operative Society, Gaon Panchayat Co-Operative Society, City Co-Operative Society, Co-Operative Thrift and Credit Society, Milk Development Co-operative Society etc. In Assam, Co-Operative Thrift and Credit Societies have grown up as operative of the Assam Co-Operative Societies Act, 1949 (Act I of 1950).

It is the last mentioned type of society which is benefitting to the monthly salary earners in the society, i.e. to the employees of Govt., Semi-Govt. institutions or establishments. It is in this perspective that the employees of Rangia College had resolved to establish a co-operative Thrift & Credits Society. The term employees includes the Principal of the college, teachers, ministerial staff of the college office, the librarian and the library staff and bearers of all branches.

The first inaugural general meeting was held on the 12th of February, 1968 with the Late Praneswar Sarma, the then Head Master of Rangia H.E.School in the chair. The meeting evinced keen interest and enthusiasm among the employees of Rangia College with a hope for their future economic safety. Among others the meeting was also attended by Sri Durga Dutta Agarwalla, Chairman, Rangia Municipal Board, Sri Padma Ram Saloi, Head Master, Rangia Girls' H.E.School, Sri Nagendra Nath Deka, Block Development Officer, Rangia. Also present in the meeting were the Junior Inspector of the said Development Block and Sri Narayan Ch. Baishya, Aco under the Asstt. Registrar of Co-operative Societies, Nalbari, who rendered the necessary advice and suggestions on procedural matters.

The meeting came to a successful conclusion with the formation of a Managing Committee as per rules. The Office-bearers and members of the first Managing Committee were as under :-

Principal, B.N.Bardoloi (President), Prof G.C. Bhuyan (Vice-President), Prof. R.C.Deka (Secretary), Sri N.K.Mahanta, Vice-Principal, Prof. G.D. Phatowali, Prof. J.N.Pathak, Prof. J.C. Choudhury, Prof. U.C.Goswami (all members) and Prof. S.Ahmed (Internal Auditor).

The presence in the meeting of the inspiring personality of Late P.Sarma had made an indelible impact on the whole community of Rangia College Employees. And the able initial stewardship of Principal, B.N.Bardoloi provided all the impetus to the formation of the society. The story of installation of the Rangia College Employees Co-Operative Thrift & Credit Society Ltd. will remain incomplete if the tenacious initiative and untiring efforts of Prof. G.C.Bhuyan are not remembered. But for his organising zeal, the desire of the handful of employees of Rangia College would have remained a dream. Now it is not a simple reality, but a foundation with a firm footingcatering to the aspirations of the employees of this college.

The advantages of Co-operative Societies are known to every enlightened and socially conscious members of the society to-day. But the advantages of Co-Operative Thrift & Credit Society are more assertive than any other type. The members enjoy the benefit of safe deposit with approved rate of interest as well as amount of loan which is much higher than their deposit.

The Rangia College Employees Co-Operative Thrift & Credit Society Ltd. came to stay with effect from 30th June, 1968, when it was registered under No. N. 18. The accepted bye-law was also approved. The society was started in a humble way with a meagre fund, the initial strength of membership being only 16. The first monthly amount of regular contribution from members (July/68) was Rs. 268.00 only and proportionate to gross monthly salary. That the Society has grown in stature during the span of 20 years of its existence can be seen from the following comparative chart:-

| Year (ending June) | Monthly collection. | Membership No. | Maximum loan issued. | Fund position. | Paid-up share value. |
|---|---|---|---|---|---|
| 1969 | Rs. 529.41 | 16 | Rs. 1000.00 | Rs. 3,484.44 | Rs. 890.00 |
| 1987 | Rs. 11,677.50 | 38 | Rs. 16000.00 | Rs. 2,58,081.73 | Rs. 1990/— |
| 1988 | Rs. 15,212.88 | 42 | Rs. 16000.00 | Rs. 2,89,671.65 | Rs. 2140/— |



It is to be noted that the monthly collection is inclusive of such sources as members' subscription, loan capital instalment, interest thereof due in each month. Members draw more other benefits than the maximum amount of loan indicated. These are loans on emergency ground, on special consideration as determined by the Managing Committee. Over and above these, the society has instances of offering grants-in-aid to the tune of Rs. 2, 500.00 to members in acute incidental cases. It will be relevent to note that during the last ten years (ending 30th June/88), the society has achieved the unique distinction of investing a healthy amount of Rs.16,12,530.00 as loan advanced to the members. This amply demonstrates how a humble beginning of an enterprise could turn into a colossus of a giant with the spirit of co-operation.

The society is ranked class B in the Department. Our Society is successfully functioning and steadily growing. There is appreciation of fair conduct of the society from different quarters. But for the good will and co-operation of members, the society would not have been in a position to achieve this unique success. Principal, B.N. Bardoloi relinguished the office of President of the society after he had left the college in April, 1981 and since then Prof. G.C. Bhuyan has been holding the office. Right from the inception, this author has been carrying the mantle of Secretaryship in successive terms. The author is grateful to the members for the co-operation and ungrudging cordiality bestowed on him all these years. Prof. S.Ahmed likewise has been the Internal Auditor. right through.

That there is no clamour from any quarter can not be lost sight of. This can be attuned to Carton's saying, "In a free country there are much clamours with little suffering, while under autocratic rule, there is few clamour with the greatest extent of suffering."

May the Rangia College Employees' Co-Operative Thrift & Credit Society Ltd. thrive and prosper. +

Prof. Deka has been the Secretary of the Society since its inception in 1968. A serious lover of learning, prof. Deka is also the Head, Department of Political Science of this College.

# বিহঙ্গম দৃষ্টিৰে সদৌ অসম ৺সিদ্ধিনাথ শৰ্মা সোঁৱৰণী

## আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা

**শ্ৰীসীমান্ত শালৈ** (প্ৰাক্তন ছাত্ৰ)

ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি, ৰঙিয়া অঞ্চলৰ অবিসম্বাদী জননেতা স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাদেৱৰ সোঁৱৰণত ১৯৭৬-৭৭ চনৰ পৰা ৰঙিয়া মহাবিদ্যালয় ছাত্ৰসন্থাৰ সৌজন্যত সদৌ অসম ৺সিদ্ধিনাথ শৰ্মা সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনি অনুষ্ঠিত হৈ আহিছে। প্ৰথমাৱস্থাত ১৯৭২-৭৩ চন মানৰ পৰা এই প্ৰতিযোগিতা আঞ্চলিক ভিত্তিত স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আৰম্ভ কৰা হৈছিল। ৰঙিয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে আয়োজিত এই আঞ্চলিক পৰ্য্যায়ৰ প্ৰতিযোগিতাখনিয়ে অভূতপূৰ্ব্ব সাফল্য অৰ্জন কৰাত উদ্যোক্তাসকলে যথেষ্ট প্ৰেৰণা লাভ কৰে আৰু কালক্ৰমত প্ৰতিযোগিতাখনি সদৌ অসম ভিত্তিত মহাবিদ্যালয় পৰ্য্যায়ত অনুষ্ঠিত কৰিবলৈ উদগনি লাভ কৰে। ৺সিদ্ধিনাথ শৰ্মাদেৱৰ সুযোগ্য পুত্ৰ শ্ৰীমানবেন্দ্ৰ শৰ্মাদেৱে চেম্পিয়নশ্বিপ ট্ৰফী স্বৰ্গীয় পিতৃৰ নামত দান কৰি উদ্যোক্তাসকলৰ উৎসাহ দুগুণে বৃদ্ধি কৰে।

৺সিদ্ধিনাথ শৰ্মা সোৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা সম্পৰ্কীয় নথি-পত্ৰ আৰু তথ্য-পাতি ধাৰাবাহিক হিচাপে পদ্ধতিগতভাবে সংৰক্ষণ কৰাৰ ব্যৱস্থা নথকাত প্ৰতিযোগিতাৰ ইতিহাস আৰু ধাৰা সম্পৰ্কত কিছু খেলি-মেলিৰ সৃষ্টি নোহোৱা নহয়। আমি জনাত প্ৰতিযোগিতাখনিৰ লগত সংশ্লিষ্ট থকাসকলে এই সম্পৰ্কীয় তথ্য-পাতি সংৰক্ষণ কৰাৰ কোনো ব্যৱস্থা লোৱা নাই। সেয়েহে এই প্ৰতিযোগিতাৰ আৰম্ভণি বৰ্ষ আৰু পৰৱৰ্তী কালৰ তথ্য-পাতি বিচাৰি মহাবিদ্যালয় আলোচনীৰ পাত লুটিয়াই চোৱাৰ বাদে আন গত্যন্তৰ নাথাকিল। 'ৰঙিয়া কলেজ আলোচনী'ৰ পাতত প্ৰকাশ পোৱা তৰ্ক আৰু সাহিত্য বিভাগীয় প্ৰতিবেদনসমূহেই হ'ল এই আলোচনাৰ একমাত্ৰ উৎস। এইখিনিতে উল্লেখ কৰা ভাল যে তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদকসকলে তেওঁলোকৰ বছৰেকীয়া প্ৰতিবেদনত উক্ত প্ৰতিযোগিতা সংক্ৰান্ত বক্তব্য কেৱল প্ৰতিযোগিতাৰ ফলাফল উল্লেখ কৰাতেই সীমাৱদ্ধ ৰাখিছে। সম্পাদকসকলৰ প্ৰতিবেদনত চমুকৈ হ'লেও প্ৰতিযোগিতাৰ বিভিন্ন দিশ সামৰা বিৱৰণী একেটা সন্নিবিষ্ট হোৱা উচিত আছিল, যিহেতু অন্যধৰণে প্ৰতিযোগিতা-খনৰ ৰেকৰ্ড সংৰক্ষণৰ ব্যৱস্থা নাই।

এই আলোচনাটি যুগুত কৰাৰ আগতে কিছু কথা জনাব বাবে ৺সিদ্ধিনাথ শৰ্মা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাৰ লগত মহাবিদ্যালয় ছাত্ৰসংহাৰ তৰ্ক আৰু সাহিত্য বিভাগৰ তত্বাবধায়ক হিচাপে প্ৰায় এদিনিয়াভাবে জড়িত প্ৰবক্তা শ্ৰীভবেন্দ্ৰনাথ ডেকা-দেৱক আমি ব্যক্তিগতভাবে লগ ধৰিছিলো। তেখেতৰ পৰা জনামতে আনুমানিক ১৯৭২-৭৩ চনত অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈদেৱৰ প্ৰেৰণাত আঞ্চলিক ভিত্তিত সদৌ ৰঙিয়াৰ স্কুল-কলেজ সামৰি ৺সিদ্ধিনাথ শৰ্মা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ পিছত ১৯৭৫-৭৬ চনমানৰপৰা প্ৰতিযোগিতাখনি আন্তঃ মহাবিদ্যালয় পৰ্য্যায়লৈ উন্নীত কৰা হয়।

তৰ্ক-বিতৰ্ক ইত্যাদি বিষয় শিক্ষাৰ লগত ঘনিষ্ঠ সম্বন্ধ আছে। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিধি ব্যাপক হোৱাৰ লগতে যুক্তিবাদী দৃষ্টিভঙ্গী গ্ৰহণ কৰাৰ দিশতো প্ৰত্যক্ষ প্ৰভাৱ পৰা দেখা যায়। আনহাতে এনেলেখীয়া বিতৰ্ক-সমূহে ছাত্ৰ-ছাত্ৰীৰ বিষয় জ্ঞান বৃদ্ধি কৰে আৰু সমাজ-সচেতনতা জগাই তোলে। এই দৃষ্টি-কোণৰপৰ ৺সিদ্ধিনাথ শৰ্মা সোঁৱৰণী তৰ্ক প্ৰতি-যোগিতা বহুলাংশত সফল হোৱা বুলি ক'ব লাগিব। অসমৰ বিভিন্ন অঞ্চলৰ অধিক উন্নত মহাবিদ্যালয় কেইখনমানৰ উচ্চমান বিশিষ্ট প্ৰতিযোগিসকলৰ সমাবেশত অনুষ্ঠিত হোৱা এনে প্ৰতিযোগিতাসমূহে বিগত কেইবছৰমানত এটা সুস্থ বৌদ্ধিক পৰিবেশৰ লগত পৰিচয় হোৱাৰ সুবিধা আমাৰ ছাত্ৰ-ছাত্ৰীসকলক দিছে। ৰঙিয়াৰ দৰে পিচপৰা ঠাইত উন্নত মানদণ্ডৰ তৰ্ক প্ৰতি-যোগিতা দেখাৰ সৌভাগ্য খুব কমেই হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত ১৯৭৬-৭৭ চন, ১৯৮২-৮৩ চন, ১৯৮৫-৮৬ চন আদি কেইবছৰমান অনু-ষ্ঠিত তৰ্ক প্ৰতিযোগিতা কেইখনে আমাৰ মহা-বিদ্যালয় তথা আমাৰ অঞ্চলত এক নতুন বাতা-বৰণ সৃষ্টি কৰাত অৰিহণা যোগাইছিল। এই প্ৰতিযোগিতাৰ মঞ্চত বহুকেইটি বিতৰ্কমূলক বিষয়ৰ ওপৰত বিতৰ্ক হৈছে। এইবোৰৰ ভিতৰত "সমাজ আৰু ৰাষ্ট্ৰৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত ছাত্ৰসকলে সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণ কৰা উচিত।" (১৯৭৬-৭৭), "বৰ্ত্তমান ক্ৰটীপূৰ্ণ শিক্ষা ব্যৱস্থাই আৰ্থ-সামাজিক অনগ্ৰসৰতাৰ মূল কাৰণ।" (১৯৮২-৮৩), "বিভিন্ন ৰাজ্যত শিক্ষাৰ মাধ্যম হিচাপে আঞ্চলিক ভাষাৰ প্ৰচলন ৰাষ্ট্ৰীয় সংহতিৰ অন্তৰায় স্বৰূপ হৈছে।" (১৯৮৫-৮৬) ইত্যাদি বিষয়ত হোৱা বিতৰ্ককেইখন বিশেষভাৱে প্ৰণিধানযোগ্য। এনেধৰণৰ বিষয়বোৰে তাৰ্কিক-সকলৰ দৃষ্টিভঙ্গীৰ প্ৰসাৰতা বৃদ্ধি কৰাৰ লগতে শ্ৰোতা-দৰ্শকসকলকো উপকৃত কৰিছিল। এই প্ৰতিযোগিতাসমূহে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক সংসদীয় পৰিক্ৰমাৰ আদব-কায়দা সম্পৰ্কতো পৰিচয় হোৱাত সহায় কৰিছিল।

৺সিদ্ধিনাথ শৰ্মা সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ মাধ্যমেৰে কেবাগৰাকীও বিশিষ্ট ব্যক্তিৰ আগমণ হোৱাটোও উল্লেখযোগ্য কথা। বিভিন্ন সময়ত এই প্ৰতিযোগিতাৰ অধ্যক্ষৰ আসন অলংকৃত কৰি বিশিষ্ট সংসদ সদস্য শ্ৰীদীনেশ গোস্বামী, অসম বিধান সভাৰ অধ্যক্ষ শ্ৰীপুলকেশ বৰুৱা, শিক্ষাবিদ শ্ৰীতাৰিণী কান্ত বৰুৱা, শ্ৰীজগন্নাথ চক্ৰৱৰ্তী আদিয়ে প্ৰতি-যোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰাই নহয়, তেখেত-সকলৰ জ্ঞানগৰ্ভ মন্তব্যেৰে আটাইকে উপকৃতও কৰিছিল।

পৰিশেষত, ৰঙিয়া অঞ্চলৰ কৃতীসন্তান, বিশিষ্ট স্বাধীনতা সংগ্ৰামী, বিচক্ষণ ৰাজনীতিজ্ঞ আৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি ৺সিদ্ধিনাথ শৰ্মাদেৱৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে আয়োজিত এই প্ৰতিযোগিতাৰ উত্তৰোত্তৰ উজ্জ্বল কামনা কৰি আলোচনাৰ সামৰণি মাৰিলো। +

(শ্ৰীসীমান্ত শালৈ ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু ৰঙিয়া অঞ্চলৰ আগশাৰীৰ ছাত্ৰনেতা।

জন্মোৎসৱ” আদি পৰ্ব্ব সমূহো নিয়মীয়াভাৱে পালন কৰি অহা হৈছে।

### [ঙ] সাহায্য ঃ

অতি দুখীয়া ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ সুবিধাৰ্থে একেবাৰে কম পৰিমাণে হলেও সহায়-সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা হিচাপে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰসন্থাৰ এটা সুকীয়া সাহায্য-পুঁজি বছৰি ধাৰ্য্য কৰা হয়। এই পুজিৰ পৰা সভাপতিয়ে বছৰি খুউব কম পৰিমাণে হলেও অৰ্থনৈতিকভাৱে শোচনীয় তথা আকস্মিক প্ৰাকৃতিক দুৰ্যোগ আদিত ক্ষতিগ্ৰস্ত কিছু ছাত্ৰ-ছাত্ৰীলৈ সাহায্য আগবঢ়ায়।

### [চ] সমাজসেৱা ঃ

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰসন্থাৰ সমাজ সেৱা বিভাগৰ সৌজন্যত ৰঙিয়া মহাবিদ্যালয়ৰ উপৰিও বিভিন্ন ঠাইত স্বেচ্ছাসেৱক ছাত্ৰ-ছাত্ৰীসকলে দৈনিক পৰিশ্ৰমেৰে সপ্তাহ জোৰা অভিযানলৈ প্ৰত্যেক বছৰে কিছুমান কাম কৰি আহিছে। দুই-চাৰিটা বছৰৰ বাহিৰে বেছিভাগ সময় এই বিভাগটোৰ কৰ্মসূচী বাহ্যিকতাৰ উৰ্দ্ধত কিবা থকা বুলি কিন্তু কোৱাৰ থল নাই।

### [ছ] ৰঙিয়া মহাবিদ্যালয়ৰ অগ্ৰগতিত ছাত্ৰ-সন্থা আৰু অন্যান্য ঃ

পঁচিশ বছৰ, বিশ বছৰ অথবা দহবছৰ আগৰ ৰঙিয়া মহাবিদ্যালয়খনৰ লগত আজিৰ ৰঙিয়া মহাবিদ্যালয়ৰ তুলনা কৰিলে বিৰাট পাৰ্থক্য এটা ওলাই পৰিব। প্ৰতি বছৰে কিছুমান অভাৱ পূৰণ কৰি অহাৰ জৰিয়তে মহাবিদ্যালয়খনৰ উন্নয়ণৰ দিশটোও টনকিয়াল হৈ আহিছে। ৰঙিয়া মহাবিদ্যালয় আঞ্চলটোৰ ভিতৰতে নহয়; মহকুমাটোৰ ভিতৰতে সবাতোকৈ পুৰণি উচ্চ শিক্ষাৰ অনুষ্ঠানৰূপে পৰিচিত। সেই দিশৰ পৰা অঞ্চলটোত উচ্চ শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত; বিশেষকৈ সমীপৱৰ্ত্তী অৰ্থনৈতিক ভাবে দুৰ্দ্দশাগ্ৰস্ত গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষা লাভৰ ক্ষেত্ৰত মহাবিদ্যালয়খনে লোৱা ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। সেয়ে বৰ্ত্তমানৰ সময়তে মহাবিদ্যালয়খন উচ্চ শিক্ষাৰ কেন্দ্ৰ স্বৰূপ হৈ পৰিব লাগিছিল! কিন্তু নহল। সময় আৰু পৰিস্থিতি সাপেক্ষে অগ্ৰগতি হীনতাই ইয়াৰ কাৰণ নে অইন কিবা কেৰোন আছে; ৰূপালী জয়ন্তীত সেয়া নিৰ্ণিত হওঁক। অভাৱ-অভিযোগৰ কোনো ক্ষেত্ৰ নিৰ্দ্দিষ্ট সীমা এটা থাকিব নোৱাৰে বাবেই উন্নয়ণৰ গতিও সদায়ে অন্তহীন। কিন্তু একুৰি পাঁচ বছৰীয়া ৰঙিয়া মহাবিদ্যালয়ৰ অগ্ৰগতি নিৰাশজনক নহয় যদিও আশানুৰূপো নহয়। তেনেই স্বাভাৱিক। যিটো কৰ্তৃপক্ষইও নিশ্চয় স্বীকাৰ কৰিব। ৰূপালী জয়ন্তী মহোৎসৱ উদ্‌যাপন কৰাৰ সময়ত অন্যান্য বাদেই; বিজ্ঞান শাখাৰ পূৰ্ণাঙ্গকৰণ অন্ততঃ হৈ উঠিব লাগিছিল। কিন্তু কলা শাখাই আজি পৰ্য্যন্ত সম্পূৰ্ণ হৈ নুঠিল।

বিগত সময়ছোৱাত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থাই পৰিস্থিতি সাপেক্ষে আৰু সামগ্ৰিক উন্নয়ণৰ পটভূমিত দৃষ্টিগোচৰ কৰি অহা হ্ৰস্ব অথবা দীৰ্ঘকালীন দাবীসমূহ মহাবিদ্যালয় কৰ্তৃপক্ষই পূৰণ কৰাৰ বাবে পৰিকল্পিত আঁচনিৰে একাগ্ৰচিত্তে আত্মনিয়োগ কৰাহেঁতেন উন্নয়ণৰ ছবিখন আৰু উজ্জ্বল হৈ উঠিলেহেঁতেন। চৰকাৰ কৰ্তৃপক্ষই আশানুৰূপ সঁহাৰি নজনোৱাটোও ইয়াৰ এক হেতু যদিও চৰকাৰ কৰ্তৃপক্ষক যথাসম্ভৱ হেচাঁ দি হলেও আমি মহাবিদ্যালয়-খনৰ স্বাৰ্থ পূৰণ কৰিব পাৰিব লাগিছিল। কিন্তু আমাৰ কৰ্তৃপক্ষৰ সুদৃঢ় পদক্ষেপৰ অভাৱ তথা আভ্যন্তৰীণ দুৰ্ব্বলতাই বিভিন্ন সময়ত চৰকাৰ কৰ্তৃপক্ষক নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰাত পৰোক্ষভাৱে সহায়হে কৰি আহিছে। যাৰ



ফলতেই ৰঙিয়া মহাবিদ্যালয়ত ইং ১৯৮০ চনৰ পৰা ‘৮৬ চন পৰ্য্যন্ত অধ্যক্ষৰ দৰে গুৰুত্বপূৰ্ণ পদটোও খালী হৈ থাকিব পাৰিছিল। শেষত যেনিবা ১৯৮৫ চনৰ পৰা ছাত্ৰসন্থাই ইয়াৰ তীব্ৰ প্ৰতিবাদসহ অধ্যক্ষ নিযুক্তি সংক্ৰান্তত স্পষ্ট মত জনাই সংগ্ৰামত অৱতীৰ্ণ হোৱাত চৰকাৰ কৰ্তৃপক্ষই বাধ্য হৈ ১৯৮৬ চনত পদটো পূৰণ কৰালে। ১৯৮৬ চনৰ পৰা উপাধ্যক্ষৰ পদটোকো লৈ একেই পৰিস্থিতিৰ সৃষ্টি হোৱাটো দুৰ্ভাগ্যজনক। এনে উপৰুৱা সমস্যা কিছুমানেই মহাবিদ্যালয়খনৰ অগ্ৰগতিত অন্তৰায় স্বৰূপ হৈ পৰাৰ লগে লগে ছাত্ৰসমাজৰো প্ৰত্যেক্ষভাৱে ক্ষতি সাধন কৰি আহিছে।

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰসন্থাই আৰম্ভণিৰে পৰা বৰ্ত্তমানলৈ ছাত্ৰসমাজ তথা ৰঙিয়া মহাবিদ্যালয়ৰ সামগ্ৰিক উন্নয়ণৰ বাবে সদায়ে সজাগ-প্ৰহৰীৰ ভূমিকা গ্ৰহণ কৰি আহিছে। মহাবিদ্যালয় ছাত্ৰসন্থাৰ মহাবিদ্যালয়খনৰ উন্নয়ণৰ দিশত কিবা কৰিব পৰাৰ ক্ষমতা নাই সচা; কিন্তু উন্নয়ণৰ পটভূমিত ছাত্ৰসমাজৰ ভূমিকা অনস্বীকাৰ্য্য। দলীয় ৰাজনীতিৰ পৰা আঁতৰত থাকি, ছাত্ৰসমাজৰ একীভূত শক্তিৰ আধাৰত মহাবিদ্যালয় ছাত্ৰসন্থাই সকলো সময়তে বিভিন্ন দাবী উত্থাপন তথা সংগ্ৰামৰ জৰিয়তে মহাবিদ্যালয়খনৰ অগ্ৰগতিৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ উপৰিও কৰ্তৃপক্ষৰ সতে সহযোগী মনোভাবেৰে সদায় বিভিন্ন দিশত ছাত্ৰসমাজে শাৰীৰিক তথা মানসিক কষ্ট প্ৰদান কৰিও অগ্ৰগতিত অৰিহণা যোগাইছে। আনহাতে ইং ১৯৮২-৮৩ চনৰ পৰা ছাত্ৰসন্থাৰ সীমিত পুঁজিৰ পৰাই মহাবিদ্যালয়খনৰ কিছু কাম কৰোৱা তথা বৰঙণি আগবঢ়োৱাটো এক অনন্য পদক্ষেপ। ছাত্ৰসন্থাৰ কাৰ্য্যালয়ৰ বাবে সুকীয়া চকী, মেজ, বেঞ্চ, জাননী ফলি নিৰ্মাণ, মহাবিদ্যালয়ৰ অস্থায়ী প্ৰেক্ষাগৃহত মঞ্চ নিৰ্মাণ, মাইক চেট, টেবিল টেনিচ বোৰ্ড আদিৰ যোগান, বিজ্ঞান শাখালৈ ১৫,০০০ টকাৰ এককালীন সাহায্য, স্থায়ী চাইকেল আস্থান নিৰ্মাণৰ বাবে ১৫,০০০ টকাৰ বৰঙণি আদিয়ে ছাত্ৰসন্থাৰ উক্ত কাৰ্য্যৰ স্বাক্ষৰ বহণ কৰি ৰাখিব। ছাত্ৰসন্থাই অদূৰ ভৱিষ্যতেও এই পদক্ষেপ বাহাল ৰখাটো বাঞ্চনীয়।

কিন্তু এইবোৰ মহাবিদ্যালয়খনৰ উন্নয়ণৰ বাবে যথেষ্ট নহয়। উপলক্ষ্যমাত্ৰ প্ৰকৃততে মহাবিদ্যালয়খনৰ উন্নয়ণ কৰ্তৃপক্ষৰ সুস্থ আঁচনি আৰু এই আঁচনি কাৰ্য্যকৰী কৰাৰ বাবে দৃঢ় পদক্ষেপৰ ওপৰতহে নিৰ্ভৰশীল। ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ শিক্ষক, ছাত্ৰ আৰু কৰ্মচাৰী এই পদক্ষেপৰ সহযাত্ৰী স্বৰূপ। ৰূপালী জয়ন্তী মহোৎসৱে এই উপলব্ধি সকলোৰে মনত নিশ্চয় উদয় কৰাব। দায়িত্ব আৰু কৰ্ত্তব্যৰ প্ৰতি সচেতন কৰি প্ৰত্যেককে এলাহৰ পৰিবৰ্ত্তে উৎসাহ ও একাগ্ৰতা, ভয়ৰ পৰিবৰ্ত্তে সাহস, সন্দেহৰ পৰিবৰ্ত্তে প্ৰথমে আত্মবিশ্বাসৰ ভেটি সুদৃঢ় কৰি তুলিব। যাৰ আধাৰত মহাবিদ্যালয়খনৰ যথোপযুক্ত উন্নয়ণেই নহয়, আহি থকা দিনবোৰত দেশৰ উচ্চ শিক্ষাৰ অনুৰূপ অনুষ্ঠান সমূহৰ ভিতৰত শিক্ষা, আদৰ্শ আৰু অনুপ্ৰেৰণাৰো ভেঁটি স্বৰূপ হৈ পৰিব ৰঙিয়া মহাবিদ্যালয়।

### জাতীয় আন্দোলনত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা ঃ

সদৌ অসম ছাত্ৰসন্থাৰ পতাকাৰ তলত সংগঠিত প্ৰতিটো জাতিয় আন্দোলনতেই ৰঙিয়া মহাবিদ্যালয় ছাত্ৰসন্থাই বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে। অসমৰ উচ্চশিক্ষাৰ মাধ্যম, খাদ্য, অ-ভাৰতীয় বহিষ্কাৰ আদি জ্বলন্ত প্ৰশ্ন-সমূহক কেন্দ্ৰ কৰি গঢ়ি উঠা আন্দোলনবোৰৰ কাৰ্য্যসূচীসমূহৰ সফল ৰূপায়নত ৰঙিয়া মহা-

বিদ্যালয় ছাত্রসন্থাই সদায় আগবণুৱা হিচাপে কাম কৰি আহিছে।

১৯৭৪ চনত সদৌ অসম ছাত্রসন্থাই একৈশ দফীয়া দাবী চনদৰ ভিত্তিত ৰাজ্যজুৰি গঢ়ি-তোলা আন্দোলনত ৰঙিয়া মহাবিদ্যালয় ছাত্র সন্থাই উল্লেখযোগ্য ভূমিকা গ্রহণ কৰিছিল। ৰঙিয়া মহাবিদ্যালয়ৰ সেইসময়ৰ ছাত্র মুকুল কলিতা, মহেন্দ্র মহন্তকে ধৰি কেবাজনো ছাত্র-শিক্ষকে গ্রেপ্তাৰ বৰণ কৰাৰ উপৰিও বিভিন্ন লোক উক্ত আন্দোলনত চৰকাৰী দমননীতিৰ বলি হব-লগীয়া হয়। ৰঙিয়া মহাবিদ্যালয় ছাত্রসন্থাই ১৯ জুলাই তাৰিখে ছাত্র-শিক্ষকৰ যৌথ প্রতিবাদ সভা অনুষ্ঠিত কৰি চৰকাৰী দমননীতিৰ বিৰুদ্ধে প্রতিবাদ সাব্যস্ত কৰে। সেইবছৰতে ৰঙিয়া মহাবিদ্যালয় ছাত্রসন্থাই দুগৰাকী ছাত্রনেতাক সম্ব-র্দ্ধনা জনোৱাটো এটি উল্লেখযোগ্য কথা। দুগৰা-কীৰ এগৰাকী হ'ল সেইসময়ৰ সদৌ অসম ছাত্রসন্থাৰ সাধাৰণ সম্পাদক শ্রীযতীন্দ্র চৌধুৰী আৰু অন্যগৰাকী গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্রসন্থাৰ প্রাক্তন উপ-সভাপতি আৰু ৭২ ৰ মাধ্যম আন্দোলন কালৰ সদৌ অসম ছাত্রসন্থাৰ নেতৃবৃন্দৰ এগৰাকী ঘনিষ্ঠ সতীৰ্থ শ্রীঅমৰেন্দ্র কুমাৰ শৰ্মাই। এই দুয়োগৰাকী ছাত্রনেতাই ৰঙিয়াৰ।

১৯৭৯ চনৰ ৮ জুন তাৰিখৰ অসম বন্ধৰ প্রথম কাৰ্য্যসূচীৰে সদৌ অসম ছাত্রসন্থাই অভাৰ-তীয় নাগৰীক বহিষ্কাৰৰ দাবীত ১৯৮৫ চনৰ ১৪ আগষ্টলৈ চলোৱা অসম আন্দোলনৰ সুদীৰ্ঘ ছয়বছৰীয়া কালৰ প্রতিটো পৰ্য্যায়তে ৰঙিয়া মহাবিদ্যালয় ছাত্রসন্থাই বৃহত্তৰ ৰঙিয়া অঞ্চলত নেতৃস্থানীয় ভূমিকা লৈছিল। ৰঙিয়া বৃহত্তৰ অঞ্চলটোত আন্দোলনত পৰিচালনাৰ দায়িত্ব ঘাইকৈ লবলগীয়া হয় ৰঙিয়া আঞ্চলিক ছাত্রসন্থাই। কোৱাবাহুল্য যে ৰঙিয়া আঞ্চলিক ছাত্রসন্থাৰ প্রাণকেন্দ্রটোৱেই হ'ল— ৰঙিয়া মহাবিদ্যালয় ছাত্র সন্থা। বিগত আন্দোলন কালত ৰঙিয়া মহাবিদ্যালয় ছাত্রসন্থাৰ পদাধিকাৰীসকলেই প্রায়ে আঞ্চলিক ছাত্রসন্থাৰ নেতৃত্বও বহন কৰিছিল। আন্দোলনৰ কাৰ্য্যসুচী পৰিচালনা কৰা তথা নেতৃত্ব বহন কৰা সকলো ক্ষেত্রতে ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্রসমাজেই মুখ্য ভূমিকা গ্রহণ কৰিছিল। এই-বোৰ কৰিব যাওঁতে ছাত্রসন্থাৰ বিষয়ববীয়াসকলৰ লগতে ৰঙিয়া মহাবিদ্যালয়ৰ সংগ্রামী ছাত্র-ছাত্রী-সকলে বিভিন্ন প্রকাৰৰ নিৰ্য্যাতন, ষড়যন্ত্র, ভাবুকি আদিৰ সন্মুখীন হব লগীয়া হৈছিল। এইখিনিতে নিৰ্য্যাতিত ছাত্র-ছাত্রীসকলৰ নামো-ল্লেখ কৰাৰ ইচ্ছা থকাতো স্থানাভাৱত উল্লেখ কৰিব নোৱাৰাত আমি দুঃখিত।

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্রসমাজৰ লগতে মাননীয় শিক্ষাগুৰুসকলেও এই আন্দোলনত এক বিশেষ ভূমিকা গ্রহণ কৰে। শিক্ষাগুৰুসকলে আন্দোলনত সক্রিয় অংশ গ্রহণ কৰাৰ উপৰিও সৎ পৰামৰ্শ আদিৰে বিভিন্ন সময়ত পথপ্রদৰ্শকৰ ভূমিকাও গ্রহণ কৰে। ফলস্বৰূপে আমাৰ মহাবিদ্যালয়ৰ কেবাগৰাকীও মাননীয় শিক্ষাগুৰুৱে গ্রেপ্তাৰ বৰণ কৰাকে ধৰি কাৰাবাসবৰণ, পুলিচ-চি, আৰ, পিৰ দ্বাৰা প্রহৃত হবলগীয়া হয়। এইসকলৰ ভিতৰত তেতিয়াৰ অধ্যক্ষ শ্রীবীৰেন্দ্রনাথ বৰদলৈ, বৰ্তমান অধ্যক্ষ শ্রীনীলকান্ত মহন্ত অধ্যাপকসকল ( সৰ্ব্বশ্রী ) গদাধৰ ফাটোৱালী, হীৰেন্দ্রনাথ শৰ্মা, গোলোকচন্দ্র ভূঞা, হৰেন্দ্র শৰ্মা, নৰেন্দ্র কলিতা, হৰিনাথ শৰ্মা, ৰজতচন্দ্র ডেকা, অমৰেন্দ্র শৰ্মা, আব্দুল ৰেজ্জাক, ভবেন্দ্রনাথ ডেকা, জ্যোতিষ চৌধুৰী আৰু স্বৰ্গীয় নিৰঞ্জন তালুকদাৰদেৱৰ নাম বিশেষ ভাবে উল্লেখযোগ্য।

**সামৰণি ঃ**

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্রসন্থাৰ একুৰি পাঁচ বছৰৰ জনা-নজনা ইমানবোৰ কথা চমুকৈ



হলেও লিখিব যাওঁতে আমাৰ লিখনীত হব পৰা ভুলবোৰৰ বাবে, লিখিব নৈ যোৱাবোৰৰ বাবে সহৃদয় ৰাইজ তথা ছাত্রসমাজে আমাক ক্ষমা কৰিব নিশ্চয়। নিৰ্ভৰযোগ্য তথ্যৰ অভাৱত আৰু প্রয়োজনহীন বুলি অনুভৱ কৰিও কিছুমান কথা লিখা নহ'ল। প্রকাশৰ সীমা-বদ্ধতাৰ বাবেও বহুকথা এৰিব লগা হ'ল। এই আটাইবোৰৰ বাবে মাৰ্জনা বিচাৰি সামৰিছো। +

জয়তু ৰঙিয়া মহাবিদ্যালয়।
জয় আই অসম॥

( ৰঙিয়া মহাবিদ্যালয়ৰ প্রাক্তন ছাত্র শ্রীদীপক দাস প্রতিভাবান উদীয়মান লিখক। তেওঁ এক গুৰুত্বপূৰ্ণ সময়ত ৰঙিয়া মহাবিদ্যালয় ছাত্রসন্থাৰ সাধাৰণ সম্পাদক আৰু পিছলৈ উপ সভাপতিৰ দায়িত্ব বহন কৰি ৰঙিয়া অঞ্চলৰ ছাত্র সমাজক নেতৃত্ব দিছিল। )

মানুহে তোমাক নাজানে বুলি আক্ষেপ নকৰিবা। এনেভাবে কাম কৰা যাতে তুমি মানুহে জানিবৰ যোগ্য হোৱা। —কনফুছিয়াছ

# চকুৰ পচাৰতে আমাৰ মহাবিদ্যালয়খনি

১। মহাবিদ্যালয় প্ৰতিষ্ঠাৰ তাৰিখ-- ৫ আগষ্ট, ১৯৬৩ ইং চন।

২। মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন—২৬ জানুৱাৰী, ১৯৬৫ ইং চন।

৩। মহাবিদ্যালয়ৰ ভূমি সম্পতি—বনগাঁৱৰ মূল চৌহদৰ ৭৫ বিঘা চৰকাৰে আবণ্টন দিয়া মাটি। ইয়াৰ উপৰিও তেজপুৰ ৰেললাইনৰ ওচৰত গোগমালাছা গাঁৱত স্বৰ্গীয় সাগৰমল আগৰৱালাই দান কৰা প্ৰায় ২৮ বিঘা মাটি। ইয়াৰে ৩০ বিঘা পৰিমাণৰ মাটি ১৯৮৬ চনত অসামৰিক চিকিৎসালয়ৰ নামত কলেজ কৰ্তৃপক্ষই হস্তান্তৰ কৰে।

৪। মহাবিদ্যালয়ৰ চাৰিসীমা— পূবে ৰেলপথ, পশ্চিমে প্ৰস্তাৱিত চিকিৎসালয়ৰ স্থান, জলসিঞ্চন বিভাগৰ কাৰ্য্যালয় আৰু পদুম কুঁৱৰী কলেজিয়েট হাইস্কুল। উত্তৰে বনগাওঁ, দক্ষিণে সাহান।

প্ৰচলিত আছিল বুলি জনা যায়। তদুপৰি দুই/চাৰি শাস্ত্ৰজ্ঞ (সংস্কৃতজ্ঞ) ব্ৰাহ্মণ পণ্ডিতে গুৰুকুল পদ্ধতিত ভাৰতৰ অন্যান্য ৰাজ্যৰ দৰে সম্পূৰ্ণ নিজৰ দায়িত্ব আৰু তত্বাৱধানত সংস্কৃত ভাষাৰ শিক্ষাদান কৰাৰ আভাস পোৱা যায়। কিন্তু এই শিক্ষা ব্যৱস্থা আছিল সম্পূৰ্ণ অস্থায়ী আৰু সীমিত। উণবিংশ শতিকাৰ শেষৰফালে আৰু বিংশ শতিকাৰ প্ৰথম দশকত ডিমুগাঁৱৰ ৺ৰঘুনাথ ভট্টাচাৰ্য্য, আৰু ৺গোপীনাথ ভট্টাচাৰ্য্য, কনিহা গাঁৱৰ ৺জপৰা অধ্যাপক, চেম্পিত গাঁৱৰ ৺সিদ্ধিনাথ চক্ৰৱৰ্ত্তী বিদ্যাবিনোদ আদি কেবাজনো সংস্কৃতজ্ঞ পণ্ডিতে নিজৰ ঘৰতে সংস্কৃত টোল (বিদ্যালয়) পাতি সংস্কৃতৰ বিশেষকৈ সংস্কৃত ব্যাকৰণৰ শিক্ষা দিছিল। সেই সময়ত আঠঘৰীয়াত ৺ধীৰেশ্বৰাচাৰ্য্য সংস্কৃত বিদ্যালয়, বৰখলাত ৺যোগেশ্বৰী দৰ্শন বিদ্যালয়, চতমাত ৰুদ্ৰৱৰ চতুষ্পাঠী আৰু দতৰা গাঁৱতো সংস্কৃত বিদ্যালয় আছিল। ব্যাকৰণ শাস্ত্ৰৰ বাহিৰে কাব্য, স্মৃতি, দৰ্শন আয়ুৰ্ব্বেদ আদি শাস্ত্ৰৰ অধ্যয়নৰ ব্যৱস্থা নথকাত এই অঞ্চলৰ উচ্চ শিক্ষাভিলাষী ভালেমান ছাত্ৰই, নবদ্বীপ, বাৰাণসী আদিলৈ গৈ সংস্কৃত অধ্যয়ন কৰিছিল। সেই সকলৰ ভিতৰত ৺মহাদেৱ গোস্বামী স্মৃতি ব্যাকৰণ তীৰ্থ (গৰীয়াকোঠ), ৺কৃষ্ণদত্ত বুজৰবৰুৱা তৰ্কতীৰ্থ (বৰখলা), ৺শিৱনাথ বুজৰবৰুৱা স্মৃতি-তীৰ্থ (দতৰা), ৺সিদ্ধিনাথ চক্ৰবৰ্ত্তী বিদ্যাবিনোদ (চেম্পিত), ৺বাণেশ্বৰ শৰ্মা ব্যাকৰণতীৰ্থ (সোনেশ্বৰ), সোমদত্ত শৰ্ম্মা-স্মৃতি-ব্যাকৰণ তীৰ্থ (বঙালী-কুছি), ৺হেমকান্ত বুজৰবৰুৱা তৰ্কতীৰ্থ (বৰখলা) ৺গুৰুদত্ত ভট্টাচাৰ্য্য-ব্যাকৰণ তীৰ্থ-(শিমলুৱা), শ্ৰীচক্ৰেশ্বৰ ভট্টাচাৰ্য্য - ব্যাকৰণতীৰ্থ (চতমা), শ্ৰীশম্ভুনাথ ভট্টাচাৰ্য্য-তীৰ্থায়ুৰ্ব্বেদাচাৰ্য্য, কবিভূষণ (ডিমু–ৰঙিয়া) আদিয়েই প্ৰধান। এই সকল বিশিষ্ট পণ্ডিতে যজন-যাজন, পূজা-পাঠ আদি কৰাৰ উপৰিও টোলত সংস্কৃতৰ অধ্যাপনা কৰি সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধিত অৰি-হণা যোগাইছিল। আজিও ৰঙিয়া অঞ্চলত কনিহা আৰ্য্যধৰ্ম্ম সংৰক্ষিণী টোল (১৯২১), বঙালীকুছি জ্ঞানদা চতুষ্পাঠী (১৯৪৮-বৰ্তমান লুপ্ত), ক্ষুদ্ৰডিমু দামোদৰ ধাম সংস্কৃত চতুষ্পাঠী, কনিহা গঙ্গানাথ চতুষ্পাঠী (১৯৬৬) আদি টোলসমূহ চৰকাৰী অনুদানত বৰ্ত্তি আছে।

বৰ্ত্তমানে আমাৰ দেশৰ সৰ্ব্বত্ৰ চলি থকা শিক্ষা ব্যৱস্থা বৃটিছ সকলে পত্তন দিয়া ব্যৱস্থাকেই কিছু যোগ-বিয়োগ কৰি চলাই ৰখা হৈছে মাথোন। ভাৰতৰ অন্যান্য ৰাজ্যত প্ৰবৰ্ত্তন কৰাৰ দৰে ১৮২৬ খৃষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিৰ পাছত আমাৰ অসমতো বৃটিছ শাসনৰ পত্তন ঘটাৰ লগে লগে লৰ্ড মেকলে চাহাবে প্ৰবৰ্ত্তন কৰা শিক্ষা-ব্যৱস্থাৰ প্ৰবৰ্ত্তন কৰে। এই ক্ষেত্ৰত অসম ভাৰতৰ অন্যান্য ৰাজ্যৰ বিশেষকৈ বোম্বে, মাদ্ৰাজ আৰু বঙ্গদেশতকৈ প্ৰায় এশ বছৰ পিছৰপৰা বুলিলে অত্যুক্তি কৰা নহয়। ভাৰতত বৃটিছে তেওঁলোকৰ শাসনকাৰ্য চলোৱাত সহায়ক হোৱাকৈ কিছুসংখ্যক তলতীয়া কৰ্ম্মচাৰী বিশেষকৈ কেৰাণী মহৰি আৰু মোচাহেব (দাস)ৰ সৃষ্টি কৰাই আছিল মেকলে চাহাবৰ প্ৰৱৰ্ত্তিত শিক্ষাৰ মূল উদ্দেশ্য। অসমতো সেই শিক্ষা ব্যৱস্থাৰ পত্তন ঘটিল; আৰু অসমৰ জিলাৰ সদৰ আৰু মহকুমাৰ সদৰ সমূহত একো একোখনি প্ৰাথমিক বিদ্যালয় আৰু ইংৰাজী বিদ্যালয় স্থাপিত হ'ল। সেই একে সময়তে গাঁও অঞ্চলৰো কোনো কোনো ঠাইত দুই–এখন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। ৰঙিয়া অঞ্চলতো সেই সময়ত দুই-এখন প্ৰাথমিক বিদ্যালয় স্থাপিত হৈছিল বুলি অনুমান কৰিব পাৰি। কোন ঠাইৰ কোনখন বিদ্যালয় অতি প্ৰাচীন ইয়াৰ আঁতিগুৰি বিচাৰি উলিওৱাটো দুঃসাধ্য। উনবিংশ শতিকাৰ মধ্য বা শেষৰ দশকত ৰঙিয়াত এখন প্ৰাথমিক বিদ্যালয় আছিল য'ত দেশনেতা ৺সিদ্ধিনাথ শৰ্ম্মা, ৺আকবৰ আলী, ৺জলটি ৰাম লহকৰ, ৺শান্তিৰাম লহকৰ, ৺চিদানন্দ ভট্টাচাৰ্য্য আদি ভালেমান জ্ঞাত-অজ্ঞাত লোকে

প্ৰাথমিক শিক্ষা লাভ কৰিছিল সেইখন বিদ্যালয়তে এই প্ৰবন্ধ লেখকৰ স্বৰ্গীয় পিতৃ তাৰানাথ শৰ্ম্মাই ওপৰোক্ত ব্যক্তিসকলতকৈ দুই এক শ্ৰেণী ওপৰত পঢ়িছিল বুলি আমাৰ আগত কৈছিল—যদিও তেখেতে সেই স্কুল এৰি ছোটশিল প্ৰাইমাৰী স্কুলৰ পৰা ইংৰাজী ১৯০১ চনত প্ৰাথমিক শেষান্ত পৰীক্ষা পাছ কৰে। তেওঁলোকৰ পূৰ্ব্ববৰ্তী চামৰ ৺বলো আলী পণ্ডিতে নিজ বড়িগোগ প্ৰাইমাৰী স্কুলত শিক্ষা লাভ কৰি কমলপুৰ চৰকাৰী এম-ভি স্কুল (১৮৬২ চনত প্ৰতিষ্ঠিত)ৰ পৰা ছাত্ৰবৃত্তি পৰীক্ষা পাছ কৰে; আৰু শেষত ১৯০১ চনত তৎকালীন গুৱাহাটী নৰ্মাল স্কুল (অধুনা লুপ্ত)ৰ দুবছৰীয়া পাঠ্যক্ৰম শেষ কৰি বৰ্ভিয়া প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল বুলি জনা যায়। সমসাময়িক ভাৱে সেইকালৰ ৰঙিয়া অঞ্চলৰ ডোবক, কনিহা, নিজবড়িগোগ, ছোটশিল, বৰখলা, দতৰা, চতমা, বাৰাংহাটী, বিলপাৰ আদি গাওঁসমূহতো প্ৰাইমাৰী স্কুল স্থাপন কৰি প্ৰাথমিক শিক্ষা বিস্তাৰৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু সেই যুগত এই অঞ্চলৰ কোনো ঠাইতে ইংৰাজী শিক্ষানুষ্ঠান নাছিল কাৰণেই বাধ্য হৈ আঢ্যবন্ত ঘৰৰ দুই/চাৰি ছাত্ৰই গুৱাহাটীৰ স্কুল-কলেজত উচ্চ (ইংৰাজী) শিক্ষা লাভ কৰিছিল। তেনে প্ৰথম চামৰ স্নাতক ডিগ্ৰীধাৰী লোক আছিল দেশনেতা, প্ৰবীণ মুক্তি যোদ্ধা, অসমৰ প্ৰাক্তন ৰাজহমন্ত্ৰী ৺সিদ্ধিনাথ শৰ্ম্মা, বি-এচ-চি, বি-এল (সাহান-নকুল), শিক্ষাবিদ ৺প্ৰাণ নাথ বুজৰবৰুৱা, বি-এচ-চি, বি-টি (দতৰা), শিক্ষাবিদ ৺অভিৰাম তালুকদাৰ, বি-এ, বি-টি (বিলপাৰ) আৰু তেনে দুই-চাৰিজন বিশিষ্ট ব্যক্তি। তাৰ পাছত অৱশ্যে এই সংখ্যা বৃদ্ধি হোৱাটো পৰিলক্ষিত হয়। ৰাষ্ট্ৰীয় বটাপ্ৰাপ্ত শিক্ষাবিদ ৺প্ৰাণেশ্বৰ শৰ্ম্মা, বি-এ, বি-এল (ডোবক), প্ৰবীণ আইনজ্ঞ প্ৰাক্তন ন্যায়াধীশ বাহাৰুল ইছলাম, এম-এ, বি-এল (উদিয়ানা), শিক্ষাবিদ-সাহিত্যিক পেঞ্চনাৰ পণ্ডিত শ্ৰীতৰণীকান্ত শৰ্ম্মা, বি-এ, বি-টি (ডিমু), শিক্ষাবিদ ৺ললিত চন্দ্ৰ দাস, বি-এ (নাৰপাৰা), শিক্ষাবিদ ৺ৰজৎ চন্দ্ৰ শৰ্ম্মা বি-এ (দেহাৰকুছি কলবাৰী), শ্ৰীশৰৎ চন্দ্ৰ শৰ্ম্মা, বি-এ (লৰমা), ৺মুক্তাৰাম কলিতা, বি-এ (চেপ্তি), ৺ৰামচন্দ্ৰ শৰ্ম্মা বি-এ (কেকেনী-কুছি), আইনজীৱী ৺কমলেশ্বৰ বুজৰবৰুৱা, বি, এ, বি, এল (বৰখালা) আদি ভালেমান ব্যক্তিয়ে উচ্চ শিক্ষা লাভ কৰি ৰঙিয়া অঞ্চলত উচ্চ শিক্ষাৰ আদৰ্শ স্থাপন কৰে; আৰু অঞ্চলৰ ৰাইজৰ মাজত অনুপ্ৰেৰণাৰ সৃষ্টি কৰে।

ৰঙিয়াত ইংৰাজী শিক্ষানুষ্ঠানৰ বাটকটীয়া ৺শান্তি ৰাম লহকৰ ডাঙৰীয়া। তেখেতে ইং ১৯১৭ চনত ৺লঘনুৰাম চৌধুৰী (তৎকালীন পাণ্ডুৰী মৌজাৰ মৌজাদাৰ)ৰ পৃষ্ঠপোষকতাত ৰঙিয়াত এল, আৰ, এম, ই স্কুল স্থাপন কৰে। সেই এম, ই স্কুলৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু প্ৰধান শিক্ষকো আছিল—৺লহকৰ ডাঙৰীয়াই। অৱশ্যে তাৰে কেইবছৰমান আগতে পশ্চিম বড়িগোগ মৌজাৰ বৰখালা গাৱঁত শিক্ষানুৰাগী ৺ধীৰদত্ত বুজৰবৰুৱা (সদাগৰ)ৰ মুখ্য পৃষ্ঠপোষকতাত ১৯১১ চনৰ ডিচেম্বৰ মাহত পশ্চিম বড়িগোগ ধীৰদত্ত মাইনৰ স্কুল স্থাপিত হয়। তেখেতৰেই জ্যেষ্ঠপুত্ৰ বিদগ্ধ সংস্কৃত পণ্ডিত ৺কৃষ্ণদত্ত বুজৰবৰুৱা, তৰ্কতীৰ্থই মাইনৰ স্কুলখনিক ১৯৩৭ চনত হাইস্কুললৈ উন্নীত কৰি পূৰ্ণাঙ্গ ৰূপ দিয়াত অৰিহণা যোগায়। ৰঙিয়া এল, আৰ এম, ই স্কুলখনি ১৯৩৬ চনত হাইস্কুললৈ উন্নীত হয়। সেই সময়ত স্কুলখনিৰ নাম আছিল—ৰঙিয়া হাইস্কুল আৰু হাই মাদ্ৰাছা। এই নামেৰে ১৯৪৪ চনলৈকে পৰিচালিত হোৱাৰ পাছত ১৯৪৫ চনত দ্বিধা বিভক্ত হৈ ৰঙিয়া হাইস্কুল আৰু ৰঙিয়া হাই মাদ্ৰাছা নাম পৰিগ্ৰহ কৰি স্বকীয় শিক্ষানুষ্ঠানত পৰিণত হয়। এই শিক্ষানুষ্ঠান দুটিয়েই [পি, বি ধীৰদত্ত মাইনৰ স্কুল আৰু ৰঙিয়া এল, আৰ এম, ই স্কুল] প্ৰাক্‌স্বাধীন যুগৰ ইংৰাজী শিক্ষাৰ বাটকটীয়া প্ৰাচীনতম্ শিক্ষানুষ্ঠান। দুয়োটা শিক্ষানুষ্ঠান যথাক্ৰমে পি, বি ধীৰদত্ত হাইস্কুল আৰু ৰঙিয়া হাইস্কুল [এল, আৰ নাম লুপ্ত হয় এম, ই স্কুল হাইস্কুললৈ উন্নীত হোৱাৰ সময়ত] ইং ১৯৭৯ চন আৰু ১৯৭৮ চনত হাইয়াৰ চেকেণ্ডাৰী স্কুললৈ উন্নীত হৈ পূৰ্ণাঙ্গ শিক্ষানুষ্ঠানৰ গৌৰৱ অৰ্জ্জন কৰিবলৈ সক্ষম হৈছে। কুড়ি শতিকাৰ ৩য় দশকত বেতনা মৌজাৰ গোৰেশ্বৰতো এখন মাইনৰ স্কুল স্থাপিত হয়। সেইখনো কালক্ৰমে উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ৰূপান্তৰিত ঘটিছে। উক্ত শিক্ষানুষ্ঠান ৩ টাক কেন্দ্ৰ কৰি পৰৱৰ্তী কালত ঘগ্ৰাপাৰ, তামুলপুৰ, পি, বি কনিহা, বড়িগোগ – হাজো, বৰঘূলি, গুৰমৌ, কছাৰীমহল, কে, বি দেউলকুছি, মধ্যপাণ্ডুৰী, দ্বাৰকুছি, তুলসীবাৰী, বেতনা, উত্তৰ বেতনা, দগাঁও, নাওকাটা, শিঙিমাৰী, পি, বি বালিসত্ৰ, পীতাম্বৰ আদৰ্শ বিদ্যাপীঠ, চনমাগুৰী বাণী বিদাাপীঠ, পি, বি, লহকৰপাৰা, পাত্ৰপুখুৰী-পাৰ হাইস্কুল আৰু ধুহিবালা হাইমাদ্ৰাছা স্থাপিত হয়। এই সকলোবিলাক স্কুলেই বৰ্ত্তমান প্ৰাদেশিকীকৃত পূৰ্ণাঙ্গ শিক্ষানুষ্ঠান। ইয়াৰ উপৰিও ৰঙিয়া ৰাজহ চক্ৰত বৰ্ত্তমানে সিদ্ধিনাথ বিদ্যা-মন্দিৰ হাইস্কুল [নকুল] প্ৰেমদা-শিৱনাথ বিদ্যা-পীঠ [চেপ্তি], হৰদত্ত বীৰদত্ত হাইস্কুল [সুন্ধিয়া], পূব ৰঙিয়া হাইস্কুল [কেকেনীকুছি], মধুকুছি আঞ্চলিক ছোৱালী হাইস্কুল [মধুকুছি], যোগেশ্বৰ বিদ্যাপীঠ [জয়ন্তীপুৰ], বাহাৰুল ইছলাম্ হাইস্কুল [উদিয়ানা], বিজুলী নগৰ হাইস্কুল [ৰঙিয়া], প্ৰগতি হাইস্কুল [ৰঙিয়া], পদুম কুঁৱৰী কলেজিয়েট হাইস্কুল [ৰঙিয়া], জলিটৰাম লহকৰ হাইস্কুল [ৰঙিয়া], বংশীধৰ চৌধুৰী বড়ো মাধ্যম হাইস্কুল [বনগাঁও–ৰঙিয়া], মধ্য পাণ্ডুৰী ছোৱালী হাইস্কুল [গৰীয়াকোঠ], পশ্চিম পাণ্ডুৰী হাইস্কুল, বৈদ্যগড় ছোৱালী হাইস্কুল, [তৰণী], কন্যা বিদ্যাপীঠ [ইচ্ছা দঘৰীয়া], জনতা ছোৱালী হাইস্কুল [ডিমু], নিজ বড়িগোগ হাইস্কুল [নিজবড়িগোগ] বড়িগোগ কানিকুছি হাইস্কুল [কানিকুছি], দৌল পুখুৰীপাৰ ছোৱালী হাইস্কুল, জাপিয়া মিলন হাইস্কুল, শঙ্কৰদেৱ বিদ্যাপীঠ [নবু´কা], কে, বি ফকৰুদ্দিন হাই মাদ্ৰাছা [মাদৈকাটা], বি-টি হাই মাদ্ৰাছা [ভেহবাৰী], বীৰদত্ত হাইস্কুল, সাজেই হ্যইস্কুল আদি ভাদি ভালেমান হাইস্কুল স্থাপিত হৈছে। অদূৰ ভৱিষ্যতে এই স্কুলসমূহে বিভাগীয় স্বীকৃতি আৰু অনুদান লাভ কৰি নিজ নিজ অঞ্চলত উচ্চ শিক্ষাৰ বিস্তাৰ ঘটাব বুলি আশা কৰা যায়।

ইংৰাজী শিক্ষানুষ্ঠান দুই-এখন প্ৰতিষ্ঠা হোৱাৰ আগে-পিছে ৰঙিয়া মজলীয়া স্কুল [১৯৩৩[, তামুলপুৰ মজলীয়া স্কুল [১৯৩৩], কনিহা মজ-লীয়া স্কুল [১৯৩৫], বাহাৰঘাট মজলীয়া স্কুল, গুৰমৌ মজলীয়া স্কুল, লাতিমা মজলীয়া স্কুল, দিহজাৰী মজলীয়া স্কুল, খাটিকুছি মজলীয়া স্কুল, আদি কেবাখনো অসমীয়া মজলীয়া স্কুল [এম্-ভি স্কুল] তেতিয়াৰ গুৱাহাটী লোকেলবোৰ্ডে স্থাপন কৰি শিক্ষা বিস্তাৰৰ ব্যৱস্থা কৰে। পৰৱৰ্ত্তী কালত সুন্ধিয়া মজলীয়া স্কুল, বালিসত্ৰ মজলীয়া স্কুল [অধুনা লুপ্ত] গৰীয়াকোঠ মজলয় স্কুল, মধুকুছি মজলীয়া স্কুল, কেকেনীকুছি মজলীয়া স্কুল, বেতনা মজলীয়া স্কুল, ঝাৰগাওঁ মজলীয়া স্কুল, বৰকচুলা মজলীয়া স্কুল, শিঙিমাৰী মজ-লীয়া স্কুল, চিল্‌কিঝাৰ মজলীয়া স্কুল আদি বহুকেইখন মজলীয়া স্কুল স্থাপিত হয়; আৰু আজিও সেই স্কুলবিলাকে শিক্ষা বিস্তাৰ কৰি আছে— যদিও আজিৰ অসমীয়া মজলীয়া স্কুল আৰু ইংৰাজী মজলীয়া স্কুল (এম-ই স্কুল)ৰ পাঠ্যক্ৰম আৰু শিক্ষাৰ মানদণ্ডৰ কোনো পাৰ্থক্যই নাই।

১৯৫০ চনৰ আগলৈকে ৰঙিয়া চহৰ তথা ৰঙিয়া অঞ্চলত স্ত্ৰী শিক্ষাৰ বাবে কোনো স্বকীয় শিক্ষানুষ্ঠান নাছিল। ১৯৫৪ চনত শ্ৰীবৈকুণ্ঠনাথ চক্ৰবৰ্ত্তী মহাশয়ৰ অক্লান্ত পৰিশ্ৰম আৰু চেষ্টা-

যত্নত আৰু শ্ৰীকৃষ্ণকান্ত লহকৰ, শ্ৰীদীনবন্ধু শৰ্মা আদি কেবাজনো অত্যুৎসাহী কলেজীয়া ছাত্ৰৰ সক্ৰিয় সহযোগত ৰঙিয়া ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ৰ জন্ম হয়। এই মধ্য ইংৰাজী বিদ্যালয় খনিয়েই কালক্ৰমে ১৯৫৭ চনত উচ্চ মাধ্যমিক আৰু ১৯৮৫ চনত উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হৈছে। বৰ্ত্তমানৰ ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় খনিয়েই সমগ্ৰ ৰঙিয়া অঞ্চল তথা উত্তৰ কামৰূপৰ স্ত্ৰী শিক্ষাৰ বাটকটীয়া প্ৰথম আৰু আদি শিক্ষানুষ্ঠান। এই আদৰ্শতে গোৰেশ্বৰ ছোৱালী হাইস্কুল, ডিমু জনতা ছোৱালী হাইস্কুল ( দুয়োখন প্ৰাদেশীকৃত ), ইচ্ছা দঘৰীয়া কণ্যা লিদ্যাপীঠ. দৌল পুখুৰীপাৰ ছোৱালী হাইস্কুল ( দুয়োখনেই স্বীকৃতি প্ৰাপ্ত ), মধুকুছি আঞ্চলিক ছোৱালী হাইস্কুল আৰু গৰীয়াকোঠ মধ্য পাণ্ডুৰী ছোৱালী হাইস্কুলে ( দুয়োখনেই অনুমতি প্ৰাপ্ত ) গঢ় লৈ উঠিছে। সদ্য প্ৰতিষ্ঠিত ৰঙিয়া ছোৱালী মহাবিদ্যালয় খনিয়েও অঞ্চলত ছোৱালীবিলাকৰ কলেজীয়া উচ্চ শিক্ষাৰ পথ প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰা বুলি কব পৰা যায়।

স্বাধীনতাৰ পৰবৰ্ত্তী বছৰত (১৯৪৮ চন) অসমত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন প্ৰবৰ্ত্তন কৰা হয়। সেই বছৰতে ৰঙিয়া ৰাজহ চক্ৰৰ পূবৰঙিগোগ মৌজাত এই আইনৰ পত্তন ঘটায়। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ প্ৰশিক্ষণৰ সুবিধাৰ নিমিত্তে সেই বছৰতে অসম চৰকাৰে ৰঙিয়াত এখন গুৰু ট্ৰেইনীং স্কুল স্থাপন কৰে। আজিৰ ৰঙিয়া বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ পূৰ্বৰ গুৰুট্ৰেইনীং স্কুলৰে নামান্তৰিত শিক্ষক প্ৰশিক্ষণ অনুষ্ঠান। প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ লগে লগে ৰঙিয়াৰ ঠায়ে ঠায়ে ভালেমান প্ৰাথমিক বিদ্যালয়ো স্থাপিত হবলৈ ধৰিলে। ইয়াৰ আগতে প্ৰাথমিক বিদ্যালয়ৰ সংখ্যাও আছিল নগণ্য। বৰ্ত্তমানে ৰঙিয়াৰ প্ৰায় প্ৰতিখন গাঁৱতেই একোখনি প্ৰাথমিক ( বুনিয়াদী ) বিদ্যালয় আছে বুলিব পাৰি। প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়বিলাকৰ প্ৰশাসন, পৰ্য্যবেক্ষণ আৰু পৰিদৰ্শনৰ সুচল আৰু সুবিধাৰ কাৰণে ইং ১৯৬০ চনত চৰকাৰে ৰঙিয়াত এটা বিদ্যালয় উপপৰিদৰ্শক ( ডি-আই-অফিচ ) ৰ কাৰ্য্যালয়ো স্থাপন কৰে।

অসমৰ আৰবী শিক্ষাৰ ( ইচলাম ধৰ্ম্মীয় লোকৰ বাবে ) কেন্দ্ৰস্থানো ৰঙিয়াকে বুলিব পাৰি। বোধহয় ৰঙিয়া হাই মাদ্ৰাছাখনিয়ে অসমৰ আটাইতকৈ পুৰণি হাইমাদ্ৰাছা। স্থানীয় আৰবী ভাষাপ্ৰেমী ৰাইজৰ সহায়-সহযোগ আৰু দান-বৰঙণিৰে আলহাজ মৰহুম ইচলামুদ্দিন চাহাবৰ অশেষ চেষ্টা-যত্নত ১৯৫৫ চনত ৰঙিয়া আৰবী কলেজ প্ৰতিষ্ঠা হয়। আমৃত্যু ইচ্‌লামুদ্দিন চাহাবেই এই কলেজৰ অধ্যক্ষ আৰু সম্পাদক আছিল। আজিও চৰকাৰী সাহায্যপ্ৰাপ্ত কলেজখনিত অসমৰ ভিন ভিন অঞ্চলৰ পৰা অহা ছাত্ৰই আৰবী ভাষা-সাহিত্য আৰু ইচ্‌লাম ধৰ্ম্মৰ শিক্ষা লাভ কৰি আছে।

ইং ১৯৬৩ চনৰ ৫ আগষ্টৰ দিনটো ৰঙিয়াৰ শিক্ষাৰ ইতিহাসৰ এটি স্মৰণীয় দিন! সিদিনাই বহু বাঞ্ছিত, বহু আকাঙ্ক্ষিত আৰু বহু অপেক্ষিত ৰঙিয়া মহাবিদ্যালয়ে জন্ম লাভ কৰে নৈশ কলেজৰূপে ৰঙিয়া হাইস্কুলত। স্থানীয় শিক্ষানুৰাগী আৰু বিদ্যোৎসাহী কিছুসংখ্যক লোকৰ অশেষ চেষ্টা-যত্ন, দান-বৰঙণি আৰু প্ৰবীণমুক্তি যোদ্ধা-অসমৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী দেশনেতা ৺সিদ্ধিনাথ শৰ্মাৰ মুখ্য পৃষ্ঠপোষকতাত এই নৈশ কলেজখনিয়েই অতি অলপ দিনৰ ভিতৰতেই নিজস্ব কলেজ গৃহত এখনি পূৰ্ণাঙ্গ মহাবিদ্যালয় ৰূপে পৰিগণিত হয়। আৰম্ভণীতে কলা শাখাক লৈ আৰম্ভ হোৱা এই মহাবিদ্যালয় খনিত বৰ দেৰীকৈ হ'লেও ইতিমধ্যে বিজ্ঞানৰ শাখা প্ৰবৰ্ত্তন কৰা হৈছে— যদিও বিজ্ঞানৰ



শাখাই পূৰ্ণতা লাভ লৰা নাই। বিজ্ঞানৰ শাখাটো সম্পূৰ্ণ হোৱাৰ উপৰিও কলা আৰু বিজ্ঞানৰ বিভিন্ন বিষয়ৰ সন্মান ( অনাৰ্চ ) পাঠ্যক্ৰম প্ৰবৰ্ত্তন হলেহে আৰু সৰ্ব্বোপৰি বাণিজ্য শাখা প্ৰবৰ্ত্তিত হলেহে ৰঙিয়া মহাবিদ্যালয়ে পূৰ্ণতা লাভ কৰা বুলি কব পৰা যাব। তেতিয়াহে ৰঙিয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে কলা, বিজ্ঞান আৰু বাণিজ্য বিষয়ৰ অধ্যয়ন কৰি নিজক বিকশিত কৰি তুলিব পাৰিব।

আজি ৰঙিয়া অঞ্চলত শিক্ষাৰ প্ৰতি সৰ্ব্ব সাধাৰণৰ আগ্ৰহ পৰিলক্ষিত হৈছে। শিক্ষাৰ প্ৰচাৰ আৰু ব্যাপকতা বৃদ্ধিপাইছে। ইতিমধ্যে গোৰেশ্বৰত প্ৰতিষ্ঠিত গোৰেশ্বৰ মহাবিদ্যালয় ( কলা ), ৰঙিয়া ছোৱালী মহাবিদ্যালয় (কলা), চনমাগুৰি মহাবিদ্যালয় ( কলা ) আৰু পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ে এই সত্যতা প্ৰমাণ কৰে। সুখৰ বিষয়, যোৱা ১৯৮৬-৮৭ চনৰ শিক্ষা বছৰত স্থানীয় শিক্ষানুৰাগী ৰাইজৰ চেষ্টা-যত্নত ৰঙিয়াত এখন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ো স্থাপিত হৈছে। অদূৰ ভৱিষ্যতে এই মহাবিদ্যালয়খনিয়ে চৰকাৰৰ স্বীকৃতি আৰু অনুদান লাভ কৰি সম্পূৰ্ণাঙ্গ হৈ উঠিব বুলি আশা কৰিব পাৰি।

ৰঙিয়া চহৰৰ শিক্ষানুষ্ঠান সমূহঃ—

## (ক) প্ৰাথমিক বিদ্যালয়ঃ

১। জৱাহৰলাল নেহৰু শিশু বিদ্যালয়
২। ৰঙিয়া মজলীয়া বিদ্যালয় ( প্ৰাথমিক শাখা )
৩। বনগাওঁ প্ৰাথমিক বিদ্যালয়
৪। শান্তিপুৰ প্ৰাথমিক বিদ্যালয়
৫। অভ্যসন বিদ্যালয়
৬। আৰিমত্ত বিদ্যালয়
৬। সিদ্ধিনাথ শৰ্মা প্ৰাথমিক বিদ্যালয় ( বাংলা মাধ্যম )
৮। ৰঙিয়া শিশু নিকেটন ( বাংলা মাধ্যম )
৯। ৰঙিয়া ষ্টেচন প্ৰাথমিক বিদ্যালয়
১০। মূৰাৰা প্ৰাথমিক বিদ্যালয়
১১। দলৈ মূৰাৰা প্ৰাথমিক বিদ্যালয়
১২। শঙ্কৰদেৱ শিশু নিকেটন
১৩। লতাচ্‌ ইংৰাজী মাধ্যম প্ৰাথমিক বিদ্যালয়

## (খ) উচ্চ আৰু উচ্চতৰ বিদ্যালয়ঃ

১। ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় ( প্ৰাদেশীকৃত )
২। ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় ( প্ৰাদেশীকৃত )
৩। ৰঙিয়া হাই মাদ্ৰাছা ( ,, )
৪। ৰঙিয়া ৰেলওৱে হাইস্কুল ( বাংলা মাধ্যম ) ( প্ৰাদেশীকৃত )
৫। ৰঙিয়া হিন্দী হাইস্কুল ( হিন্দী ) ( ,, )
৬। আৰিমত্ত বিদ্যাপীঠ হাইস্কুল ( ,, )
৭। বিজুলীনগৰ বাণী বিদ্যাপীঠ ( স্বীকৃতি প্ৰাপ্ত )
৮। প্ৰগতি হাইস্কুল ( অনুমতি প্ৰাপ্ত )
৯। পদুম কুঁৱৰী কলেজিয়েট হাইস্কুল ( অনুমতি প্ৰাপ্ত )
১০। জল্‌টিৰাম লহকৰ হাইস্কুল ( অনিয়মিত )
১১। বংশীধৰ বড়ো মাধ্যম হাইস্কুল ( অনিয়মিত )

## (গ) মহাবিদ্যালয় আৰু প্ৰশিক্ষণ বিদ্যালয়ঃ

১। ৰঙিয়া মহাবিদ্যালয়
২। ৰঙিয়া ছোৱালী মহাবিদ্যালয়
৩। ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়
৪। ৰঙিয়া বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ
৫। ৰঙিয়া আৰবী কলেজ

(ঘ) অন্যান্য শিক্ষানুষ্ঠান ঃ

১। প্ৰগতি সঙ্গীত মহাবিদ্যালয়

২। স্বৰগম্ সঙ্গীত বিদ্যালয়

শিক্ষানুষ্ঠান সমূহৰ উপৰোক্ত তালিকাখনিয়েই ৰঙিয়া চহৰত দ্ৰুতগতিত ব্যাপকতা লাভ কৰা শিক্ষা ব্যৱস্থাৰ আভাস দিয়ে। ৰঙিয়াকে কেন্দ্ৰ কৰি উত্তৰ কামৰূপৰ এই বৃহৎ অঞ্চলটোত শিক্ষিত নিবনুৱাৰ সংখ্যা দিনে দিনে বৃদ্ধি পাই আহিছে। কেৱল গতানুগতিক শিক্ষা ব্যৱস্থাই নিবনুৱা যুৱক সকলক কৰ্ম সংস্থান দিব নোৱাৰে। সেয়েহে ৰঙিয়া অঞ্চলত কৃষিভিত্তিক আৰু শিল্পভিত্তিক কিছু সংখ্যক অনুষ্ঠান স্থাপনৰ নেহাৎ প্ৰয়োজন। কৃষি প্ৰধান অঞ্চল হিচাপে ৰঙিয়াত এখন কৃষি বিদ্যালয় স্থাপন হলে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ বা অনুত্তীৰ্ণ হোৱা কলেজীয়া শিক্ষালাভৰ পৰা বঞ্চিত ছাত্ৰসকলক প্ৰশিক্ষণ দি জীৱিকা নিৰ্ব্বাহৰ পথ মুক্ত কৰিব পৰা যায়। ছাত্ৰীসকলৰ বাবেও বয়ন শিল্পানুষ্ঠান আদিৰ বিশেষ প্ৰয়োজন। আইন মহাবিদ্যালয় এখনে অঞ্চলটোৰ গাঁৱে-ভূঁয়ে নিবনুৱা হৈ বহি থকা অসংখ্য স্নাতক যুৱকক স্বনিয়োজন ব্যৱস্থা দিব পাৰে। অঞ্চলৰ নেতৃস্থানীয় সমাজসেৱী আৰু বিদ্যোৎসাহী লোক সকলে শিক্ষা-সংস্কৃতিৰ বিকাশৰ নিমিত্তে বিশে-ষকৈ সামগ্ৰিক ভাৱে ৰঙিয়াৰ উন্নয়ণৰ নিমিত্তে আশাসুধীয়া চেষ্টা-যত্ন কৰাটো আজিৰ যুগৰ দাবী—যুগৰ আহ্বান। +

(আজীৱন শিক্ষাসেৱী, সাহিত্যসেৱী শ্ৰীবৈকুণ্ঠ নাথ শৰ্মাদেৱ ৰঙিয়াৰ এগৰাকী বিশিষ্ট, নিষ্ঠাবান সমাজসেৱী। কৃতী শিক্ষক হিচাপে ৰাজ্য চৰকাৰৰ সন্মানপ্ৰাপ্ত শ্ৰীশৰ্মাদেৱ এগৰাকী চিন্তাশীল লিখক হিচাপেও সুপৰিচিত। শ্ৰীশৰ্মাদেৱ ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰও। তেখেত বৰ্ত্তমানে ৰঙিয়া ৰেলওৱে হাইস্কুলৰ প্ৰধান শিক্ষক।)



# কলেজীয়া শিক্ষা—তেতিয়াৰ আৰু এতিয়াৰ

**শ্ৰীতৰণীকান্ত শৰ্ম্মা**

শিক্ষা এটা অতি জটিল বিষয়। ইয়াৰ কৃতকাৰ্য্যতাত বহুতো শক্তিয়ে প্ৰভাৱ বিস্তাৰ কৰে। শিক্ষকে শিক্ষা প্ৰদান কৰে আৰু ছাত্ৰই শিক্ষা গ্ৰহণ কৰে। এই সৰল কামটোৰ ভিতৰত মন কৰিবলগীয়া বহুতো কথা আছে। যেনে—শিক্ষকৰ জ্ঞান, বিদ্যা, পঢ়াবলগীয়া বিষয়ৰ ওপৰত আধিপত্য, শিক্ষাদান বিষয়ত আগ্ৰহ বা ৰাপ, কৰ্তব্যপৰায়ণতা ইত্যাদি। ছাত্ৰৰ ক্ষেত্ৰত মনোযোগ, ঐকান্তিকতা, সময়ৰ সদ্ব্যৱহাৰ, উচ্চ আদৰ্শ, জ্ঞান লাভৰ স্পৃহা, আত্মগঠনৰ প্ৰচেষ্টা, প্ৰতিকূল প্ৰভাৱৰ পৰা নিজক মুক্ত ৰখা ইত্যাদি। শিক্ষক আৰু ছাত্ৰৰ উমৈহতীয়া প্ৰচেষ্টাৰ বাহিৰেও আৰু কিছু কথা শিক্ষাৰ লগত জড়িত থাকে বা তাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। বিভিন্ন যুগত সামাজিক আদৰ্শ আৰু চিন্তা ধাৰাৰ পৰিবৰ্তন দেখা যায়। এই পৰিবৰ্তনৰ প্ৰভাৱো শিক্ষাৰ ওপৰত বাৰুকৈয়ে পৰে। সামাজিক, ৰাজনৈতিক আৰু ধাৰ্মিক প্ৰভাৱৰ পৰাও শিক্ষা মুক্ত নহয়। তাৰোপৰি নিজৰ ঘৰ, অভিভাৱক আৰু পৰিবেশেও শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। সভ্যতাৰ বিস্তাৰৰ লগতো শিক্ষণীয় বিষয়ৰ পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন ঘটে। এনেকুৱা অৱস্থাত শিক্ষাৰ ধৰণ-কৰণ আৰু শিক্ষণীয় বিষয়ৰ পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন অৱশ্যম্ভাৱী। জগৎ পৰিবৰ্তনশীল, সমাজো পৰিবৰ্তনশীল, গতিকে সমাজৰে এটি অতি আৱশ্যকীয় কাম শিক্ষাও পৰিবৰ্তনৰ মাজেদি গৈ থকাতো স্বাভাৱিক। এই পৰিবৰ্তন ভালৰ ফালেও যাব পাৰে অথবা বেয়াৰ ফালেও যাব পাৰে। আকৌ এই পৰিবৰ্তন কেতিয়াবা কম সময়ৰ ভিতৰত হব পাৰে, কেতিয়াবা বা দীৰ্ঘকালৰ মূৰত হব পাৰে। বৈদিক যুগৰ পৰা চলি অহা গুৰুকুল পদ্ধতিৰ শিক্ষা বহুকাল ধৰি অপৰিবৰ্তনীয়ই আছিল। বৰ্তমান যুগত কিন্তু আধুনিক সভ্যতাৰ বিকাশৰ লগে লগে শিক্ষা বিভিন্ন ধৰণে পৰিবৰ্তনৰ মাজেদি গৈ আছে।

বৰ্তমানে আমাৰ দেশত শিক্ষাই যিটো ৰূপ ধাৰণ কৰিছে সি এক গভীৰ চিন্তাৰ বিষয় হৈ পৰিছে। আমি বিশেষকৈ কলেজীয়া শিক্ষা অৰ্থাৎ উচ্চ শিক্ষাৰ বিষয়ে ইয়াত চমুকৈ আলোচনা কৰিম। আমাৰ প্ৰাক্স্বাধীনতা যুগত অকল উচ্চ শিক্ষাই নহয় সকলো ধৰণৰ আৰু সকলো স্তৰৰ শিক্ষাৰ সা-সুবিধা অতি নগণ্য আছিল। গুৱাহাটীত কটন মহাবিদ্যালয় স্থাপনৰ আগতে অসমত আধুনিক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান এখনো নাছিল। স্বাধীনতা সংগ্ৰামৰ কালত জাতীয় জাগৰণৰ লগে লগে জনসাধাৰণৰ প্ৰচেষ্টাত

ঠায়ে ঠায়ে স্কুল, কলেজ গঢ়ি উঠিবলৈ ধৰে। স্বাধীনতা লাভৰ পিচত চৰকাৰ আৰু ৰাইজৰ উমৈহতীয়া প্ৰচেষ্টাত যথেষ্ট সংখ্যক শিক্ষানুষ্ঠান গঢ়ি উঠে। তাৰে ফলত আজি ৮/১০ মাইল অন্তৰে অন্তৰে বা তাতোকৈ কম দূৰত্বত একোখন কলেজ গঢ়ি উঠিছে। ই প্ৰয়োজনৰ তাগিদাত হোৱা বুলিয়ে কব পাৰি। অসম্ভৱ ৰকমে জন-সংখ্যা বৃদ্ধি হোৱাৰ ফলত ল'ৰা-ছোৱালীৰ সংখ্যাও যথেষ্ট বাঢ়ি গৈছে। ইফালে জনসাধাৰণো শিক্ষা সম্পৰ্কে অধিক সচেতন হৈছে। তাৰে ফলত প্ৰাথমিক আৰু মাধ্যমিক স্তৰত শিক্ষানুষ্ঠান যথেষ্ট বাঢ়িছে। ফলস্বৰূপে উচ্চ শিক্ষাৰ চাহিদা বাঢ়ি গৈছে আৰু মহাবিদ্যালয়বোৰ গঢ়ি উঠিছে।

বৰ্তমান কলেজীয়া শিক্ষাৰ প্ৰতি লক্ষ্য কৰিলে দেখিবলৈ পোৱা যায় যে অন্ততঃ ৫০/৬০ বছৰ আগতে উচ্চ শিক্ষাৰ ক্ষেত্ৰত যিটো পৰিস্থিতি আছিল আজি তাৰ বহুত পৰিবৰ্তন ঘটিছে। এই পৰিস্থিতি ফঁহিয়াই চালেই বুজিব পৰা যাব যে পৰিণতি ভালেই হওঁক বা বেয়াই হওঁক এই পৰিবৰ্তন স্বাভাৱিক। এতিয়া শিক্ষাৰ লগত জড়িত বিষয়বোৰ এটি এটিকৈ আলোচনা কৰা যাওঁক। ৫০/৬০ বছৰ আগৰ অৱস্থাৰ লগত এতিয়াৰ অৱস্থাৰহে তুলনা মূলক আলোচনা কৰা হব।

১ কলেজঃ—তেতিয়াৰ অবিভক্ত অসমত দুখন মাত্ৰ চৰকাৰী কলেজ আছিল, গুৱাহাটীত কটন কলেজ আৰু ছিলেটত মুৰাৰীচাঁদ কলেজ। গুৱাহাটীত এখন চৰকাৰী ল'কলেজো আছিল। বেচৰকাৰী কলেজ দুখন মাত্ৰ গঢ়ি উঠিছিল, এখন যোৰহাটত আৰু আনখন নলবাৰীত। ইয়াৰ বাহিৰে ছিলঙত দুখন মিছনাৰী কলেজ আছিল। এই কলেজবোৰে স্থানীয় ছাত্ৰ-ছাত্ৰীত বাহিৰে গাঁও অঞ্চলৰ পৰা যিবোৰ ছাত্ৰ-ছাত্ৰী পাইছিল সেই বোৰৰ বেছিভাগেই মেধাবী আছিল। কলেজ বোৰৰ সা-সঁজুলিও উপযুক্ত মতে আছিল। অধ্যাপক সকলো আছিল এতিয়াতকৈ অধিক মনোযোগী। গতিকে সুস্থ পৰিবেশত শিক্ষাদান আৰু শিক্ষাগ্ৰহণ ভালমতে চলিছিল। কিন্তু বৰ্তমানে কলেজ অসংখ্য। চহৰৰ কলেজবোৰত বাহিৰেও গাওঁ অঞ্চলত ৮/১০ মাইল অন্তৰে অন্তৰে একোখন কলেজ আৰু সকলোবোৰ কলেজেই বেচৰকাৰী। কলেজখন গঢ়ি উঠাতহে চৰকাৰী সাহায্য প্ৰাপ্ত হয়, গতিকে কলেজ বোৰত উপযুক্ত সা-সঁজুলি আৰু শিক্ষকৰ অভাৱ বহুদিনলৈ চলি থাকে। তদুপৰি আৰম্ভণিতে কম বেতনত শিক্ষক নিয়োগ কৰিব লগা হোৱাত উচ্চ অৰ্হতাসম্পন্ন শিক্ষক পোৱা কঠিন। সেইবাবে এইবোৰ কলেজত শিক্ষাদান সম্পৰ্কত বহুদিনলৈ ক্ৰুটী থকা দেখা যায়।

২। শিক্ষকঃ—আগতে কলেজৰ অধ্যাপক সকলক বিদ্যাৰ জাহাজ বুলি ভবা হৈছিল। জ্ঞান, বিদ্যা, ব্যক্তিত্ব, কৰ্তব্যপৰায়ণতা আৰু চৰিত্ৰগুণ প্ৰভৃতিৰ বাবে তেখেত সকলে ছাত্ৰৰ পৰা সহজতে ভয়, ভক্তি আৰু শ্ৰদ্ধা আকৰ্ষণ কৰিব পাৰিছিল। এনেকি জনসাধাৰণেও তেখেত সকলক যথেষ্ট শ্ৰদ্ধা, ভক্তি কৰিছিল। বৰ্তমানে কলেজৰ অধ্যাপক সকলে ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা তেনে শ্ৰদ্ধা, ভক্তি নাপায়। আগতে অধ্যাপক সকল যথেষ্ট কৰ্তব্যপৰায়ণ আছিল। আনহাতে কেতিয়াও ক্লাচ নকৰাকৈ নাথাকিছিল আৰু পঠনীয় বিষয় সম্পূৰ্ণ শেষ কৰি পঢ়াইছিল। আজি কালি বহু কলেজত ইয়াৰ বিপৰীতটোহে দেখা যায়। নিৰ্দিষ্ট সময়ত পাঠ্য বিষয় শেষ নহয়। শিক্ষকৰ অবহেলাৰ পৰাই যে এইটো হয়, সি নহয়। ইয়াৰ বাবে অধ্যাপক সকলক জগৰীয়া কৰা উচিত নহব। বিভিন্ন কাৰণত কলেজত নিয়মিত ভাৱে ক্লাচ নোহোৱাই মুখ্য কাৰণ। অথচ সেই কাৰণবোৰ আঁতৰ কৰাৰ বাবে কৰ্তৃপক্ষ সচেষ্ট হোৱা দেখা নাযায়। পৰীক্ষাত



ব্যাপক হাৰে হোৱা অকৃতকাৰ্য্যতাৰ বাবে অকল ছাত্ৰক দোষ দিলেই সমস্যাৰ সমাধান নহয়।

৩। ছাত্ৰঃ—ছাত্ৰ-ছাত্ৰীৰ প্ৰসংগতে বহু কথা আহি পৰে। "ছাত্ৰাণাং অধ্যয়নং তপঃ" বৈদিক যুগৰ পৰা চলি অহা ছাত্ৰ সকললৈ দিয়া এই উপদেশ বহুকাল ধৰি ছাত্ৰই পালন কৰিছিল। এতিয়াও যে এই নীতিবচন মানি চলা ছাত্ৰ নাই তেনে নহয়। কিন্তু আজি সামাজিক পৰিস্থিতিয়ে ছাত্ৰক অকল কিতাপৰ পোক হবলৈ নিদিয়ে। আমাৰ সমাজত এটা ফকৰা চলি আছে যে 'পঢ়ে, পঢ়ুৱায়, ৰোৱে পাণ, এই তিনিয়ে নিচিন্তে আন।" এই কথাষাৰ যে অতি সাৰুৱা তাত কোনো সন্দেহ নাই। কিন্তু বৰ্তমান পৰিস্থিতিত ইয়াক মানি চলা ছাত্ৰ আৰু শিক্ষকৰ পক্ষে সম্ভৱ নহয়। আজিৰ ছাত্ৰ সমাজ সচেতন। সমাজ ৰাজনীতি, অৰ্থনীতি প্ৰভৃতি আওকাণ কৰি আজিৰ ছাত্ৰই নিজ জীৱন গঢ়ি তুলিব নোৱাৰে। শিক্ষকসকলেও আৰ্থিক সমস্যা আওকাণ কৰি অকল অধ্যাপনা কামতে ব্যস্ত থাকিব নোৱাৰে। সি যিয়ে হওক, আগতে ছাত্ৰৰ সংখ্যা আছিল আজিৰ তুলনাত বহুত কম, বিভিন্ন ছাত্ৰ সন্থা বোৰ তেতিয়া গঢ়ি উঠা নাছিল, তেওঁলোকৰ মাজত ৰাজনীতিও প্ৰবেশ কৰা নাছিল। সেইবুলি যে তেওঁলোকে দেশৰ সমস্যাক আওকাণ কৰি চলিছিল, সি নহয়। স্বাধীনতা আন্দোলনত হাজাৰ হাজাৰ ছাত্ৰই স্কুল কলেজ ত্যাগ কৰি পুলিচৰ লাঠীৰ কোব খাইছিল আৰু কাৰাবৰণ কৰিছিল। তথাপি স্বাধীনতা লাভৰ আগত বা পিচত পঢ়াশুনাৰ পৰিবেশৰ আজিৰ দৰে অবনতি ঘটা নাছিল।

আজিৰ ছাত্ৰ সমাজৰ মাজত একতা নাই। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰভাৱত একতা ছিন্ন ভিন্ন হৈছে। সেইবাবে ভিন্ন ভিন্ন ছাত্ৰসন্থা গঢ়ি উঠিছে। আজিৰ ছাত্ৰ আগতকৈ বেছি পৰিমাণে আন্দোলন মুখী হৈছে। সেইবাবে পঢ়াশুনাৰ সুস্থ পৰিবেশ নষ্ট হোৱা বুলি কব পাৰি। অধ্যয়নত একাগ্ৰতাৰ অত্যন্ত প্ৰয়োজন। কিন্তু ছাত্ৰ যেতিয়া বিভিন্ন চিন্তাধাৰাত আৰু কাম কাজত আৱদ্ধ হৈ পৰে তেতিয়া অধ্যয়নৰ পৰিবেশ নষ্ট হয়, একাগ্ৰতা নোহোৱা হয়। সেইবাবে বৰ্তমানে কলেজীয়া শিক্ষাত কিছু অবনতি ঘটা বুলি কব পাৰি। তাৰোপৰি পাঠ্য বিষয়ৰ হেচাও আগতকৈ বহুতখিনি বাঢ়িছে। ইফালে মাধ্যমিক শিক্ষাৰো ভালেখিনি অবনতি ঘটিছে। তাৰে ফলত প্ৰথম বিভাগত পাচ কৰা ছাত্ৰ-ছাত্ৰী নিচেই তাকৰ, দ্বিতীয় বিভাগত পাচ কৰাৰ সংখ্যাও কম, তৃতীয় বিভাগত পাচ কৰাৰ সংখ্যাই অধিক। সেই বাবে কলেজত উচ্চ শিক্ষা লাভৰ অৰ্হতা বেছি ভাগ ছাত্ৰৰে নাথাকে। সেইবাবেও আজি কলেজীয়া শিক্ষাৰ কিছু অবনতি ঘটিছে।

৪। সমাজ আৰু অভিভাৱকঃ—ছাত্ৰই সমাজৰ গতিধাৰাক আওকাণ কৰি চলিব নোৱাৰে। মানুহ সামাজিক জীৱ। সমাজৰ প্ৰভাৱতে ব্যক্তিৰ জীৱন গঢ়ি উঠে। বৰ্তমানে আমাৰ সমাজখন এক নিৰ্দ্দিষ্ট আদৰ্শ বা চিন্তাধাৰাত চলা নাই। বিভিন্ন সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু ধাৰ্ম্মিক আদৰ্শ বা চিন্তাধাৰাত ই ক্ষত-বিক্ষত হৈ পৰিছে। ইয়াৰ প্ৰভাৱো ছাত্ৰ সমাজৰ ওপৰত বাৰুকৈয়ে পৰিছে। তাৰ ফলত শৈক্ষিক পৰিবেশতো খেলি-মেলিৰ সৃষ্টি হৈছে। আগতে সমাজত যি নৈতিক প্ৰভাৱ আছিল, সি প্ৰায় লোপ পাইছে। অভিভাৱক সকলেও আগৰ দৰে ল'ৰা-ছোৱালীক অনুশাসন কৰা দেখা নাযায়। প্ৰাপ্ত বয়স্ক ল'ৰা-ছোৱালীক স্বাধীনতা দিব লাগে সঁচা, কিন্তু যৌৱন বয়সত ল'ৰা ছোৱালীয়ে শুদ্ধ সিদ্ধান্ত গ্ৰহণ কৰাত ভুল কৰাৰ সম্ভাৱনাই বেছি। সেই বাবে অভিভাৱকৰ সতৰ্ক দৃষ্টি, উপযুক্ত দিহা পৰামৰ্শৰ অত্যন্ত প্ৰয়োজন। সাধাৰণতে শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰত সময়ৰ সদ্ব্যৱহাৰ যাতে হয়, অধ্যয়নত অধিক সময়

ব্যয় কৰে, আৱশ্যকীয় কিতাপ পত্ৰৰ যাতে অভাৱ নহয়, অভিভাৱকসকলে সেইবোৰৰ অতি দৃষ্টি ৰখা প্ৰয়োজন। বৰ্তমানে তেওঁলোকে এই বিষয়ে ঠিকমতে কৰ্তব্য পালন কৰে বুলি কব নোৱাৰি। শিক্ষাৰ অবনতিৰ লগত ইয়াৰো যথেষ্ট সম্বন্ধ আছে।

৫। **চৰকাৰঃ**--শিক্ষা বিস্তাৰত চৰকাৰে যথেষ্ট অৰিহণা যোগাইছে বুলি কব পাৰি। কিন্তু এই কামত চৰকাৰৰ কোনো নিৰ্দ্দিষ্ট পৰিকল্পনা নাই। এনে পৰিকল্পনাহীন শিক্ষা বিস্তাৰৰ ফলত যধে-মধে সাধাৰণ শিক্ষাৰ কলেজবোৰ গঢ়ি উঠিছে। তাৰে ফলত শিক্ষিত নিবনুৱাৰ সংখ্যা হাজাৰে হাজাৰে বাঢ়ি গৈছে। আগতে উচ্চ শিক্ষাপ্ৰাপ্ত ছাত্ৰ ছাত্ৰীৰ সংখ্যা কম আছিল বাবে তেওঁলোকে সহজতে কৰ্ম্মসংস্থান পাইছিল। কিন্তু আজি কৰ্ম সংস্থান লৈ এক ভয়াবহ সমস্যাৰ সৃষ্টি হৈছে। চৰকাৰে গতানুগতিকতা পৰিহাৰ কৰি সাধাৰণ শিক্ষাৰ কলেজৰ সলনি বিভিন্ন ধৰণৰ কাৰিকৰী শিক্ষাৰ ব্যৱ। কৰিলে কিছু পৰিমাণে এই সমস্যাৰ সমাধান হয় আৰু লগতে ছাত্ৰসকল নিৰাশ আৰু উদ্ভ্ৰান্ত হৈ নপৰে। কলেজীয়া শিক্ষাৰ উন্নতি কল্পেও চৰকাৰৰ চিন্তাধাৰা আৰু কাৰ্য্যব্যৱস্থাৰ শলাগ লব নোৱাৰি। কলেজৰ বন্ধৰ তালিকা দেখিলে আৰু পৰীক্ষাবোৰৰ বাবে ক্লাচ বন্ধ হোৱাৰ হিচাপ ললে কলেজত পাঠ্য বিষয় শেষ কৰিব নোৱাৰা বাবে অধ্যাপক সকলক দোষ দিব নোৱাৰি। কলেজ আৰু স্কুলৰ বন্ধ কিছু কমাই দিব নোৱাৰি জানো ? পৰীক্ষাবোৰ লোৱাৰ বাবে চৰকাৰে সুকীয়াকৈ পৰীক্ষা গৃহ তৈয়াৰ কৰিব নোৱাৰে কিয় ? বৰ্তমানে কলেজীয়া শিক্ষাৰ উন্নতিকল্পে চৰকাৰে এক সুচিন্তিত পৰিকল্পনা গ্ৰহণ কৰি কামত আগবাঢ়িলেহে দেশৰ যুৱশক্তিক ঠিকমতে দেশ সেৱাৰ কামত নিয়োগ কৰিব পাৰিব। সামাজিক পৰিস্থিতিৰ পৰিবৰ্তনৰ লগে লগে শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তনো অতি আৱশ্যকীয়।+

(পণ্ডিত শ্ৰীতৰণীকান্ত শৰ্মা এগৰাকী বিশিষ্ট শিক্ষাবিদ আৰু সাহিত্যিক। বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীশৰ্মাদেৱ এগৰাকী চিন্তাশীল লিখক হিচাপে সুপৰিচিত। তেখেত অসম চৰকাৰৰ সাহিত্যিক পেন্সনাৰ।)



নিকেতনত আয়োজন কৰা শিক্ষক প্ৰশিক্ষণত আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰাৰ সুযোগ লাভ কৰে। ১৯৬৫ চনৰে পৰা একেৰাহে সমাজ-সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপকৰ দায়িত্ব বহন কৰি থকা হেঁতুকে ৰঙিয়া মহাবিদ্যালয়ৰ পৰা মনোনীত হৈ আমি এই প্ৰশিক্ষণত যোগদান কৰো।

# ৰাষ্ট্ৰীয় সেৱা--যোজনা ঃ ৰঙিয়া মহাবিদ্যালয় গোট

**শ্ৰীহীৰেন্দ্ৰ নাথ শৰ্মা**

ৰাষ্ট্ৰীয় সেৱা যোজনা সত্তৰৰ দশকত কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা আৰু সাংস্কৃতিক বিভাগৰ সৌজন্যত প্ৰস্তুত হৈ উঠা এক সেৱামূলক আঁচনি। এই আঁচনিৰ যোগেদি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষানুষ্ঠানৰ চৌহদৰ বাহিৰৰ সমাজখনৰ লগত ঘনিষ্ঠভাবে জৰিত কৰাৰ উদ্দেশ্যে বিভিন্ন সামাজিক সমস্যাৰ প্ৰতি সচেতন কৰি তুলিব বিচৰা হৈছে। এই যোজনা প্ৰস্তুত হৈ উঠাৰ সময়ত ১৯৬৯ চনত ইয়াক কাৰ্য্যকৰী ৰূপ দিয়াৰ অৰ্থে গুৱাহাটী বিশ্ববিদ্যালয়ে যাবতীয় আঁচনি গ্ৰহণ কৰি গোনতে এই বিশ্ববিদ্যলয়ৰ অধীনৰ তিনিখন মহাবিদ্যালয় বাছি লয় আৰু ইয়াৰ ভিতৰত ৰঙিয়া মহাবিদ্যালয়ো এখন আছিল। ১৯৬৯ চনত বিশ্বভাৰতী, শান্তি-

ৰাষ্ট্ৰীয় সেৱা যোজনাৰ লক্ষ্য হ'ল---কলেজীয়া ছাত্ৰ-ছাত্ৰীক আৰু সামগ্ৰিকভাবে দেশৰ ডেকা শক্তিক গঠনমূলক কামৰ প্ৰতি আকৃষ্ট কৰা। এই আঁচনিৰ অন্তৰালত এক তাৎপৰ্য্য নিহিত হৈ আছে। দেশৰ ছাত্ৰ-যুবকসকল এক বিৰাট শক্তি। এই শক্তিক গঠনমূলক কামৰ প্ৰতি আগ্ৰহী কৰি সামাজিক কামত উপযুক্তভাবে নিয়োজিত কৰিব পাৰিলে দেশ শক্তিশালী হব আৰু এই শক্তিৰ অপচয় ঘটিব দিলে দেশত অস্থিৰতা বৃদ্ধি পাব আৰু দেশ দুৰ্ব্বল হৈ পৰিব। এনে এক চিন্তাধাৰা আগত ৰাখিয়েই ৰাষ্ট্ৰীয় সেৱা যোজনাৰ অৱতাৰণা কৰা হৈছে।

সামাজিক সমস্যা সমাধানৰ যোগেদি সমাজত ঐক্য-সম্প্ৰীতিৰ বান্ধোন সুদৃঢ় কৰি তোলাৰ

অন্তর্নিহিত উদ্দেশ্য এটাও এই যোজনাৰ জন্মাত সোমাই আছে। ছাত্ৰসকল সমাজজীৱনৰ এক অবিচ্ছেদ্য অঙ্গ। ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত নাগৰিক হিচাপে গঢ়াৰ বাবে সুশিক্ষিত কৰি তোলোতে সমাজৰ যথেষ্ট ব্যয় হয়। এজন ছাত্ৰক স্নাতক হিচাপে উলিয়াবলৈ হলে সমাজে তেওঁৰ নামত পোন্ধৰ-কুৰি হেজাৰ টকা ব্যয় কৰিবলগীয়া হয়। এজন ডাক্তৰ বা ইঞ্জিনীয়াৰ গঢ়ি উলিয়াওতে এজন ছাত্ৰৰ পিচত লক্ষাধিক টকা ব্যয় হয়। গতিকে সেইখন সমাজৰ প্ৰতি ছাত্ৰসকল দায়বদ্ধ। এই দায়বদ্ধতাৰ উপলব্ধি ছাত্ৰসমাজত প্ৰস্ফুটিত হলেহে সমাজৰ বিকাশ সম্ভৱ হব। ছাত্ৰসমাজত সামাজিক দায়বদ্ধতা নিৰ্মাণ কৰাটোও এই আঁচনিৰ অন্যতম উদ্দেশ্য।

১৯৬৯-৭০ চনত প্ৰতিষ্ঠিত হোৱা ৰাষ্ট্ৰীয় সেৱা যোজনাৰ ৰঙিয়া মহাবিদ্যালয় গোটে যোৱা প্ৰায় কুৰিবছৰে সমাজ সেৱাৰ বিভিন্ন কাৰ্য্যসূচীৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমাজ সচেতনতা আৰু সমাজৰ প্ৰতি দায়িত্ব আৰু কৰ্ত্তব্য বোধ জগাই তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। ওচৰ-পাজৰৰ গাঁও-ভূইৰ উপৰিও গোৰেশ্বৰ, খৈৰাবাৰী আদি অঞ্চলতো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে এই আঁচনিৰ যোগেদি গঠনমূলক কাম-কাজৰ যোগেদি সমাজ-সেৱা কৰি আহিছে। এই সময় ছোৱাৰ ভিতৰত বিভিন্ন সময়ত গুৱাহাটীৰ আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়, বিশ্ববিদ্যালয় আইন মহাবিদ্যালয় আদিৰ ছাত্ৰসকলে ইয়ালৈ আহি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ লগত যুটীয়াভাবে সমাজ সেৱাৰ কাম কৰিছিল। এনে প্ৰচেষ্টাবোৰৰ জৰিয়তে দুখন মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ মাজত সৌহাৰ্দ্দ্য স্থাপন হোৱাৰ লগতে গাঁৱৰ সমাজখনো বহুপৰিমাণে আমাৰ ওচৰ চাপিছিল। মহাবিদ্যালয়ৰ ছাত্ৰসমাজ আৰু গাঁৱৰ সমাজৰ সহযোগিতাত কেইবাটাও গঠনমূলক কাম সম্পন্ন হৈ উঠিছিল।

এই মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ অধীনস্থ গোটে প্ৰাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্ৰতো উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। এই আঁচনিৰ যোগেদি বিভিন্ন স্থানত দহটা কেন্দ্ৰ স্থাপন কৰি গাঁওঅঞ্চলৰ প্ৰাপ্তবয়স্কসকলৰ মাজত শিক্ষাবিস্তাৰৰ কাম হাতত লোৱা হৈছিল। কিন্তু বিভিন্ন অসুবিধাৰ কাৰণে এই কেন্দ্ৰসমূহ স্থায়ী হৈ নাথাকিল। সময়ে সময়ে শিবিৰ অনুষ্ঠিত কৰি স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ লগতে অভিজ্ঞ চিকিৎসকসকলক আমন্ত্ৰণ কৰি আনি প্ৰাথমিক স্বাস্থ্য সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণো দিয়া হৈছিল। এনেধৰণৰ কাৰ্যসূচীবিলাকে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যথেষ্ট উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰিছিল আৰু সমাজসেৱাৰ বাবে এক সুস্থ বাতাবৰণৰ সৃষ্টি হৈছিল। পিচলৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকলে গাঁও অঞ্চলত এনে স্বাস্থ্য পৰীক্ষা শিবিৰ আয়োজন কৰি বিনামূলীয়াকৈ ঔষধ-পাতিও বিতৰণ কৰিছিল।

১৯৭৩ চনৰ পৰা ১৯৭৬ চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৌজন্যত দুই-তিনি মহাবিদ্যালয়ক একেলগ কৰি একো একোখন নিৰ্দ্দিষ্ট স্থানত শিবিৰ অনুষ্ঠিত কৰা হৈছিল। এই শিবিৰবিলাক একো একোটি বিশেষ উদ্দেশ্যৰ বাবে সমৰ্পিত কৰা হৈছিল। এনে কিছুমান শিবিৰৰ নামাকৰণ এনেধৰণে কৰা হৈছিল—'গাওঁ সংগঠনত যুৱশক্তি', 'দুৰ্ভিক্ষৰ বিৰুদ্ধে যুৱশক্তি,' 'বানপানীৰ বিৰুদ্ধে যুৱশক্তি,' 'পথ নিৰ্মাণত যুৱশক্তি' ইত্যাদি। আমাৰ মহাবিদ্যালয়ে ১৯৭৩ চনত হাউলীত, ১৯৭৫ চনত মঙ্গলদৈত আৰু ১৯৭৬ চনত টংলাত অনুষ্ঠিত এনেধৰণৰ শিবিৰত অংশ গ্ৰহণ কৰিছিল। ১৯৭৬ চনৰ পৰা পঞ্চাশ-ষাঠিখন মহাবিদ্যালয়ক



একত্ৰিত কৰি এনেধৰণৰ শিবিৰ অনুষ্ঠিত কৰা হৈ আহিছে। উত্তৰ গুৱাহাটী, মিৰ্জা, ছয়গাঁও, মঙ্গলদৈ, চাৰিআলি, জালুকবাৰী আদি ঠাইত হোৱা শিবিৰৰ প্ৰত্যেকটোতে আমাৰ মহাবিদ্যালয় গোটে অংশ গ্ৰহণ কৰি আহিছে।

ৰাষ্ট্ৰীয় সেৱাযোজনাৰ ৰঙিয়া মহাবিদ্যালয় গোটৰ কাম-কাজৰ বিষয়ে সোঁৱৰণ কৰিবলৈ লওঁতে আমাৰ মহাবিদ্যালয়ৰ ভূতপূৰ্ব্ব অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈ দেৱৰ নাম উল্লেখ কৰিবই লাগিব। তেখেতৰ বলিষ্ঠ নেতৃত্ব আৰু আশাবাদী মনোভাবে আমাক সততে অনুপ্ৰেৰণা যোগাইছিল। এই সন্দৰ্ভতে আমাৰ এগৰাকী স্বৰ্গগত সতীৰ্থ হৰেন্দ্ৰ কুমাৰ দাসদেৱৰ নামো স্মৰণযোগ্য। স্বৰ্গীয় দাসদেৱে ছাত্ৰ-ছাত্ৰীসকলক সমাজসেৱাৰ ক্ষেত্ৰত যথেষ্ট উৎসাহ-উদ্দীপনা যোগাইছিল।

ৰঙিয়া মহাবিদ্যালয়ৰ সেৱা যোজনা গোটৰ কাম-কাজৰ সাক্ষ্য বহন কৰি থকা দুটা উল্লেখযোগ্য উদাহৰণ উনুকিয়াই এই আলেখ্য সামৰিম। প্ৰথমটো হ'ল মহাবিদ্যালয়ৰ চাৰিওফালৰ পকী দেৱাল ; ৰাষ্ট্ৰীয় সেৱা যোজনাৰ মহাবিদ্যালয় গোটে এই দেৱাল নিৰ্মাণৰ প্ৰাৰম্ভিক আটাইখিনি কাম সম্পন্ন কৰিছিল। আৰু আনটো—মহাবিদ্যালয়ৰ সমুখ চৌহদত বৰ্ত্তমানে জাতিস্কাৰ হৈ উঠা বৃহৎ বৃক্ষবোৰ আমাৰ আঁচনিৰ যোগেদিয়ে ৰোপণ কৰা হৈছিল।

ৰাষ্ট্ৰীয় সেৱা যোজনাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছো। +

(শ্ৰীহীৰেন্দ্ৰনাথ শৰ্মা ৰাষ্ট্ৰীয় সেৱা যোজনাৰ আমাৰ মহাবিদ্যালয় গোটৰ প্ৰকল্প বিষয়া আৰু ৰাজনীতিবিজ্ঞান বিভাগৰ অধ্যাপক। তেখেত ৰঙিয়া অঞ্চলৰ বিভিন্ন অনুষ্ঠান-সংগঠনৰ লগত জৰিত এগৰাকী সমাজসেৱী।)

# নতুন শিক্ষানীতি আৰু শিক্ষক সমাজ

অধ্যাপক অজিত কুমাৰ শৰ্মা

১৯৮৫ চনতে (আগষ্ট মাহত) ভাৰত চৰকাৰে "শিক্ষাৰ প্ৰত্যাহ্বান" শীৰ্ষক এখন এশ-পৃষ্ঠীয়া দলিল প্ৰকাশ কৰি প্ৰচাৰ কৰিছিল। সেই দলিলত দেশৰ শিক্ষাক্ষেত্ৰৰ সমগ্ৰ পৰিস্থিতিৰ পৰ্য্যালোচনাও কৰা হৈছিল; শিক্ষাৰ অগ্ৰগতি-দুৰ্গতি, ত্ৰুটী-বিচ্যুতিৰ তথ্যপাতিও দাঙি ধৰা হৈছিল। এই দলিলখন তিনিবাৰ সংশোধন কৰাৰ মূৰত চূড়ান্ত ৰূপ দি ১৯৮৬ চনৰ মে মাহত সংসদে গ্ৰহণ কৰিলে। সেয়েই হ'ল আমাৰ দেশৰ "নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি"। ৰাজীৱ গান্ধী চৰকাৰে এই শিক্ষানীতিত ভৰ দিয়েই একৈশ শতিকাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ বিচাৰিছে।

উল্লেখযোগ্য যে পূৰ্ব্বতেও বিভিন্ন সময়ত ৰাষ্ট্ৰীয় শিক্ষানীতি একোটা ঘোষণা কৰা হৈছিল। ১৯৬৮ চনতো এবাৰ কৰা হৈছিল। অৱশ্যে আগৰ শিক্ষানীতিৰ লগত এতিয়াৰ শিক্ষানীতিৰ এটা প্ৰভেদ আছে। আগৰ অৱস্থাত নীতি নিৰ্দ্ধাৰণৰ পূৰ্ব্বে একোটা শিক্ষা আয়োগ গঠন কৰি দিয়া হৈছিল আৰু সেই আয়োগৰ পৰামৰ্শ বিবেচনা কৰি তাৰ ভিত্তিত শিক্ষানীতি তৈয়াৰ কৰা হৈছিল ঃ— ১৯৪৮-৪৯ চনৰ ৰাধাকৃষ্ণণ শিক্ষা আয়োগ, ১৯৫৫–৫৬ চনৰ মুদালিয়াৰ আয়োগ আৰু ১৯৬৬ চনৰ কোঠাৰী আয়োগ। বৰ্ত্তমানৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বৈশিষ্ট্য হ'ল এয়েই যে এইবাৰ কোনো আয়োগৰ পৰামৰ্শ লোৱা হোৱা নাই। প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে ১৯৮৫ চনত তেতিয়াৰ শিক্ষাবিভাগক নিৰ্দ্দেশ দিলে দুই–তিনিমাহৰ ভিতৰতে শিক্ষানীতি প্ৰস্তুত হ'ব লাগে আৰু কাৰ্য্যকৰী কৰিব লাগে। বিভিন্ন ঠাইত দিয়া বক্তৃতা প্ৰসঙ্গত প্ৰধানমন্ত্ৰীয়ে এই শিক্ষানীতি কি হ'ব সেইটোও ঘোষণা কৰি "ৰাম নৌ ওপজোতেই ৰামায়ণ লিখা" কথা-ফাঁকিৰ যথাৰ্থতা প্ৰতীয়মান কৰিলে। শিক্ষা বিভাগৰ বিষয়াসকলে গাইপতি একো অংশ ততাতৈয়াকৈ লিখি শিক্ষানীতি সম্পূৰ্ণ কৰিলে। ভাৰত চৰকাৰৰ তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীকৃষ্ণচন্দ্ৰ পন্তে এই দলিলত চহী কৰিলে, সংসদে গ্ৰহণ কৰিলে আৰু লগে লগে প্ৰবল বেগেৰে শিক্ষা-নীতিৰ প্ৰচাৰ হৈ গ'ল। শিক্ষানীতি ঘোষণা কৰাৰ আগতেই তাৰ ভিতৰতনো কি আছে নজনাকৈয়ে বিভিন্ন ৰাজ্যত এই শিক্ষানীতি প্ৰয়োগৰ বাবে কৰ্মশালাৰ অনুষ্ঠান পাতি লাখ লাখ টকা খৰছ কৰাও হ'ল। তাৎপৰ্য্যৰ কথা এয়েই যে এই শিক্ষানীতিৰ দলিলত যিজন শিক্ষামন্ত্ৰীয়ে চহী কৰিলে তেওঁক শিক্ষা দপ্তৰৰ পৰা আঁত-ৰোৱা হ'ল। আনকি শিক্ষা বিভাগৰ নামটোও



উঠি গৈ 'মানৱ সম্পদ বিকাশ বিভাগ' হ'ল।

ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে কেউপিনে তোলপাৰ লগাই দিছে যদিও তাত নো কি আছে—বাঘেই নে ঘোঙেই—সেই কথা চাবলৈ কাৰো আহৰি নাই। একৈশ শতিকালৈ যাত্ৰা কৰিব লাগে, দ্ৰুতবেগে যাব লাগে। কম্পিউটাৰৰ শিক্ষা লাগে; 'আদৰ্শ' বিদ্যালয় লাগে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰ হ'ব লাগে। কিন্তু, যি একৈশ শতিকালৈ আমি ধাপলি মেলিছো সেই একৈশ শতিকাত ভৰি দিয়েই আমি কি দেখিম গৈ? চৰকাৰে প্ৰকাশ কৰা শিক্ষানীতিৰ দলিলতে কোৱা হৈছে যে একৈশ শতিকাৰ আৰম্ভতেই ভাৰতত নিৰক্ষৰ লোকৰ সংখ্যা যিটো হ'বগৈ সিয়েই সমগ্ৰ পৃথিৱীৰ নিৰক্ষৰৰ সংখ্যাৰ শতকৰা ৫৪ ভাগ হ'ব। অৰ্থাৎ একৈশ শতিকাৰ যাত্ৰা আৰম্ভ কৰোতেই ভাৰতে পৃথিৱীৰ সমুদায় নিৰক্ষৰৰ আধাতকৈও সৰহ সংখ্যকক পিঠিত বান্ধি লব লাগিব। এই এটা কথাই আমাৰ শিক্ষা-জগতৰ বাস্তৱ পৰিস্থিতিৰ পৰিচয় দিছে।

এইখিনিতে আৰু এটা কথা মন কৰিবলগীয়া। ৰাষ্ট্ৰীয় শিক্ষানীতি বুলি যি বস্তুটি দেশবাসীৰ আগত দাঙি ধৰা হৈছে সেইটোনো আচলতে কি? ৰাষ্ট্ৰীয় শিক্ষানীতিত প্ৰকৃততে 'নীতি' কিবা আছেনে, আছে যদি কি? এই শিক্ষানীতিয়ে ভাৰতত কেনে এখন সমাজৰ কল্পনা বা পৰি–কল্পনা কৰিছে? ভাৰতীয় সমাজ নব-নিৰ্মাণৰ কিবা লক্ষ্য ইয়াত আছে জানো? নে, এখন পশ্চিমীয়া 'কম্পিউটাৰ' ভিত্তিক সমাজ হে? দেখাত বৰ্তমানৰ 'ৰাষ্ট্ৰীয় শিক্ষানীতি'ৰ নিজস্ব কোনো 'নীতি' নাই। দলিলৰ এঠাইত অৱশ্যে কোৱা হৈছে যে ১৯৬৬ চনৰ কোঠাৰী আয়োগৰ পৰামৰ্শৰ ভিত্তিত তৈয়াৰ হোৱা ১৯৬৮ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিকেই বৰ্ত্তমানৰ শিক্ষানীতিয়েও মানি লৈছে। অৱশ্যে বৰ্ত্তমানৰ দলিলখন আদ্যো-পান্ত পঢ়ি চালে এইটো বুজিব পাৰি যে নতুন শিক্ষানীতিৰ অন্তৰালত কেন্দ্ৰীভূত শিক্ষাব্যৱস্থা স্থাপনৰ তীব্ৰ আকাঙ্ক্ষা লুকাই আছে। দলিল-খনত প্ৰচলিত শিক্ষাব্যৱস্থাৰ বিশ্লেষণ কাৰাতে গণতান্ত্ৰিক আদৰ্শৰ কথা কোৱা হৈছে যদিও বাস্তৱ-ক্ষেত্ৰত এক ভাৰতীয় অভিজাত শ্ৰেণী সৃষ্টি কৰাৰ দিহাহে কৰা হৈছে। 'নৱোদয় বিদ্যালয়'ৰ যি আঁচনি অন্তৰ্ভুক্ত কৰা হৈছে সিও কেন্দ্ৰীয় বিদ্যালয়, পাব্লিক স্কুল আদিৰ নিচিনাই অভি–জাত অনুষ্ঠান। কেন্দ্ৰীয় চৰকাৰৰ পৰিচালনাত এনেবোৰ বিদ্যালয়ে এক নতুন অভিজাত শ্ৰেণী সৃষ্টি কৰিছে আৰু কৰিব।

নতুন শিক্ষানীতিৰ আন এক তাৎপৰ্য্যপূৰ্ণ কথা হ'ল যে ভাৰতীয় শিক্ষানীতিৰ সকলো বিষয় নিৰ্ণয় আৰু পৰিচালনা কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰবোৰক ক্ৰমাৎ অকামিলা কৰি পেলোৱা হব। সকলো কথাতে হাত থাকিব কেন্দ্ৰীয় চৰকাৰৰ, ৰাজ্য চৰকাৰৰ হাত চুটি হৈ যাব। নতুন নীতি অনুসৰি ভাৰত চৰকাৰৰ নিৰ্দ্দেশত বিশ্ববিদ্যালয় অনুদান আয়োগ, এন-চি-ই-আৰ-টি, সৰ্ব্বভাৰতীয় মেডিকেল কাউন্সিল ভাৰতীয় কৃষি গৱেষণা পৰিষদ, শৈক্ষিক পৰি–কল্পনা আৰু প্ৰশাসন পৰিষদ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা শিক্ষাৰ আন্তৰ্জাতিক পৰিষদ আদি বিভিন্ন সৰ্ব্বভাৰতীয় আয়োগ–পৰিষদে শিক্ষানীতি পৰিচালনা কৰিব। শিক্ষানীতিৰ দলিলত কোৱা হৈছে যে এনেদৰে কেন্দ্ৰীয় পৰিচালনাৰ জৰিয়তে সংহতিমুখী ৰাষ্ট্ৰীয় চৰিত্ৰ নিৰ্মাণ কৰা হব। সহজ অৰ্থত এয়েই হ'ল সমগ্ৰ শিক্ষা ব্যৱস্থাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ আধিপত্য স্থাপনৰ বাবে "এডেও দুডেও লোটা নিয়াৰ ছেও।"

নতুন শিক্ষানীতিৰ নামত চৰকাৰে বহুত কথাই কৈছে। প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ স্তৰৰ শিক্ষা কেনে হব লাগে বহলাই ব্যাখ্যাও

কৰিছে। স্কুল-কলেজত শিক্ষাৰ মান ক্রমাৎ তললৈ নামিছে—তাকো কোৱা হৈছে। শিক্ষক শ্রেণীৰ ভিতৰত কোনো কোনোৱে সুৰাপান কৰি বিদ্যালয়লৈ আহি ছাত্রীক অসৎ ব্যৱহাৰ কৰা বুলিও চৰকাৰী দলিলত আক্ষেপ কৰা হৈছে। পিচে, এই সকলোবোৰ কোৱাৰ মূৰত আমি কি দেখিলোগৈ? একমাত্র শব্দৰ ঝঙ্কাৰ। ভাৰতীয় শিক্ষাব্যৱস্থা সম্পৰ্কে কোঠাৰী আয়োগে যিথিনি বিশ্লেষণ কৰিলে আৰু সংস্কাৰৰ পৰামৰ্শ দিলে তাতকৈ বেচি জ্ঞান প্রকৃততে দৰ্কাৰ নাই—লাগে মাত্র কাৰ্য্যকৰী ব্যৱস্থা লবলৈ চৰকাৰৰ ৰাজনৈতিক সংকল্প। ৰাজীৱ গান্ধী চৰকাৰৰ দৰে নতুন শিক্ষানীতিৰ জয়ঢোল বজালেই নহব।

দুটা কথাত অৱশ্যে ভাৰত চৰকাৰৰ দৃঢ় সংকল্প দেখা যায়। এক হ'ল—সকলো স্তৰৰ শিক্ষা কেন্দ্রীয় চৰকাৰৰ পোনপটীয়া নিয়ন্ত্রণত ৰাখি তাৰ যোগেদি সমাজত ৰঘূমলাৰূপী এক শ্রেণী অভিজাত নাগৰিক গোষ্ঠী সৃষ্টি কৰা; আৰু দ্বিতীয়তে, জৱাহৰলাল নেহৰু-ইন্দিৰা গান্ধীৰ (আৰু লগতে ৰাজীৱ গান্ধীৰো) নাম যাতে ভাৰতৰ নাগৰিকসকলে শোওঁতে-খাওঁতে উঠোঁতে-বহোঁতে লৈ থাকিব পাৰে তাৰবাবে নেহৰু-গান্ধী পৰিয়ালৰ স্মৃতিৰক্ষাৰ্থে হৰেকৰকমৰ অনুষ্ঠান চৰকাৰী খৰছত স্থাপন কৰা। এইবিধ স্মৃতি ৰক্ষাৰ বাবে চৰকাৰে কোনো নিয়ম কানুন মানিব নেলাগে; যেতিয়াই মন যায় তেতিয়াই চৰকাৰে যিকোনো অনুষ্ঠান পাতিব পাৰে। ১৯৮৫ চনত ইন্দিৰা গান্ধীৰ স্মৃতিৰক্ষাৰ্থে "ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মুকলি বিশ্ববিদ্যালয়" নাম দি এক আধুনিক বিশ্ববিদ্যালয় আৰম্ভ কৰা হৈছিল। নতুন শিক্ষানীতিৰ খচৰা তৈয়াৰ কৰোঁতে—নৌকৰোঁতেই ইন্দিৰা গান্ধী বিশ্ববিদ্যালয়ক এই নতুন নীতিৰ অঙ্গীভূত কৰি লোৱা হ'ল। যিসকল ছাত্র-ছাত্রীয়ে অইনবিলাক বিশ্ববিদ্যালয়ত উচ্চশিক্ষা লাভ কৰাৰ সুযোগৰ পৰা বঞ্চিত হব সেইসকলকে উচ্চশিক্ষা লাভ কৰাত ইন্দিৰা গান্ধী বিশ্ববিদ্যালয় সহায় কৰিব। মুকলি বিশ্ববিদ্যালয়ৰ শাখা-প্রশাখা সকলো ৰাজ্যতে খোলা হ'ব। এই বিশ্ববিদ্যালয়ত অত্যাধুনিক সা-সৰঞ্জাম থাকিব, ৰেডিঅ'-টেলিভিশ্যন আদিৰো ব্যৱস্থা হ'ব। ইয়াৰ বাবে খৰছো যথেষ্ট কৰা হব।

'নবোদয় বিদ্যালয়' বুলি এবিধ নতুন বিদ্যালয়ৰ নাম অন্তর্ভুক্ত কৰি নতুন শিক্ষানীতিত নতুনত্ব দিয়াৰ চেষ্টা কৰা হ'ল। কিন্তু এই নবোদয় বিদ্যালয় কোনো নতুন আৱিষ্কাৰ নহয়। ইও নতুন টেকেলিত পুৰণি মদ। দিল্লীৰ শিক্ষা মন্ত্রণালয়ত উচ্চপদস্থ বিষয়াসকলে সচৰাচৰ বিদেশ ভ্ৰমণ কৰি আৰু বিদেশী সাহিত্য অধ্যয়ন কৰি নানান বিধ চমৎকাৰ শব্দ শিকি লয়। এইবোৰক শব্দ নুবুলি শব্দৰ বৰটোপ বুলি ক'ব পাৰি। এনেকুৱা শব্দৰ ব্ৰহ্মাস্ত্ৰ মাৰিব পাৰিলেই বহুত কাৰ্য্য সিদ্ধি হৈ যায়। ১৯৭২ চনতো এবাৰ কেন্দ্রীয় শিক্ষাবিভাগে এবিধ 'পথ প্ৰদৰ্শক' শিক্ষানুষ্ঠানৰ প্ৰস্তাৱ কৰিছিল। সেইবিধ অনুষ্ঠানৰ এক অভিজাত নামো দিয়া হৈছিল—যেনে Seed farm technology! এই আঁচনি মতে দেশৰ পাঁচ শ খন জিলাৰ প্ৰত্যেকতে একোখনকৈ আদৰ্শ মাধ্যমিক স্কুল পাতিবলৈ স্থিৰ কৰা হৈছিল। লগতে কোৱা হৈছিল যে প্ৰতি এশখন মহাবিদ্যলয়ৰ মাজৰ পৰা এখনক বাচি লৈ আদৰ্শ মহাবিদ্যালয় ৰূপে গঢ় দিয়া হ'ব। যুক্তি দিয়া হৈছিল যে এই আদৰ্শ অনুষ্ঠানবোৰে চাৰিওফালে থকা শিক্ষানুষ্ঠানবোৰক জ্ঞানৰ জেউতি বিলাব! সি যি কি নহওক, সৌভাগ্যবশতঃ কিবা সূত্ৰত ১৯৭২ চনৰ প্ৰস্তাৱিত আঁচনি কাৰ্য্যকৰী কৰা নহ'ল। বৰ্ত্তমানৰ নবোদয় বিদ্যালয়ৰো গতি কি হয়গৈ কোৱা টান। লোকসভাৰ অহা বছৰৰ নিৰ্ব্বাচনলৈকে হয়তো নবোদয় বিদ্যালয়ৰ নাম লোৱা হব। তাৰপিচত কোন 'উদয়' হয়, কোন 'অস্ত' যায় ঠিক নাই।



নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিত দৰাচলতে নতুন কথা একো নাই। পূৰ্ব্বৰ শিক্ষা আয়োগ কেইটাই কোৱা কথাকে চৰ্ব্বিত চৰ্ব্বন কৰা হৈছে। নতুনত্ব এইখিনিতে যে এই নীতি শ্ৰীৰাজীৱ গান্ধীৰ নিৰ্দ্দেশত তৈয়াৰ কৰা হৈছে। এই হিচাপে নতুন নীতিৰ একমাত্ৰ ৰাজনৈতিক তাৎপৰ্য্যহে আছে। শিক্ষা সৰ্ম্পৰ্কত মহাত্মা গান্ধীৰ নিজা দৰ্শন আছিল। তাৰপৰাই উদ্ভৱ হৈছিল তেওঁৰ বুনিয়াদী শিক্ষানীতি। এই শিক্ষাৰ সৈতে ভাৰতীয় সমাজ নিৰ্মাণৰ সম্বন্ধ আছিল। কিন্তু নেহৰুৰ নেতৃত্বত ভাৰতৰ শাসকবৰ্গই আৰু ভাৰতীয় সম্ভ্ৰান্ত শ্ৰেণীয়ে গান্ধীৰ দৰ্শন দলিয়াই পেলাই পশ্চিমীয়া আদৰ্শ গ্ৰহণ কৰিলে। তাৰে পৰিণতিত সৃষ্টি হ'ল এক দ্বিধাযুক্ত ৰাষ্ট্ৰীয় মন। এতিয়া নতুন যুগত নতুন গান্ধীৰ নিৰ্দ্দেশত গাপ দি পকোৱা শিক্ষানীতিয়ে সমাজ পুনৰ নিৰ্মাণত সহায় কৰিব নোৱাৰে; কিয়নো এই শিক্ষানীতি প্ৰণয়ণকৰ্ত্তা সকলে নিজেই নাজানে কি বিচাৰিছে। ৰাজীৱ গান্ধীয়ে যি অপসংস্কৃতিৰ প্ৰতিনিধিত্ব কৰে সেই অপসংস্কৃতিৰেই বিকাশ হোৱাত অৱশ্যে নতুন শিক্ষানীতিয়ে সহায় কৰিব পাৰিব।

ভাষানীতিত থকা অস্পষ্টতাৰ অন্ত নেপেলোৱা বাবেই আমাৰ শিক্ষাক্ষেত্ৰত এতিয়া ভয়ানক বিভ্ৰাট হব লাগিছে। প্ৰাথমিক স্তৰৰপৰা উচ্চতম স্তৰলৈকে শিক্ষাৰ মাধ্যম মাতৃভাষা তথা আঞ্চলিক ভাষা হব লাগে বুলি কোঠাৰী আয়োগে দিয়া পৰামৰ্শৰ ভিত্তিত ১৯৬৮ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি ঘোষণা হৈছিল। এতিয়া ১৯৮৬ চনৰ শিক্ষানীতিয়েও ওঠৰ বছৰৰ পূৰ্ব্বে গ্ৰহণ কৰা ভাষানীতিকে মানি লৈছে বুলি কৈছে। কিন্তু নতুন নীতিত যি দেখা যায় সি হ'ল পৰস্পৰ বিৰোধী। এহাতে মাতৃভাষা আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰাটো স্বীকাৰ কৰি এই শিক্ষানীতিয়ে আকৌ নবোদয় বিদ্যালয়ত শিক্ষাৰ মাধ্যম ইংৰাজী আৰু হিন্দীহে ৰাখিলেগৈ। আনহাতে, ভাৰতৰ সংযোগী ভাষা শক্তিশালী কৰাৰ কথাও শিক্ষানীতিত কোৱা হৈছে যদিও সেই সংযোগী ভাষা হিন্দীয়েই হব নে ইংৰাজীয়েই হব সেইবোৰ কথা কিন্তু খোলোচাকৈ প্ৰকাশ কৰা নাই।

নতুন শিক্ষানীতিৰ ব্যাখ্যা প্ৰসঙ্গত এঠাইত স্বীকাৰ কৰা হৈছে যে শিক্ষক-শিক্ষয়িত্ৰীয়ে নিষ্ঠাৰে নপঢ়ালে আৰু ছাত্ৰ-ছাত্ৰীয়ে নিষ্ঠাৰে নপঢ়িলে যিমানেই যি শিক্ষা সংস্কাৰৰ দিহা কৰা হওঁক, সুফল পোৱা টান। অৰ্থাৎ শিক্ষকে পঢ়াব লাগিব, ছাত্ৰই পঢ়িব লাগিব আৰু তাকে কৰিবলৈ লাগতিয়াল পৰিবেশ সৃষ্টি কৰাটোৱেই হ'ল প্ৰথম কাম। কিন্তু এই পৰিবেশ সৃষ্টি কৰাত অৰিহণা সকলোতকৈ বেচি কোনে দিব পাৰে? যেই কোনো শিক্ষানীতি কাৰ্য্যকৰী কৰাৰ আচল মাধ্যম কোন? শিক্ষক শ্ৰেণীয়েই নহয় জানো? দুৰ্ভাগ্যৰ কথা হ'ল এইটোৱেই যে বৰ্ত্তমান অৱস্থাত আমাৰ দেশত শিক্ষক শ্ৰেণীয়ে শিক্ষাসংস্কাৰ তথা সমাজ পুনৰনিৰ্মাণৰ ক্ষেত্ৰত নিষ্ক্ৰিয় ভূমিকা লোৱাতে সন্তুষ্ট আছে। সংগঠিত ৰূপত শিক্ষক শ্ৰেণীয়ে, আনকি বিশ্ববিদ্যালয়-মহাবিদ্যালয় স্তৰৰ শিক্ষক শ্ৰেণীয়েও শিক্ষা সংস্কাৰৰ কথাত মাত নেমাতে। অৱশ্যে এই শ্ৰেণীয়ে দৰমহা এলাৱেন্স আৰু অন্যান্য সা-সুবিধাৰ বাবে সংগ্ৰাম কৰে। ফলত শিক্ষক শ্ৰেণীৰ নৈতিক কৰ্তৃত্ব ক্ৰমাৎ হেৰাই গৈছে। ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ প্ৰতি শিক্ষক শ্ৰেণীৰ যি কৰ্ত্তব্য আছে তাক সুচাৰুৰূপে পালন নকৰাত শিক্ষক শ্ৰেণীৰ সামূহিক নেতৃত্ব হেৰাই যোৱাৰ উপক্ৰম হৈছে। উল্লেখযোগ্য যে পৰিস্থিতি এনে ধৰণৰ হোৱাৰ বাবেই ৰাষ্ট্ৰীয় শিক্ষানীতি সম্বন্ধে শিক্ষক শ্ৰেণীৰ মাজত যিধৰণে আলোচনা-সমালোচনা-বিচাৰ হব লাগিছিল সেইটোও হোৱা নাই। এনেবিধৰ উদাসীনতাৰ পৰিবেশ গুচাই ছাত্ৰসমাজক আত্ম-

বিশ্বাসত উদ্বুদ্ধ কৰিবলৈ হ'লে প্ৰথমতে শিক্ষক সমাজে সংকল্পবদ্ধ প্ৰচেষ্টা কৰিব লাগিব। সেইটো নোহোৱালৈকে শিক্ষানীতি ঘোষণা হ'ব, সেই নীতি কাৰ্য্যকৰী কৰাৰ নামত ধন খৰছ হ'ব, কিন্তু শিক্ষাক্ষেত্ৰত পৰিবৰ্ত্তন সাধনৰ পথ মুকলি নহব। +

(অসমৰ শৈক্ষিক আৰু বৌদ্ধিক জগতত অধ্যাপক অজিত কুমাৰ শৰ্মা এটি পৰিচিত নাম। সন্দিকৈ কলেজৰ প্ৰাক্তন অধ্যাপক, প্ৰাক্তন সংসদ সদস্য শ্ৰীশৰ্মাদেৱে অসমৰ বিভিন্ন মৌলিক সমস্যাৱলীৰ সন্দৰ্ভত সুস্পষ্ট অভিমত ব্যক্ত কৰি আহিছে। এগৰাকী সুবক্তা হিচাপেও শৰ্মাদেৱৰ নাম অসমৰ চুকে-কোণে জনাজাত। অসমত সমাজবাদী আন্দোলনৰ গুৰিধৰোতাসকলৰ ভিতৰতো তেখেতৰ এক বিশিষ্ট স্থান আছে। চিন্তাধাৰাৰ গভীৰতা আৰু দৃষ্টিভঙ্গীৰ স্পষ্টতা তেখেতৰ দুটি প্ৰধান বৈশিষ্ট্য।)

"সত্য অতি নিষ্ঠুৰ তথাপি সত্যক ভাল পাব পাৰি। যিয়ে সত্যক নিষ্ঠুৰ বুলি জানিও ভাল পায় ভগৱানে তাক মুক্তি দিয়ে।"



# অসমৰ উচ্চশিক্ষাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ ভূমিকা

ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য

১৯৭৯ চনৰ পিয়লমতে অসম ৰাজ্যৰ মাটি-কালি ৭৮৫২৩ বৰ্গকিলোমিটাৰ আৰু ১৯৮৪ চনৰ পিছত জিলাৰ সংখ্যা বাঢ়ি ওঠৰখন হৈছে; এই সংখ্যাৰ ভিতৰত ধুবুৰী, কোকৰাঝাৰ, গোৱালপাৰা, বৰপেটা, নলবাৰী, কামৰূপ, দৰং, শোণিতপুৰ, লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, কাৰ্বি আংলং, নগাওঁ, কাছাৰ, উত্তৰ কাছাৰ পাহাৰ আৰু কৰিমগঞ্জ জিলাক ধৰা হৈছে। প্ৰাগজ্যোতিষপুৰ এতিয়া মহকুমা বুলিহে গণ্য কৰা হৈছে। অসমৰ জনসংখ্যা ১৯৭১ চনৰ পিয়লমতে ১৪৬ লাখ আছিল ঃ ১৯৮১ চনত জনসংখ্যা ১৯৯ লাখলৈকে বাঢ়ে আৰু ১৯৮৪ চনত ২ কোটি ২২ লাখ ধৰা হৈছে। বৰ্ত্তমানে ১৯৮৮ চনত ২ কোটি ৫০ লাখমান হব। অসম ৰাজ্যত উচ্চশিক্ষাৰ থলী হিচাপে তিনিখন বিশ্ববিদ্যালয় আছে ঃ ডিব্ৰুগড়, গুৱাহাটী আৰু যোৰহাটৰ কৃষি বিশ্ববিদ্যালয়। ১৯৮১-৮২ চনৰ হিচাপমতে ৩৪৭ জন অধ্যাপক-অধ্যাপিকাৰে এই তিনিখন বিশ্ববিদ্যালয়, ৩৯৫৯ জন ছাত্ৰ-ছাত্ৰী আছিল। সেইহিচাপে ১৯৮১-৮২ ইং চনত কলা, বিজ্ঞান আৰু বাণিজ্য বিষয়ক শিক্ষাদান কৰা কলেজৰ সংখ্যা ১৪৫ খন, অধ্যাপক-অধ্যাপিকাৰ সংখ্যা ৪৪৯৮ আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১১২৮৪৪ জন। ইয়াৰ উপৰিও সংস্কৃত কলেজ এখন, আৰবী কলেজ এখন, কৃষি কলেজ এখন, ইঞ্জিনীয়াৰিং কলেজ তিনিখন, আইন কলেজ ৯ খন, মেডিকেল কলেজ তিনিখন, ভেটেৰিনেৰী কলেজ এখন, আয়ুৰ্ব্বেদীয় কলেজ এখন, নাৰ্চিং আৰু গাৰ্হস্থ্যবিজ্ঞানৰ এখনকৈ মুঠ ১৬৭ খন কলেজত ৫৪৬৮ জন অধ্যাপক-অধ্যাপিকা আৰু ১২২১১৫ জন ছাত্ৰ-ছাত্ৰী আছে। সম্প্ৰতি উচ্চতৰ মাধ্যমিক বিদ্যালয় কমেও ১১২ খন (১৯৭৮-৭৯) ধৰিলে আৰু ইয়াৰ ছাত্ৰ-ছাত্ৰী সংখ্যা ৬২০২ ধৰিলে অসমত উচ্চশিক্ষাৰ অৱস্থাৰ উমান ধৰিব পাৰি।

১৯৭১ চনৰ পিয়লমতে ভাৰতবৰ্ষৰ গাওঁ অঞ্চলৰ সাক্ষৰতা ২৩·৭ আৰু নগৰীয়া অঞ্চলৰ

৫২·৪ আৰু গড় হিচাবে ২৯·৫। অসমত এই সংখ্যাৰ অনুপাত যথাক্ৰমে ২৫·২, ৫৮·৩ আৰু ২৮·১; মণিপুৰ, মেঘালয় আৰু মিজোৰামৰ এই সংখ্যা অধিকতৰ। ১৯৭৮ চনৰ পৰিসংখ্যামতে অসমত ১ম-৪ৰ্থ মানৰ ছাত্ৰ-ছাত্ৰী (৬-১১) বছৰীয়া ১৮৯৭৬০০০ জনৰ ভিতৰত ৬ষ্ঠ-৮ম মান (১১-১৪)ত ৫,১৭,৬০০ জনহে ভৰ্ত্তি হয়। মাধ্যমিক পৰ্য্যায়ত ২০৭৯১১ জনৰ ভিতৰত কলেজত গৈ ১১৯৩০৬ জন ছাত্ৰ-ছাত্ৰীহে ৰয়গৈ। এই অপচয় নিৰোধ কৰা যায় কেনেকৈ? বৰ্ত্তমান সময়ত ভাৰত চৰকাৰে নতুন শিক্ষা পদ্ধতি প্ৰবৰ্ত্তনৰ দ্বাৰা এইকেশ শতিকাৰ আৰম্ভণিত পূৰ্ণ স্বাক্ষৰতাৰ আঁচনি তৰিছে। কিন্তু শিক্ষাৰ প্ৰতি গাৱঁভূঁয়ে উপযুক্ত মানসিক আগ্ৰহৰ সৃষ্টি কৰিব পাৰিলেহে যিকোনো আঁচনি তলৰ খাপৰ পৰা কাৰ্যকৰী কৰিব পাৰি। দিল্লী বা দিশপুৰৰ পৰা নিৰ্দেশ দিলেই যিকোনো আঁচনি গৈ গাওঁভূঁইৰ মানুহৰ অন্তৰ ঠিকমতে স্পৰ্শ কৰিব নোৱাৰে। শিক্ষাৰ উদ্দেশ্য জ্ঞান লাভ নে কৰ্ম সংস্থান লাভ—এই বিষয়েও জনসাধাৰণৰ মনত সন্দেহৰ থল আছে। সচৰাচৰ শিক্ষিত লোকেই বহু সময়ত জ্ঞানীৰ ভূমিকা লোৱা দেখা নেযায়। শিক্ষিত লোক মাত্ৰেই কৰ্ম সংস্থান বা চাকৰি-বাকৰি নেপায়। এনেবোৰ বিসংগতি, সন্দেহে শিক্ষাদান তথা লাভৰ আঁচনিত কম-বেছি পৰিমাণে হেঙাৰৰ সৃষ্টি কৰি আহিছে। এনে পটভূমিত প্ৰাথমিক তথা প্ৰাক্ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চশিক্ষাৰ ক্ষেত্ৰত বৰ্ত্তমান থকা ব্যৱস্থাবোৰ চালি-জাৰি চালে আমি সাধাৰণতে নিৰুৎসাহ হুবলগীয়াহে হওঁ।

ভাৰতীয় গণৰাজ্য আৰু ইয়াৰ অঙ্গৰাজ্যবোৰৰ শিক্ষাৰ ক্ষেত্ৰত মন কৰিবলগীয়া কথা হৈছে যে সংবিধান মতে কেন্দ্ৰীও চৰকাৰে কেন্দ্ৰীয় তালিকাত থকা বিষয়বোৰৰ দায়িত্ব বহন কৰে: যেনে কেন্দ্ৰীয় বিশ্ববিদ্যালয়বোৰ আৰু ৰাষ্ট্ৰীয় সংস্থা, গৱেষণা তথা আন্তঃৰাষ্ট্ৰীয় যোগাযোগ সম্পৰ্কৰ বাহিৰে বাকী শিক্ষা বিষয়ক সকলো দায়িত্ব ৰাজ্য চৰকাৰবোৰৰ। অসমত প্ৰতিষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ দায়িত্ব অসম চৰকাৰৰ; শ্বিলঙত প্ৰতিষ্ঠিত উত্তৰ-পূৱ পাৰ্ব্বত্য বিশ্ববিদ্যালয়ৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ। শ্বিলঙৰ উত্তৰ-পূৱ পাৰ্ব্বত্য বিশ্ববিদ্যালয়ৰ উপৰিও আলিগড় মুছলিম বিশ্ববিদ্যালয়, বাৰাণসী হিন্দু বিশ্ববিদ্যালয়, দিল্লী বিশ্ববিদ্যালয়, বিশ্বভাৰতী বিশ্ববিদ্যালয় (শান্তি নিকেতন), জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় (নতুন দিল্লী) আৰু হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ ভাবে বহন কৰে। তদুপৰি গুজৰাট বিদ্যাপীঠ, কন্যা গুৰুকুল, শ্ৰীঅৰবিন্দ আন্তঃৰাষ্ট্ৰীয় শিক্ষাকেন্দ্ৰ, লোকভাৰতী (ছান'ছোৰা, গুজৰাট) আদিলৈ কেন্দ্ৰীয় মঞ্জুৰী দিয়ে। ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ অধীনত ১৯৫৩ চনত প্ৰতিষ্ঠিত বিশ্ববিদ্যালয় অনুদান আয়োগে ৰাজ্যিক চৰকাৰৰ প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়বোৰক গৱেষণা, শিক্ষাদান, পাঠ্যপুথি আদি বিষয়ত অনুদান দিয়াৰ আঁচনি আছে। ৰাজ্য চৰকাৰৰ প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়বোৰৰ অধীনস্থ মহাবিদ্যালয়বোৰকো কিছুমান আঁচনি অনুযায়ী গৱেষণা, পাঠ্যপুথি, শিক্ষকৰ উচ্চশিক্ষা লাভ আদি বিষয়ত বিশ্ববিদ্যালয় অনুদান আয়োগে মঞ্জুৰী দিয়াৰ ব্যৱস্থা আছে। অসমত চৰকাৰী পৰ্য্যায়ত কটন কলেজ, ডিফু কলেজ আৰু হাফলং কলেজত উচ্চ শিক্ষাৰ কলা, বিজ্ঞান আদিৰ ব্যৱস্থা আছে; ইয়াৰ বাহিৰেও প্ৰায় দুশ বেচৰকাৰী মহাবিদ্যালয়ত কলা-বিজ্ঞান-বাণিজ্যৰ পঠন-পাঠন হয়। অসমৰ পশু চিকিৎসা, ইঞ্জিনীয়াৰিং, আয়ুৰ্ব্বেদ, কৃষি, সংস্কৃত শিক্ষা আদিৰ বাবে চৰকাৰী পৰ্য্যায়ত মহাবিদ্যালয় আছে। মুঠ ছাত্ৰ-ছাত্ৰীৰ প্ৰায়



নব্বৈ ভাগে অসমৰ বেচৰকাৰী কলা-বিজ্ঞান-বাণিজ্য বিষয়ক কলেজত পঢ়ে। এই বেচৰকাৰী মহাবিদ্যালয়বোৰে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনস্থ দুবছৰীয়া উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমৰো পঠন-পাঠনৰ দায়িত্ব বহন কৰি আছে। বৰ্ত্তমান সময়ত প্ৰৱেশিকা বা মাধ্যমিক শিক্ষান্ত পৰীক্ষাক মাধ্যমিক স্তৰত ধৰা হয়। উচ্চতৰ মাধ্যমিক আৰু তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ দায়িত্ব বেছিভাগ মহাবিদ্যালয়সমূহে বহন কৰে; কিয়নো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা তাকৰ আৰু এইবোৰত কলা-বিজ্ঞান-বাণিজ্য আদিৰ পঠন-পাঠনৰ সুবিধাও সীমাবদ্ধ। বৰ্ত্তমানে উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰৰ বেছিভাগে অসম চৰকাৰৰ অধীনস্থ সম্পূৰ্ণ চৰকাৰী অথবা প্ৰাদেশিকী পৰ্য্যায়ৰ।

অসমৰ উচ্চশিক্ষাৰ ক্ষেত্ৰত বেচৰকালী মহাবিদ্যালয়ৰ ভুমিকা অতিশয় উল্লেখযোগ্য। কলিকতা বিশ্ববিদ্যালয় ১৮৫৭ ইং চনত স্থাপিত হৈছিল। কটন কলেজ আৰু মুৰাৰিচাঁদ কলেজ বৃটিছ যুগতে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত স্থাপিত হৈছিল। যোৰহাটৰ জগন্নাথ বৰুৱা কলেজ, গুৱাহাটীৰ সন্দিকৈ কলেজ, বৰপেটাৰ মাধৱ চৌধুৰী কলেজ, গুৱাহাটীৰ বি. বৰুৱা কলেজ আদি পৰাধীন ভাৰতবৰ্ষত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত স্থাপিত হৈছিল। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় আৰু ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পিচত অসমত বেচৰকাৰী মহাবিদ্যালয়ৰ ভূমিকা ক্ৰমশঃ বাঢ়ি গৈছে। পোনতে একোখন স্নাতক মহাবিদ্যালয়ত কলা, বিজ্ঞান আৰু বাণিজ্য তিনিটা বিভাগৰ অনুমতি দিয়া হৈছিল যদিও এতিয়া সাধাৰণতে দুটা বিভাগৰহে অনুমতি দিয়া হয়। কেবাখনো মহাবিদ্যালয়ত সম্প্ৰতি স্নাতকোত্তৰ বিষয়ৰ পঠন-পাঠন আৰম্ভ হৈছে। এই দৃষ্টিৰে চালে বেচৰকাৰী মহাবিদ্যালয়বোৰে সাম্প্ৰতিক কালত উচ্চতৰ মাধ্যমিক স্তৰৰ পৰা স্নাতকোত্তৰ পৰ্য্যায়লৈ ছাত্ৰ-ছাত্ৰীৰ উচ্চশিক্ষাৰ পঠন-পাঠনৰ দায়িত্ব বহন কৰি আছে।

একোখন বেচৰকাৰী মহাবিদ্যালয় একোটা অঞ্চলৰ ৰাইজৰ উচ্চশিক্ষাৰ বাবে থকা আকাংক্ষাৰ বাস্তৱ প্ৰতিবিম্ব হৈ স্থাপিত হয়। পোনতে এখন মহাবিদ্যালয় পাতিবলৈ হলে উদ্যোক্তাসকলে বিশ্ববিদ্যালয়ৰ অনুমতি-স্বীকৃতি লাভ, অসম চৰকাৰৰ সম-স্বীকৃতি তথা ঘাটি মঞ্জুৰী লাভ, বিশ্ববিদ্যালয় অনুদান আয়োগৰ স্বীকৃতি তথা মঞ্জুৰী লাভ আদি পৰ্য্যায়বোৰ বগাব লাগিব। এয়া সৰু লৰাই পাহাৰ বগোৱাৰ দৰে অবিৰত যত্ন, ধৈৰ্য্য তথা সাহসৰ কাম। প্ৰতিখন মহাবিদ্যালয় একোটা অঞ্চলৰ জনমানসৰ উজ্বল প্ৰতিফলনৰূপে গঢ় লৈ উঠে। মহাবিদ্যালয়ৰ কাৰণে মাটি, ধন, গৃহনিৰ্মাণ, শিক্ষক-শিক্ষয়িত্ৰী নিয়োগ, ছাত্ৰ-ছাত্ৰীৰ ভৰ্ত্তি, কৰ্মচাৰী নিয়োগ, বিশ্ববিদ্যালয়-চৰকাৰ তথা উদ্যোক্তা সমিতিৰ সহযোগ আদিৰ প্ৰয়োজন। কলা বিভাগতকৈ বিজ্ঞান বিভাগ খোলা আৰু প্ৰতিষ্ঠিত কৰি তোলাটো কষ্টকৰ কাম। ব্যক্তিগত অভিজ্ঞতাৰ ভেঁটিত যোৱা প্ৰায় দুকুৰি বছৰ ধৰি অসমত বেচৰকাৰী মহাবিদ্যালয়ৰ স্থাপন, বিকাশ আৰু অৱদানৰ লগত জড়িত হৈ মই অনুভৱ কৰিছোঁ যে অসমত উচ্চশিক্ষাৰ ক্ষেত্ৰত মহাবিদ্যালয়সমূহে, বিশেষকৈ বেচৰকাৰী মহাবিদ্যালয়বোৰে ৰাষ্ট্ৰ গঠনৰ দিশত উল্লেখযোগ্য বৰঙণি যোগাইছে আৰু নেতৃত্ব গঢ় দি তুলিছে।+

+ (বি. বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য এগৰাকী লব্ধপ্ৰতিষ্ঠ শিক্ষাবিদ আৰু গৱেষক-পণ্ডিত। অসমৰ শৈক্ষিক আৰু সাংস্কৃতিক জীৱনলৈ শ্ৰীভট্টাচাৰ্য্যদেৱে বহুমূলীয়া বৰঙণি আগবঢ়াইছে।)

# শিক্ষকতাৰ মৰ্য্যদা

শ্ৰীঅমৰেন্দ্ৰ কুমাৰ শৰ্মা

পৃথিবীৰ প্ৰাচীনতম্ বৃত্তিজীৱী গোষ্ঠীসমূহৰ ভিতৰত শিক্ষক সম্প্ৰদায়ৰ স্থান অনন্য। শিক্ষা-দান ব্ৰতত ব্ৰতী হৈ শিক্ষক সমাজে যুগে যুগে সমাজ গঠন আৰু সমাজৰ ভাগ্যচক্ৰৰ পৰিবৰ্তনত এক অসাধাৰণ ভূমিকা গ্ৰহণ কৰি আহিছে। শিক্ষক সকলে উঠি অহা নতুন পুৰুষক ভৱিষ্যতৰ মাৰ্গ দৰ্শন কৰায় আৰু ইয়াৰ যোগেদি এটা পুৰুষক ৰাষ্ট্ৰনিৰ্মাণৰ কাৰ্য্যত ব্ৰতী হবলৈ অনু-প্ৰাণিত কৰে। সেইবাবেই শিক্ষকতাক সকলো বৃত্তিৰ মাতৃস্বৰূপা বুলি অভিহিত কৰিব বিচৰা হৈছে। আৱহমান কালৰে পৰা আমাৰ সমাজ পৰিক্ৰমাত শিক্ষক সকলে স্থান–কাল নিৰ্ব্বিশেষে এক একক সন্মানৰ আসন পাই আহিছে। Henry Adams এ কবৰ দৰে—"A teacher affects eternity; he can never tell where his influence stops". যথাৰ্থতে এজন আদৰ্শবান আৰু ব্যক্তিত্ব সম্পন্ন শিক্ষকে শিক্ষাৰ্থীসকলৰ মনত এক অনন্ত অনুপ্ৰেৰণাৰ উৎস হিচাবে কাম কৰে। সময় বাগৰি যোৱাৰ লগে লগে ব্যৱহাৰিক, তথ্যভিত্তিক বিষয়বোৰ হয়তো পাহৰণিৰ গৰ্ভত বিলীন হৈ যায়—কিন্তু বিলীন নহয় এটা বস্তু, এজন আদৰ্শ শিক্ষকৰ উদ্দীপনাময়ী প্ৰেৰণা–ই যুগজয়ী, কালজয়ী।

আমাৰ প্ৰাচীন পৰম্পৰাত শিক্ষক সকলক অতিকৈ মৰ্য্যদাসম্পন্ন আসনত ৰখা হৈছে। সংস্কৃতত এষাৰ তাৎপৰ্য্যপূৰ্ণ বচন আছে–"মাতৃ-মান্, পিতৃবান্, আচাৰ্য্যমান্ পুৰুষোৱেদ"। অৰ্থাৎ যিজন ব্যক্তিৰ পিতৃ–মাতৃ আছে আৰু আচাৰ্য্য বা শিক্ষাগুৰু আছে, সেইজন ব্যক্তিতেই জ্ঞানৰ স্বৰূপ মূৰ্ত্তিমান হৈছে। শিক্ষাগুৰুক পিতৃ–মাতৃৰ সমমৰ্য্যদা প্ৰদান কৰা হৈছে আৰু শিক্ষাগুৰু সকলো পিতৃ–মাতৃৰ সমানেই শ্ৰদ্ধাৰ পাত্ৰ। প্ৰাচীন ভাৰতত শিক্ষাৰ অৰ্থ আছিল জ্ঞান বা পোহৰ; শিক্ষকে অজ্ঞানতাৰ অন্ধকাৰ আঁতৰাই জ্ঞানৰ পোহৰ বিলাইছিল। বৈদিক যুগত উপনয়ন অনুষ্ঠানৰ পিচত শিষ্যই গুৰু-গৃহলৈ গৈ বিদ্যা–শিক্ষা আহৰণ কৰিছিল। গুৰুৱে শিষ্যসকলক পথপ্ৰদৰ্শক হিচাবে সকলো দিশৰ পৰা জ্ঞান-বুদ্ধি প্ৰদান কৰি জীৱনৰ বাটত আগ-বাঢ়ি যোৱাত সহায় কৰিছিল। ইয়াৰ বাবে গুৰুৱে কোনো বেতন গ্ৰহণ নকৰিছিল; বৰং শিক্ষাদানক এক ধৰ্মীয় আৰু নৈতিক কৰ্ত্তব্য বুলি বিবেচনা কৰিছিল। শিষ্যসকলে ভিক্ষা বৃত্তিৰ যোগেদি আৰু অন্যান্য শাৰীৰিক শ্ৰমৰ দ্বাৰা গুৰুৰ জীৱনৰ প্ৰয়োজন বিলাক পূৰণ কৰিছিল। শিক্ষা সাং হোৱাত গুৰুগৃহৰ পৰা



বিদায়ৰ পৰত শিষ্যসকলে সাধ্যানুযায়ী গুৰু-দক্ষিণা অৰ্পণ কৰিব লাগিছিল। ইয়াৰ পৰা বুজা যায় যে প্ৰাচীন ভাৰতত গুৰুৰ স্থান অতি উচ্চ আছিল। গুৰুসকলে স্বপ্ৰণোদিত ভাবে দাৰিদ্ৰ্যৰ জীৱন আকোঁৱালি লৈছিল আৰু নিঃস্বাৰ্থ ত্যাগ, অতি উচ্চস্তৰীয় পাণ্ডিত্য আৰু আধ্যাত্মিকতা আৰু নৈতিকতাৰ আদৰ্শৰ যোগেদি শিক্ষাদান বৃত্তিটোক মহীয়ান কৰি তুলিছিল।

বৌদ্ধযুগত জ্ঞানৰ দুৱাৰ জাতি-বৰ্ণ নিৰ্ব্বি-শেষে সকলোৰে বাবে মুকলি হ'ল। শিক্ষাদান আৰু শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত ব্ৰাহ্মণ্য একাধিপত্যৰ অন্ত পৰিল। সুপৰিকল্পিত ৰূপত ঠায়ে ঠায়ে বিশ্ববিদ্যালয়ৰ আকাৰত ডাঙৰ ডাঙৰ শিক্ষাকেন্দ্ৰ গঢ় লৈ উঠিল আৰু এইবোৰলৈ দেশ–বিদেশৰ পৰা অসংখ্য পণ্ডিত–পৰিব্ৰাজক আকৰ্ষিত হ'ল। শুনা যায়–পৰিব্ৰাজক হিউয়েন চাংৰ দুই পঞ্চ-মাংশতকৈও অধিক সময় ভাৰতৰ বৌদ্ধবিহাৰ বিলাকত ভাৰতীয় ধৰ্ম আৰু দৰ্শনৰ অধ্যয়ন কৰোতে অতিবাহিত হৈছিল।

বৃটিচৰ আগমনৰ লগে লগে প্ৰাচীন ভাৰতীয় শিক্ষকৰ আদৰ্শবিলাক (যিবিলাক মধ্যযুগতো কিয়দাংশত প্ৰবৰ্তিত আছিল) সম্পূৰ্ণৰূপে লোপ পাবলৈ ধৰে। আৰম্ভণিতে ইংৰাজসকল ভাৰতীয় সকলৰ শিক্ষাৰ বিষয়ত মুঠেই আগ্ৰহী নাছিল। পিচলৈ ঔপনিবেশিক শাসন প্ৰবৰ্ত্তাই ৰখাৰ উদ্দেশ্যে ভাৰতীয়সকলক একপ্ৰকাৰৰ শিক্ষা দিবৰ বাবে ইংৰাজসকল বাধ্য হ'ল। এই শিক্ষাৰ উদ্দেশ্যে আছিল অতিকৈ সঙ্কুচিত—এই শিক্ষাৰ বাটৰ টীয়া আছিল লৰ্ড মেকলে। এই ব্যৱস্থাৰ ফলশ্ৰুতিত শিক্ষাৰ প্ৰকৃত আদৰ্শ বিনাশপ্ৰাপ্ত হ'ল আৰু সাম্ৰাজ্যবাদী শাসনৰ স্বাৰ্থ অক্ষুন্ন ৰাখিবলৈ শিক্ষাৰ পৰিবৰ্ত্তে কেৱল সাক্ষৰতাৰ ওপৰতহে গুৰুত্ব দিয়া হ'ল। শিক্ষকতাৰ মৰ্য্যদা নিম্নগামী হৈ আহিবলৈ ধৰিলে। পুৰণিকালত শিক্ষা আৰু শিক্ষাদানৰ প্ৰতি যি অনুৰাগ আছিল, জ্ঞান আহ-ৰণ আৰু জ্ঞানবিতৰণৰ প্ৰতি যি অদম্য স্পৃহা আছিল আৰু সৰ্ব্বোপৰি শিক্ষকতাৰ প্ৰতি সম্পূৰ্ণ আত্মোৎসৰ্গৰ মনোভাৱেৰে নিঃস্বাৰ্থ সেৱাৰ যি আদৰ্শ আছিল—এই সকলো কিংবদন্তী সদৃশ হৈ পৰিল। আজিৰ শিক্ষকতা মাত্ৰ এটা বৃত্তি, জীৱিকাৰ পথ।

আজিৰ যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই উন্নতিৰ চূড়ান্ত শিখৰত অৱতীৰ্ণ হোৱাৰ লগে লগে মানৱজাতিৰ সভ্যতা আৰু সংস্কৃতিৰো এক নতুন দিক্‌দৰ্শন হৈছে। এহাতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ গৌৰৱ যাত্ৰা আৰু আনহাতে সভ্যতা–সংস্কৃতিৰ নব্যৰূপে মানুহক গৌৰৱৰ উচ্চ আসনত অধিষ্ঠিত কৰিছে। ভৌতিক, আধিভৌতিক, জাগতিক, আধিজাগতিক, স্থলজগত জলজগত আৰু আকাশমাৰ্গৰ শক্তিসমূহৰ ওপৰত আধিপত্য বিস্তাৰৰ বাবে মানুহে অহৰহ প্ৰচেষ্টা চলাইছে। কিন্তু ই এক অদ্ভুত সাঁথৰ যে আজিৰ মানৱ মানৱত্বৰ গৌৰৱৰ পৰা বহখিনি অৱনমিত। জাগতিক সকলো জ্ঞানৰ ভাণ্ডাৰৰ গৰাকী বুলি মানুহে দাবী কৰে; কিন্তু প্ৰকৃ-তাৰ্থত মানুহে নিজৰ বিষয়েই সম্যকৰূপে উপলব্ধি কৰিব পৰা নাই। এই কথা অনস্বীকাৰ্য্য যে আজিৰ মানুহে ব্যৱহাৰিকভাৱেই হওঁক বা বৌদ্ধিক দিশতেই হওঁক যথেষ্ট শক্তি আহৰণ কৰিছে; কিন্তু আনপক্ষে আত্মবিশ্বাসৰ অভাৱত আজিৰ মানুহৰ স্থিতি সংকটপূৰ্ণ। শান্তিৰ বাবে বিশ্ব; জুৰি এক আকুল বিননি শুনিবলৈ পোৱা গৈছে, কিন্তু দৰাচলতে সমগ্ৰ মানৱজাতি আজি ধ্বংসৰ এক ভয়াবহ জ্বালামুখীৰ ওপৰত থিয় হৈ আছে। ডঃ ৰাধাকৃষ্ণনে কবৰ দৰে—"The nations plead for peace and prepare for war"। মানৱজাতি, মানৱসভ্যতাৰ এই সন্ধিক্ষণত আমি উপলব্ধি কৰিছো–"জানামি ধৰ্মং ন চ মে প্ৰবৃত্তিঃ, জানাম্যধৰ্মং ন চ সে নিবৃত্তিঃ।" আদিৰ

লেখীয়া বহুহেজাৰ বছৰ আগতে উচ্চাৰিত আপ্ত-বাক্যৰ যথাৰ্থতা ।

বিশ্বৰ চুকে-কোণে আজি শিক্ষাৰ অভূত-পূৰ্ব্ব সম্প্ৰসাৰণ ঘটিছে। ভাৰতবৰ্ষতো স্বাধীনোত্তৰ কালত শিক্ষাৰ ব্যাপক বিস্তৃতি ঘটিছে। যিখন দেশত স্বাধীনতাৰ পূৰ্ব্বে মাত্ৰ বিশখন বিশ্ব-বিদ্যালয় আছিল সেইদেশৰ বিভিন্ন স্থানত এশত কৈও অধিক বিশ্ববিদ্যালয় গঢ় লৈ উঠিছে। ১৯৬৬ চনত কলেজৰ সংখ্যা আছিল ২৫০০, ১৯৮৫ চনত সেই সংখ্যা দুগুণ হৈছে। ১৯৫০ চনত উচ্চ শিক্ষাৰ বাবে ভৰ্ত্তিহোৱা ছাত্ৰসংখ্যা আছিল ২৬৩,০০০ ; ১৯৬৫ চনৰ সমীক্ষাত সেই সংখ্যা হয়গৈ ১,০৯৪০০০। এক কথাত কবলৈ গলে শিক্ষাই আজি এক বিস্তৃত সাৰ্ব্বজনীন ৰূপত আত্মপ্ৰকাশ কৰিছে যাক ইংৰাজীত democratisation of education বুলি কবলৈ বিচৰা হৈছে। প্ৰতিখন উন্নত আৰু উন্নয়নশীল ৰাষ্ট্ৰই শিক্ষানীতিৰ ক্ষেত্ৰত নন পৰীক্ষা-নিৰীক্ষা চলাই আছে। কিন্তু এই পৰীক্ষাৰ ফলশ্ৰুতি কি ? আজি চাৰিওফালে আমি এটা কথাই শুনিবলৈ পাওঁ–শিক্ষাৰ মান ক্ৰমশঃ নিম্নগামী হৈ গৈ আছে। বছৰৰ পিচত বছৰ ধৰি বিশ্ববিদ্যালয়ৰ যিসকল যুৱক–যুৱতী ডিগ্ৰীলৈ ওলাই আহিছে–সেইসকল misfit বুলি গণ্য হৈছে। অৰ্থাৎ বৰ্ত্তমান যুগৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবৰ জোখাৰে মানসিভাৱে সেই সকল যুৱক-যুৱতী প্ৰস্তুত হৈ উঠা নাই। সমাজ জীৱনত, ৰাষ্ট্ৰজীৱনত এক নিৰাশা, এক হতাশাৰ ছবি সৰ্ব্বত্ৰ বিৰাজমান। ডঃ ৰাধাকৃষ্ণণে বৰ্ত্তমান ব্যৱস্থাৰ এক সম্যক উপ-লব্ধিৰে অতি তাৎপৰ্য্যপূৰ্ণ এষাৰ কথা কৈছিল– "It has become more easy to get into a college, and more difficult to get educated. We are taught to read, but not trained to think."

বৰ্ত্তমান যুগত শিক্ষকতাক এক আহুকলীয়া বৃত্তি বুলি কলেও অত্যুক্তি কৰা নহয়। কিয়নো শিক্ষকতাক আমি কেৱলমাত্ৰ জীৱিকাৰ পথ বুলি ধৰিলেই নহব। ইয়াৰ লগত আদৰ্শ আৰু মূল্য-বোধৰ প্ৰশ্নও নিবিড়ভাবে জৰিত আছে। কোনো এখন ৰাষ্ট্ৰত যিকোনো বৃত্তিৰ মূল্যায়ণ–সেই ৰাষ্ট্ৰৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সাংস্কৃতিক ইত্যাদি মূল্যবোধৰ ওপৰত নিৰ্ভৰশীল। সমাজৰ গৰিষ্ঠ সংখ্যক লোকৰ মূল্যবোধ সমূহে যিকোনো বৃত্তিৰ ওপৰত প্ৰত্যক্ষ প্ৰতিক্ৰিয়া কৰে। শিক্ষকতাও এই প্ৰভাৱৰ পৰা মুক্ত হব নোৱাৰে। আজিৰ বস্তুবাদী পৃথিৱীত মানুহৰ মন-ধন-অৰ্থৰ ওপৰতেই কেন্দ্ৰীভূত হৈছে। গতিকে শিক্ষকতাৰ লগত সংশ্লিষ্ট আদৰ্শৰ স্থান এইযুগত বহুলাংশে ধন আৰু প্ৰতিপত্তিয়ে দখল কৰিছে। ধন আৰু ক্ষমতাৰ জোৰতহে আজিৰ সমাজত শিক্ষকৰ মৰ্য্যদা নিৰূপণ কৰা হয়।

সাম্প্ৰতিক কালত শিক্ষকতা বৃত্তিৰ অবমূল্যায়ণ হোৱাই নহয়, এই বৃত্তি যথেষ্ট বিপদ সঙ্কুলো হৈ উঠিছে। শিক্ষকসমাজক আজি সমাজ পৰি-বৰ্তনৰ বাৰ্ত্তাবাহক বুলি সন্মানৰ দৃষ্টিৰে চোৱা নহয়। শিক্ষকসকলৰ অৰ্থনৈতিক নিৰাপত্তাতো নায়েই, অন্য বিভিন্ন দিশৰ পৰাও নিৰাপত্তাৰ অভাৱ আজিৰ শিক্ষকে অনুভৱ কৰে ( যেনে ঃ– পৰীক্ষাহলৰ নিৰাপত্তাবিহীন পৰিবেশ, অকৃতকাৰ্য্য হোৱা পৰীক্ষাৰ্থীৰ হাতত লাঞ্ছিত, অপমানিত হোৱাৰ সম্ভাৱনা ইত্যাদি ) শিক্ষাক্ষেত্ৰত ব্যাপক ৰূপত দেখা দিয়া এই অশুভ লক্ষণবোৰৰ গুৰি ক'ত ? —ই বুদ্ধিজীৱীসকলৰ, সমাজ সচেতন নাগৰিক সকলৰ চিন্তাৰ বিষয়।

স্বাধীনোত্তৰ ভাৰতত শিক্ষাজগতত হোৱা ব্যাপক গণতন্ত্ৰীকৰণৰ প্ৰক্ৰিয়াই শিক্ষা সম্প্ৰসাৰণৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিলেও এই প্ৰক্ৰিয়াৰ অশুভ দিশটো আমি নুই কৰিব নোৱাৰো। বৰ্ত্তমানৰ পটভূমিত লক্ষ্য কৰিলে "গণতন্ত্ৰ" শব্দৰ প্ৰকৃত অৰ্থৰ অপলাপ হোৱা যেন লাগে। গণতন্ত্ৰ বুলিলে "সমতা" বুলি অৰ্থ



কৰাৰ এক প্ৰৱণতা আজিৰ সমাজত লক্ষ্যণীয়। প্ৰকৃতপক্ষে গণতন্ত্ৰই সুযোগৰ সমানতা ( equality of opportunity ) হে প্ৰদান কৰে। বৰ্ত্তমান কালত উচ্চশিক্ষা এক গণতান্ত্ৰিক অধিকাৰ বুলি সাব্যস্ত কৰা হৈছে। উচ্চশিক্ষা লাভ কৰাৰ অধিকাৰ হেজাৰ হেজাৰ অনুপযুক্ত আৰু নিম্ন-মান বিশিষ্ট যুৱক–যুৱতীৰ বাবে জন্মগত স্বত্বৰ দৰে হৈছে, বিশ্ববিদ্যালয়ৰ পৰীক্ষা দি ডিগ্ৰী লোৱাটোও একপ্ৰকাৰ অধিকাৰ হৈ পৰিছে। উচ্চ শিক্ষা যে অকল মেধা, ধীশক্তি, আৰু কঠোৰ শ্ৰমৰ বলতহে লাভ কৰিব পাৰি–এই সত্য আজি অসাৰ হৈ পৰিছে। বৰ্ত্তমানৰ গণশিক্ষাৰ আটা-ইতকৈ ডাঙৰ আঁসোৱাহ হৈছে শিক্ষক-শিক্ষাৰ্থীৰ মাজৰ মধুৰ সম্পৰ্কৰ বিপৰীতে গঢ় লৈ উঠা এক যন্ত্ৰবৎ, ব্যৱসায় সুলভ সম্পৰ্ক। উচচ শিক্ষাৰ অনুষ্ঠান সমূহত আজি কালি হোৱা ভীৰৰ পৰি-প্ৰেক্ষিতত শিক্ষক–শিক্ষাৰ্থীৰ মাজত পোনপটীয়া যোগসূত্ৰ কোনোমতেই স্থাপিত নহয়। শিক্ষাৰ্থী সকলৰ বিষয়বস্তু হৃদয়ঙ্গম কৰিব পৰা-নোৱাৰাৰ ব্যক্তিগত যোগ্যতাৰ দিশটো সম্পূৰ্ণৰূপে অৱহেলিত হৈছে। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ বিষয়-জ্ঞান আৰু প্ৰকাশভংগীৰ বিশুদ্ধতা পৰীক্ষাৰ বাবে শিক্ষকসকলৰ সময়ো নেথাকে, সুযোগো নেথাকে। সেই কাৰণে শিক্ষা হৈ পৰিছে–একমুখী যাত্ৰা–য'ত ছাত্ৰ-ছাত্ৰী সকলৰ ধ্যান-ধাৰণা সম্পূৰ্ণ নেতিবাচক। গিবন ( Gibbcn )ৰ মতে শিক্ষা দুই প্ৰকাৰৰ। প্ৰথম প্ৰকাৰ হৈছে প্ৰত্যেক ব্যক্তিয়ে আনৰ পৰা আহৰণ কৰা শিক্ষা–আৰু আন প্ৰকাৰ হৈছে প্ৰত্যেক ব্যক্তিয়ে নিজে নিজক দিয়া শিক্ষা। দিনৰ পিচত দিন, বছৰৰ পিচত বছৰ ধৰি শিক্ষক সকলে গতানুগতিক ভাৱে ছাত্ৰ-ছাত্ৰীক বিষয়জ্ঞান দিছে। ছাত্ৰ-ছাত্ৰীয়ে মনৰ কোঠাত এই বিষয়সমূহ ঠাঁহ খাই পৰিছে। নিজৰ ৰবীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ বিষয়বোৰ মনন কৰাৰ কোনো ধৰণৰ প্ৰচেষ্টা দেখা নাযায়। ফলস্বৰূপে হজম নোযোৱা খাদ্যই যিদৰে শৰীৰৰ অপকাৰ কৰে, আজিৰ শিক্ষাই শিক্ষাৰ্থীৰ মনোজাগতিক, বৌদ্ধিক প্ৰক্ৰিয়াসমূহ সক্ৰিয় কৰাত ব্যৰ্থ হৈছে। পৰিণতি অৱশ্যম্ভাৱি গুৰুৱে গতি কৰিছে এটা দিশে, শিষ্যই আন এটা দিশে–শিক্ষা হৈ পৰিছে এক স্থবিৰ, যন্ত্ৰৱৎ প্ৰক্ৰিয়া।

শিক্ষাজগতত বৰ্ত্তমানে উদ্ভৱ হোৱা এই শোকাবহ অৱস্থাৰ বাবে তথা শিক্ষক সমাজো যে কিছুপৰি-মানে জগৰীয়া তাক নুই কৰাৰ উপায় নাই। এই সম্পৰ্কত কিছু আত্মপৰীক্ষণ আৰু আত্মবিশ্লেষণে আমাক সহায় কৰিব। অপ্ৰিয় হলেও এই কথা সত্য যে বিগত কেইবছৰমানত শিক্ষকতাৰ সকলো স্তৰতে নিযুক্ত ব্যক্তি সকলৰ কৰ্মমান ক্ৰমাগতভাৱে নিম্নগামী হৈছে। বেচিভাগ শিক্ষকেই একপ্ৰকাৰ নিৰ্লিপ্ততা আৰু উদাসীনতাত ভুগিছে। শিক্ষক সমাজত অৰ্থলোলুপ মনোবৃত্তিয়ে প্ৰকটৰূপত গা কৰি উঠিছে। প্ৰাইভেট টিউচনৰ প্ৰাধান্যই সকলো স্তৰতে পদ্ধতিগত পাঠদানৰ ব্যৱস্থাটো গৌণ কৰি পেলাইছে। আজিৰ ব্যৱস্থাই প্ৰকৃত জ্ঞান আহৰণতকৈ পৰীক্ষাত উত্তীৰ্ণ হোৱাত বেছি গুৰুত্ব দিয়াত শিক্ষাৰ্থী আৰু অভিভাৱক উভয়ে টিউচনৰ প্ৰতি ধাবিত হৈছে। টিউচনত অধিক গুৰুত্ব দিয়াৰ ফলত অনেক সময়ত নিয়মীয়া পাঠদান ব্যৱস্থা ব্যাহত হোৱাও দেখা যায়। বহুশিক্ষকে শিক্ষাৰ্থীৰ লগত আবেগিক আৰু বৌদ্ধিক সংযোগ স্থাপনত নস্পৃহ হৈ থাকে ; ফলত এই চাম শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মনত কোনো ৰকমৰ উৎসাহ-উদ্দীপনা জগাব নোৱাৰে। আজিৰ শিক্ষকে ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ পৰা সন্মান অৰ্জন কৰাতকৈ জন-প্ৰিয়তা অৰ্জনত বেচি প্ৰাধান্য দিছে। শিক্ষকতা কৰিবলৈ আগবাঢ়ি অহাটো অনেকৰ ক্ষেত্ৰত এক প্ৰকাৰ accidentৰ নিচিনা। অনেক ক্ষেত্ৰত দেখা যায়––আমাৰ পূৰ্ব্বসূৰী শিক্ষাব্ৰতী সকল যি নৈতিক বলত বলীয়ান আছিল–সেই নৈতিক শক্তি সম্পূৰ্ণ ৰূপে বিলুপ্ত হৈছে। সেইবাবেই পৰীক্ষা-হলৰ অবাঞ্চনীয় পৰিবেশৰ পৰা আৰম্ভ কৰি সমাজ জীৱনৰ সকলো বিভ্ৰান্তিকৰ পৰিস্থিতিত আমি নীৰৱ দৰ্শকৰ ভূমিকা গ্ৰহণ কৰাৰ বাহিৰে আন গত্যন্তৰ নাই। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বৰ্তমান সমাজত শিক্ষক আৰু শিক্ষকতাৰ মৰ্য্যদা বহুলাংশে অবনমিত হোৱাৰ দায়িত্ব শিক্ষকসকলে নিজেও কম বেচি পৰিমাণে বহন কৰিব লাগিব।

বৰ্তমান সময়ত আটাইতকৈ প্ৰয়োজনীয় কথাটো হৈছে আত্মবিশ্লেষণৰ মনোভাৱ। আজি প্ৰয়োজন হৈছে এক মূল্যভিত্তিক শিক্ষা ব্যৱস্থাৰ। বিশ্বত বৰ্তমানে মানবীয় প্ৰমূল্য সমূহ আৰু বিধ্বং-সকাৰী শক্তি সমূহৰ মাজত অহৰহ প্ৰতিদ্বন্দ্বিতা চলিছে। আমাৰ সামাজিক, সাংস্কৃতিক, প্ৰমূল্য সমূহ কাৰ্য্যকৰীৰূপত জনমানসত প্ৰতিফলিত কৰি তুলিব নোৱাৰিলে শিক্ষাৰ অৰ্থ নাইকিয়া হব আৰু মানৱ জাতি এক Catastropheৰ মুখলৈ দ্ৰুত গতিত আগবাঢ়ি যাব। সেইবাবেই শিক্ষা, শিক্ষাৰ্থী আৰু শিক্ষক— এই তিনি আধাৰ স্তম্ভৰ মাজত এক ঘনিষ্ঠ যোগসূত্ৰ স্থাপনৰ ভেঁটিত নতুন শিক্ষাব্যৱস্থা প্ৰতিষ্ঠিত হবই লাগিব। +

( শ্ৰীঅমৰেন্দ্ৰ কুমাৰ শৰ্মা ৰঙিয়া মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা । )

সংস্কৃত ৰাধ্ ধাতুৰ পৰা ৰাধা শব্দ ওলাইছে। ৰাধ্ ধাতুৰ অৰ্থ সফলকাম হোৱা ; সম্পূৰ্ণ হোৱা, আৰাধনা কৰা ইত্যাদি। ৰাধাৰ সহিত কৃষ্ণৰ সত্বা সম্পূৰ্ণ হয়—এতেকে তেওঁৰ নাম ৰাধা ; বা যিজনে কৃষ্ণ প্ৰাপ্তিত সফল হৈছে তেৱেঁ ৰাধা ; যিজনে কৃষ্ণক প্ৰকৃষ্টৰূপে আৰাধনা কৰে বা কৃষ্ণৰ প্ৰীতি সাধন কৰে তেঁৱেই ৰাধা।

# ৰাধা-প্ৰসঙ্গ

ড° মালিনী গোস্বামী

ৰাধা শব্দৰ প্ৰাচীনতম্ উল্লেখ ঋগ্বেদত পোৱা যায়। ঋগ্বেদ্ সংহিতাৰ অষ্টম মণ্ডলত ৰাধা শব্দৰ উল্লেখ আছে এনেদৰে, “ইহত্বা গোপৰীণসামহে মদন্তু ৰাধসে সৰো গৌঃৰা যথাপিত”। আকৌ “বিভক্তাৰং হবামহে ৱসোশ্চিত্ৰ্যস্য ৰাধসঃ” ইত্যাদি। তৈত্তিৰীয় ব্ৰাহ্মণ আৰু অথৰ্ব্ববেদত বিশাখা নক্ষত্ৰক ৰাধা শব্দৰ দ্বাৰা বুজোৱা হৈছে, “ৰাধে বিশাখে জ্যেষ্ঠা সুহবানুৰাধা সুনক্ষত্ৰমৰিষ্ট মূলম্” ইত্যাদি (অথৰ্ব্ব ১৯.৭.৩)। অমৰকোষত ৰাধা শব্দৰ অৰ্থ দিছে এনেদৰে “ৰাধা বৈশাখমাচষ্টে ৰাধা গোপাঙ্গনামপি”। এই সকলোবোৰ উল্লেখতে ৰাধা শব্দই শ্ৰেষ্ঠা গোপাঙ্গনা গৰাকীক নুবুজালেও এই শব্দ প্ৰাচীন কালৰে পৰা ভাৰতীয় সাহিত্যত প্ৰচলিত হৈ আহিছে।

বৈদিক সাহিত্যৰ উপৰিও ভাৰতীয় জনবিশ্বাসত ওপজা অসংখ্য দেৱ-দেৱীৰ প্ৰশস্তি গোৱা হৈছে—পুৰাণ সাহিত্যত। পুৰাণ-সাহিত্যৰ বিভিন্ন প্ৰসঙ্গত বিভিন্ন দেৱ-দেৱী স্বকীয় মহিমাৰে মহিমামণ্ডিত হৈ উঠিছে। বেলেগ বেলেগ পুৰাণৰ কৱিসকলৰ আৰু তেওঁলোকে আশ্ৰয় লৈ থকা



জনসমাজৰ ধৰ্ম্মীয় অভিৰুচি এই পুৰাণবোৰত প্ৰতিফলিত হোৱা দেখা যায়। এনেবিধ সাহিত্যতে ৰাধাক কেতিয়াবা কৃষ্ণৰ ব্ৰজলীলাৰ শ্ৰেষ্ঠাঙ্গনাৰূপে আৰু কেতিয়াবা শক্তিৰ আধাৰ পৰমানন্দময়ী বুলি গুণানুকীৰ্ত্তন কৰিছে।

মৎস্য পুৰাণত ৰাধাক সতীৰ একৰূপ বুলি কোৱা হৈছে। দক্ষৰজাৰ প্ৰশ্নৰ উত্তৰত সতীয়ে কয় যে, তেওঁ বিভিন্ন ঠাইত বিভিন্নৰূপত বিৰাজ কৰে। সেইবোৰৰ ভিতৰত বাৰাণসীত বিশালাক্ষী, নৈমিষাৰণ্যত লিঙ্গধাৰিণী, দ্বাৰাৱতীত ৰুক্মিণী আৰু বৃন্দাবনত ৰাধাৰূপে স্থিতি লাভ কৰিছে (১৩.২৪.৫০)। এই বৰ্ণনাত ৰাধাক তেজধাৰিণী বিশালাক্ষী, পাৰ্ব্বতী প্ৰভা আদিৰ সমতুল্য বুলি গণ্য কৰা হৈছে।

পদ্মপুৰাণৰ সৃষ্টিখণ্ডত বিষ্ণুৱে ৰাধাক বৃন্দাবনত স্থিতি লাভ কৰা সাৱিত্ৰী বুলি অভিহিত কৰিছে (১৮২-১৯৬)। এই পুৰাণে ৰাধাক অতি মৰ্য্যাদা দি পৰমা প্ৰকৃতিৰ অৱতাৰ বুলিছে। পদ্মপুৰাণত কৃষ্ণ আৰু বিষ্ণুৰ অভিন্নতা স্বীকাৰ কৰা হৈছে আৰু সেই প্ৰসঙ্গতে ৰাধাক লক্ষ্মীৰ শাৰীলৈ উন্নীত কৰি লোৱা হৈছে, ‘ৰাধয়া সহ গোৱিন্দম্ স্বৰ্ণ সিংহাসনে স্থিতম্’ (৩৯.২)। এই পুৰাণৰ পাতালখণ্ডতো এক অলৌকিক কাহিনীৰ বৰ্ণনামতে বিষ্ণুপ্ৰিয়া শক্তিয়ে কৃষ্ণৰ কামকেলিৰ সঙ্গী হ’বলৈ ভানু নামৰ গোৱালৰ ঘৰত জন্ম লয়। পাতালখণ্ডৰে আন এঠাইত ‘অহঞ্চ ললিতা দেৱী পুংৰূপা কৃষ্ণ বিগ্ৰহা’ বোলোতে কৃষ্ণক ৰাধাৰে পুং অৱতাৰ বুলি ঘোষণা কৰিছে।

ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণতো ৰাধাক বিভিন্ন ৰূপত বৰ্ণনা কৰা হৈছে। ৰাধাৰ প্ৰেমক স্বৰ্গীয় প্ৰেমৰ আখ্যা দিয়া হৈছে। ৰাধাৰ জন্ম সম্পৰ্কে অতি লৌকিক বৃত্তান্ত দাঙি ধৰি চৰিত্ৰটিক দৈৱিক মৰ্য্যাদা প্ৰদান কৰা হৈছে। ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ কৃষ্ণজন্মখণ্ডৰ বহুতো ঠাইত ৰাধাক লক্ষ্মী, পাৰ্ব্বতী আদিৰ উপৰিও পৰমা প্ৰকৃতিৰ অৱতাৰ বোলা হৈছে।

কোনো প্ৰাচীন ভাৰতীয় সাহিত্যই ৰাধা-কৃষ্ণৰ প্ৰেমক আদৰ্শ প্ৰেমৰ আখ্যা দিছে। চতুৰ্দশ শতিকামানৰে পৰা প্ৰায়বোৰ সংস্কৃত গ্ৰন্থতে, ধৰ্ম্মীয়ই হওঁক বা ধৰ্মনিৰপেক্ষই হওঁক, ৰাধাকৃষ্ণৰ প্ৰেমক অতি শ্ৰদ্ধাৰে স্মৰণ কৰা দেখা যায়। ৰাধাকৃষ্ণৰ যুটিক কোনো কোনো গ্ৰন্থত ‘আদি পুৰুষ প্ৰকৃতি’ বোলা হৈছে, “পুৰুষ প্ৰকৃতি চাদ্যৌ ৰাধা বৃন্দাৱনেশ্বৰৌ” (পদ্মপুৰাণ, পাতাল, ৪৪–৪৫)। এই সন্দৰ্ভতে ৰাধাক পৰমা শক্তিৰূপেও কল্পনা কৰা হৈছে।

প্ৰাচীনতম পুৰাণ বিষ্ণুপুৰাণে ব্ৰজলীলাৰ বৰ্ণনা কৰিছে। তাত কৃষ্ণলীলাৰ নায়িকাৰ কথা উল্লেখ কৰিছে এনেদৰে,

কাপি তেনং সমং যাতা কৃতপুণ্যা মদালসা।
পদানি তস্যাশ্চৈতানি ঘনাণ্যকল্পতনূনি চ ॥

এই উল্লেখত স্পষ্টভাৱে ৰাধাৰ নাম পোৱা নেযায়। কিন্তু তথাপি যি গৰাকী গোপীক কৃষ্ণই প্ৰাধান্য দিছিল তেওঁক পুণ্যৱতী আৰু ৰতিনিপুণা বোলা হৈছে। আন এঠাইত (১.১৩.৩৪) কোৱা হৈছে যে যাৰ কেশ কৃষ্ণই পুষ্পবিন্যাসেৰে সজাই তুলিছিল তেওঁ নিশ্চয় পূৰ্ব্বজন্মত পৰমপুৰুষ বিষ্ণুক পূজা কৰি সন্তুষ্ট কৰিব পাৰিছিল আৰু সেয়ে কৃষ্ণৰ প্ৰিয়পাত্ৰী হৈছিল।

পদ্মপুৰাণৰ পাতালখণ্ডৰ (৪০–৪২ অধ্যায়) এক কাহিনীত অশোক মালিনী নামৰ ব্ৰজৰ গোপীয়ে নাৰদক গোপীসকলৰ পূৰ্ব্বজন্মৰ আখ্যান শুনাইছে আৰু সেই প্ৰসঙ্গতে কেনেদৰে জাবালি, শুক, চিত্ৰধ্বজ আনকি অৰ্জ্জুনেও কৃষ্ণৰ পৰম সান্নিধ্য পাবলৈ স্ত্ৰীৰূপ লৈছিল তাৰ বৰ্ণনা দিছে।

পদ্মপুৰাণৰ এই সকলো বৰ্ণনাই ইয়াকেই ঘোষণা কৰিব খুজিছে যেন লাগে, যে ক্ৰিয়া কাণ্ডতকৈ অধিক শক্তিশালী–নিষ্কাম প্ৰেম। যি প্ৰকাৰেই নহওঁক কিয়, কৃষ্ণক ভাল পাবলৈ শিকিলে, সান্নিধ্যলৈ আহিলেহে প্ৰেম গাঢ় হয়। দূৰৰ বস্তুক ভাল পালেও তাত নিজকে হেৰুৱাই পেলাব নোৱাৰি। মূলতঃ এই আদৰ্শকে ৰাধাৰ চৰিত্ৰৰ দ্বাৰা দাঙি ধৰা হৈছে।

সাহিত্যালোচনাৰ দৃষ্টিৰে ৰাধা পৰকীয়া নায়িকা। বিশ্বৰ আন আন সাহিত্যতো পৰকীয়া নায়িকাৰ গভীৰ প্ৰেম চিত্ৰিত কৰা হৈছে। কিন্তু ৰাধাৰ প্ৰেমৰ যি পৱিত্ৰতা তাক আনৰ ক্ষেত্ৰত ৰক্ষা কৰা দেখা নাযায়। পুৰাণবোৰত পোৱা ৰাধা কৃষ্ণৰ প্ৰেমক এনে এক স্বৰ্গীয় স্তৰলৈ লৈ লোৱা হৈছে যে তাক পৰকীয়া নায়িকাৰ আবেগিক প্ৰেম আখ্যা দিব নোৱাৰি। বৰঞ্চ তাক সৃষ্টি ৰহস্যৰ মূল তত্ত্ব যেনহে বোধ হয়। ৰাধা কৃষ্ণৰ প্ৰেমক দোষমুক্ত কৰিবলৈকে বোধ-কৰো ৰাধাৰ পতি ৰায়নক অপুৰুষ বোলা হৈছে।

পিছৰ যুগত ৰচিত পুৰাণসমূহৰ কৱি সকলৰ মনত ৰাধাৰ প্ৰতি শ্ৰদ্ধা ইমানেই প্ৰৱল হৈছিল যে ৰাধাক কৃষ্ণৰ অবিবাহিতা প্ৰেয়সী বোলা লোকাপবাদৰ পৰা মুক্ত কৰিবলৈ ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ দৰে গ্ৰন্থত ৰাধা আৰু কৃষ্ণৰ বিৱাহৰ বিস্তৃত বিৱৰণো কল্পনা কৰি উলিওৱা হৈছিল। আনকি কিদৰে নন্দৰজাই ৰাধাৰ হাতত কৃষ্ণক গতাই নিশ্চিন্ত হৈছিল তাকো বৰ্ণনা কৰিছে।

ৰৰাহ পুৰাণত আৰ্য্যাৱৰ্ত্তৰ তীৰ্থস্থল সমূহৰ বৰ্ণনা প্ৰসঙ্গত ৰাধাকুণ্ডৰ নাম উল্লেখ কৰিছে। ৰাধা আৰু কৃষ্ণৰ মিলনৰ ফলত পৱিত্ৰ হোৱা এই স্থানক আন পীঠবোৰৰ সমানে মৰ্য্যদা দিয়া হৈছে।

পৌৰাণিক যুগত ভাৰতীয় ধৰ্ম বিশ্বাসত ৰাধাই যে এক বিশিষ্ট আসন লাভ কৰিছিল তাত সন্দেহ নাই। পুৰাণ স্যাহিত্যৰ কৱি সকলে ৰাধাৰ চৰিত্ৰত যি একাগ্ৰতা, ভক্তি, মনোবল, উদাৰতা, আদি গুণ কল্পনা কৰি লৈছে তাৰপৰা সহজে অনুমান কৰিব পাৰি সেইসকল কবিৰ মনত ৰাধাৰ বাবে কেনে এক সন্মান অটুট আছিল। এনেধৰণৰ পৌৰাণিক প্ৰসঙ্গত ৰাধাক আমি অবৈধ প্ৰেমৰ নায়িকা ৰূপে লগ নাপাওঁ বৰঞ্চ সেইসকল কবিৰ বিশ্বাসত ৰাধা মহিমা-ময়ী ঈশ্বৰী, যি সকলো স্ত্ৰীসুলভ ইৰ্ষা কপটতাৰ পৰা মুক্ত। যি একনিষ্ঠ ভক্তিৰে কৃষ্ণ সান্নিধ্য লাভ কৰি নিজে সম্পূৰ্ণ হৈছে আৰু বিষ্ণুমায়া বা বিষ্ণুশক্তি বুলি পৰিগণিত হৈছে।

লৌকিক সংস্কৃত সাহিত্যৰ যুগত যি সমূহ কাব্য প্ৰণীত হৈছিল সেই সমূহতো কৱি সাহি-ত্যিকসকলে ৰাধাৰ নাম অতি শ্ৰদ্ধাৰে সুঁৱৰিছে আৰু ৰাধাৰ স্বৰ্গীয় প্ৰেমক আদৰ্শৰূপে জন সাধাৰণৰ আগত প্ৰতিষ্ঠা কৰিছে। খৃষ্টাব্দৰ প্ৰায় পঞ্চম শতিকাৰ বুলি অনুমান কৰা 'গাথা-সপ্তশতী' বোলা প্ৰাকৃত গ্ৰন্থত ৰাধাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে। প্ৰাকৃত পিঙ্গলতো ৰাধাৰ নামোল্লেখ আছে।

'ৰঘুবংশম্' মহাকাব্যত বৃন্দাবন বিলাসী শ্ৰীকৃষ্ণৰ ৰূপ কালিদাসে মনোমোহাকৈ কল্পনা কৰি উলিয়াইছে। মেঘদূত কাব্যতো গোপবেশ-ধাৰী ৰসিক বিষ্ণুৰ স্বৰূপ উপমাৰ চলেৰে টানি আনিছে (পূৰ্ব্ব. ৪৩.)।

নাট্যকাৰ ভট্টনাৰায়ণে তেওঁৰ বেণীসংহাৰ নামে নাটকৰ নান্দী শ্লোকত অভিমানিনী ৰাধাৰ চিত্ৰ অংকণ কৰিছে আৰু ৰাধাৰ মানভঞ্জনত তৎপৰ কৃষ্ণৰ আশীৰ্ব্বাদ প্ৰাৰ্থনা কৰিছে (১,১)।

কৱিন্দ্ৰ– ৱচন– সমুচ্চয় বোলা সংস্কৃত পদ্য সংগ্ৰহ খনতো ব্ৰজলীলাৰ বৰ্ণনা প্ৰসঙ্গত ৰাধাৰ



প্ৰাধান্য অটুট ৰখা হৈছে। ইয়াৰ কাহিনীবোৰৰ কেতবোৰ লিখিত পৰম্পৰাৰ পৰা আৰু কেতবোৰ লোক পৰম্পৰাৰ পৰা লোৱা।

দ্বাদশ শতিকাৰ সংস্কৃত সাহিত্যত কৃষ্ণ কথাই এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল। এই শতি-কাতে প্ৰণীত শ্ৰীধৰ দাসৰ সদুক্তিকৰ্ণামৃত আৰু বিল্বমঙ্গলৰ কৃষ্ণ-কৰ্ণামৃত গ্ৰন্থত ৰধাৰ প্ৰেমৰ ঐশ্বৰিক মহত্ব প্ৰকাশ কৰা হৈছে। জয়দেৱৰ গীত গোৱিন্দ ব্ৰজলীলাৰ এক অপুৰ্ব্ব সুন্দৰ প্ৰশস্তি। এই গ্ৰন্থত জয়দেৱে ৰাধা কৃষ্ণৰ পাৰ্থিৱ প্ৰেমক স্বৰ্গীয় মহত্ব প্ৰদান কৰিছে। কৱিৰ আগত পৰি থকা মৌখিক আৰু স্যাহিত্যিক কমাৱস্তুত নিজৰ চমৎকাৰ কল্পনা কৌশল প্ৰয়োগ কৰি ৰাধাৰাণীৰ প্ৰেমৰ গভীৰতা প্ৰকাশ কৰিছে। গীতগোৱিন্দ মূলতে শৃঙ্গাৰ ৰসাত্মক কাব্য! কৱিয়ে নিজৰ কাব্যৰ ৰস সমৃদ্ধি নিজে কাব্যৰ শেষত ঘোষণা কৰিছে। জয়দেৱে কাব্যৰ নায়িকা ৰাধাক যদিও সকলো স্ত্ৰীসুলভ অনুভূতিৰে সজাই পৰাই তুলিছে তথাপি ৰাধাৰ চৰিত্ৰৰ দ্বাৰা আত্মনিবেদন আৰু সাধনাৰ মূল্যকে নিৰ্ণয় কৰিবলৈ বিচাৰিছে।

বঙ্গীয় বৈষ্ণৱ সম্পদায়ৰ আদৰৰ গ্ৰন্থ শ্ৰীগোপালতাপনীতো ৰাধাৰ নাম নাই। এই গ্ৰন্থত ৰাধাৰ প্ৰিয়তমা গোপীৰ নাম দিছে গান্ধৰ্ব্বী। কিন্তু নাৰদপঞ্চৰাত্ৰ, কপিলপঞ্চৰাত্ৰ আদি বৈষ্ণৱ গ্ৰন্থত ৰাধাক যথোচিত সন্মান দেখুওৱা হৈছে। নাৰদ পঞ্চৰাত্ৰৰ দ্বিতীয় ৰাত্ৰত ৰাধা শব্দৰ ব্যাখ্যা দিছে।

'ৰা শব্দোচ্চাৰণাৎ ভক্তো ভক্তিম্ মুক্তিঞ্চ ৰাতি সঃ ধা শব্দোচ্চাৰণেনৈৱ ধাৱত্যেৱ হৰেঃ পদম্ ॥
ব্ৰহ্মবৈৱৰ্ত পুৰাণতো ৰাধা শব্দক বিভিন্ন ধৰণে ব্যাখ্যা কৰি দেখুৱাইছে (১৩-১৭ অধ্যায়)। পদ্ম পুৰাণে ৰাধাক মূলাশক্তি আখ্যা দি কৈছে ৰা সৰ্ব্বম ধা ধাৰয়তি, সকলো ধাৰণ কৰে বাবে তেওঁ ৰাধা।

ৰামানুজৰ সমসাময়িক নিম্বাৰ্কচাৰ্য্য আৰু তাৰ কিছু পৰবৰ্ত্তী বল্লভাচাৰ্য্যই দাক্ষিণাত্যত ৰাধা কৃষ্ণৰ শাস্ত্ৰসন্মত পূজা সেৱাৰ প্ৰচলন কৰিছিল। ৰামনুজ নিজে লক্ষ্মী নাৰায়ণৰ উপাসক আছিল। কালক্ৰমত তেওঁৰ অনুগামী সকলেও নিম্বাৰ্ক আদিৰ দৰে ৰাধা উপাসক-সকলৰ দ্বাৰা প্ৰভাৱান্বিত হৈ লক্ষ্মীৰ ঠাইত ৰাধাক স্থাপন কৰে। ৰাধাতত্বৰ পৃষ্ঠপোষক-সকলে পিছলৈ ৰাধাবল্লভ বোলা এক সুকীয়া সম্প্ৰদায় গঢ়ি তুলিলে আৰু তান্ত্ৰিক নিয়মানু-সাৰে ৰাধাৰ পূজা সেৱা কৰিবলৈ ৰাধাতন্ত্ৰ নামে পুথিও লিখি উলিয়ালে।

কিন্তু বৈষ্ণৱ কৱিসকলৰ লেখনিত কৃষ্ণক পৰমেশ্বৰ ৰূপে প্ৰতিষ্ঠা কৰিবলৈ অধিক মনো-নিবেশ কৰাৰ বাবে ৰাধাৰ ঈশ্বৰীক স্বৰূপ কিছু মলান কৰিবলৈ ধৰিলে। বিদ্যাপতি, চণ্ডিদাস; আদিয়েও ৰাধাক আনন্দময়ী আখ্যা দিয়া নাই। অৱশ্যে নৱ-বৈষ্ণৱ ধৰ্মৰ আধাৰ গ্ৰন্থ শ্ৰীমদ্ভাগৱত পুৰাণত ৰাধাৰ নামোল্লেখ নাই। ব্ৰজলীলাৰ অনুপম কাহিনী বৰ্ণিত এইখন পুৰাণৰ আৰম্ভণিতে গোপস্ত্ৰীপৰিবেষ্টিত গোকুলচূড়ামণি কৃষ্ণৰ বন্দনা কৰা হৈছে (১.১—১.৮)। তদুপৰি অসমৰ নৱ-বৈষ্ণৱ ধৰ্মই পৃষ্ঠপোষকতা কৰা কৃষ্ণভক্তি মধুৰ ভাবাপন্ন নহৈ দাস্য ভাবাপন্ন হোৱা বাবেও ৰাধাৰ নাম মাত্ৰেও উল্লেখ নাই। ৰাম সৰস্বতী আদি কৱিৰ কৱিতাত ৰাধাৰ উল্লেখ আছে যদিও প্ৰাচীন ভাৰতীয় সাহিত্যত ৰাধাৰ যি ব্যক্তিত্ব তাক এইবোৰ ৰচনাত পোৱা নাযায় বৰঞ্চ পিছৰ কৱিসকলৰ ৰচনাৰ বেছিভাগ শৃঙ্গাৰ গন্ধী হোৱা বাবে ৰাধাৰ মৰ্য্যদাও বহুখিনি হ্ৰাস পাইছে। এনেবোৰ ৰচনাৰ দ্বাৰা প্ৰভাৱিত হোৱা বাবে অসমীয়া লোক সাহিত্যত "ৰাধাৰাণী"

"ৰাধা কলঙ্কিণী" ৰূপে থিয় দিব লগা হৈছে। তাৰ বাবে অৱশ্যে এই সমূহ গ্ৰন্থৰ পৃষ্ঠপোষক ৰজাসকলৰ সাহিত্য ৰুচিও কম দায়ী নহয়। অসমীয়া লোকমানসত ৰাধাৰ এই অৱনমনৰ বাবে যিয়ে দয়ী নহওক কিয় এইটো নিশ্চিত যে প্ৰাচীন কালৰেপৰা সকলোৰে মন জয় কৰি অহা ৰাধা চৰিত্ৰই পৰবৰ্ত্তী কালতো যে সাহিত্যক সমল যোগাই থাকিব তাত সন্দেহ নাই। +

(ডঃ মালিনী গোস্বামী বঙিয়া মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ ভূতপূৰ্ব্ব প্ৰবক্তা। বৰ্তমানে তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ অসমীয়া বিভাগত অধ্যাপনা কৰে। তেখেতৰ ৰচিত ভালেমান তত্ত্বমূলক, চিন্তাগধুৰ প্ৰৱন্ধ-পাতি কাকত-আলোচনী আদিত প্ৰকাশিত হৈছে।



# গ্ৰন্থাগাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন অভ্যাস

শ্ৰীনৰেন্দ্ৰ লহকৰ

বৰ্ত্তমান যুগত নিৰ্বাচিত পুথি সংগ্ৰহ, সংগৃহীত পুথিসমূহ বিষয় ভিত্তিত সজাই ৰখা আৰু বিজ্ঞান-সন্মতভাৱে সিবিলাকক সংৰক্ষণ কৰি মানৱ জাতিৰ কল্যাণাৰ্থে ব্যৱহাৰ কৰাই গ্ৰন্থাগাৰৰ মূল উদ্দেশ্য। সেইদৰে শিক্ষাৰ মূল উদ্দেশ্য হ'ল দেশৰ প্ৰতিজন নাগৰিককে মানসিক বিকাশ ঘটাই সামাজিক দায়িত্ববোধ জগাই তুলি সমাজৰ এক অপৰিহাৰ্য্য ব্যক্তি হিচাপে গঢ় দি প্ৰকৃতাৰ্থত শিক্ষিত কৰি তোলা। এই উদ্দেশ্য সফল কৰি তুলিবলৈ প্ৰতি শিক্ষানুষ্ঠানত একোটা গ্ৰন্থাগাৰ থকা উচিত। আজিৰ গ্ৰন্থাগাৰসমূহ পাঠ্যক্ৰম, পাঠদান আৰু পাঠগ্ৰহণৰ বাস্তৱক্ষেত্ৰত সং-যোজন ঘটোৱা এক আহিলাস্বৰূপ।

ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া অভ্যাস গঢ়ি তোলাত গ্ৰন্থাগাৰৰ এক মহান দায়িত্ব আছে। পৃথিবীৰ বিভিন্ন প্ৰান্তত নিতৌ ন-ন বিষয়ৰ অসংখ্য কিতাপ, আলোচনী প্ৰকাশ হব ধৰিছে। ন-পুৰণি প্ৰকাশনসমূহৰ লগত ছাত্ৰ-ছাত্ৰীসকলৰ এক যোগসূত্ৰ স্থাপন কৰা প্ৰয়োজন যাতে ইয়াৰ জৰিয়তে তেওঁলোকে প্ৰকৃত জ্ঞান আহৰণ কৰি নিজৰ লগতে সমাজক আগুৱাই নিব পাৰে। এইক্ষেত্ৰত শিক্ষানুষ্ঠানৰ পুথিভঁৰালে শিক্ষানুষ্ঠান-টিৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্য সফল কৰাত সহায় কৰে। সেয়েহে গ্ৰন্থাগাৰ এটি প্ৰতি শিক্ষানুষ্ঠানৰ বাবে অপৰিহাৰ্য্য অঙ্গস্বৰূপ।

আমাৰ সমাজত উঠি অহা চামৰ অধ্যয়নৰ প্ৰতি আগ্ৰহ আৰু অভ্যাসৰ বিষয়ে আলোচনা কৰিবলৈ ললে এক নিৰুৎসাহজনক প্ৰতিচ্ছবি মনলৈ আহে। আনহাতে গ্ৰন্থাগাৰ এটি যিমানেই কাৰ্য্যকৰী নহওক কিয় পঢ়ুৱৈ অবিহনে ইয়াৰ অস্তিত্ব ম্লান। চালিজাৰি চোৱা প্ৰয়োজন। অধ্যয়ন অভ্যাস প্ৰকৃততে স্কুলীয়া পৰ্য্যায়তে আৰম্ভ কৰা অতি দৰ্কাৰ। উপযুক্ত পৰিবেশ তৈয়াৰ কৰি আমি উঠি অহা চামক গঢ় দিব লাগিব যাতে ভৱিষ্যত জীৱনত তেওঁলোকে দেশৰ সু-নাগৰিক হিচাবে প্ৰতিষ্ঠিত হব পাৰে। ল'ৰালিতে এই অভ্যাস গঢ় দিব পাৰিলে আৰু ভৱিষ্যতে ইয়াক উপযুক্ত সামাজিক আৰু শৈক্ষিক পৰিবেশত আগুৱাই নিব পাৰিলে তেওঁলোকে নিশ্চয় অধ্যয়ন অভ্যাস অটুত ৰাখিব পাৰিব।

## স্কুলীয়া গ্ৰন্থাগাৰৰ ভূমিকা

শিক্ষাৰ আৰম্ভণি স্কুল পৰ্য্যায়তে হয় বাবে সমাজৰ ভৱিষ্যত উত্তৰাধিকাৰীসকলৰ পঢ়াৰ প্ৰতি ধাউতি আৰু অভ্যাস গঢ়ি তোলাত স্কুলীয়া

পুথিভঁৰাল সমূহৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। এই ছাত্ৰ-ছাত্ৰীসকলক নিজাববীয়া অধ্যয়ন তথা মানৱীয় জ্ঞান লাভৰ বাবে কিতাপ যে এক অপৰিহাৰ্য্য অঙ্গ তাক উপলব্ধি কৰাব পাৰিব লাগিব। অন্যথায় ভৱিষ্যতৰ বাবে অপূৰণীয় ক্ষতি হৈ ৰ'ব। এই উদ্দেশ্য সফল কৰিবলৈ পুথিভঁৰালৰ সুবিধা তথা সেৱা ছাত্ৰ-ছাত্ৰীসকলক দিব লাগিব। পুথিভঁৰালেই হ'ল একমাত্ৰ মাধ্যম যাৰ জৰিয়তে প্ৰকৃত পাঠদান আৰু পাঠগ্ৰহণৰ যোগাযোগ ৰাখিব পাৰে। গ্ৰন্থাগাৰৰ পৰিবেশ আৰু পৰিস্থিতি এনে ধৰণে তৈয়াৰ কৰি লব লাগে যাতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ কৰিব পাৰে যে কিতাপ কেৱল জ্ঞান আহৰণৰহে আহিলা। পুথিভঁৰাল কেৱল কিতাপৰ ভঁৰাল হিচাবে নলৈ ইয়াক প্ৰকৃত ব্যৱহাৰ কৰিব লাগে। এই উদ্দেশ্য সফল কৰি তুলিবলৈ কিছুমান পুথিভঁৰাল সম্পৰ্কীয় আলোচনা চক্ৰ পাতিব লাগে, নিৰ্ব্বাচিত কিছুসংখ্যক কিতাপ ছাত্ৰৰ মনোযোগ আকৰ্ষণ কৰিবলৈ গ্ৰন্থাগাৰত বা বিদ্যালয়ৰ চৌহদৰ একোটা নিৰ্দ্দিষ্ট ঠাইত মাজেসময়ে মুকলিভাৱে প্ৰদৰ্শন কৰাব লাগে। তদুপৰি কোনো বিশেষ ব্যক্তিক মাতি পুথিভঁৰালৰ প্ৰয়োজনীয়তাৰ ওপৰত বক্তৃতামালাৰ ব্যৱস্থা কৰিব লাগে। শিক্ষকসকলেও এই ক্ষেত্ৰত সম্পূৰ্ণভাৱে সহযোগ আগবঢ়াই ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন-অভ্যাস গঢ়াত সহায় কৰিব লাগে।

বিদ্যালয়ৰ পৰিবেশ এনে হব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে কিতাপ পঢ়ি আনন্দ পায়। গ্ৰন্থাগাৰ সমূহেও তেওঁলোকৰ প্ৰয়োজনীয় কিতাপ যোগান ধৰাত কাৰ্পন্য কৰিব নেলাগে। এনে কৰিলে গ্ৰন্থাগাৰসমূহ ক্ৰমে এক সামাজিক অনুষ্ঠানলৈ ৰূপান্তৰিত হ'ব, যিয়ে পৰোক্ষভাৱে গোটেই সমাজখনকে বৌদ্ধিক দিশত আগবঢ়াই নিয়াত দায়িত্ব লব পাৰে। গ্ৰন্থাগাৰটি আকৰ্ষণীয়কৈ সজাই সৰহ কিতাপ ৰাখি এটা কাৰ্য্যকৰী গ্ৰন্থাগাৰ হিচাবে শিক্ষানুষ্ঠানটিৰ এটা অপৰিহাৰ্য্য অঙ্গ হিচাবে পৰিগণিত হব।

মুডালিয়াৰ আয়োগেও মাধ্যমিক পৰ্য্যায়ৰ শিক্ষাত গ্ৰন্থাগাৰৰ ভূমিকা সমন্ধে এইদৰে কৈছে–,'As the proper use of a well equipped school library is absolutely essential for the efficient working at every educational institution and for encouraging literacy and cultural interest among stndents, every secondary school should have a library. ভাৰতৰ আন প্ৰদেশৰ নিচিনাকৈ অসমতো চৰকাৰৰ ফালৰপৰা প্ৰতি বিদ্যালয়তে একোটা গ্ৰন্থাগাৰ ৰখাৰ কথা নিৰ্দ্দিষ্টকৈ উল্লেখ কৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত প্ৰকৃত গ্ৰন্থাগাৰ থকা বিদ্যালয়ৰ সংখ্যা নিচেই তাকৰ। বেছিভাগ গ্ৰন্থাগাৰত থকা কিতাপসমূহ পুৰণি, অপ্ৰয়োজনীয় আৰু নতুনকৈ কিনা কিতাপসমূহো ছাত্ৰ–ছাত্ৰীৰ প্ৰয়োজনৰ লগত সংগতি ৰাখি সংগ্ৰহ কৰা নহয়। বিদ্যালয় গ্ৰন্থাগাৰ বুলিলে কেইটামান পুৰণি আলমাৰীত অনাকৰ্ষণীয়কৈ কিতাপবোৰ ৰখা দেখা যায়।

এটা কথা নিঃসন্দেহে কব পাৰি যে আমাৰ বিদ্যালয়সমূহত কম পৰিমাণে যিখিনি পুথি থাকে সেইখিনিৰো ব্যৱহাৰ অতি নগণ্য। ইয়াৰ পৰিপ্ৰেক্ষিতত আন আন দিশসমূহৰ লগতে বিদ্যালয়সমূহত পূৰ্ণকালীন গ্ৰন্থাগাৰিক নিযুক্তি নোহোৱাটো এক উল্লেখযোগ্য কাৰণ। কোনো এজন শিক্ষকক গ্ৰন্থাগাৰ চলোৱা দায়িত্ব দিয়া হয় যদিও তেওঁ শ্ৰেণীত পাঠদান কাৰ্য্যত নিয়োজিত হোৱাবাবে গ্ৰন্থাগাৰটিৰ সম্পূৰ্ণ দায়িত্ব লোৱা সম্ভৱ নহয়।

এক পৰিসংখ্যাৰ পৰা জানিব পৰা গৈছে যে কেৱল ৩০ শতাংশ ছাত্ৰ-ছাত্ৰীয়েহে বিদ্যালয় গ্ৰন্থা-



গাৰ ব্যৱহাৰ কৰে। সেইসকলৰো বেছিভাগে নিজে নপঢ়ি আনৰ বাবেহে কিতাপ আনি দিয়ে। এই পৰিসংখ্যাই উঠি অহা চামৰ অধ্যয়নৰ প্ৰতি নিস্পৃহতাকে সূচায়। বৰ্ত্তমান শিক্ষানীতিৰ আধাৰত মাধ্যমিক পৰ্য্যায়ৰ শিক্ষা ব্যৱস্থাৰো আমূল পৰিবৰ্ত্তন ঘটিছে। এই ক্ষেত্ৰত +২(১০+২+৩) পৰ্য্যায়টো সম্পূৰ্ণভাৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰম্ভ কৰা হৈছে যিটো আগতে মহাবিদ্যালয়ত আছিল। অসমত উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিকলৈ ৰূপান্তৰ কৰা হৈছে। এই উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত নতুন নতুন বিষয়ৰ শিক্ষক নিয়োগ কৰা হৈছে; পাঠ্যক্ৰম উন্নীত কৰা হৈছে। অথচ, গ্ৰন্থাগাৰবোৰৰ প্ৰতি প্ৰকৃত গুৰুত্ব দিয়া হোৱা নাই। গ্ৰন্থাগাৰৰ প্ৰতি এনে এলাগী মনোভাৱ পোষণ কৰিলে বৰ্ত্তমানৰ শিক্ষানীতি বাস্তৱক্ষেত্ৰত যে ফলদায়ক নহব, ই ধ্ৰুৱ। বৰ্ত্তমানৰ শিক্ষাদান আৰু শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াত এই গ্ৰন্থাগাৰসমূহে যাতে এক গতিশীল নেতৃত্ব দিব পাৰে তাৰবাবে বিদ্যালয় কৰ্তৃপক্ষ, ইয়াৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে সমন্বিত প্ৰচেষ্টা চলোৱা উচিত।

পুথি অধ্যয়ন আৰু গ্ৰন্থাগাৰৰ জৰিয়তে এই অভ্যাস নিয়মিত ৰূপে চলাই থকাটো একো-একোজন ছাত্ৰ-ছাত্ৰীয়ে স্কুলীয়া পৰ্য্যায়তে উপলব্ধি তথা কাৰ্য্যকৰী কৰা প্ৰয়োজন। তেতিয়া স্কুলীয়া ডেওনা পাৰহৈ মহাবিদ্যালয়ত ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰীয়ে গ্ৰন্থাগাৰৰ উপযোগিতা আৰু সেৱা সম্বন্ধে সম্যক জ্ঞান পাব আৰু মহাবিদ্যালয় গ্ৰন্থাগাৰে তেওঁলোকৰ অধ্যয়ন অভ্যাস অটুত ৰখাত সম্পূৰ্ণ সহযোগিতা আগবঢ়াব পাৰিব।

## মহাবিদ্যালয় গ্ৰন্থাগাৰৰ ভুমিকা

সুপৰিকল্পিত আৰু সুসংগঠিত গ্ৰন্থাগাৰসমূহ আধুনিক শিক্ষাৰ আধাৰস্বৰূপ। প্ৰতি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত একোটা গ্ৰন্থাগাৰে অনুষ্ঠানটিৰ শৈক্ষিক দিশত এক বলিষ্ঠ ভূমিকা লয়। শ্ৰেণীৰ শিক্ষাৰ প্ৰক্ৰিয়া বিকশাই তুলি প্ৰকৃত দিশত আগবঢ়াই নিয়া এই গ্ৰন্থাগাৰৰ দায়িত্ব। আধুনিক যুগৰ লগত বৰ্ত্তমান শিক্ষাব্যৱস্থা খাপ খুৱাব লাগিলে সামূহিক বক্তৃতাদান পদ্ধতিৰে শিক্ষাদান কৰাৰ পৰিবৰ্ত্তে ব্যক্তিগত প্ৰচেষ্টাৰে শিক্ষাগ্ৰহণত গুৰুত্ব দিয়া উচিত। এই ক্ষেত্ৰত গ্ৰন্থাগাৰিক–সকলেও ইয়াৰ গুৰুত্ব বুজি কাম কৰিব লাগিব। ত্যাগৰ মনোভাৱেৰে সেৱা আগবঢ়োৱা উচিত। তেখেতসকলে গ্ৰন্থাগাৰৰ বিষয়ে থকা "গ্ৰন্থ সংৰক্ষণ কৰা স্থান"—এই পুৰণি ধাৰণাৰ পৰিবৰ্ত্তন ঘটাই এটা "শৈক্ষিক কৰ্মস্থল" ৰূপে গঢ় দিব লাগিব। এই উদ্দেশ্য কৃতকাৰ্য্যতাৰে পালন কৰিবলৈ গ্ৰন্থাগাৰিকসকলে মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু শিক্ষকসকলৰ পৰা পূৰ্ণ সহযোগিতা পাব লাগিব। বিশেষকৈ শিক্ষকসকলে নিৰ্দিষ্ট বিষয়সমূহৰ অগ্ৰগতি আৰু তাৰ লগত ৰজিতাখুৱাই প্ৰকাশ হোৱা পুথিসমূহৰ এক সম্যকজ্ঞান ছাত্ৰ–ছাত্ৰীসকলক দিয়া প্ৰয়োজন। গ্ৰন্থাগাৰক আহিলা হিচাবে লৈ ছাত্ৰ–ছাত্ৰীসকলক পঢ়াৰ প্ৰতি আকৰ্ষণ কৰাত শিক্ষকসকলে আগভাগ লব লাগে।

অসমৰ মহাবিদ্যালয়সমূহৰ বৰ্ত্তমানৰ বৌদ্ধিক মানদণ্ড আন প্ৰদেশৰ তুলনাত বহু নিমুখাপৰ। এই ক্ষেত্ৰত গ্ৰন্থাগাৰিকসকলৰ পদমৰ্য্যদা, সীমিত বিত্তীয় অৱস্থা, নিমুমানৰ গাঁথনি, পাঠ্যপুথি আৰু সহায় পুথি ভিত্তিক প্ৰচলিত শিক্ষাব্যৱস্থা, গ্ৰন্থাগাৰিকসকলৰ সেৱা বিমুখিতা আদিয়েই প্ৰধান কাৰণ। আগতে কৈ অহাৰ দৰে গ্ৰন্থাগাৰসমূহৰ পৰা প্ৰকৃতভাৱে সেৱা পাবলৈ হ'লে ইয়াৰ কৰ্মীসকলে গুৰুত্বসহকাৰে এই দায়িত্ব লব লাগিব। বাস্তৱ ক্ষেত্ৰত গ্ৰন্থাগাৰিকসকলক শৈক্ষিক শ্ৰেণীৰ পদমৰ্য্যদা প্ৰদান কৰা স্বত্বেও এখেতসকলৰ কামৰ পৰিধি উচ্চপৰ্য্যায়লৈ উন্নীত হোৱা নাই। এনে বিসঙ্গতি যিমান সোনকালে পৰা যায় আঁতৰ কৰিলে গ্ৰন্থাগাৰটি মহাবিদ্যালয়ৰ এক অবিচ্ছেদ্য

অঙ্গ হৈ পৰিব। মহাবিদ্যালয়সমূহত নকৈ ভৰ্ত্তিহোৱা ছাত্ৰ-ছাত্ৰীসকলৰ গ্ৰন্থাগাৰৰ প্ৰতি থকা ধাৰণা পুতৌ লগা। ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন বিমুখিতা আৰু শৈক্ষিক বাতাবৰণৰ লগত নিজকে খাপ খুৱাই লৈ যাব নোৱাৰাই এই ধাৰণাৰ উৎস। জ্ঞান আহৰণৰ প্ৰতি তেওঁলোকৰ অনীহাই উৎকৰ্ষ সাধনৰ প্ৰধান অন্তৰায়। এনেকুৱা কলেজীয়া ছাত্ৰ–ছাত্ৰী আছে যিসকলে অভিধান তথা বিশ্ব–কোষৰ ব্যৱহাৰ নাজানে। এওঁলোক মানৱজাতিৰ বিভিন্ন দিশত হোৱা অগ্ৰগতি আৰু জনজীৱনত ইয়াৰ প্ৰভাৱ সম্পৰ্কে সম্পূৰ্ণ নিৰ্বিকাৰ হৈ থকা দেখা যায়। পৰীক্ষাত কৃতকাৰ্য্য হোৱাই তেওঁলোকৰ একমাত্ৰ উদ্দেশ্য হৈ পৰে। এই দৈন্য আঁতৰোৱাৰ বাবে তেওঁলোকৰ নিজাববীয়া প্ৰচেষ্টাৰ লগতে বৰ্ত্তমান পাঠ্যক্ৰম আৰু পৰীক্ষা পদ্ধতিৰ পৰিবৰ্ত্তনৰ প্ৰয়োজন হব। সৰহভাগ শিক্ষকৰে অধ্যয়ন বিমুখিতাৰ প্ৰভাৱ ইয়াত পৰিছে। গ্ৰন্থাগাৰৰ প্ৰতি তেখেতসকলৰ মনোভাৱ সন্তোষজনক নহয়। ইয়াৰে ভিতৰত কমসংখ্যক শিক্ষকহে অন্যয়নমুখী। তাকৰীয়া হলেওঁ এখেতসকলৰ অধ্যয়নৰ প্ৰতি থকা অনুৰাগ ছাত্ৰ–ছাত্ৰীসকলৰ বাবে প্ৰেৰণাদায়ক। একোখন মহাবিদ্যালয়ৰ গুণগত দিশত এই শিক্ষকসকলৰ পৰা পোৱা প্ৰেৰণাই যথেষ্ট প্ৰভাৱ পেলায়।

মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰো গ্ৰন্থাগাৰৰ প্ৰতি এক গধুৰ দায়িত্ব আছে। ভাৰতবৰ্ষৰ শিক্ষা–বিষয়ক ৰাধাকৃষ্ণণ আয়োগে কোৱা ',Library is the heart of all educational institutions' এই কথাষাৰ কৰ্তৃপক্ষই বাস্তৱ ক্ষেত্ৰত গ্ৰহণ কৰিব লাগিব। প্ৰকৃত মানদণ্ডেৰে গ্ৰন্থাগাৰিকসকলক মহাবিদ্যালয় গ্ৰন্থাগাৰ গঢ়ি–তোলাত সহযোগ আগবঢ়ালে ইয়াৰ ফলশ্ৰুতি সুদূৰপ্ৰসাৰী হব। প্ৰয়োজনীয় বিত্তীয় অনুদান; সেই অনুপাতে কৰ্মচাৰী নিয়োগ আদি আটাই-বোৰ দিশত কৰ্তৃপক্ষৰ মনোযোগ আৰু কাৰ্য্য-কৰী ব্যৱস্থা গ্ৰহণে গ্ৰন্থাগাৰসমূহক নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাত সহায় কৰিব।

আটাইবোৰ দিশ সামৰি লৈ ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন অভ্যাস গঢ়াত গ্ৰন্থাগাৰৰ ভূমিকা শীৰ্ষক আলোচনাত নিম্নলিখিত কাৰণসমূহ ফলপ্ৰসূ কৰাত একান্ত প্ৰয়োজন অনুভৱ কৰা হৈছে।

(১) অধ্যয়ন অভ্যাস গঢ়ি তোলাত প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে স্কুল পৰ্য্যায়তে পৰিবেশ সৃষ্টি কৰিব লাগিব। এই ক্ষেত্ৰত স্কুলীয়া গ্ৰন্থাগাৰৰ লগতে ৰাজহুৱা গ্ৰন্থাগাৰতো যৌথ প্ৰচেষ্টাৰ প্ৰয়োজন।

(২) শিক্ষানুষ্ঠানসমূহত গ্ৰন্থাগাৰ সেৱাৰ সফল কাৰ্য্যকৰণাৰ্থে গুণগত পুথিসংগ্ৰহ, সুপৰিকল্পিত সংগঠন, নিয়মাৱলীৰ শিথিলকৰণ আদি স্বৰ্ত্তসমূহ পূৰণ কৰা বাঞ্চনীয়।

(৩) নিয়মিত বিত্তীয়যোগান গ্ৰন্থাগাৰৰ বাবে অপৰিহাৰ্য্য।

(৪) বৰ্ত্তমান শিক্ষা ব্যৱস্থা আৰু শিক্ষা পদ্ধতিৰ পৰিবৰ্তন ঘটাই গ্ৰন্থাগাৰ কেন্দ্ৰিক পাঠ্যক্ৰম সকলোস্তৰতে প্ৰচলন কৰা উচিত।

(৫) গ্ৰন্থাগাৰ সেৱা জনমুখী কৰাৰ অৰ্থে মাধ্যমিক পৰ্য্যায়ৰ সমাজ অধ্যয়ন আৰু স্নাতক পৰ্য্যায়ৰ অ্যধাৰ পাঠ বিষয়ত "গ্ৰন্থাগাৰ সেৱা আৰু সংগঠন" শীৰ্ষক এ.কাটা অধ্যায় সন্নিবিষ্ট কৰিব লাগে।

(৬) অধ্যয়নক এটা অভ্যাসত পৰিণত কৰিবৰ বাবে বিদ্যালয়/মহাবিদ্যালয় পৰিয়ালৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী কৰ্তৃপক্ষ, গ্ৰন্থাগাৰিক আটাইৰে সামূহিক দায়িত্ব আছে। সকলোৰে সামূহিক প্ৰচেষ্টাত অনুষ্ঠানত থকা গ্ৰন্থাগাৰটি প্ৰকৃতাৰ্থত এক কাৰ্য্যকৰী গ্ৰন্থাগাৰ হৈ পাৰিব। +

(ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন গ্ৰন্থাগাৰিক শ্ৰীলহকৰ বৰ্ত্তমানে গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ বিজ্ঞান বিভাগৰ প্ৰবক্তা।)



# মাধ্যমিক পৰ্য্যায়ত ইংৰাজী শিক্ষাৰ সমস্যা

শ্ৰীপদ্মৰাম শালৈ

আজি কালি সৰহভাগ ছাত্ৰ-ছাত্ৰীৰ বাবে ইংৰাজী বিষয়টোৱে এক সমস্যাৰ সৃষ্টি কৰিছে; এই সকল ছাত্ৰ-ছাত্ৰীৰ বাবে ই সামগ্ৰিকভাবে শিক্ষা আহৰণৰ পথত এক অন্তৰায় হৈ পৰিছে। ইপিনে বাধ্যতামূলক ভাবে এই বিষয় লবই লাগিব, এৰাৰ উপায়। এতিয়া প্ৰশ্ন হয়—এই সমস্যাৰ গুৰি ক'ত ?

ইংৰাজী শিক্ষাৰ পাতনি মেলা হয় মাধ্যমিক স্তৰতে। মাধ্যমিক স্তৰত ইংৰাজী শিক্ষাৰ বৰ্তমানৰ পদ্ধতি সম্পৰ্কত নানা ধৰণৰ আলোচনা বিলোচনা কাণত পৰে। প্ৰায়ভাগেই কয় আগৰ পদ্ধতিয়েই ভাল আছিল; সেই পদ্ধতিত পঢ়িয়েই ছাত্ৰ-ছাত্ৰীসকলে এণ্ট্ৰেন্স, আই, বি, এ আদি পৰীক্ষাত অসমীয়াৰ বাহিৰে আন সকলো বিষয় ইংৰাজীতে লিখি সুখ্যাতিৰে কৃতকাৰ্য্য হৈছিল। এতিয়ানো এইটো কি পদ্ধতি উলিয়াইছে–নাই গ্ৰামাৰ, নাই ট্ৰানশ্লেশ্যন, একোৱেই নাই; ফলত ছাত্ৰ-ছাত্ৰীয়েও শিকিছে সেয়া। আগৰ পদ্ধতি আছিল অনুবাদ পদ্ধতি---Translation method, এতিয়াৰ পদ্ধতি গঠন পদ্ধতি-Stuctural method. অগৰ পদ্ধতি ১৯৭৩ চনলৈকে চলিছিল; সেই পদ্ধতিক আজিও বাঃ বাঃ দিয়া হয়। পিচৰটো ১৯৭৩ চনৰ পৰা আজি লৈকে চলি আছে; এই পদ্ধতিৰ প্ৰতি কটাক্ষ কৰা হৈছে। এই বছৰ (১৯৮৮)ৰ পৰা আকৌ এটা নতুন পদ্ধতি প্ৰৱৰ্ত্তন কৰিবলৈ লৈছে–Communicated method; ইয়াৰ পৰিণতি বা কি হয়? শিক্ষন পদ্ধতি বিষয়ৰ বাঃ বাঃ আৰু নেওচা দিয়া কথাখিনি শিক্ষাবিদ, শিক্ষানুৰাগী, শিক্ষাব্ৰতী সকলে উলাই কৰিব নোৱাৰে, ইয়াৰ ফলাফল দেখি। গতিকে এই সকলৰ উদ্দেশ্য হব লাগিব বৰ্ত্তমানৰ পদ্ধতিটো যে প্ৰৱৰ্ত্তন কৰাইছে, এই পদ্ধতিৰ বৈশিষ্টনো কি তাক বিচাৰ কৰা। ইয়াৰ যদি কিবা ভাল দিশ আছে তেনেহলেনো ইয়াৰ ফল কিয় বিপৰীত হ'ল ?

ইংৰাজী ভাষাটো বিদেশী ভাষা কাৰণেই ছাত্ৰ-ছাত্ৰীয়ে এই ভাষা আয়ত্ব কৰাত টান পায় বুলি বহুজনে মত পোষণ কৰে। বৰ্তমানে আঞ্চলিক ভাষাৰ জৰিয়তেই ৰাজ্যৰ ভিতৰৰ সকলো কাম-কাজ চলাব পৰা হৈছে; হিন্দীক ভাৰতৰ ৰাষ্ট্ৰ-ভাষা হিচাপে লোৱা হৈছে বুলিও ইংৰাজী বিষয়টো ঐচ্ছিক বিষয় হিচাপে নাৰাখি বাধ্যতামূলক ভাবেই ৰখা হৈছে। কিয় ৰাখিব লগা হৈছে সেই বিষয়ে ইয়াত আলোচনা কৰিব খোজা নাই; থোৰতে ইয়াকে কব খুজিছো যে সময়ৰ সৈতে খোজ মিলাব লাগিলে ইংৰাজী ভাষা জনাটো

আৱশ্যাক। এইখিনিৰ পিচতো ছাত্ৰ-ছাত্ৰীয়ে কিয় এই বিষয়টো টান পায় ?

মাত ওলোৱাৰে পৰা শিশুৱে যিটো ভাষা শুনি আহিছে, যিটো ভাষাত নিজৰ মনৰ ভাব ব্যক্ত কৰি আহিছে, সেই ভাষাটোৰ বাহিৰে বাকী যিকোনো ভাষাই সেই শিশুৰ কাৰণে আচহুৱা। আমাৰ ল'ৰা-ছোৱালীৰ কাৰণেও ইংৰাজী ভাষাটো তেনে আচহুৱা।

ভাষা কেনেকৈ শিকে নাইবা শিকোৱা হয় ? ভাষা শিক্ষাৰ প্ৰথম কথা হ'ল পৰিস্থিতি। যি পৰিস্থিতিত বা যি ঠাইত যি ভাষাৰে কোৱা-মেলা কৰা হয়, সেই পৰিস্থিতিত নাইবা ঠাইত শিশুৱে সেই ভাষাকে শিকে, সেই ভাষাতে কথা-বতৰা পাতিব পৰা হয়। ধৰক অসমত বাস কৰা মাৰোৱাৰী বা বঙালী মানুহৰ শিশুৱে ঘৰত মাক-দেউতাক, ককায়েক-বায়েক আদিয়ে ৰাজস্থানী, হিন্দী বা বঙালীত কথা পতা শুনি থাকে কাৰণে সেইভাষাটো ঘৰতে কব পৰা হয়। আকৌ যেতিয়া অসমীয়া মানুহৰ লগত মাক-দেউতাক আদিয়ে অসমীয়াতে কথা পতা শুনিছে, সেই শিশুৱে লগে লগে অসমীয়া ভাষাত শিকে আৰু অসমীয়াতো কথা কব পাৰে। সেই শিশুক কিন্তু কোনোটো ভাষাৰে আনুষ্ঠানিক শিক্ষা দিয়া হোৱা নাই ; পৰিস্থিতিত পৰি আপোনা-আপুনি দুয়োটা ভাষাকে শিকিলে। হাফলঙত থাকোঁতে দেখিছিলো স্কুলত নিশিকাকৈও হাফলঙ চহৰত বসবাস কৰা ল'ৰা-ছোৱালীয়ে নিজৰ আত্মীয়-স্বজনৰ লগত নিজৰ ভাষাত কথা পাতে, বঙালী ভাষীৰে সৈতে বঙালীত কথা পাতে, সমূহীয়া ভাবে হিন্দীতে কথা পাতে, আৰু ইংৰাজী ভাষাত প্ৰাৰ্থনা গীতো গায়। স্কুলত নপঢ়াকৈয়ে ইমানবোৰ ভাষা যে শিকিব পাৰিছে একমাত্ৰ পৰিস্থিতিৰ বাবেহে। গতিকে ভাষা শিক্ষাৰ প্ৰথম উপাদান পৰিস্থিতি। দ্বিতীয়তে দৃশ্যমান বস্তু। কোনো শিশুৱে ভাষা শিকাৰ আগতে বস্তুবোৰৰ নাম নিশিকে। মাত ওলোৱাৰ পৰা ঘৰৰ পৰিয়ালৰ মানুহে কোনটো কি কয় শিশুৱে লক্ষ্য কৰে, বুজে অৰ্থাৎ কোনটো কি পাৰ্থক্যখিনি বুজি মনত ৰাখে আৰু সেইমতে কব পৰা হয়। গতিকে ভাষা শিকাৰ প্ৰধান কথা হ'ল-পৰিস্থিতি, দৃশ্যমান বস্তু-এই বস্তুবোৰৰ কোনটোক কি বোলা হয় সেইটো কাণেৰে শুনাৰ, লগে লগে বুজা আৰু কোৱা। ইংৰাজীত তাকে কোৱা হয়— Situation, Audio-Visual, Understanding and speaking, লিখাটো প্ৰথমতে নহয়। এয়েই হৈছে ভাষা-শিক্ষাৰ বিজ্ঞানসন্মত পদ্ধতি।

ভাষা শিক্ষাৰ ক্ষেত্ৰত আৰু এটা কথা মন কৰিব লগীয়া। শিশুৱে প্ৰথমে কিছুমান শব্দ শিকে যদিও বাক্যৰ গঠনো কিন্তু নিশিকাকৈ নাথাকে। স্কুললৈ আহি আখৰ চিনি মাতিব পৰা হোৱাৰ আগতেই ল'ৰা-ছোৱালীয়ে কথা কওঁতে বাক্যৰেহে কয়, অকল শব্দটোকে নকয়। গতিকে শুনি শুনি বাক্যত কথা কোৱা অভ্যাস আপোনা আপুনি হয়। যিকোনো ভাষাৰ ক্ষেত্ৰত এইটো প্ৰযোজ্য। আমাৰ বিদ্যালয়সমূহত বৰ্তমান যি পদ্ধতিত ইংৰাজী শিক্ষা দিয়া হৈছে-সেইটোও Situation, audio-visual, understanding and speaking পদ্ধতিহে আৰু তাৰ নামাকৰণ কৰিছে Structural method.

ইংৰাজী শিকোৱাৰ সময়ত শ্ৰেণীৰ ভিতৰতনো কি Situation বা পৰিস্থিতি সৃষ্টি কৰা হয় ? এইখিনিতে শিক্ষকৰ কৃতিত্ব ওলাই পৰে। ব্যাকৰণৰ ভিতৰত পৰক বা নপৰক শিক্ষক বুলিলে মই ধাৰণা কৰো— শিক্ + খক্ = শিক্ষক, অৰ্থাৎ আগতে নিজে শিকি লৈহে ছাত্ৰ-ছাত্ৰীক খুৱাব বা শিকাব। শিক্ষকে শিকিবলগীয়া কথাটো হ'ল



teaching technique. শিক্ষকে শ্ৰেণীত ইংৰাজী শিকাবলৈ গৈছে ইংৰাজী নজনা ছাত্ৰ-ছাত্ৰীক ; ইংৰাজী শিকাব লাগিব কিন্তু ইংৰাজৰ পৰিবেশত। এতিয়া সেই পৰিস্থিতিটো সৃষ্টি কৰা হব কেনেকৈ ? শিক্ষকজনে আৰু এটা কথা মনত ৰাখিব লাগিব। তেওঁ ছাত্ৰ-ছাত্ৰীক শিক্ষা দিব। শিক্ষা মানে শিক্ + খা ; শিকি লৈ খোৱা অৰ্থাৎ দেখি শুনি বুজি লোৱা। শিক্ষকে শিকাব, নে ছাত্ৰ-ছাত্ৰীয়ে শিকিব, নে শিক্ষকে ছাত্ৰ-ছাত্ৰীক শিক্ষাত সহায় কৰিব ? আগৰ দিনত বিদ্যালয়ত, প্ৰচলিত এটা প্ৰবাদ আছে—"Spare the rod and spoil the child"—বেৎ এৰা মানেই লৰা-ছোৱালীক নষ্ট কৰা ; সংক্ষেপে চেকনিৰ আগত বিদ্যা। এইটো প্ৰবাদ বুলি কোৱা যায় যে আগতে বিদ্যালয়খনক teaching Situation বুলিহে গণ্য কৰা হৈছিল। এতিয়া বিদ্যালয়ত আগৰ নিচিনাকৈ চেকনিৰ প্ৰয়োজন নাই। এতিয়া teaching Situation ৰ পৰিৱৰ্ত্তে Learning Situation ৰ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীক শিক্ষা আহৰণত সহায় কৰা বাঞ্চনীয়। এই Learning Situation সৃষ্টি কৰি শিক্ষা দিব পৰাটোকে Situational teaching বোলা হয়।

Situational teaching ৰ বাবে প্ৰথমতে দৃশ্যমান বস্তুৰ আৱশ্যাক হয় আৰু এই দৃশ্যমান বস্তুৰ আলমতে বাক্য গঠন পদ্ধতিত শিকাবলৈ যত্ন কৰা আৱশ্যাক। যেনে:—This is a book, This is a pencil, This is a bench, This is a chair ইত্যাদি ইত্যাদি। শিক্ষক জনে বস্তুটো হাতত ললে আৰু ইংৰাজী এবাৰ, দুবাৰ, তিনিবাৰ মানকৈ কলে। এইটো কোৱা আৱশ্যাক নহয় যে this মানে এইটো, is মানে হয়, a মানে এখন, book মানে কিতাপ ; গতিকে This is a book এইখন এখন কিতাপ। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ বোধশক্তিত বাধা জন্মোৱা হ'ল। শিক্ষকজনৰ উদ্দেশ্য হব লাগিব—This is a—? এটা Structure আৰু এই Structure টোৰে কিমানটা শব্দ (Vocabulary) শিকাব পাৰিছে। Book মানে কিতাপ বুলি নকৈ হাতত কিতাপখন লৈয়ে This is a book বুলি কওঁতে ল'ৰাই বুজিলে যে এইখন কিতাপ। সেইধৰণে প্ৰত্যেকটো শব্দৰ ক্ষেত্ৰতেই। Book, Pencil, Bench, Chair, আদি দেখুৱাই কোৱাৰ লগে লগে ল'ৰাই কোনটোক কি বোলে বুজিবই। Structure বোৰ graded কৰি দিয়া আছেই ; আৰু প্ৰত্যেকটো Structure শিকাওঁতে শিক্ষক জনে কেনেকৈ শিকাব সেই বিষয়ে আগতীয়াকৈ কিতাপ পঢ়ি, চিন্তা কৰি আলোচনাৰ মাজেৰে পাঠদান কৰিলেই ছাত্ৰ-ছাত্ৰীয়ে নিশ্চয় কিছু শিকিব।

এই ক্ষেত্ৰত আমাৰ আটাইতকৈ ডাঙৰ সমস্যা হৈছে আমি কি পঢ়ুৱাম, কেনেকৈ পঢ়ুৱাম সেই বিষয়ে পৰিকল্পনাৰ অভাৱ। আমি প্ৰায়ে সান্ত্বনা লভো এই বুলিলেই যে বৰ্ত্তমানৰ পদ্ধতিত ইংৰাজী শিকোৱাৰ বাবে উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ। হয়। কিন্তু শিক্ষকতাকে যেতিয়া জীৱিকাৰ পথ হিচাপে আকোঁৱালি লোৱা হৈছে, শিক্ষকৰ ওপৰতে যিহেতু দেশৰ তথা জাতিৰ ভৱিষ্যত নিৰ্ভৰ, গতিকে ব্যৱসায়ী দৃষ্টিভঙ্গীৰে নলৈ কৰ্ত্তব্যৰ দৃষ্টিভঙ্গীৰেহে লোৱা বাঞ্চনীয়। কৰ্ত্তব্যৰ প্ৰতি দায়িত্ববোধেই শিক্ষকক প্ৰকৃত শিক্ষক হিচাপে গঢ়িব পাৰে - প্ৰশিক্ষণ পাওঁক বা নাপাওঁক। বিদেশী ভাষা হিচাপে ইংৰাজী শিকাবলৈ হলে শিক্ষকজন সজাগ হব লাগিব approach সম্পৰ্কে। approach সম্পৰ্কীয় ভাবটোৱে শিক্ষকজনক সজাগ কৰি তুলিব আৰু তাৰবাবে উপায় উদ্ভাৱন কৰিবলৈ চেষ্টা কৰিব। এই চেষ্টাই method ৰ সৃষ্টি কৰিব। এই method প্ৰয়োগ কৰিলে তেওঁ কৃতকাৰ্য্য হব পাৰিছেনে নাই নিজেই বুজি

পাব। যদিহে কৃতকাৰ্য্যতা দেখা যায়, তেতিয়া হলে সেই method টোৱেই শুদ্ধ। সেয়েহে কোৱা হয় – "One's own method is the best method." পৰিতাপৰ বিষয়ে যে বাস্তৱক্ষেত্ৰত শিক্ষকৰ এই বিষয়টোৰ প্ৰতি বিশেষ সজাগতা পৰিলক্ষিত নহয়।

দ্বিতীয় সমস্যা হৈছে Syllabus সম্পৰ্কীয় জ্ঞানৰ অভাৱ। শিক্ষাবিদ সকলে কৈছে এজন ছাত্ৰই উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতকাৰ্য্য হবলৈ হলে দুশ দহোটা Structure আৰু দুহেজাৰ সাতশ শব্দ শিকিব লাগে। সেই অনুপাতে ৫ম শ্ৰেণীৰপৰা Structure বোৰ graded কৰি দিয়া হৈছে। গতিকে যিটো শ্ৰেণীৰ বাবে যি কেইটা Structure নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে, তাৰে যদি এটা Structure ও নিশিকোৱাকৈ ৰৈ যায় সেই Structure সম্পৰ্কীয় জ্ঞান ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰিব নোৱাৰাকৈ ৰৈ যায়। বাস্তৱস্ততে দেখা যায় বছৰৰ শেষত প্ৰায়বোৰ শ্ৰেণীতে কেবাটাও Structure নিশিকোৱাকৈয়ে ৰৈ যায়, ফলত ওপৰ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীয়ে টান পায়।

তৃতীয় সমস্যা হৈছে drillingৰ অভাৱ। শিক্ষা আহৰণৰ ক্ষেত্ৰত drilling অতি আৱশ্যকীয় যিকোনো Structure শিকাওতে শিক্ষক জনে নিজাববীয়াকৈ সেই Structureটো drill কৰাৰ আৱশ্যক। পিচত কিতাপত থকা নতুন শব্দ কেইটা Synonym word এৰে drill কৰি ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিব লাগে। পঢ়া আৰু বুজাৰ পিচত Substitiution table, Fill in the blanks, correction আদি কৰিবলৈ দিলে ছাত্ৰ-ছাত্ৰীয়ে নিশ্চয় নিশিকাকৈ নাথাকে।

চতুৰ্থ সমস্যা হৈছে–Scheme ৰ প্ৰতি গুৰুত্বৰ অভাৱ। বছৰৰ আৰম্ভণিতে বিদ্যালয় দিন-পঞ্জী মতে Scheme কৰি লোৱাটো অতিকৈ আৱশ্যকীয় কথা। শ্ৰেণীটোত কিমানটা lesson পঢ়ুৱাব লাগিব, তাৰবাবে বছৰত কিমান দিন পাব, প্ৰত্যেকটো lesson ৰ বাবে কেইদিনকৈ লব পাৰিব, দিনকেইটা কেনে ধৰণে ব্যৱহাৰ কৰিব – আদি সমস্ত কথা বছৰৰ আৰম্ভণিতে ঠিক কৰি লৈ সেইমতে পঢ়ুৱালে নিৰ্দ্ধাৰিত পাঠকেইটিৰ এটিও বাদ পৰিব নোৱাৰে।

এনে ধৰণৰ বহুতো সমস্যাই আছে যাৰফলত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী শিক্ষা আহৰণ কৰাত ব্যৰ্থ হব লগা হৈছে। +

( আজীৱন শিক্ষাব্ৰতী আৰু সুলেখক শ্ৰীগদাৰাম শালৈদেৱ বঙিয়া অঞ্চলৰ শিক্ষা-সাহিত্য-সংস্কৃতি আদি ক্ষেত্ৰৰ লগত একান্তপতীয়াভাৱে জড়িত এগৰাকী বিশিষ্ট ব্যক্তি। তেখেতৰ প্ৰকাশিত আৰু অপ্ৰকাশিত বিভিন্ন লিখনীৰ মাজেৰে এটি অধ্যয়নপুষ্ট মনৰ চানেকি পোৱা যায়। একেবাহে কেবা বছৰ ধৰি বঙিয়া ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক হৈ থকা কালত তেখেত বঙিয়া মহাবিদ্যালয়কে আদি কৰি বিভিন্ন অনুষ্ঠানৰ লগত জৰিত আছিল। বৰ্ত্তমান তেখেত ৰঙিয়াৰ পৰা ১০ কিলোমিটাৰ নিলগৰ উচ্চতৰ মাধ্যমিক বাণী বিদ্যাপীঠ ( চনমাগুৰি )ৰ অধ্যক্ষ। )